● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

সমালোচক হয় সেইজনেই, যিজনে গাড়ী যোৱা ৰাস্তাটো চিনি পায়; কিন্তু গাড়ীখন চলাব নোৱাৰে।

কেনেথ টাইনান
*নাট্য সমালোচক*



৭ তিনি লাখ কোটিৰ জাপানী বিনিয়োগ লাভ ভাৰতৰ
১৫ কেৰিয়াৰৰ ২০০ মেচ খেলিলে ঝুলনে
৪ আকাশকুসুম আঁচনিৰ বাজেট ঃ বাজেটবোৰত জনসাধাৰণক মোহিত কৰিব পৰা অসংখ্য আঁচনি সাহিত্য সৃষ্টিৰে ঘোষণা কৰে

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৬১তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৬ চ'ত ১৪২৮ ভাস্কৰাব্দ ২১ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Monday 21 March 2022 মূল্য ঃ ৯.০০ টকা

## মুছলিম বিদ্বেষ ঃ সত্যতা, পটভূমি আৰু গভীৰতা

■ প্ৰাঞ্জলসেন ডেকা

**শেহতীয়া** সময়ছোৱাত, বিশেষকৈ নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি কেন্দ্ৰত শাসনাধিষ্ঠিত হোৱাৰ সময়ৰে পৰা দেশত মুছলিমসকলে শংকা-সংশয়ৰ মাজেদি দিন অতিবাহিত কৰিবলগীয়া হৈছে বুলি ভাৰতৰ বাহিৰে-ভিতৰে চৰ্চা চলি আহিছে। আন্তৰ্জাতিক মঞ্চত প্ৰধানমন্ত্ৰী মোদীয়ে এক উচ্চ আসন অধিকাৰ কৰিবলৈ সক্ষম হ'লেও তাৰ সমান্তৰালভাৱে *১০ পৃষ্ঠাত চাওক*

■ চৰকাৰৰ পৃষ্ঠপোষকতাত নিশকতীয়া হৈছে প্ৰশাসনীয় ব্যৱস্থা ■ দিছপুৰতে অৰ্থহীন হৈছে প্ৰশাসনীয় স্বচ্ছতা ■ ‘কঠোৰ’ সেৱা বিধি উলংঘা আই এ এছ-আই পি এছ-এ চি এছ-এ পি এছৰ

# সম্পত্তিৰ হিচাপ নিদিয়ে সাত শতাধিক বিষয়াই




অচিৰেই কাম আৰম্ভ হ'ব ঃ পদব্ৰজে গড় পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## তিৰা বীৰ জোঙাল বলহুৰ স্মৃতি যুগমীয়া কৰিবলৈ পৰ্যটনথলী প্ৰকল্প

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰহা, ২০ মাৰ্চ ঃ** ‘মই ইতিপূৰ্বে কৰা ঘোষণা অনুসৰি ৫০ কোটিৰো অধিক পুঁজি ব্যয়েৰে জোঙাল বলহু গড়ক পুনৰুজ্জীৱিত কৰাৰ লগতে বিভিন্ন উপাদানৰ সংযোজনেৰে এই গড়ক এক আকৰ্ষণীয় পৰ্যটনক্ষেত্ৰৰূপে গঢ়ি তোলাৰ বাবে এক বিস্তৃত প্ৰকল্প হাতত লোৱা হ'ব।’ এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি তিৰা জনগোষ্ঠীৰ কিংবদন্তি বীৰপুৰুষ জোঙাল বলহুৰ নামেৰে নামাংকিত ৰহাৰ ঐতিহ্যমণ্ডিত জোঙাল বলহু গড়ত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত পুনৰ কয়, ‘পৰৱৰ্তী তিনি-চাৰিমাহৰ ভিতৰতে এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব। প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে জোঙাল বলহু গড় মধ্য অসমৰ এক জাকতজিলিকা পৰ্যটনথলী হৈ উঠিব।’ *১০ পৃষ্ঠাত চাওক*

দিছপুৰতে অৰ্থহীন হৈছে প্ৰশাসনীয় স্বচ্ছতা ■ কি হৈছে অসমৰ স্বচ্ছ নিকা প্ৰশাসনৰ?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ মাৰ্চ ঃ** ৰাজ্যৰ প্ৰশাসন যন্ত্ৰ পৰিচালনা কৰা সকলেই উলংঘা কৰিছে প্ৰশাসনীয় স্বচ্ছতা। একেদৰে চৰকাৰৰ স্বচ্ছ নিকা প্ৰশাসনৰ শ্ল'গান সেই শীৰ্ষ আমোলা-বিষয়াই অৰ্থহীন কৰিছে। সেৱা বিধিক অংগুষ্ঠ প্ৰদৰ্শন কৰি অধিকাংশ আমোলা-বিষয়াই চৰকাৰক তেওঁলোকৰ বছৰেকীয়া সম্পত্তিৰ তথ্য দাখিলৰ পৰা বিৰত আছে। এইসকলৰ ভিতৰত আছে ভাৰতীয় প্ৰশাসনিক সেৱা (আইএএছ), ভাৰতীয় আৰক্ষী সেৱা (আইপিএছ), অসম অসামৰিক সেৱা (এচিএছ) আৰু অসম আৰক্ষী সেৱা (এপিএছ)ৰ বিষয়া। সেৱা বিধি অনুসৰি এইসকল বিষয়াই ৩১ জানুৱাৰী অথবা তাৰ পূৰ্বে আগৰ বছৰৰ সম্পত্তিৰ তথ্য দাখিল কৰিব লাগে। অৰ্থাৎ এটা বিত্তীয় বৰ্ষৰ অন্ত পৰিবলৈ দুমাহ থকালৈকে তেওঁলোকে সম্পত্তিৰ তথ্য দাখিল কৰিব পাৰে। অথচ যোৱা ৩১ জানুৱাৰী বাদেই *১০ পৃষ্ঠাত চাওক*



■ বিধায়কৰ ৰহাৰ বাসগৃহত উপস্থিত হৈ ঘোষণা কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই
■ হেঁচা-ভাবুকিৰে মুখ্যমন্ত্ৰীয়ে বিৰোধীৰ ভোট আদায় কৰাৰ আশংকা ব্যক্ত দেৱব্ৰত শইকীয়াৰ

## কংগ্ৰেছৰ শশীকান্তই ভোট দিব বিজেপিক

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/নগাঁও/ৰহা, ২০ মাৰ্চ ঃ** ৰাজ্যসভাৰ দুখন আসনৰ বাবে অহা ৩১ মাৰ্চত হ'বলগীয়া নিৰ্বাচনত বিৰোধীয়ে দ্বিতীয়খন আসনত নিজ প্ৰাৰ্থী বিজয়ী কৰাৰ অংকত আজি খেলিমেলি লগালে কংগ্ৰেছৰ নিলম্বিত বিধায়ক শশীকান্ত দাসে। আজি নাটকীয়ভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৰহাৰ বিধায়কজনৰ ঘৰত উপস্থিত হয়। দাসৰ ঘৰত মুখ্যমন্ত্ৰীয়ে পুৱাৰ জলপান গ্ৰহণ কৰে। ইয়াৰ পাছতে তেওঁ ৰাজ্যসভা নিৰ্বাচন সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়, ‘এই নিৰ্বাচনত শশীকান্ত দাসে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিব।’ কংগ্ৰেছৰ বিধায়ক হৈও দাসৰ ঘৰলৈ যোৱাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে লগতে কয়, ‘যি সমষ্টিলৈ যাওঁ তাৰ বিধায়কৰ ঘৰত প্ৰায়ে *১০ পৃষ্ঠাত চাওক*



## ম'বাইলত অহা মেছেজক লৈ আৰম্ভ হোৱা দন্দ্বৰ পৰিণতি

## হোলীৰ আনন্দৰ পাছত আত্মহত্যা দুই সন্তানৰ মাতৃৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২০ মাৰ্চ ঃ** শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত শ্ৰীহাটীত আজি মানসী বৰ্মন (২৭) নামৰ এগৰাকী দুই সন্তানৰ মাতৃয়ে নিজগৃহত চিপ লৈ আত্মহত্যা কৰে। পাৰিবাৰিক কন্দলৰ পৰিণতিতে এই ঘটনা সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। প্ৰতিবেশীয়ে জানিবলৈ দিয়া মতে, যোৱা *১০ পৃষ্ঠাত চাওক*

## চিৰাঙৰ আই নৈৰ হাগ্ৰামা দলঙত দুৰ্ঘটনা

## ডাম্পাৰে স্কুটী মহতিয়াই নিয়াত মৃত্যু অন্তঃসত্ত্বাৰ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২০ মাৰ্চ ঃ** চিৰাং জিলাৰ আই নৈৰ হাগ্ৰামা দলঙত আজি ডাম্পাৰে মহটিয়াই নিয়াত এগৰাকী অন্তঃসত্ত্বা মহিলাৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ক্ষুব্ধ ৰাইজে পথ অৱৰোধ কৰি দলঙত থকা আৰক্ষীৰ নিৰীক্ষণ বেৰিকেড ভাঙি লণ্ড-ভণ্ড কৰে। প্ৰাপ্ত তথ্য *১০ পৃষ্ঠাত চাওক*

ইউক্ৰেইনৰ শান্তিপ্ৰিয় নাগৰিক এতিয়া ধ্বংসস্তূপৰ গৰাহত পতিত

ৰাছিয়াৰ বিৰুদ্ধে সৰৱ জেলেন'স্কী ■ বহিৰাগত হেঁচা গ্ৰহণ নকৰে চীনে

## ৰুছ বাহিনীৰ সন্ত্ৰাসৰ ছবি আগন্তুক বহু শতিকাজুৰি পাহৰিব পৰা নাযাব

■ নিউজ ব্যুৰ'
**কিয়েভ, ২০ মাৰ্চ ঃ** অব্যাহত আছে ইউক্ৰেইনত ৰুছ বাহিনীৰ ধাৰাবাহিক আক্ৰমণ। আজভ সাগৰৰ পাৰৰ বন্দৰ নগৰী মাৰিয়ুপ'লৰ এখন চিত্ৰশিল্পৰ বিদ্যালয়ত ৰুছ বাহিনীৰ বোমা আক্ৰমণত কে'বাশ হতাহত হোৱাৰ আশংকা প্ৰকাশ কৰিছে ইউক্ৰেইনৰ কৰ্তৃপক্ষই। এই বিদ্যালয়খনত মহিলা আৰু শিশুসহ প্ৰায় চাৰিশ লোক আবদ্ধ হৈ থকা বুলি তেওঁলোকে কয়। মস্কোৰ আক্ৰমণত *১০ পৃষ্ঠাত চাওক*



■ ভোট ঐক্যবদ্ধ কৰি ৰখাত গুৰুত্ব বিৰোধী দলৰ যৌথ বিধায়িনী বৈঠকত

## ৰাজ্যসভাৰ নিৰ্বাচনক লৈ বিৰোধীৰ আঠজনীয়া কৌশল নিৰ্ধাৰণ সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ মাৰ্চ ঃ** অহা ৩১ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বিৰোধীৰ প্ৰাৰ্থী ৰিপুন বৰাক জয়যুক্ত কৰাৰ কৌশল নিৰূপণৰ বাবে আজি এখন কৌশল নিৰ্ধাৰণকাৰী সমিতি গঠন কৰা হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক অধ্যক্ষ আৰু কংগ্ৰেছৰ বিধায়ক ভৰত চন্দ্ৰ নৰহক আহ্বায়কৰূপে লৈ গঠন কৰা আঠজনীয়া সমিতিখনে প্ৰাৰ্থী বৰাৰ বিজয়ৰ সকলো হিচাপ-নিকাচ কৰিব। সমিতিৰ সদস্যসকল হ'ল কংগ্ৰেছৰ ৰকিবুল হুছেইন, এআইইউডিএফৰ হাফিজ বছিৰ আহমেদ কাছিমী আৰু আমিনুল ইছলাম, চি পি আই (এম)ৰ মনোৰঞ্জন তালুকদাৰ, ৰাইজৰ দলৰ অখিল গগৈ আৰু প্ৰাৰ্থী তথা বৰ্তমানৰ ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰা। *১০ পৃষ্ঠাত চাওক*

## অৱসৰৰ চাৰি বছৰ পাছতো পেঞ্চন নোপোৱাত আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২০ মাৰ্চ ঃ** অৱসৰৰ গ্ৰহণৰ দিনাই পেঞ্চনৰ অৱস্থা কৰা হৈছে বুলি ৰাজ্য চৰকাৰে প্ৰচাৰ চলাই আছে। এনে সময়তে অৱসৰৰ পাছত বিগত চাৰি বছৰ ধৰি পেঞ্চন নোপোৱাৰ বাবে এজন লোকে আত্মহত্যা কৰাৰ ঘটনাই মঙলদৈত *১০ পৃষ্ঠাত চাওক*

■ ফাকুৱাৰ দুদিনত কমেও ১২ কোটিৰ সুৰা বিক্ৰী ৰাজ্যত ■ মহানগৰতে ৪.৭ কোটিৰ বিক্ৰী

## মেঘালয়ৰ পৰা অবৈধ সুৰাৰ সোঁত অসমলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ মাৰ্চ ঃ** হোলী উদ্‌যাপনৰ নামত ৰাজ্যৰ সুৰাপায়ীসকলে গলাধঃকৰণ কৰিলে ১২ কোটিৰো অধিক টকাৰ সুৰা। আনন্দ প্ৰকাশ মানেই এতিয়া বহুতৰ লক্ষ্য হ'ল সুৰাৰ নৈ বোওৱা। ইংৰাজী নতুন বৰ্ষ উদ্‌যাপনৰ পাছত সেয়েহে ফাকুৱা পালনৰ নামতো সুৰা বিক্ৰীৰ মূল্যৰ পৰিমাণে অভিলেখ গঢ়িছে। আবকাৰী বিভাগৰ সূত্ৰই সদৰী কৰা মতে, এই পৰ্যন্ত সংগৃহীত প্ৰাথমিক তথ্য অনুসৰি ফাকুৱাৰ দুটা দিনত সমগ্ৰ ৰাজ্যত কমেও ১২ কোটি টকাৰ সকলো প্ৰকাৰৰ ভাৰতত প্ৰস্তুত কৰা বিদেশী সুৰা বিক্ৰী হয়। অৱশ্যে বিক্ৰীৰ এই পৰিমাণ অধিক বৃদ্ধিৰ সম্ভাৱনাও আছে। ইয়াৰ ভিতৰত অকল কামৰূপ মহানগৰতে ৪.৭ কোটি টকাৰ সুৰা বিক্ৰী হয়। তদুপৰি বেআইনীভাৱে মেঘালয়ৰ বিপণীৰ সুৰাৰ সোঁতো মহানগৰীলৈ বয়। কাৰণ মহানগৰীৰ খানাপাৰাত মেঘালয়ৰ সীমাৰ ভিতৰত অসংখ্য সুৰা বিপণী আছে। অসমৰ গ্ৰাহকক মূল লক্ষ্য কৰি এই বিপণীবোৰ স্থাপন কৰা হৈছে। অসমতকৈ *১০ পৃষ্ঠাত চাওক*

তালাচীৰ মাজেৰে মেঘালয়লৈ প্ৰেৰণৰ চেষ্টা


## চোৰাং গৰুসহ ট্ৰাক জব্দ নগাঁও বাইপাছৰ ঘাঁহিত, গ্ৰেপ্তাৰ তিনি সৰবৰাহকাৰী



**বিশেষ সংবাদদাতা**
**নগাঁও, ২০ মাৰ্চ ঃ** চোৰং গৰু সৰবৰাহৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে যদিও নগাঁও বাইপাছেদি যোৱাবাট হৈ মেঘালয়লৈ অব্যাহত আছে ইয়াৰ সৰবৰাহ। আজি বিয়লি নগাঁও *১০ পৃষ্ঠাত চাওক*

অৰ্থনৈতিক স্বাৱলম্বিতাৰ প্ৰয়াস

## তেজপুৰত মহিলাৰ বাবে বিশেষ বজাৰৰ উদ্বোধন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২০ মাৰ্চ ঃ** আজিৰে পৰা তেজপুৰৰ মিছন চাৰিআলিত প্ৰতি দেওবাৰে বহিব এখন বিশেষ বজাৰ। বজাৰখন পৰিচালিত হ'ব কেৱল মহিলাৰ দ্বাৰা। গ্ৰামীণ মহিলাসকলৰ অৰ্থনৈতিক স্বাৱলম্বিতাৰ উদ্দেশ্যে প্ৰতি দেওবাৰে পুৱাৰ পৰা সন্ধিয়া পৰ্যন্ত এইখন বজাৰৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৬° | ২২° |
| ডিব্ৰুগড় | ২৯° | ২০° |
| দিল্লী | ৩৭° | ২২° |
| কলকাতা | ৩৫° | ২৪° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩১° | ১৯° |
| শ্বিলং | ২৭° | ১৪° |

২০ মাৰ্চ, ২০২২



তেজপুৰ বেংগলী অবৈতনিক নাট্য সমাজৰ দ্বাৰা আয়োজিত বসন্ত উৎসৱ।

বিবৃতিত ক'লে নিষিদ্ধ সংগঠনটোৱে

## আৰক্ষীয়ে পৰিকল্পিতভাৱে নিৰীহক আলফা সাজিছে

**গুৱাহাটী, ২০ মাৰ্চ ঃ** অসম আৰক্ষীয়ে বিগত দিনত গুৱাহাটী মহানগৰীসহ ৰাজ্যৰ পৃথক স্থানৰ পৰা আটক কৰা চাৰিজন যুৱক আলফা (স্বাঃ)ৰ সদস্য নহয় বুলি দাবী কৰিছে *১০ পৃষ্ঠাত চাওক*

■ দুই চৰকাৰৰ স'তে দীৰ্ঘদিনীয়া ঘনিষ্ঠতাৰ সূত্ৰেই ক্ষমতাশালী হৈ উঠিছিল আবু মজুমদাৰ ■ গুৱাহাটীৰ কাৰাগাৰলৈ স্থানান্তৰ কৰিলে

## অসমত চোৰাং চুপাৰি ৰোধৰ বাবে এছঅ'পি প্ৰস্তুতত প্ৰভাৱ বিস্তাৰৰ চেষ্টা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ মাৰ্চ ঃ** বাৰ্মিজ চুপাৰিৰ অন্যতম চোৰাং ব্যৱসায়ী আবুৱ ওৰফে আবু মজুমদাৰক আজি শিলচৰ কাৰাগাৰৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰা হয়। গুৱাহাটী আৰক্ষী আয়ুক্তৰ অপৰাধ শাখাই অধিক তদন্তৰ বাবে মজুমদাৰক গুৱাহাটীলৈ আনে। যোৱা ফেব্ৰুৱাৰীত প্ৰথমতে আবুৰ ঘৰত আৰক্ষীয়ে তালাচী অভিযান চলাইছিল। কিন্তু তালাচীৰ পূৰ্বে আবুই আত্মগোপন কৰে। অৱশ্যে এসপ্তাহ পাছত আবুক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী সক্ষম হয়। লক্ষ্যণীয়ভাৱে মিজোৰাম আৰু অসম চৰকাৰৰ কৰ্ণধাৰসকলৰ লগত নিকট সম্পৰ্ক থকা আবুৰ গ্ৰেপ্তাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। অসমৰ লগতে মিজোৰাম হৈ *১০ পৃষ্ঠাত চাওক*



## চেঙা তেল



*কি যে বিড়ম্বনা! ৰাজনীতিৰ খেল-ধেমালিত এই অমূল্য মূৰ্তিও আজি এলাগি হৈছে!*

## প্ৰবাসী অসমীয়া পৰ্যটক, তীৰ্থযাত্ৰীৰ সোঁতে ৰঙীন কৰি তুলিছে বটদ্ৰৱা থান

■ দৌলযাত্ৰাৰ চতুৰ্থ দিনত আমেৰিকা-ডুবাইৰ পৰা গুৰুজনাৰ জন্মস্থলীলৈ মহিলা দৰ্শনাৰ্থী

**বিশেষ সংবাদদাতা**
**নগাঁও, ২০ মাৰ্চ ঃ** জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে প্ৰায় পাঁচশ বছৰ পূৰ্বে ‘চিহ্নযাত্ৰা’ ভাওনা অনুষ্ঠিত কৰা স্থানত জগন্নাথ পুৰীৰ ইন্দ্ৰদ্যুম্ন ৰজাই সজা দৌলৰ আৰ্হিত এটি দৌল মন্দিৰ সাজি ভাৰতীয় মহাজীৱনৰ অনুপম আনন্দ ৰঙৰ উৎসৱ ফাকুৱা পাতিছিল। তাহানিৰ পৰা এই মহান ঐতিহ্যক সাৰোগত কৰি যোৱা ১৭ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা *১০ পৃষ্ঠাত চাওক*

বনজ সম্পদৰ প্ৰাচুৰ্যস্থলীত নিবনুৱাৰ সংস্থাপনৰ বাবে থকা সুযোগৰ সদ্ব্যৱহাৰত ব্যৰ্থ চৰকাৰ

## আন্তঃগাঁথনিৰ অভাৱত ককবকাইছে গিবন অভয়াৰণ্য



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২০ মাৰ্চ ঃ** ভাৰতৰ একমাত্ৰ গিবন হলৌ বান্দৰ আৰু উত্তৰ-পূব ভাৰতৰ একমাত্ৰ নিশাচৰ স্তন্যপায়ী লাজুকী বান্দৰৰ বাবে বিখ্যাত হোলোঙাপাৰ গিবন অভয়াৰণ্যত পৰ্যটনৰ ন্যূনতম আন্তঃগাঁথনিও নাই। যোৰহাট নগৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত অৱস্থিত প্ৰকৃতিৰ ৰম্যভূমি এই গিবন অভয়াৰণ্যৰ মেটমৰা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ দেশ-বিদেশৰ পৰা বহু পৰ্যটক আহে; *আঠ পৃষ্ঠাত চাওক*

কেন্দ্ৰীয় নেতৃত্বৰ ঘোষণা

## পুনৰ মণিপুৰৰ মুখ্যমন্ত্ৰীৰূপে শপত ল'ব এন বীৰেনসিঙে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২০ মাৰ্চ ঃ** একেৰাহে দ্বিতীয়টো কাৰ্যকালৰ বাবে মণিপুৰৰ ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ চৰকাৰৰ মুখ্যমন্ত্ৰীৰূপে দায়িত্ব চম্ভালিব এন বীৰেণ সিঙে। সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ ১০ দিন পাছত আজি ৰাজ্যখনত *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ মাৰ্চ, সোমবাৰ ২০২২ পৃষ্ঠা তিনি

## বান-খহনীয়া সমস্যাৰ সমাধান, ষষ্ঠ সংযোজনৰ অন্তৰ্ভুক্তিকৰণ বাতিলৰ দাবী

**গহপুৰৰ বৰতামুলীত নাগৰিক সভা তিনি মিচিং জাতীয় সংগঠনৰ**

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২০ মাৰ্চ ঃ** উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন, বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধান, কাজিৰঙাৰ ষষ্ঠ সংযোজনত অন্তৰ্ভুক্তি বাতিলকৰণ আৰু ভূমি পট্টা প্ৰদানৰ দাবীৰে গহপুৰ মহকুমাৰ দক্ষিণাঞ্চলৰ বৰতামুলীত আজি এখন নাগৰিক ছয় পৃষ্ঠাত চাওক

## ■ মৰিলে সকাম পাতিবলৈ নাই ধন ■ বেমাৰ হ'লে খাব নোৱাৰে দৰব

# চাকৰি নিয়মীয়াকৰণ নোহোৱাত ক্ষোভ ৰান্ধনীৰ



*শিৱসাগৰত বিহুনাচ-বিহুৰ কৰ্মশালা, দেওবাৰে।*

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২০ মাৰ্চ ঃ** '২০০৫ৰ পৰা বিনা পাৰিশ্ৰমিকৰে সেৱা আগবঢ়োৱাৰ পাছত ২০১০ত এজন শিক্ষাৰ্থীৰ বিপৰীতে ৩০ পইচাকৈ বকেয়া হিচাপে চৰকাৰে কেইটামান টকা দিয়ে। আমি আমাৰ পাৰিশ্ৰমিক বৃদ্ধিৰ দাবীত বহু আন্দোলন কৰিলো। দিল্লীলৈও গ'লো। কিন্তু সুফল হ'লে নাপালো। চৰকাৰে ৰান্ধনীসকলৰ পাৰিশ্ৰমিক ২০১৯ৰ পৰা প্ৰতিমাহে ১৫শ টকা কৰাৰ পাছত সম্প্ৰতি পুনৰ পাঁচশ টকা কাটি ২০২১ৰ জুলাইৰ পৰা এই পাৰিতোষিকো এহেজাৰ কৰে। এই এহেজাৰ টকাও আমি নিয়মীয়াকৈ লাভ কৰা নাই। ইতিমধ্যে বহুসংখ্যক ৰান্ধনীৰ বিয়োগ ঘটিছে। কোনো ধৰণৰ চৰকাৰী সাহায্য এইসকল ৰান্ধনীৰ পৰিয়ালে লাভ নকৰিলে। ৰান্ধনীসকলক পুতলাৰ দৰে নচুৱাব নালাগে। আমাক দোকানত বাকী নিদিয়ে। ল'ৰা-ছোৱালীৰ হাহাকাৰ অৱস্থা হয়। মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক অনুৰোধ জনাইছো ৰান্ধনীসকলৰ প্ৰতি চকুমেলি চাওক। আমাৰ কামটো স্থায়ীকৰণ আৰু দৰমহা প্ৰতিমাহে ন্যূনতম ১০ হেজাৰ টকা কৰক।' তেজপুৰত এইদৰে মন্তব্য কৰে শোণিতপুৰ জিলা বিদ্যালয় ৰান্ধনী সন্থাৰ সভানেত্ৰী লিপিকা দেৱীয়ে। আজি পুৱা ১১ বজাত তেজপুৰ সাহিত্য সভাৰ সভাকক্ষত অনুষ্ঠিত জিলা বিদ্যালয় ৰান্ধনী সন্থাৰ এখন সভাত ৰান্ধনীসকলৰ লগতে তেওঁলোকৰ পৰিয়ালে ভোগ কৰি অহা সমস্যাৰ বিষয়ে প্ৰকাশ কৰিবলৈ গৈ বহুকেগৰাকী বক্তা কান্দোনত ভাঙি পৰে। সংগঠনটোৰ এগৰাকী উপদেষ্টা ড° পৰশমণি সিংহৰ পৌৰোহিত্যত তথা ৰান্ধনি ভূষণ দেৱনাথে আঁত ধৰা সভাখনত নিজে সন্মুখীন হোৱা সমস্যাৰ বিষয়ে প্ৰকাশ কৰি এগৰাকী ৰান্ধনী পিংকুলা দেৱীয়ে কয় যে তেওঁৰ তিনিজনীয়া পৰিয়ালটো মাহে এহেজাৰ টকাৰে কেনেদৰে চলিব লগীয়া হৈছে। সেয়া আনে সহজে অনুভৱ কৰিব নোৱাৰে। তেওঁ ৰান্ধনীসকলৰ পৰিশ্ৰম অনুপাতে কিয় প্ৰাপ্য আদায় দিয়া নহয় বুলিও প্ৰশ্ন কৰে। আন এগৰাকী ৰান্ধনী জয়ন্তী দেৱীয়ে কয় যে তেওঁ ২০০৭ৰ পৰা কাম কৰিছে। দিন হাজিৰা কৰা লোকেও এদিনত হাজিৰা তিনিশ টকা লাভ কৰে বুলি ছয় পৃষ্ঠাত চাওক

## ব'হাগ বিহুৰ পাছতেই মুকলি হ'ব কলিয়াভোমোৰাৰ দ্বিতীয়খন দলং

বিশেষ সংবাদদাতা

**নগাঁও, ২০ মাৰ্চ ঃ** উত্তৰ অসম সংযোগী অতি গুৰুত্বপূৰ্ণ কলিয়াভোমোৰাৰ দ্বিতীয়খন দলং অতি শীঘ্ৰেই যাতায়াতৰ বাবে মুকলি হ'ব। ব্ৰহ্মপুত্ৰৰ ওপৰৰ কলীয়াভোমোৰা দলঙৰ সমান্তৰালকৈ নিৰ্মিত হোৱা এই দলংখনে যাতায়াত ব্যৱস্থাৰ লগতে দেশৰ সুৰক্ষা বাহিনীৰ বাবে অধিক গুৰুত্বপূৰ্ণ হৈ পৰিব। কিয়নো দেশৰ সুৰক্ষা বাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় সীমাত উপনীত হ'বলৈ ৰেল যোগাযোগ ব্যৱস্থাৰ পাছতেই এই ঘাইপথ আৰু দলং স্থলপথ যাতায়াত ব্যৱস্থাৰ অন্যতম গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ১৯৮৭ত কলিয়াভোমোৰা দলং যাতায়াতৰ বাবে মুকলি কৰাৰ পাছত সুদীৰ্ঘ প্ৰায় তিনিটা দশকৰ অধিক সময় সুচল যাতায়াত ব্যৱস্থাত অভূতপূৰ্ব অৰিহণা যোগাই অহা এই কলিয়াভোমোৰা দলঙৰ বহন ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি দ্বিতীয়খন দলঙৰ প্ৰকল্প আৰম্ভ কৰা হয়। চুলুং-ডলাবাৰী সংযোগী এই দলংখনৰ মুঠ দৈৰ্ঘ ৩.০৪০ কিলোমিটাৰ আৰু এই দলংখনৰ মুঠ খুঁটা ২৬ টা। ৫৮৮.৯৫ কোটি টকা ব্যয় সাপেক্ষে দলংখন নিৰ্মাণ কৰি থকা হৈছে আৰু ইতিমধ্যে ৯৬ শতাংশ কাম প্ৰায় সম্পূৰ্ণ হৈছে। কলিয়াবৰ তিনিআলিৰ পৰা চুলুং হৈ ডলাবাৰীলৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দৈৰ্ঘ হৈছে ১৩.০৯ কিলোমিটাৰ। অসমৰ মেগা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ প্ৰকল্পৰ অধীনত নিৰ্মিত এই দলংখন নিৰ্মাণ কৰিছে মেছাৰ্চ গেমন ইণ্ডিয়া লিমিটেড আৰু মেছাৰ্চ এছ ছিংগলা কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডে। চি পি ডব্লিউ ডিৰ নিৰীক্ষণত এই দলং নিৰ্মাণৰ কাম চলি আছে। দুইলেনযুক্ত এই দলংখন ব'হাগ বিহুৰ পাছতেই মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি চি পি ডব্লিউ ডিৰ এক সূত্ৰই প্ৰকাশ কৰিছে।

## গোগামুখত ভাষাবিদ-শিক্ষাবিদ টাবুৰাম টাইদৰ আৱক্ষ মূৰ্তি সমাধিস্থল উদ্বোধন

**ধেমাজি, ২০ মাৰ্চ ঃ** মিচিং জাতিৰ প্ৰাণকেন্দ্ৰৰূপে অভিহিত ধেমাজি জিলাৰ গোগামুখত মিচিং সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, কটন মহাবিদ্যালয়ৰ অধ্যাপক প্ৰয়াত টাবুৰাম টাইদৰ স্থায়ী ব্ৰঞ্জৰ প্ৰতিমূৰ্তি, এখন কিতাপ আৰু সমাধিস্থল স্থাপন আজি মুকলি কৰে। মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত ভাষাবিদ, শিক্ষাবিদ টাবুৰাম টাইদৰ পত্নী বাসন্তী টাইদৰ উপস্থিতিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰতিমূৰ্তি আৰু স্মৃতি সৌধ নিৰ্মাণ মুকলি কৰে এম এ চিৰ অধ্যক্ষ সুনীল পেগু আৰু পৰমানন্দ ছায়েঙীয়াই। ইয়াৰ পাছতে এক স্মৃতিচাৰণ অনুষ্ঠানো অনুষ্ঠিত কৰে। অনুষ্ঠানত মিচিং সাহিত্য সভাৰ লগতে বিভিন্ন সংগঠনৰ বিষয়ববীয়া আৰু ধেমাজি প্ৰশাসনে ছয় পৃষ্ঠাত চাওক

**আৰক্ষীয়ে জব্দ কৰিলে নকল সোণৰ নাও-যীশুৰ মূৰ্তি**

## ৰঙিয়াত আটক হ'ল লখিমপুৰৰ ছজনীয়া প্ৰৱঞ্চকৰ দল





অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২০ মাৰ্চ ঃ** সম্প্ৰতি ঠগ-প্ৰৱঞ্চকেৰে ভৰি পৰিছে ৰঙিয়া চহৰ। আজি ৰঙিয়া আৰক্ষীয়ে উত্তৰ লখিমপুৰৰ এটা ছজনীয়া ঠগ-প্ৰৱঞ্চকৰ দলক কৌশলেৰে আটক কৰাৰ লগতে বহুতো নকল সোণৰ সামগ্ৰী জব্দ কৰে। এক গোপন সূত্ৰৰ ভিত্তিত আজি ৰঙিয়া ৰেল ষ্টেছনৰ সমীপৰ এটা ভাড়াঘৰৰ পৰা প্ৰৱঞ্চকৰ দলটোক আটক কৰিবলৈ সক্ষম হয়। ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰী আৰু চহৰ আৰক্ষী পৰিদৰ্শক ছয় পৃষ্ঠাত চাওক

## ■ তেজপুৰৰ বাণ থিয়েটাৰত ৩৪ শিশুৰ অনন্য পৰিৱেশন ■ বাণ থিয়েটাৰৰ প্ৰতীকী গীতৰ বাণীবদ্ধ সংস্কৰণৰ আনুষ্ঠানিক উন্মোচন

# ইতিহাসৰ পৃষ্ঠাৰ পৰা উঠি আহিল গোমধৰ কোঁৱৰ

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২০ মাৰ্চ ঃ** ইতিহাসৰ অৱহেলিত পৃষ্ঠাত পৰিণত হোৱা অসমৰ অন্যতম জাতীয় নায়কক তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ মঞ্চত পুনৰুজ্জীৱিত কৰি তুলিলে ৩৪ টি শিশু আৰু কিশোৰ- কিশোৰীয়ে। তদুপৰি ৰাজ্যখনৰ এক নাট্য বটবৃক্ষ বাণ থিয়েটাৰৰ প্ৰতীকী গীতৰো আনুষ্ঠানিক উন্মোচন কৰা হ'ল যোৱা নিশা। শতাব্দীৰ নাট্য চৰ্চাৰ অলেখ সোণসেৰীয়া স্মৃতি আৰু প্ৰাতঃস্মৰণীয় বহুজনৰ পদধূলাৰে পৱিত্ৰ বাণ থিয়েটাৰৰ ১১৬ বছৰীয়া ঐতিহ্যক সামৰি ৰচিত এই প্ৰতীকী গীতৰেই এতিয়াৰ পৰা আৰম্ভ হ'ব বাণ থিয়েটাৰৰ প্ৰত্যেকটো অনুষ্ঠান বা কাৰ্যসূচী। উল্লেখ্য যে বিগত সময়ত কেৱল বাণ থিয়েটাৰৰ সাধাৰণ ছয় পৃষ্ঠাত চাওক



## ৰহস্যজনক পথ দুৰ্ঘটনাত ছাত্ৰ নেতাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২০ মাৰ্চ ঃ** বাগ্‌সাৰ গোৱৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত নিমুৱাত যোৱা নিশা সংঘটিত হয় এক ৰহস্যজনক পথ দুৰ্ঘটনা। উক্ত দুৰ্ঘটনাত থিতাতে নিহত হয় গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ এজন কৰ্মী। নিহত ছাত্ৰ সন্থাৰ কৰ্মীজন গোৱৰ্ধনাৰ সমীপৰ নিমুৱাৰ তথা গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক বিশাল দাস (সৰু) (২২)। দুৰ্ঘটনাত নিহত হোৱা গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক বিশাল দাসৰ মৃত্যুক সহজভাৱে ল'ব পৰা নাই স্থানীয় ৰাইজে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা নিশা প্ৰায় ১:৩০ বজাত বাগ্‌সা জিলাৰ ৰাজধাকমালৰ পৰা দৌল মহোৎসৱ চাই মটৰ চাইকেলেৰে ঘৰলৈ আহি থকা অৱস্থাত নিমুৱা গাঁও নিবাসী ৰবিন দাসৰ পুত্ৰ বিশাল দাসৰ পথ দুৰ্ঘটনাত আকস্মিকভাৱে মৃত্যু হয়। দৌল মহোৎসৱ চাই ঘূৰি অহা স্থানীয় লোকে বাইকসহ মৃত অৱস্থাত পৰি ছয় পৃষ্ঠাত চাওক

## মন্ত্ৰী সিংঘালৰ বিৰুদ্ধে ক্ষোভ ৰাজ্যৰ পৌৰ কৰ্মচাৰীৰ ঃ ছমাহে দৰমহা নাই

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২০ মাৰ্চ ঃ** চলিত বাজেট অধিবেশনত দাখিল কৰা বাজেটত পৌৰ কৰ্মচাৰীৰ বাবে পৌৰসেৱা কেডাৰ গঠন কৰাক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ৰাজ্যৰ পৌৰ কৰ্মচাৰীসকলৰ মাজত। উল্লেখ্য যে অসম পৌৰ নিগম (সংশোধন) আইন ২০১৭ৰ অধীনত প্ৰস্তাৱিত তিনিটা পৌৰসেৱা কেডাৰ ক্ৰমে অসম নগৰীয় প্ৰশাসনীয় সেৱা, অসম নগৰীয় প্ৰশাসনীয় অভিযান্ত্ৰিক সেৱা আৰু অসম নগৰীয় বিত্তীয় সেৱা গঠন কৰিব ৰাজ্যৰ পৌৰ প্ৰশাসন বিভাগে। ইপিনে চৰকাৰৰ এনে প্ৰস্তাৱৰ বিৰোধিতা কৰিছে ৰাজ্যৰ পৌৰ নিকায় কৰ্মচাৰী সন্থাই। চৰকাৰৰ এনে প্ৰস্তাৱৰ বিৰোধিতা কৰি সন্থাই কয় যে ৰাজ্যৰ পৌৰসভাসমূহত ইতিমধ্যে বছৰ বছৰ ধৰি গাণনিক আৰু অভিযন্তাসকলে নিজ নিজ ক্ষেত্ৰত পৌৰসভাসমূহত সেৱা আগবঢ়াই আহিছে। কিন্তু ইয়াৰ পাছতো পৌৰসভাত নতুনকৈ কাৰিকৰী বিষয়া আৰু গাণনিক নিয়োগ কৰিবলৈ লোৱা সিদ্ধান্তই পৌৰসভাত বছৰ বছৰ ধৰি সেৱা আগবঢ়াই অহা এইসকল বিষয়াৰ প্ৰতি প্ৰবল ভাবুকি নমাই অনা বুলি আশংকা ব্যক্ত কৰিছে সন্থাই। সেয়ে ৰাজ্য চৰকাৰৰ পৌৰসেৱা কেডাৰত অগ্ৰাধিকাৰ ভিত্তিত প্ৰথম পৰ্যায়ত পৌৰসভাসমূহত কৰ্মৰত অভিযন্তা আৰু গাণনিকসকলক ছয় পৃষ্ঠাত চাওক

## বিজ্ঞানমনস্ক অৰুণ কলিতাৰ বিয়োগ ঃ মৰণোত্তৰ দেহদান



অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ২০ মাৰ্চ ঃ** ৰঙিয়া মহকুমাৰ পুঠিমাৰী অঞ্চলৰ আঠাৰা গাঁৱৰ বাসিন্দা, পৰিৱেশকৰ্মী তথা পুষ্পপ্ৰেমী বিজ্ঞানমনস্ক ব্যক্তি অৰুণ কলিতা (৭৭)ৰ কালি বিয়লি গুৱাহাটীৰ ঘোঁৱামৰা চাৰিআলিৰ কাষত থকা বাসভৱনত মৃত্যু হয়। তেওঁ কিছুদিনৰ পৰা স্নায়ৱিক ৰোগত ভুগি আছিল। প্ৰথমে ২০২০ত পুঠিমাৰীৰ ঘৰৰ সন্মুখত মটৰ চাইকেলৰ খুন্দাত কলিতা আহত হয়। এবছৰৰ পাছত ২০২১ত চাইকেলেৰে খুন্দিওৱাত পুনৰ তেওঁ ঘুনীয়া হয়। দুয়োটা পৃথক দুৰ্ঘটনাজনিত ঘটনাত কলিতা স্নায়ৱিক দুৰ্বলতাত ভোগে। কলিতা এজন নীৰৱ পৰিৱেশকৰ্মী, বিশেষকৈ বৃক্ষপ্ৰেমী ব্যক্তি আছিল। ৰঙিয়া অঞ্চলৰ বিভিন্ন ঠাইত পৰিৱেশ ৰক্ষাৰ স্বাৰ্থত তেওঁ বৃক্ষৰোপণ কৰি ফুৰিছিল। আনহাতে, ঘৰতে ফুলৰ বাগিচা কৰি জীৱিকা নিৰ্বাহৰ পথো বাছি লৈছিল। স্থানীয় ৰাইজৰ মাজত তেওঁ 'বৃক্ষ-বন্ধু'ৰূপে পৰিচিত আছিল। বিজ্ঞানমনস্ক কলিতাই পত্নী অনিমা কলিতা আৰু পুত্ৰ ধনন্তৰি কলিতাসহ ২০১২ৰ ২২ মে'ত ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে মৰণোত্তৰ নেত্ৰদান আৰু দেহদানৰ ইচ্ছাপত্ৰত স্বাক্ষৰ ছয় পৃষ্ঠাত চাওক

## তেজপুৰত জাতীয় ছহিদ ভূপেন ডেকাক স্মৰণ ঃ আজিও গ্ৰেপ্তাৰ নহ'ল হত্যাকাৰী



ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২০ মাৰ্চ ঃ** ৰাজ্যৰ পৰা অবৈধ বিদেশী বহিষ্কাৰৰ দাবীত হোৱা আন্দোলনৰ সময়ত ৰাজ্যৰ ৮৫৫ জন ছহিদৰ ভিতৰত এগৰাকী অন্যতম ভূপেন ডেকাক সেই শোকাৰহ ঘটনাটো সংঘটিত হোৱা আজিৰ দিনটোত স্মৰণ কৰা হ'ল তেজপুৰত। উল্লেখ্য যে ১৯৮৩ৰ আজিৰ দিনটোতে এইজন ছাত্ৰ নেতাসহ মুঠ সাতজনক হত্যা কৰিছিল সন্দেহজনক অবৈধ নাগৰিকে। কিন্তু পৰৱৰ্তী সময়ত এই সপ্ত ছহিদৰ হত্যাকাৰীৰ বিৰুদ্ধে আঞ্চলিক দলৰ তথা আঞ্চলিক দল জড়িত হৈ থকা এখন চৰকাৰেও ৰহস্যজনকভাৱে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। ইপিনে, আজি ছয় পৃষ্ঠাত চাওক

## পৌৰসভা নিৰ্বাচনত বিজয়ী অগপ সদস্যৰ বিৰুদ্ধে ভুৱা শিক্ষাগত অৰ্হতাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২০ মাৰ্চ ঃ** যোৰহাট পৌৰসভাৰ লগত দীৰ্ঘদিন ধৰি জড়িত হৈ থকা ৰঞ্জিত শইকীয়াই ভুৱা শিক্ষাগত অৰ্হতা দাখিল কৰা কাৰ্যক কেন্দ্ৰ কৰি জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা ছয় মাৰ্চত যোৰহাট জিলাত অনুষ্ঠিত পৌৰসভা নিৰ্বাচনৰ ফলাফল ন মাৰ্চত ঘোষণা কৰা হৈছিল। পাঁচ নম্বৰ ৱাৰ্ডৰ অগপৰ প্ৰাৰ্থী ৰঞ্জিত শইকীয়াৰ এই নিৰ্বাচনত বিজয়ী হোৱাৰ পাছতে ওলাই পৰিল ব্যক্তিজনৰ আন এক ফাঁকি। নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা অনুসৰি এজন প্ৰাৰ্থীৰ নিম্ন শিক্ষাগত অৰ্হতা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে যদিও ৰঞ্জিত শইকীয়াৰ শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ যদিও এখন ভুৱা চাৰ্টিফিকেট, মাৰ্কশ্বিটৰ সহায় লৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ১০৭ বছৰীয়া এই পৌৰসভাখনত দীৰ্ঘদিন ধৰি নানা ধৰণৰ ঠিকা-ঠুকলি মাৰি জীৱন নিৰ্বাহ কৰিছিল শইকীয়াই। জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আছিফ ইকবাল হাজৰিকাই তথ্যজনাৰ অধিকাৰ আইনৰ ছয় পৃষ্ঠাত চাওক

## ৰাসায়নিক সাৰৰ কৃত্ৰিম নাটনি

**কৃষকৰ মাজত হাহাকাৰ**

**গুৱাহাটী, ২০ মাৰ্চ ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে বৰপেটা জিলাত ৰাসায়নিক সাৰৰ কৃত্ৰিম নাটনিৰ সৃষ্টি হৈছে। ফলস্বৰূপে কৃষকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। বৰপেটা জিলা ৰাসায়নিক সাৰ খুচুৰা বিক্ৰেতা সন্থাই জানিবলৈ দিয়া অনুসৰি পাইকাৰী ব্যৱসায়ীয়ে খুচুৰা বিক্ৰেতাৰ পৰা ৰাসায়নিক সাৰৰ দাম এমআৰপি মূল্যতকৈ বহুত বেছিকৈ লৈ আছে। খুচুৰা বিক্ৰেতাসকলৰ পৰা পাইকাৰী ব্যৱসায়ীয়ে এমআৰপি মূল্যতকৈ অধিক মূল্য লৈ আছে যদিও ৰহস্যজনকভাৱে সেই মূল্যৰ ৰচিদ তেওঁলোকক দিয়াৰ পৰিৱৰ্তে ক্ৰয় মূল্যৰ আধা দামৰ ৰচিদ দিয়া বুলি এক ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। হৈছে। বৰপেটা জিলা ৰাসায়নিক সাৰ খুচুৰা বিক্ৰেতা সংস্থাই অভিযোগ কৰা মতে ইউৰিয়া সাৰৰ এমআৰপি ২৬৬.৫০ টকা। প্ৰতি বেগ- ৪৫ কেজি কিন্তু পাইকাৰী ব্যৱসায়ীয়ে খুচুৰা বিক্ৰেতাৰ পৰা ৫০০- ৯০০ টকাকৈ লৈ আছে আৰু ২৪২ টকাৰহে ৰচিদ দিয়ে। ঠিক তেনেদৰে ডিএপি সাৰৰ এমআৰপি ১৩২৫ টকা। প্ৰতি বেগ- ৫০ কেজি কিন্তু পাইকাৰী ব্যৱসায়ীয়ে খুচুৰা বিক্ৰেতাৰ পৰা ২২০০ টকাকৈ লৈ আছে আৰু ১১০৮ টকাৰহে ৰচিদ প্ৰদান কৰে। ডিএপি সাৰৰ এমআৰপি ১২০০ টকা। প্ৰতি বেগ ৫০ কেজি, কিন্তু পাইকাৰী ব্যৱসায়ীয়ে খুচুৰা বিক্ৰেতাৰ পৰা ১৫০০- ১৯০০ টকাকৈ সংগ্ৰহ কৰি আছে আৰু ১১২৭ টকাৰহে ৰচিদ প্ৰদান কৰে। তদুপৰি অনুজ্ঞাপত্ৰ থকা খুচুৰা বিক্ৰেতাসকলক মাত্ৰ ১৫ বেগকৈ ইউৰিয়া প্ৰদান কৰি আছে আৰু লগতে 'টেগিং'ৰূপে ইউৰিয়া সাৰৰ বেগৰ লগত এছএছপিৰ বেগ, এক বাল্টি ছয়েল, এক কেজি জিংক বাধ্যতামূলক কৰি দিছে। এই সমগ্ৰ বিষয়টোৰ স'তে এক ভয়ংকৰ 'নেক্সাছক্স জড়িত হৈ আছে বুলি দাবী ছয় পৃষ্ঠাত চাওক

## আদৰ্শ গাঁও হ'লে নহ'ব পৰিৱৰ্তন হ'ব লাগিব ঃ দৈমাৰী


অগ্ৰদূত বাৰ্তা

**টংলা, ২০ মাৰ্চ ঃ** 'আদৰ্শ গাঁও হ'লে নহ'ব। প্ৰকৃত পৰিৱৰ্তন হ'ব লাগিব। সঁচা অৰ্থত মনৰ পৰিৱৰ্তন। আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সুখাদ্য, সুস্বাস্থ্য ৰক্ষাৰ হকেও সজাগ-সচেতন হৈ থাকিব লাগে। দৈনন্দিন জীৱনৰো পৰিৱৰ্তন হ'ব লাগিব। এখন প্ৰকৃত আদৰ্শ গাঁও বা সমাজ নিৰ্মাণ হওঁক।' অসম গাঁও যোজনাৰ অধীনত আজি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বৰজলাহ আদৰ্শ গাঁৱৰ প্ৰথম পৰ্যায়ৰ প্ৰায় ৫০ লাখ টকাৰ ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ১০ খন আঁচনিৰ আধাৰশিলা মুকলি কৰি এইদৰে মন্তব্য কৰে। খালিঙদুৱাৰ পৰিষদৰ পাৰিষদ দিলীপ বড়োৰ স'তে অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মাংগলিক কাৰ্যসূচীৰে আৰম্ভ কৰা প্ৰথম পৰ্যায়ৰ ১০ খন আঁচনি হ'ল ক্ৰমে প্ৰৱেশ পথ আৰু প্ৰস্থান পথত মুখ্য তোৰণ (মিলনপুৰ), শ্মশান মেৰামতি, তাঁতশাল গৃহ, জগন্নাথ থানৰ ভূমিৰ বেৰ, বিষ্ণু মন্দিৰৰ সভাগৃহ, হিউম পাইপ, বৰজলাহ শিৱ মন্দিৰত অনাময় আঁচনি, ঘুগা নদীৰ পৰা পথাৰলৈ পানী যোগানৰ দোং পকীকৰণ, বৰজলাহ এল পি স্কুলৰ পৰা চি চি ব্লক পথ নিৰ্মাণ লক্ষী শৰ্মাৰ গৃহলৈ। পাঁচ কোটিটকীয়া অসম আদৰ্শ গ্ৰাম যোজনাৰ অধীনত পৰৱৰ্তী পৰ্যায়ত অন্যান্য কামসমূহ ৰূপায়ণ কৰা হ'ব। আধাৰশিলা স্থাপনৰ পাছত বৰজলাহ শিৱ মন্দিৰ প্ৰাংগণত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। অনন্ত নাৰায়ণ ভট্টাচাৰ্যই আঁতধৰা মুকলি সভা আৰু সমূহ কাৰ্যসূচীতে ওদালগুৰি জিলা বিজেপিৰ সম্পাদক জোছৰাং বড়ো, সদৌ ছয় পৃষ্ঠাত চাওক



*বিশ্ব ঘৰচিৰিকা দিৱসত খাদ্যৰ সন্ধান পক্ষীৰ।*

## নৰাগাঁও মিলনজ্যোতি সংঘৰ যোগ প্ৰশিক্ষণ শিবিৰ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২০ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ নৰাগাঁও মিলনজ্যোতি সংঘৰ উদ্যোগত আজি এটি যোগ প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হয়। যোগ প্ৰশিক্ষণ মুকলি কৰে যোগ প্ৰশিক্ষক সঞ্জীৱ বৰা আৰু ৰঞ্জিত কাকতিয়ে। উল্লেখ্য যে যিকোনো বয়সৰ লোকৰ বাবে মুকলি কৰা এই শিবিৰ প্ৰতি সপ্তাহত তিনিদিনকৈ অনুষ্ঠিত হ'ব। যোগ প্ৰশিক্ষণ শিবিৰ ছয় পৃষ্ঠাত চাওক

## গুই সাপ, জহামাল, শিয়াল, নেউল নিধনকাৰী ছয় যুৱকক খেদিলে ৰাইজে




অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২০ মাৰ্চ ঃ** মঙলদৈ থানাৰ অন্তৰ্গত ধৌৱাপাৰা গাঁৱত আজি ছয়জনীয়া যুৱকৰ দল এটাই মটৰ চাইকেল, স্কুটীৰে আহি গাঁৱখনৰ জংঘলত প্ৰৱেশ কৰি চিকাৰৰ নামত নিৰ্বিবাদে নিধন কৰে বিলুপ্ত হ'বলৈ ধৰা গুই, জহামাল, শিয়াল, নেউল আদি। উল্লেখ্য যে উক্ত অঞ্চলসমূহত এই কাৰ্য এয়েই প্ৰথম নহয়। প্ৰায়ে এনেদৰে দুষ্কৃতিকাৰীয়ে আহি মাৰি লৈ যায় জংঘলত পোৱা প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাকাৰী প্ৰাণীবোৰক। আনকি এইদৰে নিয়া বন্য জীৱকুল ওদালগুৰি জিলাৰ কবিৰালি বজাৰ আদিত মুক্তভাৱে বিক্ৰী হোৱাৰ অভিযোগ আছে । আজিও এনেদৰে চিকাৰ কৰি থকা দেখি একাংশ গাঁৱবাসীয়ে ডাবি ধমকি দি দুষ্কৃতিকাৰী কেইজনক খেদি যায় যদিও যোৱাৰ ছয় পৃষ্ঠাত চাওক

**জনপ্ৰিয় শিল্পীৰ দ্বাৰা বাণীবদ্ধ কৰিব অনিৰুদ্ধদেৱৰ গীত**

## মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ নাহৰআটি থান সত্ৰত গুৰুজনাৰ সমাধিস্থলী উন্মোচন



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২০ মাৰ্চ ঃ** বিহপুৰীয়াৰ সমীপৰ মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ নাহৰআটি থান সত্ৰত গুৰুজনাৰ সমাধিস্থলী উন্মোচনী অনুষ্ঠান আজি আড়ম্বৰপূৰ্ণভাৱে সম্পন্ন হয়। ডিব্ৰুগড় জিলাৰ চাবুৱা নিবাসী তথা সদৌ অসম মটক সন্মিলনৰ সভাপতি চান্দ কুমাৰ গোহাঁয়ে ব্যক্তিগত পুঁজিৰ আঠ লক্ষাধিক টকা ব্যয় কৰি থান পৰিচালনা সমিতিৰ সহযোগত নিৰ্মাণ কৰি দিয়া মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ সমাধিস্থলী এক মাংগলিক পৰিৱেশত উন্মোচন কৰে চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই। সেইদৰে বিধায়ক বৰুৱাই ব্যক্তিগত আৰ্থিক সাহায্য আগবঢ়াই গুৰুজনাৰ থান সত্ৰৰ পূব দিশৰ নামঘৰৰ মজিয়াত টাইল্‌ছ লগোৱাৰ পাছত ছয় পৃষ্ঠাত চাওক

## ছিপাঝাৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰীক ধৰ্ষণ ঃ অভিযুক্ত আত্মীয়ক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২০ মাৰ্চ ঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত বমণপথাৰ গাঁৱত এগৰাকী স্কুলীয়া ছাত্ৰীক ধৰ্ষণৰ অভিযোগ উত্থাপিত হৈছে। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা গাঁওখনৰ এগৰাকী ছাত্ৰী ডেৰমাহৰ অন্তঃসত্ত্বা বুলি চিকিৎসকে কালি অৱগত কৰাৰ পাছতে সমগ্ৰ ঘটনা পোহৰলৈ আহে। ছাত্ৰীগৰাকীৰ অভিযোগৰ ভিত্তিত ইতিমধ্যে তেওঁৰ মাতৃয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত ছিপাঝাৰ আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ৩৭৬ (৩)/৫০৬ ধাৰাৰ অধীনত ১১৯/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন হয়। আজি ছিপাঝাৰ আৰক্ষীয়ে একেখন গাঁৱৰে ছাত্ৰীগৰাকীৰ নিকট পৰিয়ালৰ দিলীপ কুমাৰ ছেত্ৰী নামৰ প্ৰায় পঞ্চাশোৰ্দ্ধৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ৬ চ'ত ১৪২৮ ভাস্কৰাব্দ ২১ মাৰ্চ ২০২২

## ঋণৰ ফান্দ

**'ঋণংকৃত্বা** ঘৃত পিবেৎ' নীতি অনুসৰণ কৰি সম্প্ৰতি এছিয়াৰ কে'বাখনো দেশ দেৰলীয়া হোৱাৰ পথত আগবাঢ়িছে। বিশেষকৈ ভাৰতৰ চুবুৰীয়া পাকিস্তান-শ্ৰীলংকা আৰু মালদ্বীপৰ সাম্প্ৰতিক অৰ্থনৈতিক পৰিস্থিতি ভয়াৱহ হৈছে।

বিদেশৰ পৰা মাত্ৰাধিক পৰিমাণৰ ঋণ গ্ৰহণৰ পাছত সেই ঋণৰ বোজাই কেতবোৰ দেশক কোঙা কৰি পেলাইছে। সম্প্ৰতি শ্ৰীলংকাৰ অৰ্থনৈতিক পৰিস্থিতি ইমানেই শোচনীয় হৈ পৰিছে যে বয়বস্তুৰ দাম সাধাৰণ মানুহৰ বাবে ছুব নোৱাৰা দূৰত্বলৈ গতি কৰিছে। কাকত-কলম আদিৰ অভাৱত তথা আকাশলংঘী মূল্যৰ ফলত শিক্ষানুষ্ঠানৰ পৰীক্ষা পৰ্যন্ত বাতিল কৰিবলগীয়া হৈছে। শ্ৰীলংকাই সম্প্ৰতি দুবাৰকৈ ইয়াৰ সিংহলী মুদ্ৰাৰ মূল্যৰ অৱমূল্যায়ন কৰিবলগীয়া হৈছে। দেশখনত বিদেশী মুদ্ৰা ভাণ্ডাৰ দ্ৰুতভাৱে হ্ৰাস পাই অহাৰ পৰিপ্ৰেক্ষিততেই এই মুদ্ৰাৰ অৱমূল্যায়ন ঘটোৱা হৈছে।

পেট্ৰ'ল আৰু ডিজেলৰ মূল্য শ্ৰীলংকাত ক্ৰমে লিটাৰত ২৮৩ টকা আৰু ২১৪ টকা হৈছে। মাত্ৰ ২.৩ নিযুত বৈদেশিক মুদ্ৰা ভাণ্ডাৰ থকা ভাৰতৰ এইখন চুবুৰীয়া দেশত ভাৰতীয় মুদ্ৰাৰ বিনিময়ত সিংহলী টকাৰ পৰিমাণ ৩.৪৮ টকা হৈছেগৈ। অৰ্থাৎ ভাৰতীয় টকাৰ মূল্যতকৈ শ্ৰীলংকাৰ টকাৰ মূল্য চাৰে তিনিগুণ হ্ৰাস পাইছে। শ্ৰীলংকাই চীন দেশকে ধৰি বিভিন্ন দেশৰ পৰা মাত্ৰাধিক পৰিমাণৰ ঋণ গ্ৰহণ কৰি ফান্দত পৰিছে। এবছৰতেই চীনকে ধৰি বিভিন্ন দেশক শ্ৰীলংকাই প্ৰায় ৫৪ হেজাৰ কোটি টকাৰ ঋণ পৰিশোধ কৰিবলগীয়া আছে। ইয়াৰ ভিতৰত চীনক অকলে দিব লাগে ৩৭ হেজাৰ কোটি টকা। গোটাবায়া ৰাজপক্ষ চৰকাৰৰ দেৰলীয়া নীতিৰ বাবেই দেশখনত আজি অভূতপূৰ্ব সংকটৰ সৃষ্টি হৈছে। চীন দেশৰ ওপৰত শ্ৰীলংকা প্ৰায় সম্পূৰ্ণ নিৰ্ভৰশীল হৈ পৰিছে। শ্ৰীলংকাৰ অন্যতম নৌ-বন্দৰ হাম্বানটোটাত চীনে গঢ়ি তুলিছে— বৃহৎ প্ৰকল্প। এই বন্দৰটো এতিয়া চীনৰ দখলত। এই বন্দৰত চীনে অদূৰ ভৱিষ্যতে সামৰিক ঘাটি স্থাপন কৰি ভাৰতলৈ প্ৰত্যাহ্বান কঢ়িয়াই অনাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ভাৰতৰ অন্যতম চুবুৰীয়া দেশ মালদ্বীপো এতিয়া চীনৰ গ্ৰাসত পৰিছে। এনেদৰে সহজ ঋণ দি চীনে বহু দেশকেই ঋণৰ জালত আৱদ্ধ কৰাৰ নীতি অৱলম্বন কৰিছে। মালদ্বীপতো চীনে ইতিমধ্যে সামৰিক ঘাটি স্থাপন কৰিছে।

যোৱা বৃহস্পতিবাৰে ভাৰতে শ্ৰীলংকাৰ এই অভূতপূৰ্ব আৰ্থিক সংকটৰ পৰা সকাহ দিবলৈ এক বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ আগবঢ়াইছে। খাদ্য, ঔষধ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয়ৰ বাবে ভাৰতে শ্ৰীলংকালৈ এই ঋণ আগবঢ়াইছে। শ্ৰীলংকাৰ বৰ্তমানৰ আৰ্থিক সংকটৰ জোৰা মাৰিবলৈ দেশখনৰ স'তে ভাৰতে হ্ৰস্ব, মধ্য আৰু দীঘলীয়া ম্যাদৰ সহযোগিতাৰ চুক্তিত স্বাক্ষৰ কৰিছে। ভাৰতে শ্ৰীলংকালৈ সাহায্য আগবঢ়ালেও আমাৰ দেশৰো অৰ্থনৈতিক পৰিস্থিতি এতিয়াও সংকট মুক্ত নহয়। সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য ভয়াৱহ হাৰত বৃদ্ধি পাই আহিছে। ইফালে, উৎপাদনো হ্ৰাস পাইছে। ভাৰতেও বিদেশৰ পৰা তথা আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানৰ পৰা যথেষ্ট পৰিমাণৰ ঋণ লৈছে। অসম চৰকাৰে আৰু অধিক ঋণ ল'ব বুলি অলপতে কৈছে; কিন্তু ঋণে উন্নয়ন সাধন নকৰে। বৰঞ্চ ঋণৰ জালত পৰিলে শ্ৰীলংকাৰ দৰে দেৰলীয়া হোৱাৰ সম্ভাৱনাহে বৃদ্ধি পাব।

## খোলা মঞ্চ

### সীমা সমস্যাৰ বাবে কেৱল অসমেই দায়ীনে?



**সুৰক্ষিত** সীমান্ত ব্যৱস্থাই এখন ৰাজ্যৰ অথবা এখন দেশৰ শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰাখে। সীমান্ত সুৰক্ষিত নাথাকিলে চুবুৰীয়া দেশসমূহৰ লগতে সততে অসূয়া-অপ্ৰীতি বিৰাজ কৰি অশান্ত পৰিস্থিতিৰ সৃষ্টি হয়। উন্মুক্ত সীমা সমস্যাই ভাৰতবৰ্ষৰ লগতে অসমৰো শান্তি বিঘ্নিত কৰি আহিছে তাহানিৰে পৰা। যদিও অৰুণাচল, মেঘালয়, মিজোৰাম, নগালেণ্ড আদি তাহানি বৰ অসমৰে অংগ, তথাপি সেইবোৰ ভিন-ভিন ৰাজ্য হিচাপে স্থিতি লাভ কৰিছে অসমৰে সীমামূৰীয়া হৈ। এই ভগ্নী হিচাপে পৰিচয় পোৱা ৰাজ্যসমূহৰ মাজতো প্ৰায়ে সীমা সমস্যাই গা কৰি উঠা সকলোৰে জ্ঞাত। যিবোৰ সমস্যাই নিজৰ নিজৰ ভিতৰতে আহিছে, সংঘাত সৃষ্টি কৰিব, যিবোৰ অসমৰ চৰকাৰখনে কোনো ইতিবাচক সমাধান লাভ কৰিব নোৱাৰে কেৱল চৰকাৰখনৰ সোপা-ঢিলা আৰু অদূৰদৃষ্টিৰ কাৰ্যকলাপৰ বাবে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উভয় প্ৰশাসন যন্ত্ৰৰ গুৰুত্বহীনতাৰ ফলস্বৰূপে সীমান্তত জ্বলি ৰৈছে অশান্তিৰ দাবানল। ফলত সীমান্তবাসীৰ দুৰ্গতিয়ে কুলাই-পাচিয়ে নধৰা অৱস্থা। উত্তৰ যেন কাৰোৰে হাতত নাই এই বিসংগতিৰ।

ভাৰত-বাংলাদেশ সীমান্ত, ভাৰত-পাকিস্তান সীমান্ত, ভাৰত-চীন সীমান্তৰ কথা কোনে নাজানে? কামেং সীমান্তৰ কথা মনত পৰিলেও গা শিয়ৰি উঠে। সীমান্তৰ অসুৰক্ষাই অনেকজনৰ প্ৰাণ কাঢ়ি নিয়াৰ জ্বলন্ত উদাহৰণ বৰ্তমান। তদুপৰি ভগ্ন সীমাৰেখাইদি অনুপ্ৰৱেশকাৰীৰ অবাধ বিচৰণ, চোৰাং ব্যৱসায়ৰ মুক্ত বিচৰণ। এই উন্মুক্ত সীমা সমস্যা সাধাৰণ জনগণৰ ক্ষতিৰ কাৰণ হৈ পৰিছে। পিছে সমাধান কাৰ হাতত? চৰকাৰ প্ৰদত্ত সীমান্তৰক্ষক কাৰ্যসূচী সবল নহ'লে, সীমান্তত বেৰা দিয়া কাম বিজ্ঞানসন্মতভাৱে দুৰ্ভেদ্য নহ'লে অনুপ্ৰৱেশকাৰীৰ পৰা হাত সাৰিব পৰা নাযায়। পাহাৰ-অৰণ্যৰ দুৰ্গম পথ, নদী আদি জলপথবোৰ, আকাশ পথ আদি সুপৰিকল্পিতভাৱে অচল কৰিবই লাগিব। কাৰণ দুষ্কৃতিকাৰীসকলে বিশেষকৈ এই দুৰ্গম পথবোৰহে বাচি লয়। সেয়ে দেশৰ শক্তিশালী কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ সুদৃষ্টি আশা কৰিলো।

**পৰাণ চন্দ্ৰ দাস, লেখক**

ফোন : ৯৮৫৪২৯৪০২০

# আকাশকুসুম আঁচনিৰ বাজেট

### বাজেটবোৰত জনসাধাৰণক মোহিত কৰিব পৰা অসংখ্য আঁচনি সাহিত্য সৃষ্টিৰে ঘোষণা কৰে

**দৃষ্টিপাত**

**অনন্ত কলিতা**



**বাজেট** মানে কিছুমান সংখ্যাৰ যোগ-বিয়োগ, গুণ, ভাগ নহয়। বাজেট হ'ল মানুহৰ আৰ্থ-সামাজিক সমস্যা সংকটৰ মোকাবিলাৰ বা নিৰসনৰ বাস্তৱসন্মত পৰিকল্পিত পদক্ষেপ। সেই পদক্ষেপবোৰ কিছুমান তাৎক্ষণিক, কিছুমান স্বল্পম্যাদী আৰু বাকীবোৰ দীৰ্ঘম্যাদী। বাজেট প্ৰতিবছৰে কিছুমান আকাশকুসুম আঁচনি তথা আবণ্টনৰ ঘোষণা কৰাৰ দলিল নহয়। বাজেট হৈছে নতুন আঁচনিৰ ঘোষণাৰ লগে লগে আগতে ঘোষিত বা গৃহীত প্ৰকল্পবোৰ ৰূপায়ণ হোৱাৰ খতিয়ান তথা বিশ্লেষণ। দুৰ্ভাগ্যজনক কথা যে আগৰ বাজেটবোৰৰ প্ৰকল্পবোৰৰ বাস্তৱায়িতকৰণ বা কিমান অংশ ৰূপায়ণ হ'ল আৰু সেইবোৰ কেতিয়াকৈ সম্পূৰ্ণ হ'ব, সেই সম্বন্ধে অসম চৰকাৰৰ বাজেট একেবাৰে নিমাত। বাজেটখন ভালকৈ পৰ্যালোচনা কৰিলে দেখা যায় যে আগতে ঘোষণা কৰা আঁচনি নতুনকৈ বা নতুন নাম দি চলিত বিত্তীয় বৰ্ষৰ আঁচনি বুলি ঘোষণা কৰিছে।

যোৱা বছৰৰ বাজেটত ঘোষিত আঁচনিবোৰত মুঠ ১,০৭,৫৫৬.২৯ কোটি টকা খৰচৰ হিচাপ দিছিল। এই বছৰৰ বাজেটৰ আঁচনিবোৰত ১,১৯,৫৫১.০৬ কোটি টকা ব্যয় হ'ব বুলি হিচাপ দাখিল কৰিছে; কিন্তু ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেটৰ সংশোধিত ব্যয়ৰ হিচাপ দিছিল ১,৩৬,৫৫৪.৬৯ কোটি টকা। ইয়াৰ পৰা প্ৰতিফলিত হয় যে ২০২১-২২ বৰ্ষৰ বাজেটৰ প্ৰস্তাৱিত ব্যয়ৰ পৰিমাণতকৈ এই বছৰৰ প্ৰস্তাৱিত ব্যয় ১৭,০০৩.৫৩ কোটি টকা কম। যোৱা বছৰত ৰাজহ খণ্ডত খৰচৰ পৰিমাণ (সংশোধিত) দেখুৱাইছিল ৯৯,৭৫২.৯২ কোটি টকা। এই বছৰত ৰাজহ খণ্ডত খৰচ দেখুৱাইছে ৯৬,৩৬০.০৫ কোটি টকা আৰু যোৱা বছৰত মূলধনী খণ্ডত খৰচ (সংশোধিত) দেখুৱাইছিল ৩৬,৮০১.৭৭ কোটি টকা, এই বছৰত দেখুৱাইছে ২৩,১৮৪.০১ কোটি টকা। বাজেটত অনেক আকাশকুসুম আঁচনিয়ে আছে, কিন্তু প্ৰশ্ন হ'ল ৰূপায়ণ। তদুপৰি খৰচৰ সিংহভাগ ৰাজহ খণ্ডত, মূলধনী খণ্ডত ২০ শতাংশতকৈও কম অংশ খৰচ কৰে। আগৰ বাজেটবোৰৰ দৰে ২০২২-২৩ বৰ্ষৰ বাজেটতো নতুনত্ব একো নাই। বাট-পথ, শিক্ষা, স্বাস্থ্য, আন্তঃগাঁথনি আদিৰ উন্নয়ন আগৰবোৰ বছৰৰ যেনেদৰে হৈ আছে, তেনেদৰেই নিয়মমাফিক হৈ থাকিব। বিভিন্ন শিতানত ধন আবণ্টনো প্ৰায় একেই পৰিমাণৰ ধনেই আছে! কোনো এটা শিতানত অলপ বৃদ্ধি কৰিছে, কোনো এটা শিতানত আবণ্টন হ্ৰাস কৰিছে। তদুপৰি বৰ্তমানৰ উচ্চ হাৰৰ মুদ্ৰস্ফীতিৰ বাবে টকাৰ মূল্য হ্ৰাসেৰে হিচাপ কৰিলে আবণ্টনবোৰ কম পৰিমাণৰহে হ'ব। চৰকাৰখন ধৰুৱা হৈ পৰিছে। এক লাখ আঠ কোটি টকাৰ ঋণ চৰকাৰখনৰ। এইবাৰ বাজেটতো সম্পদ আহৰণৰ ঘৰত দেখুৱাইছে ১৯,৩৫৩.৫৯ কোটি টকা ঋণ লৈ সংগ্ৰহ কৰিব। বাজেটখনত উল্লেখ কৰা ৰাজহ খণ্ডৰ খৰচৰ ৯৬,৩৬৭.১৫ কোটি টকাৰ পৰা ঋণৰ সুদ আদায় দিব লাগিব ৭,২৭৭.৮২ কোটি টকা। গতিকে ৰাজহৰ খৰচৰ ধনৰ পৰিমাণৰ পৰা এই অংকটো বিয়োগ হ'ব। বাজেটখনত দেখুৱামতে মুঠ খৰচৰ ৫৯.৩১ শতাংশ আহিব কেন্দ্ৰৰ চাৰিটা উৎসৰ পৰা (কেন্দ্ৰীয় কৰৰ অংশ ঋণ কেন্দ্ৰৰ পৃষ্ঠপোষকতাৰ আঁচনি ঋণ বিত্তীয় আয়োগৰ অনুদান ঋণ অন্যান্য অনুদান) ১৬.২৬ শতাংশ আহিব ঋণৰ পৰা, ৰাজ্য চৰকাৰৰ নিজা সম্পদ সংগ্ৰহ মাত্ৰ ২৪.৪৩ শতাংশহে। আঁচনিবোৰৰ ৰূপায়ণ সম্পূৰ্ণৰূপে নিৰ্ভৰশীল কেন্দ্ৰৰ অনুদান আৰু ঋণৰ ওপৰত। জি-এছ-টি ব্যৱস্থা প্ৰৱৰ্তন নহ'লে কেন্দ্ৰীয় চৰকাৰৰ কৰৰ অংশতকৈ অধিক সম্পদ সংগ্ৰহ ৰাজ্য চৰকাৰে নিজে কৰিব পাৰিলেহেঁতেন। বিভিন্ন সময়ত বাতৰি প্ৰকাশ হৈ থাকে যে কেন্দ্ৰৰ পৰা পাবলগীয়া সম্পদ সময়মতে নিদিয়ে আৰু পাবলগীয়া সম্পূৰ্ণ অংশ নিদিয়ে। ২০২১-২২ বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশ অসমে পাইছে ২০,৬০১ কোটি টকা। কেন্দ্ৰীয় চৰকাৰে জি-এছ-টি প্ৰৱৰ্তন কৰাৰ পাছত বিভিন্ন ৰাজ্যই সন্মুখীন হোৱা ক্ষতিৰ পূৰণ কৰিবলৈ পাঁচ বছৰৰ বাবে অনুদান দিয়াৰ সন্মতি প্ৰকাশ কৰিছিল। ২০২২ৰ মাৰ্চত পাঁচ বছৰ সম্পূৰ্ণ হ'ল। অসম চৰকাৰে এই বছৰৰ পৰা জি-এছ-টিৰ ক্ষতিপূৰণ পোৱাৰ আশা নাই। গতিকে কেন্দ্ৰীয় কৰৰ অংশ হিচাপে অসমত জি-এছ-টি সংগ্ৰহৰ অংশৰ ওপৰত নিৰ্ভৰ কৰিব। কেন্দ্ৰীয় কৰৰ অংশ ২০২২-২৩ৰ বাজেটত ধৰিছে ২৫,৫৪৪.৮০ কোটি টকা। বাজেটৰ আঁচনি ৰূপায়ণৰ বাবে ঋণকে ধৰি সমস্ত উৎসৰ পৰা সংগ্ৰহ ১,১৯,০২৭.৯৫ কোটি টকা ধৰিছে। বাজেটত উল্লিখিত আঁচনিবোৰ বাস্তৱায়িত কৰিব পৰা যাব, যদিহে কেন্দ্ৰৰ পৰা আশা কৰা ধনখিনি পায় আৰু ৰাজ্যত লক্ষ্য লোৱা কৰখিনি সংগ্ৰহ হয়। আগৰবোৰ বাজেটৰ ৰেকৰ্ডৰ পৰা প্ৰতিফলিত হৈছে কোনো বছৰতে বাজেটত অন্তৰ্ভুক্ত আঁচনিবোৰৰ ৭০ শতাংশও বাস্তৱায়িত নহয়।

বাজেটখনৰ আন এটা দিশ হ'ল ৰাজহ খণ্ডৰ ৯৬,৩৬৭.০৫ কোটি টকাৰ খৰচৰ ভিতৰত অনুৎপাদন খণ্ডত এক বৃহৎ অংশ খৰচ হ'ব। তদুপৰি দৰমহা, পেন্সন, সুদ আদিত খৰচ হ'ব। মূলধনী খণ্ডৰ প্ৰস্তাৱিত ২৩,১৮৪.০১ কোটি টকাও সম্পূৰ্ণ খৰচ কৰিব পৰাৰ নিশ্চয়তা নাই। চৰকাৰী ভাষ্য মতেই যোৱা পাঁচ বিত্তীয় বৰ্ষত (২০১৬-১৭ৰ পৰা ২০২১-২২লৈ) বাজেটত ঘোষণা কৰা মূলধনী খণ্ডৰ মুঠ ১,১৭,৮৫৫ কোটি টকাৰ মাত্ৰ ৪৯,৮১৩ কোটি টকাহে খৰচ কৰিছে অৰ্থাৎ ৪২ শতাংশ। এই পৰিস্থিতিয়ে প্ৰতিফলিত কৰে 'গালো বালো খোলাকটিৰ তাল, অৰিহণা পালো মাহ চাউল গাল'। বাজেটবোৰত জনসাধাৰণক মোহিত কৰিব পৰা অসংখ্য আঁচনি সাহিত্য সৃষ্টিৰে ঘোষণা কৰে। ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেটত ৫৪খন মুখ্য আঁচনি বৰ্ণনা কৰিবলৈ ৪৯০টা পেৰাগ্ৰাফেৰে বাজেটখন দাখিল কৰিছিল। ২০২২-২৩ বৰ্ষতো ৩৮০টা পেৰাগ্ৰাফেৰে অসংখ্য আঁচনি উল্লেখ কৰিছে।

বাজেটখনত ৩২৩ নম্বৰ পেৰাগ্ৰাফত বিত্তমন্ত্ৰীয়ে কৈছে, 'মই নিশ্চিত যে এই আন্তঃগাঁথনি প্ৰকল্পসমূহৰ ৰূপায়ণে আমাৰ ৰাজ্যখনক এক নতুন ৰূপ দিব আৰু দেশৰ ভিতৰত অসমক পাঁচখন শীৰ্ষ ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্তি কৰাৰ বাবে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে দেখা সপোন বাস্তৱায়িত হ'ব।' পাঁচখন শীৰ্ষৰাজ্যৰ ভিতৰত নহয়, অসম দহ নম্বৰত আহিব পাৰিলেও ভাল। অতি সম্প্ৰতি প্ৰকাশ পোৱা বহনক্ষম উন্নয়নৰ তথ্যবোৰত অসমৰ স্থান দেশৰ তলৰ তিনিখন ৰাজ্যৰ ভিতৰত এখন। প্ৰতিবেদনখনত কৈছে, 'Bihar, Jharkhand and Assam are the bottom three states in the country in terms of achievement of Sustainable Development Goals (SOG).' দুৰ্ভিক্ষহীনতাত দেশৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ স্থান ১৭। স্বাস্থ্যখণ্ডৰ বৈপ্লৱিক পৰিৱৰ্তনৰ কথা আমাৰ মুখ্যমন্ত্ৰীয়ে সদায়ে ঘোষণা কৰে, কিন্তু এই বহনক্ষম উন্নয়নৰ তালিকাত দেশৰ সকলো ৰাজ্যৰ ভিতৰত অসমৰ স্থান একেবাৰে তলত। লিংগ সমতাৰ ক্ষেত্ৰতো অসমৰ স্থান একেবাৰে তলত। বিশুদ্ধ পানী আৰু স্বচ্ছতাৰ ক্ষেত্ৰতো অসমৰ স্থান ১৯ত। শিক্ষাৰ ক্ষেত্ৰতো অসমৰ স্থান ১৭ত।

বাজেটত নতুন আদৰ্শ স্কুল, নতুন বিশ্ববিদ্যালয় মুকলি কৰাৰ কথা কৈছে। মেধাৱী ছাত্ৰসকলক বিভিন্ন উদগনিমূলক সাহায্য আদিৰ ব্যৱস্থা ৰাখিছে। ২০২১-২২ বৰ্ষৰ বাজেটত ১০০০খন নিৰ্বাচিত বিদ্যায়লক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ ঘোষণা কৰিছিল। এই আঁচনিখন কিমানদূৰ আগবাঢ়িছে এই বছৰৰ বাজেটত উল্লেখ নকৰাকৈ আকৌ এইখন আঁচনিৰ কথাকে উল্লেখ কৰিছে। চাহ বাগিচা অঞ্চলত প্ৰায় ১২০খন আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ঘোষণা কৰিছে। ইয়াতে প্ৰশ্নটো হ'ল চাহ বাগানৰ শ্ৰমিক-কৰ্মচাৰীৰ সন্তানৰ শিক্ষাৰ ব্যৱস্থা কৰাটো বাগানৰ মালিকৰ দায়িত্ব। চৰকাৰী ধন ইয়াত খৰচ কৰাতকৈ বাগানৰ মালিকক বাধ্য কৰিব নোৱাৰিলে কিয় এই স্কুলবোৰ মুকলি কৰাৰ বাবে? বাগানৰ শ্ৰমিক-কৰ্মচাৰীৰ সকলো অসামৰিক সুবিধা, স্বাস্থ্য, শিক্ষা আদি বাগানৰ মালিকৰ দায়িত্ব।

সি যিয়েই নহওক, অসমৰ জনসাধাৰণৰ মুখ্য সমস্যা হ'ল আয় কৰাৰ সুযোগ নাই তেওঁলোকৰ। নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ প্ৰায় অংশই নিবনুৱা। ৰাজ্যখন অশিক্ষিতক বাদ দিও শিক্ষিত নিবনুৱাৰে ভৰ্তি। অসমৰ নিয়োগ বিনিময় কেন্দ্ৰবোৰত ২০১৬ত পঞ্জীবদ্ধ নিবনুৱাৰ সংখ্যা আছিল ২০,২৪,৪৪৬ জন, ২০২২ৰ জানুৱাৰীলৈ বৃদ্ধি পাইছে ২৪,০৪,৬৭১ জনলৈ। নিয়োগ বিনিময় কেন্দ্ৰৰ দ্বাৰা কৰ্মসংস্থান নহয় বাবে অনেক শিক্ষিত প্ৰাৰ্থীয়ে নাম পঞ্জীয়ন নকৰে। অশিক্ষিতৰো ৯০ শতাংশ নিবনুৱাই নাম পঞ্জীয়ন নকৰে। গতিকে ৰাজ্যখনৰ প্ৰকৃত নিবনুৱাৰ সংখ্যা পঞ্জীবদ্ধ সংখ্যাৰ দুগুণ হ'ব, প্ৰায় ৫০ লাখ। এক লাখ নিবনুৱাক চাকৰি দিয়াৰ আশ্বাস দিছে যদিও বাজেট উত্থাপন কৰা দিনটোলৈ মাত্ৰ ১,১৫৭ জনকহে নিয়োগ কৰিছে। ৰাজ্যখনৰ এই বৃহৎ সংখ্যক নিবনুৱাক কৰ্মসংস্থান দিয়াৰ আন্তঃগাঁথনি সৃষ্টি কৰিব লাগিব চৰকাৰে। চৰকাৰী চাকৰিৰে সকলো নিবনুৱাক কৰ্মসংস্থান দিয়াটো অৱশ্যে সম্ভৱ নহয়। ৰাজ্যখনত কৃষি আনুষংগিক, ক্ষুদ্ৰ-মজলীয়া উদ্যোগ, পৰ্যটন উদ্যোগ, কুটিৰ-হস্ত উদ্যোগ আদিবোৰ বিকশিত কৰিব লাগিব। ক'ভিডৰ তলাবন্ধৰ বাবে অসমৰ ক্ষুদ্ৰ ব্যৱসায়, ক্ষুদ্ৰ উদ্যোগ, কৃষি আনুষংগিক উদ্যোগবোৰো সংকটত নিমজ্জিত হৈ আছে। দুবছৰ ধৰি উৎপাদন বন্ধ বা উৎপাদন কৰিলেও গ্ৰাহকৰ অভাৱত উদ্যোগ, ব্যৱসায় আনকি সেৱা খণ্ডৰ বাবে সংকট আহি পৰিছে। এই সংকটত আক্ৰান্ত ক্ষুদ্ৰ ব্যৱসায়, ক্ষুদ্ৰ উদ্যোগ, হস্ত বা কুটিৰ উদ্যোগবোৰ পুনৰুজ্জীৱিত কৰাৰ কোনো কাৰ্যসূচী নাই বাজেটত। ২০২১-২২ বৰ্ষৰ বাজেটত প্ৰতি ক্ষুদ্ৰ উদ্যোগ আৰু ব্যৱসায়ক দহ হাজাৰ টকা ৰাজ-সাহায্য দিয়াৰ প্ৰস্তাৱ কৰিছিল, কিন্তু দহ হেজাৰ টকাৰে কোনো ব্যৱসায় বা উদ্যোগে সংকটক মোকাবিলা কৰিব নোৱাৰিব। বহু উদ্যোগে বেংকৰ ঋণৰ কিস্তিয়ে দিব পৰা নাই যোৱা দুই বছৰে। তদুপৰি চৰকাৰে উৎপাদনৰ কথাটোহে চিন্তা কৰে, কিন্তু উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ কথা চিন্তা নকৰে। শুৱালকুছিৰে তাঁত শিল্পীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী যোৱা দুবছৰে বিক্ৰী কৰিব পৰা নাই। ক'ভিডৰ আক্ৰমণ হ্ৰাস পোৱাতো ৰাজ্যখনৰ লোকৰ আয় কৰাৰ সুযোগ নোহোৱা কাৰণে সকলো সামগ্ৰীৰে বিক্ৰী অতি কম। ৰাজ্যৰ নিৰ্মাণ খণ্ডও সংকটত। এই পৰিস্থিতিত ব্ৰিটিছ অৰ্থনীতিবিদ জে. এম. কেইন্সে কোৱা ধৰণে চৰকাৰৰ হস্তক্ষেপত বজাৰ চাহিদাৰ সৃষ্টি কৰিব লাগিব, জনসাধাৰণৰ আয় কৰাৰ সুযোগ সৃষ্টিৰে জনসাধাৰণৰ ক্ৰয়ক্ষমতা সৃষ্টিৰ আঁচনিৰ অতি জৰুৰী। বাজেটখনত এক লাখ চাকৰিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে, কিন্তু যিখন ৰাজ্যত ৪০ৰ পৰা ৫০ লাখ নিবনুৱা, নিয়োগ বিনিময় কেন্দ্ৰতে ২৪ লাখ পঞ্জীবদ্ধ প্ৰাৰ্থী, সেই অৱস্থাত এক লাখ চাকৰিয়ে ৰাজ্যখনৰ নিবনুৱা সমস্যাত সামান্যতমো সকাহ নিদিয়ে। আনফালে ৰাজ্য চৰকাৰে কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ প্ৰকৃত মূল্য পোৱা ব্যৱস্থা কৰিব পৰা নাই। চহৰবোৰত কৃষি সামগ্ৰীবোৰৰ দাম অধিক, কিন্তু কৃষকে এই মূল্যৰ এক চতুৰ্থাংশও নাপায়। যি কাৰণে অসমৰ জনসাধাৰণৰ কৃষিকাৰ্যৰ প্ৰতি অনীহা আহি পৰিছে। অসমৰ জনসাধাৰণৰ অন্যতম মাৰাত্মক সমস্যা হ'ল বান-গৰাখহনীয়া। ২০১৬ত বিজেপিয়ে প্ৰকাশ কৰা 'অসম দৃষ্টি-পত্ৰ'ৰ মাধ্যমেৰে অসমৰ জনসাধাৰণক আশ্বাস দিছিল বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ। অসমত বিজেপি চৰকাৰে আজিলৈ সাতখন বাজেট দাখিল কৰিলে, কিন্তু বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ সম্যক (Comprehensive) প্ৰকল্প এটাৰ প্ৰস্তাৱ আজিলৈ দিব পৰা নাই।

> দুৰ্ভিক্ষহীনতাত দেশৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ স্থান ১৭। স্বাস্থ্যখণ্ডৰ বৈপ্লৱিক পৰিৱৰ্তনৰ কথা আমাৰ মুখ্যমন্ত্ৰীয়ে সদায়ে ঘোষণা কৰে, কিন্তু এই বহনক্ষম উন্নয়নৰ তালিকাত দেশৰ সকলো ৰাজ্যৰ ভিতৰত অসমৰ স্থান একেবাৰে তলত। লিংগ সমতাৰ ক্ষেত্ৰতো অসমৰ স্থান একেবাৰে তলত। বিশুদ্ধ পানী আৰু স্বচ্ছতাৰ ক্ষেত্ৰতো অসমৰ স্থান ১৯ত। শিক্ষাৰ ক্ষেত্ৰতো অসমৰ স্থান ১৭ত।

বাজেটখনত কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰিছে ৰাজ্যৰ ঘৰে ঘৰে বিশুদ্ধ পানী যোগান দিব। গুৱাহাটী চহৰৰ বিভিন্ন ঠাইত 'ঘৰে ঘৰে পানী' কথাখিনিৰে প্ৰায় ৫০খন হ'ৰ্ডিং বা বিজ্ঞাপন ফলক আঁৰি দিয়া হৈছে। দুৰ্ভাগ্যজনক যে গুৱাহাটীৰ ৮০ শতাংশ মানুহৰ ঘৰতে পানী যোগান দিব পৰা নাই বিজেপি চৰকাৰখনৰ ছয় বছৰীয়া কালত। ১০০০ একৰ ভূমিত GIG মহানগৰ এখন নিৰ্মাণৰ প্ৰস্তাৱ দিছে বাজেটত। এইটো আদৰণীয় প্ৰস্তাৱ। কিন্তু ১০০০ একৰ নহয়, গুৱাহাটীত তাতোকৈ বৃহৎ পাৰ্শ্বচহৰ (Satellite City) এখন নিৰ্মাণ অতি প্ৰয়োজন। বিজেপি চৰকাৰখনৰ বাজেটৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ প্ৰশ্ন হ'ল বাস্তৱায়িতকৰণ। বিজেপি চৰকাৰখনৰ আগৰ ছয়খন বাজেটো এনেকুৱা ধৰণৰ অতি প্ৰত্যাশাৰঞ্জিত আঁচনিৰে ভৰপূৰ আছিল; কিন্তু অসমৰ জনসাধাৰণৰ মৌলিক সমস্যাবোৰ সমাধানত কোনোধৰণৰ ভূমিকা ল'বই নোৱাৰিলে বাজেটকেইখনৰ মনোমোহা আঁচনিবোৰে। ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটখনেও অসমৰ জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নত ভূমিকা ল'ব পাৰিবনে? সেইটো নিযুত ডলাৰৰ প্ৰশ্ন।

ফোন : ৯৪৩৫০৪১২০৩

# প্ৰাক্-প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা

### গৱেষণাৰ তথ্যই প্ৰমাণ কৰে যে, প্ৰকৃত অৰ্থত প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ পৰা গৈ ভৰ্তি হোৱা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা অন্যৰ তুলনাত বা পোনপটীয়াকৈ ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীতকৈ বেছি। কাৰণ প্ৰাক্-প্ৰাথমিক বিদ্যালয়সমূহত মুকলিমুৰীয়া পৰিৱেশ পোৱা যায়।


**বিশ্বনাথ ৰাভা তাৰা**

**ডিগ্ৰী** মানে শিক্ষা নহয়। অলংকাৰস্বৰূপ শিক্ষাই মানুহক উপকৃত কৰিব নোৱাৰে। নম্বৰৰ পিছে পিছে দৌৰি লাভ কৰা শিক্ষা প্ৰকৃত শিক্ষা হ'ব নোৱাৰে। যদি সামাজিক শিক্ষা লাভ কৰিবলৈ সক্ষম নহয় তেন্তে মানুহে প্ৰকৃত শিক্ষা পাব নোৱাৰে। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলক সমাজমুখী চিন্তাৰে শিক্ষা প্ৰদান কৰি আগুৱাই লৈ যোৱাৰ দায়িত্ব শিক্ষক আৰু সমাজৰ। অসমত মানৱ সম্পদ গঢ়াৰ উপযুক্ত ব্যৱস্থাৰ অভাৱ পৰিলক্ষিত হয়; যাৰ ফলশ্ৰুতিত শিক্ষা খণ্ডৰ বিশেষ উন্নয়ন হোৱা নাই। সেয়ে অসমৰ শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ বাবে প্ৰাথমিক স্তৰৰ পৰাই গুৰুত্ব দিব লাগে। অসমৰ শিক্ষা ব্যৱস্থাত প্ৰাথমিক শিক্ষাৰ ভেটি সুদৃঢ়কৰণৰ বাবে প্ৰাথমিক বিদ্যালয়সমূহত প্ৰাক্-প্ৰাথমিক স্তৰ খোলা নিতান্তই প্ৰয়োজন। তেতিয়াহে ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাৰ উন্নয়ন তথা মানৱ সম্পদ গঢ়াৰ ব্যৱস্থাটো ফলপ্ৰসু হ'ব।

সাম্প্ৰতিক কালৰ অসমৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ পয়ালগা অৱস্থালৈ গভীৰভাৱে লক্ষ্য কৰিলে প্ৰাক্-প্ৰাথমিক স্তৰ প্ৰৱৰ্তন কৰা আৱশ্যক। কাৰণ প্ৰাক-প্ৰাথমিক স্তৰৰ শিক্ষাইহে প্ৰাথমিক শিক্ষাৰ ভেটি সুদৃঢ় কৰিব। উল্লেখ্য ছয় বছৰ বয়সৰ আগতে ল'ৰা-ছোৱালীৰ বিদ্যালয়ত নাম ভৰ্ত্তি কৰা আমাৰ দেশৰ পৰম্পৰাৰ ভিতৰুৱা নাছিল। প্ৰাক্-প্ৰাথমিক শিক্ষাৰ আৰম্ভণি হয় পশ্চিমীয়া দেশসমূহত। অৱশ্যে ইয়াৰ উদ্দেশ্যও আছিল বাস্তৱধৰ্মী। খেলা-ধূলাৰ মাধ্যমেৰে শিশুৰ সৰ্বাঙ্গীন উন্নতিয়ে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য। ইয়াৰ পৰাই অনুধাৱন কৰিব পাৰি যে, প্ৰাক্-প্ৰাথমিক স্তৰত শিশুৰ শাৰীৰিক, আবেগিক, বৌদ্ধিক আৰু সামাজিক দিশৰ বিকাশত সহায় কৰে। বিভিন্ন দাৰ্শনিক আৰু শিক্ষাবিদসকলে গৱেষণা কৰি তথ্য সংগ্ৰহৰ জৰিয়তে মতপোষণ কৰিছে যে - তিনিৰ পৰা ছয় বছৰৰ ভিতৰত শিশুৰ বৃদ্ধি আৰু বিকাশ অতি দ্ৰুত গতিত হয়। তেনে সময়ত যোগান ধৰিব পৰা পৰিৱেশ, সঁজুলি, মৰম-স্নেহ ইত্যাদিয়ে শিশুৰ প্ৰতিভা বিকাশত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। ইয়াৰোপৰি প্ৰাথমিক শিক্ষাৰ স্থৱিৰতা আৰু অপচয় ৰোধত সহায়ো কৰে।

১৯৯২ত নতুন দিল্লীত অনুষ্ঠিত 'ইণ্ডিয়ান একাডেমী অৱ পেইডি আট্ৰিকচ'ৰ আলোচনা চক্ৰৰ সাৰাংশ মতে— তিনি বছৰ বয়সৰ তলৰ শিশুক কোনো বিদ্যালয়লৈ পঠোৱা অনুচিত। তদুপৰি তিনি-ছয় বছৰ বয়সৰ শিশুক আখৰ, অঙ্ক, পঢ়া-শুনা আদিৰ জ্ঞান দি জোৰ জুলুম কৰাৰ ফল সুখৰ নহয়। এই সময়ছোৱাত শিশুক ঘৰৰ ওচৰৰ খেলাধূলা কেন্দ্ৰলৈ নিব লাগে য'ত মুকলিমুৰীয়াভাৱে খেলৰ পৰিৱেশ আছে (উৎস তিনিদিনীয়া অগ্ৰদূত, ৮ জুন, ১৯৯৪ৰ, কিন্তু এই কথাবোৰৰ প্ৰচাৰ বা প্ৰয়োগ অকল এক শ্ৰেণীৰ মানুহৰ মাজতে আৱদ্ধ আছে। এই প্ৰয়োজনীয় কথাসমূহত শিক্ষা বিভাগ, চৰকাৰ, পিতৃ-মাতৃ কিম্বা বিদ্যালয় কৰ্তৃপক্ষ কোনেও গুৰুত্ব দিয়া নাই।

প্ৰণিধানযোগ্য যে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত যিসকলে অৱদান আগবঢ়ালে তাৰ ভিতৰত ৰুচ ফ্ৰেৱেল, হাণ্ট পিয়াজে, জন ভিউয়ি, মেৰিয়া মণ্টেছৰী, ৰবীন্দ্ৰ নাথ ঠাকুৰ, গিজুভাই ভদকা, তাৰাবাঈ মুদাক, ৰুক্মিনী অৰুণদলে, এচ এন নামলে, মাৰ্গাৰেট ভগ্নীদ্বয় আদি। এওঁলোকৰ অৰিহণাৰ বলতেই প্ৰাক্-প্ৰাথমিক স্তৰৰ প্ৰতিষ্ঠা হয়। গৱেষণাৰ তথ্যই প্ৰমাণ কৰে যে, প্ৰকৃত অৰ্থত প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ পৰা গৈ ভৰ্তি হোৱা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা অন্যৰ তুলনাত বা পোনপটীয়াকৈ ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীতকৈ বেছি। কাৰণ প্ৰাক্-প্ৰাথমিক বিদ্যালয়সমূহত মুকলিমুৰীয়া পৰিৱেশ



পোৱা যায়। খেলা-ধূলাৰ সামগ্ৰী, আচবাব পত্ৰও শিশুৰ উপযোগী হোৱাৰ উপৰি খেলা-ধূলাৰ বাবে অধিক সুবিধা পায়। খোৱা পানীৰ বন্দোৱস্ত, প্ৰস্ৰাৱগাৰ আৰু পায়খানা আদিৰ স্বাস্থ্যসন্মত ব্যৱস্থা থাকে। তদুপৰি এই অনুষ্ঠানসমূহত গতানুগতিকভাৱে পাঠ্যপুথিৰ জ্ঞান দিয়া, সংখ্যা গণনা, ইৰাজী বৰ্ণমালাৰ ইংৰাজী গীতৰ কলি, অসমীয়া বৰ্ণমালাৰ অসমীয়া গীতৰ কলি গাব পৰা কৰোৱাৰ লগতে গোটেই বছৰটোৰ, প্ৰতিটো মাহৰ, প্ৰতিটো দিনৰ শিশুৰ কৰিবলগীয়া কাম, খেলা-ধূলাৰ কাৰ্যক্ৰমণিকাৰ প্ৰস্তুতিকৰণ, নিয়মীয়া প্ৰয়োগ অবিৰত মূল্যায়ন ইত্যাদি স্কুল কৰ্তৃপক্ষ বা বিদ্যালয় পৰিচালনা সমিতিয়ে দায়িত্ব লৈ সজাই পৰাই ল'ব পাৰিলে (কোনো কোনো বিদ্যালয়ত আছে) প্ৰাক্-প্ৰাথমিক স্তৰ আদৰ্শনীয় হোৱাৰ উপৰি ইঙ্গিত লক্ষ্যত উপনীত হোৱাটো খাটাং। আনহাতে যদি মাতৃভাষা মাধ্যমত শিক্ষাদান কৰা হয় তেন্তে প্ৰাক্-প্ৰাথমিক স্তৰ (বিদ্যালয়) ফলপ্ৰসু যে হ'ব সেয়াও নিশ্চিত। কাৰণ শিশুক নিৰ্দ্ধাৰিত ধাৰণাৰ ওপৰত শিকাবলৈ যাওঁতে মাতৃভাষাক (ঘৰুৱা ভাষা / Home Language) আটাইতকৈ মনোগ্ৰাহী বুলি ক'ব পাৰি। চৰকাৰেও প্ৰাথমিক বিদ্যালয়ৰ লগত প্ৰাক্-প্ৰাথমিক শ্ৰেণী এটা দিছে যদিও সকলো প্ৰাথমিক বিদ্যালয়তে নাই। আনহাতে সমাজ কল্যাণ বিভাগে অঙ্গনৱাৰী কেন্দ্ৰৰ যোগেদিও তিনি-ছয় বছৰ বয়সৰ শিশুৰ বাবে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ যোগান ধৰিছে। কিন্তু এতিয়াও এইবোৰ কেন্দ্ৰই সকলো শিশুকে সামৰি ল'ব পৰা নাই। সেইবাবে গ্ৰাম্য আৰু পিছপৰা অঞ্চলত প্ৰাক্-প্ৰাথমিক শিক্ষাৰ অভাৱত পোনপটীয়াকৈ প্ৰাথমিক বিদ্যালয়ত ছয় বছৰ বয়স পূৰ্ণ হোৱাৰ আগতেই নাম ভৰ্তি কৰাবলৈ আহে, হেতাওপৰা লগায়। ফলত স্কুল কৰ্তৃপক্ষই বাধ্যত পৰি ল'ৰা-ছোৱালীৰ নাম ভৰ্তি কৰিবলগীয়াত পৰে।

এনেবোৰ দিশৰ আলোচনাই প্ৰমাণ কৰে যে এতিয়াও অসমৰ শিক্ষা জগতত প্ৰাক্-প্ৰাথমিক শিক্ষাৰ বহুল প্ৰচাৰ হোৱা নাই। সেয়ে সকলো শিশুই সমান ধৰণে শিক্ষা পাবলৈ হ'লে প্ৰতিখন বিদ্যালয়ত প্ৰাক্-প্ৰাথমিক স্তৰৰ ব্যৱস্থা কৰাটো চৰকাৰৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য। প্ৰণিধানযোগ্য যে, নতুন শিক্ষানীতি, ২০২২ ত শিক্ষা ব্যৱস্থা, শিক্ষাৰ মাধ্যম, উচ্চ শিক্ষা আৰু শিক্ষা ব্যৱস্থাত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ক্ষেত্ৰত ব্যাপক সংশোধনৰ কথা কোৱা হৈছে। পূৰ্বৰ ১০ঋ২ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে ৫ঋ৩ঋ৩ঋ৪ ব্যৱস্থাক আৰ্হি হিচাপে গ্ৰহণ কৰা হৈছে। এই নতুন প্ৰণালীত বুনিয়াদী (৫ বছৰ), প্ৰাৰম্ভিক (৩ বছৰ), মধ্য (৩ বছৰ) আৰু মাধ্যমিক (৪ বছৰ) এই স্তৰত ভাগ কৰা হৈছে।

বুনিয়াদী স্তৰত পাঁচ বছৰ পাঠ্যক্ৰমৰ প্ৰথম তিনি বছৰ চৰকাৰী-বেচৰকাৰী সকলো বিদ্যালয়ৰ বাবে প্ৰাক্-প্ৰাথমিক শিক্ষা ব্যৱস্থা বাধ্যতামূলক কৰা হৈছে। এই স্তৰত শিশুসকলক খেল-ধেমালি কেন্দ্ৰিক, কাৰ্যভিত্তিক, আখৰৰ তুলনা, গণনা, ভাষা, সংখ্যা জ্ঞান, ৰং, আকৃতি, অঙ্গ সঞ্চালন, গীত-মাত (সংগীত) আৰু ছবি অঁকাৰ মাজেৰে পাঠদানৰ ব্যৱস্থা কৰা হ'ব। এই নীতিৰ অধীনত শিশুসকলৰ শিক্ষা তিনি বছৰ বয়সৰ পৰাই আৰম্ভ হৈ ছয় বছৰত সমাপ্ত হ'ব। এয়া আদৰণীয় পদক্ষেপ। এই সিদ্ধান্তটোৱে আশাৰ ৰেঙণি কঢ়িয়াইছে।

দূৰভাষ : ৯৮৫৪৪৬৫২২৭

## আমি বাবু হ'লো কেনেকৈ?

**অভিমত**

**গণতান্ত্ৰিক** দেশ হোৱা বাবেই প্ৰায় একেবোৰ কামত আৰু বাহিৰে ৰংচং দি সৌন্দৰ্য বৰ্ধন কৰা কামত, ৰাজহুৱা আৰু ব্যক্তিগত খৰচৰ পৰিমাণ বৃদ্ধি পাই যাব লাগিছে; য'ত মিতব্যয়িতাৰ কথা ভবা নহয় বা ভৱিষ্যৎ সংকটাপন্ন অৱস্থাৰ সম্ভাৱনাৰ কথা জ্ঞাত হ'লেও সাৱধানতা অৱলম্বন কৰা নহয়। আমাৰ ব্যক্তিগত বিয়া-সবাহত সৌন্দৰ্য বৰ্দ্ধনৰ নামত অনাৱশ্যক ধন ব্যয় কৰা এটা পৰম্পৰাত পৰিণত হ'ল। এতিয়া আকৌ কইনাক সজোৱাৰ কাৰণে সৌন্দৰ্য বিশেষজ্ঞাৰ প্ৰয়োজনীয়তাও প্ৰায় সকলো শ্ৰেণীৰ লোকৰ মাজত এটা যেন প্ৰতিযোগিতা আৰম্ভ হ'ল। তেনেকৈ ৰাজহুৱা সভা-সমিতি, উৎসৱ-পাৰ্বণ, পূজা-অৰ্চনা, সভা-মহোৎসৱ উদ্‌যাপন কৰোতে জাকজমকতাৰ নামত ব্যয়বহুলতাৰ প্ৰতি যেন কাৰোৰেই কাণসাৰ নাই। নিঃসংকোচে ব্যয়ত আগভাগ লোৱা জাতীয় ক্ষতিকাৰক পৰম্পৰাত আমি অগ্ৰসৰ হৈছো। তদুপৰি সভা-সমিতি, উৎসৱ-পাৰ্বণ, পূজা-ভঠেলিৰ উদ্‌যাপন কৰা সংখ্যা দিনে দিনে বৃদ্ধি পাব লাগিছে। আমাৰ মাজত কিছুমান মানুহ আছে যিসকলে ৰাজহুৱা উৎসৱ-পাৰ্বণবোৰত ধাৰাবাহিক হিচাপে জড়িত থকা এটা যেন কৰ্তব্যত পৰিণতহে হ'ল। কিছুমানে ঘৰুৱা কামত মনোযোগ দিয়াৰ সময়ে নাপায়। কিন্তু আমি উৎসৱ-পাৰ্বণ উদ্‌যাপনত যিদৰে আগভাগ লৈ সিবোৰ পালন কৰণত উদ্যম প্ৰদৰ্শন কৰো, তেনেকৈ গঠনমূলক কামত কমেইহে অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। তদুপৰি কামবিলাকৰ নিৰ্দেশনাৰ ক্ষেত্ৰত যিমান মানুহ জড়িত থাকে, শ্ৰম কৰা মানুহৰ সংখ্যা তেনেই নগণ্য। আমি প্ৰায় কাম মজুৰি দি শ্ৰমিক-বনুৱাৰ দ্বাৰা সম্পন্ন কৰাও। আমাৰ পোছাক-পাতি পৰিধান কৰাৰ ধৰণ-কৰণলৈ লক্ষ্য কৰিলে আমাক বাবু (কৰ্ম নকৰা) যেন নালাগেনে? আমি প্ৰায় বাবু হ'লো। ঘৰুৱা কামতো বহুতে সাধাৰণ কামটোও ধনৰ বিনিময়ত কৰোৱা হ'ল। গতিকে আমাৰ ব্যক্তিগত কামৰ পৰা ৰাজহুৱা কামলৈ খৰচৰ পৰিমাণ বৃদ্ধি পাই যোৱাত আচৰিত হ'ব লগা একোৱেই নাই। আন এটা আমাৰ মাজত বদভ্যাস গঢ়ি উঠিছে যে ৰাজহুৱা স্থানৰ, ৰাজহুৱা সম্পদবোৰক ক্ষয়-ক্ষতি নোহোৱাকৈ সংৰক্ষণ কৰিবলৈ যেন আমি অসাৱধান। একেবোৰ কামকে সঘনাই মেৰামতি বা পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি থাকিব লগা হোৱা বাবে খৰচৰ পৰিমাণ বৃদ্ধিত আমি নিজেই ইন্ধন যোগোৱা অস্বীকাৰ কৰিব নোৱাৰো।

আমি এতিয়া উৎসৱ প্ৰিয় জাতি হিচাপে খ্যাত হ'লো, কৰ্ম প্ৰিয়তা আমাৰ এলাগী হ'ল। ইয়াৰ মাজত দুই-এগৰাকী লোকৰ কৰ্মোদ্যম আৰু কৰ্মস্পৃহাত ব্যক্তিগতভাৱে উন্নতি হৈছে সঁচা; কিন্তু সি এথালি আঞ্জাত এটা জালুক যেন নহয়নে?

**কেশৱ শৰ্মা**

ফোন : ৯৪০১৮৭৯৪০৮

## বাৰ্ণাৰ্ড শ্বৰ
# চেইণ্ট জোৱান
## এখন মহৎ ট্ৰেজেডি



ড° আনন্দ বৰমুদৈ

**চিম্পচিয়াসৰ** শেষৰ ফালে ছক্ৰেটিছে এটা মন্তব্য কৰিছিল যে মহৎ ট্ৰেজেডি আৰু মহৎ কমেডিৰ। শ্ৰষ্টাজনৰ মহত্ত্ব একেই আৰু বহুতে এই মন্তব্যক এটা ৰগৰ বুলি ভাবিছিল। কিন্তু এই মন্তব্যৰ সত্যই নাটকৰ চূড়ান্ত উৎকৰ্ষ সাধনত সহায় কৰি আহিছে। কমেডিৰ মাজতো ট্ৰেজিক সম্ভাৱনা সোমাই থাকে। ৫৩ খন নাটক লিখা বাৰ্ণাৰ্ড শ্বৰ নাটকক সমালোচকে কমেডি, প্ৰহসন, সমস্যা প্ৰধান বুলিহে কয় যদিও তেওঁৰ কেইখনমান নাটকক ট্ৰেজেডি বুলিব পাৰি। তাৰ ভিতৰত চেইণ্ট জোৱান এখন মহৎ ট্ৰেজেডি নাটক।

প্ৰথম মহাসমৰৰ আগলৈকে শিল্পৰূপ হিচাপে ট্ৰেজেডিৰ প্ৰতি শ্বৰ মনোভাৱ বিদ্ৰুপাত্মক আছিল। বিদ্ৰুপৰ পৰা তেওঁ শ্বেইক্সপীয়েৰকো ৰেহাই দিয়া নাছিল। শ্বেইক্সপীয়েৰৰ বিখ্যাত 'হেমলেট' নাটকৰ বিষয়ে তেওঁ কৈছিল যে আমাৰ দদাইহঁতে আমাৰ দেউতাহঁতক হত্যা নকৰে আৰু কৰিলেও আমাৰ মাহঁতক বিয়া নকৰে। 'অথেল' নাটক সম্পৰ্কে তেওঁ ক'লে যে ডেচডিমনাক মাৰি নেপেলাই কৃষ্ণাংগ ডেকাই ভেনিছৰ সুন্দৰী গাভৰু বিয়া কৰিলে কেনেধৰণৰ সমস্যাৰ উদ্ভৱ হ'ব পাৰে তাক আলোচনা কৰিব পাৰিলেহেঁতেন। প্ৰথম মহাসমৰৰ শ্বৰ আশাবাদক প্ৰৱলভাৱে জোঁকাৰি গ'ল। তাৰ আগলৈকে তেওঁ ভাবি আছিল যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সমাজৰ সকলো সমস্যাৰ সমাধান কৰিব। ট্ৰেজেডি নাটকক বিদ্ৰুপ কৰা শ্বই নিজেই ঘোষণা কৰিলে যে 'চেইণ্ট জোৱান' এখন উচ্চ পৰ্যায়ৰ আধুনিক ট্ৰেজেডি নাটক। কিন্তু নাট্যকাৰে ট্ৰেজেডি বুলি দাবী কৰিলেও অনেক সমালোচকে সেই দাবী মানি নলয়। তাৰো বহুত কাৰণ আছে।

চেইণ্ট জোৱান নাটকৰ নায়িকা এগৰাকী সন্ত। ট্ৰেজিক নাটকৰ নায়ক বা নায়িকাৰ বাবে সন্তৰ চৰিত্ৰ উপযুক্ত নহয়। সন্ত এগৰাকীক আনে আক্ৰমণ কৰিলেও তেওঁ প্ৰতি আক্ৰমণ নকৰি নাটকীয় ঘটনাক এটা স্থবিৰ অৱস্থালৈ লৈ আহে। দ্বিতীয় কথা, ট্ৰেজেডিৰ নায়ক-নায়িকাৰ যন্ত্ৰণা অপ্ৰাপ্য বাবে দৰ্শকৰ মনত কৰুণা আৰু ত্ৰাসৰ সৃষ্টি হয়। সন্ত এজন যদি ঈশ্বৰ প্ৰেৰিত হয় আৰু মৃত্যুৰ পাছত ঈশ্বৰৰ কোলালৈকে ঘূৰি যায়, তেনে মৃত্যু ট্ৰেজিক হ'ব নোৱাৰে। শ্বই এনে বাধা অতি দক্ষতাৰে অতিক্ৰম কৰিছে আৰু চেইণ্ট জোৱান নাটকখনক এখন মহৎ ট্ৰেজেডি কৰিছে।

শ্বৰ মতে কোনোবা খলনায়কে ভাল মানুহ এজনক হত্যা কৰা ঘটনাটো ট্ৰেজেডিৰ বিষয় হ'ব নোৱাৰে। তেওঁৰ নাটকখনত কোনো খলনায়ক নাই। জোৱান অৱ আৰ্কক ১৪৩১ত ডাইনী বুলি পুৰি মৰা হৈছিল আৰু ১৯০৮ত গিৰ্জাই তেওঁক সন্ত বুলি ঘোষণা কৰিলে। চেইণ্ট জোৱান নাটকখন ১৯২৩ত লিখা। নাটকত জোৱানক ডাইনী বুলি বিচাৰ কৰি জীয়াই জীয়াই পুৰি মাৰিবলৈ হুকুম দিয়া যাজক আদালতৰ প্ৰধান বিচাৰপতি কুছন খলনায়ক নহয়। নাট্যকাৰে এই কথাহে দেখুৱাব খুজিছে যে মানুহে সমস্ত জ্ঞান, বিবেক আৰু প্ৰেমেৰে কাৰোবাক সহায় কৰিবলৈ চেষ্টা কৰাৰ পাছতো কাৰোবাৰ মৃত্যুক যদি বাধা দিব নোৱাৰা অৱস্থা হয়, তেনে ঘটনাই নাটক এখনক ট্ৰেজিক মৰ্যাদা দান কৰিব পাৰে। বাৰ্ণাৰ্ড শ্বই চেইণ্ট জোৱান নাটকত দেখুৱাইছে যে জোৱানে ১৫ শতিকাতে যাজক আদালতত যি সুবিচাৰ পাইছিল, তেনে সুবিচাৰ আধুনিক আদালততো হেজাৰ-বিজাৰ মানুহে পোৱা নাই।

চেইণ্ট জোৱান নাটকখনক ট্ৰেজেডি হিচাপে গঢ় দিয়াৰ কৌশল চমৎকাৰ। যি দেৱত্বই জোৱানক ট্ৰেজিক নায়িকা হোৱাত বাধা দিব পাৰে, সেই দেৱত্ব হ'ল চেইণ্ট মাৰ্গাৰেট আৰু চেইণ্ট কেথেৰিনে জোৱানক ফ্ৰান্সৰ মাটিৰ পৰা ইংৰাজবোৰক খেদিবলৈ গোপনে কাণে কাণে কৈ দিয়া আদেশ। নাটকত এই আদেশক আৰম্ভণিৰ পৰাই বৰ কৌশলেৰে অনিশ্চয়তাৰ মাজত ৰাখিছে। জোৱানে দাবী কৰা মতে চেইণ্ট মাৰ্গাৰেট আৰু চেইণ্ট কেথেৰিনে তেওঁক অৰ্লিয়েঞ্চ উদ্ধাৰ কৰি ডফিনক ৰেইমছ গিৰ্জাত ৰাজমুকুট পিন্ধাবলৈ কৈছে।


১৫ শতিকাত এজনী সাধাৰণ খেতিয়কৰ ছোৱালীয়ে পুৰুষ সৈনিকৰ পোছাক পিন্ধি, পুৰুষ সৈনিকৰ লগত ছাউনিত একেলগে থাকি ইংৰাজ সৈন্যৰ বিৰুদ্ধে যুঁজিব। ছোৱালীয়ে পুৰুষৰ পোছাক পিন্ধা আৰু চুলি চুটিকৈ কটাটোৱেই যিখন সমাজত অপৰাধ, সেই সমাজত জোৱানে দাবী কৰিছে যে ইংৰাজক অৰ্লিয়েঞ্চৰ পৰা তাই খেদিবই আৰু সেইটো ঈশ্বৰৰ ইচ্ছা। জোৱানে যে ঈশ্বৰৰ ইচ্ছাতহে তেনে এক অসাধ্য সাধন কৰিছিল সেই কথা প্ৰচাৰ হোৱাৰ লগে লগে তেওঁৰ জীৱনৰ লগত নানা ধৰণৰ অলৌকিক কথা সাঙোৰ খাই পৰিছিল। প্ৰথম দৃশ্যত জোৱান কেপ্টেইন ৰবাৰ্টৰ ওচৰলৈ গৈছে এযোৰ পোছাক, কেইজনমান সৈন্য, আৰু ঘোঁৰা বিচাৰি যাতে তাই ডফিনৰ ওচৰলৈ গৈ যুদ্ধৰ অনুমতি ল'ব পাৰে। ৰবাৰ্টে পোনতে ছোৱালীজনীক পাগলী বুলি ভাবি দেখা দিবই খোজা নাছিল। কিন্তু তেওঁ ছোৱালী বিচৰা বস্তুকেইটা দি স্বীকাৰ কৰিলে তাইৰ গাত কিবা এটা আছে। জোৱান অহাৰ লগে লগে কুকুৰাই কণী নপৰা অলৌকিক ঘটনাৰ কথা ৰবাৰ্টে উল্লেখ কৰা নাই, তেওঁ জোৱানৰ দৃঢ়তা, আত্মবিশ্বাস আৰু উৎসাহত মুগ্ধ হৈছে। ৰাজনীতি আৰু ৰণকৌশলৰ হিচাপ নিকাচ কৰিহে তেওঁ জোৱানক অনুমতি দিছে।

জোৱান ৰবাৰ্টৰ ওচৰলৈ যোৱাৰ সময়ত ফ্ৰাঞ্চৰ অৱস্থা সংকটজনক। ফ্ৰান্সৰ আধাতকৈ বেছি ঠাই ৰাৰবিক আৰু ডিউক আৰু বাৰ্গাণ্ডিৰ দখলত। ৰাজভঁৰাল উদং। ৰাজকুমাৰ ডফিন সৰু হৈ আছে আৰু ৰাজকাৰ্যৰ প্ৰতি তেওঁৰ কোনো আগ্ৰহ নাই। আৰ্চবিশ্বপৰ ওচৰত তেওঁ ধাৰত পোত গৈ আছে। ৰাৰৱিক আৰু বাৰ্গাণ্ডিৰ সৈন্যৰ হাতত ফৰাচী সৈন্য বাৰে বাৰে পৰাজিত হৈছে। পেৰিছ, অৰ্লিয়েন্স আদি ইংৰাজে দখল কৰি ৰাখিছে। তেনে গভীৰ সংকটৰ পৰা অলৌকিক ঘটনাইহে ফ্ৰান্সক উদ্ধাৰ কৰিব পাৰিব আৰু জোৱানেই সেই অলৌকিক ঘটনা। ৰবাৰ্টৰ দৃষ্টিত জোৱানে ইংৰাজক খেদাব নোৱাৰিলেও একো লোকচান নহয়, কিন্তু ইমান দৃঢ়তাৰে তাই ইংৰাজ খেদাৰ কথা কৈছে যে তাইক ডফিনৰ ওচৰলৈ পঠাই দিয়াটো তেওঁ উচিত বিবেচনা কৰিলে। নাটকখনত সৰু সুৱা অনেক অলৌকিক ঘটনাৰ উল্লেখ আছে, কিন্তু নাটকীয় কৌশল হিচাপে শ্বই অলৌকিকৰ সমান্তৰালৈকে একোটা যুক্তি সমৰ্থিত ব্যাখ্যা আগবঢ়াই গৈছে।

জোৱান যুদ্ধ ক্ষেত্ৰত উপস্থিত হোৱাৰ লগে লগে বতাহেও সোঁত সলনি কৰিছে। ঘটনাটো অলৌকিক কিন্তু জোৱানৰ গাত দেৱতা লম্ভিছে বুলি ইংৰাজ সৈন্য যুদ্ধ ক্ষেত্ৰৰ পৰা ফৰিং ছিটিকা দিয়া নাই। ফৰাচী সেনাধ্যক্ষ ডুনয় সুদক্ষ নায়ক। তেওঁ ইতিমধ্যে ছখন যুদ্ধত ইংৰাজক পৰাস্ত কৰিছে। তেওঁৰ সমস্যা হ'ল নৈখনৰ সিপাৰে থকা ইংৰাজ দুৰ্গ অতৰ্কিতে আক্ৰমণ কৰা। প্ৰবল বতাহ বিপৰীত দিশৰ পৰা বৈ থকাৰ কাৰণে সৈন্যদলক তেওঁ নৈখন পাৰ কৰাব পৰা নাই। নৈখনৰ ওপৰত থকা একমাত্ৰ দলংখন ইংৰাজ সৈন্য দিনে-ৰাতিয়ে পহৰাদি আছে। জোৱান যুদ্ধ ক্ষেত্ৰত উপস্থিত হোৱাৰ লগে লগে বতাহে সোঁত সলোৱাটো দেখাত অলৌকিক ঘটনা যেন লাগিলেও সোঁত পৰিৱৰ্তনৰ যুক্তিবাদী ব্যাখ্যা হিচাপে ঋতু পৰিৱৰ্তনৰ কথা উল্লেখ কৰা হৈছে। বিশেষ ঋতুত ওলোৱা মাছৰোকা চৰাই এজনীৰ উল্লেখ নাটকখনত দুবাৰ কৰা হৈছে।

বাৰ্ণাৰ্ড শ্বৰ ট্ৰেজিক নায়িকাগৰাকীৰ দৃঢ়মনা, তীক্ষ্ণবুদ্ধি সম্পন্ন, শক্তিশালী সাধাৰণ জ্ঞানৰ অধিকাৰী আৰু প্ৰবৃত্তিগতভাৱে তেওঁ ভাল-বেয়া বিচাৰ কৰিব পাৰে। ছোৱালীজনীয়ে নিজেই নাজানে তাইৰ প্ৰেৰণাৰ আচল উৎস কি। তাই শুনি থকা বুলি কোৱা শব্দবোৰৰো আচল উৎস কি তাই নাজানে। আৰ্চবিশ্বপে যেতিয়া তাই শুনা কথাবোৰ তাইৰ কল্পনা বুলি কৈছে তাই তাৰ প্ৰতিবাদ কৰা নাই। তাই এই বুলিহে কৈছে যে কল্পনাৰ মাজেদিয়ে আহি ঈশ্বৰৰ কথা আমাৰ কাণত পৰে।

জোৱানৰ ট্ৰেজেডিৰ কাৰণ তাইৰ চমৎকাৰ সফলতা। জোৱানে তাইৰ ব্যক্তিগত বিচাৰক সেই সময়ৰ আটাইতকৈ শক্তিশালী অনুষ্ঠান দুটাৰ বিপৰীতে থিয় কৰালে। অনুষ্ঠান দুটা ব্যক্তিগৰাকীতকৈ বহু বেছি শক্তিশালী আৰু দ্বন্দ্ব বিৰোধত জোৱান ধ্বংস হৈ গ'ল। যুদ্ধ ক্ষেত্ৰত জোৱানে প্ৰমাণ কৰিলে তাইৰ ৰণ কৌশল শুদ্ধ আৰু আন সেনাপতিৰ কৌশল ভুল। আৰ্চ বিশ্বপক একাষৰীয়া কৰি ৰেইমছ গিৰ্জাত তাই ৰজাক মুকুট পিন্ধালে। প্ৰৱল প্ৰতাপী গিৰ্জা আৰু সামন্ত ব্যৱস্থাক জোৱানৰ সফলতাই অপ্ৰাসংগিক কৰি পেলাইছিল। গতিকে যাজকপ্ৰেমী আৰু সামন্ত প্ৰভুসকলে জোৱানক অভিনন্দন জনোৱাৰ প্ৰশ্ন নুঠে। অৰ্লিয়েঞ্চ উদ্ধাৰ আৰু চালৰ্ছৰ ৰাজ্যাভিষেকৰ পাছত জোৱানে দেখা পাইছে যে তাই এজনী সাধাৰণ ছোৱালী। দেশখনক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰাৰ পাছতো তাই কেনেকৈ দেশৰ শত্ৰু হ'ল সেই কথা তাই বুজিয়েই নাপালে। দেশ উদ্ধাৰৰ কথা ঈশ্বৰে যদি জোৱানৰ দৰে সাধাৰণ খেতিয়কৰ ছোৱালীৰ লগত পোনপটীয়াকৈ পাতিবই পাৰে, গিৰ্জাত কামনো কি ? ভাষিক জাতীয়তাবাদ সম্পৰ্কে কোনো ধাৰণা নথকা সামন্ত প্ৰভুক জোৱানে ক'লে ফ্ৰান্সৰ মাটি ফৰাচী মানুহৰ বাবে। ইংৰাজে ফ্ৰান্সৰ মাটি অধিকাৰ কৰাটো ঈশ্বৰৰ ইচ্ছা হ'ব নোৱাৰে। জোৱানে ৰজাক ফ্ৰান্সৰ সমস্ত মাটিৰ অধিকাৰী পাতি দেশ শাসন



কৰিবলৈ ক'লে। তাৰ দ্বাৰা ৰজা সৰ্বশক্তিমান হ'ল আৰু সামন্ত প্ৰভুৰ ক্ষমতা কাঢ়ি লোৱা হ'ল। জোৱানে নিজে নজনাকৈয়ে যাজক শ্ৰেণী আৰু সামন্ত প্ৰভুক অসন্তুষ্ট কৰি নিজৰ ধ্বংসক মাতি আনিলে। ইংৰাজ চেপ্লেইনজনে জোৱানক যখিনী বুলি কওঁতে বিভাইৰ বিশ্বপজনে কৈছে যে জোৱান যাদুখেল দেখুৱা মামুলি যখিনী নহয়, তাই গিৰ্জাৰ মতৰ বিপৰীতে মত ৰখা হেৰেটিক। জোৱানে ৰোমান কেথলিক গিৰ্জাৰ ভেটিতে আঘাত কৰিছে।

জোৱানক সন্ত বুলি ঘোষণা কৰা হ'ল যদিও তেওঁ আক্ৰমণ প্ৰতিৰোধ নকৰা অথবা প্ৰতি আক্ৰমণ নকৰা সন্ত নহয়। তেওঁ শুনি থকা মাত অথবা দেৱত্বই তেওঁক অনবৰতে সমৰ্থন দি থকা নাই। নাটকৰ কাহিনীৰ মাজত দুবাৰ তেওঁ দৈব্যবাণীৰ প্ৰেৰণা হেৰুৱাই অকলশৰীয়া হৈছে। তেতিয়া তেওঁ হৈ পৰে এজনী সাধাৰণ মানুহ। ৰাজ্যাভিষেকৰ পাছত ৰজা চাৰ্লছে তেওঁক কৈছে যে শত্ৰুৰ হাতত বন্দী হ'লে ৰজাই তাইক ধন ভাঙি উদ্ধাৰ কৰিব নোৱাৰে। ৰাজ্যাভিষেকৰ পাছত জোৱান তাইৰ গাঁৱৰ ঘৰলৈ যাবলৈ ওলাওঁতে ৰজা, সেনাধ্যক্ষ, আৰ্চবিশ্বপ আদি সকলোৱে ভালহে পাইছে। কিন্তু জোৱানে হঠাতে সিদ্ধান্ত সলনি কৰি পেৰিছ উদ্ধাৰৰ সংকল্প ঘোষণা কৰিছে।

আৰ্চবিশ্বপে জোৱানক শুনোৱা ভৱিষ্যৎ বাণী তাৎপৰ্যপূৰ্ণ। জোৱানক সাফল্যই অহংকাৰী কৰিছে। ডিয়ুনয়ে তাইক বুজাবৰ চেষ্টা কৰিছে যে তায়ে অৰ্লিয়েঞ্চ উদ্ধাৰৰ একমাত্ৰ কাৰণ নহয়। অৰ্লিয়েঞ্চত ইংৰাজ সৈন্যতকৈ ফৰাচী সৈন্য অনেক গুণে বেছি আছিল। কিন্তু পেৰিছ আক্ৰমণ কৰাটো বুদ্ধিমানৰ কাম নহ'ব। তাত ইংৰাজ সংখ্যাধিক। কিন্তু জোৱানে এতিয়া কাৰো কথা নুশুনে। আৰ্চবিশ্বপজনে কৈছে, 'পুৰণি গ্ৰীক ট্ৰেজেডিৰ পুনৰাবৃত্তি হ'বলৈ গৈ আছে। অহংকাৰীয়ে শাস্তি পাব।' পেৰিছৰ যুদ্ধত দেৱত্বই জোৱানক ৰক্ষা কৰিব নোৱাৰিলে। তাই পৰাজিত আৰু বন্দী হ'ল। নাটকখনত শ্লেষৰ প্ৰয়োগ চমৎকাৰ। জোৱানে হেৰেটিকক গিৰ্জাই পুৰি মাৰে বুলি জানে, কিন্তু তাই নিজে হেৰেটিক বুলি নাজানে। নিজকে তাই গিৰ্জাত বিশ্বাসী সাধাৰণ ছোৱালী এজনী বুলি ভাবি আছে।

নাটকৰ শেষ দৃশ্যত শ্লেষ গভীৰৰ পৰা গভীৰতৰ হৈ গৈ আছে। জোৱানক যেতিয়া বিচাৰকে জুইত পুৰি মৰা হ'ব বুলি জনালে, ভয়ত তাই শুনি থকা মাত-কথাবোৰ চয়তানৰ বুলি স্বীকাৰোক্তিৰ পত্ৰত চহী কৰিছে। কিন্তু তাই এই কথা নাজানে যে স্বীকাৰোক্তি কৰিলেও জুইত পুৰি মৰাৰ বিকল্প আজীৱন বন্দিত্ব। তাই ভাবিছিল তাই ঘৰলৈ ঘূৰি যাব পাৰিব। বিকল্পৰ কথা জানি তাই চহী কৰা কাগজখন টুকুৰা টুকুৰ কৰি ফালিছে আৰু চিতাৰ জুইকুৰা জ্বলাবলৈ নিৰ্দেশ দিছে। জোৱানে পুনৰ সজোৰে সাব্যস্ত কৰিছে যে তাই শুনা মাতবোৰ চেইণ্ট মাৰ্গাৰেট আৰু চেইণ্ট কেথেৰিনৰ । জোৱানে প্ৰমাণ কৰি গ'ল যে মহৎ লোকক গ্ৰহণ কৰিবলৈ পৃথিৱী এতিয়াও প্ৰস্তুত হোৱা নাই।

ট্ৰেজেডি নাটকত পুতৌ আৰু ত্ৰাস দৰ্শকৰ মনত উদ্ৰেক কৰা হয়। শ্বই এই নাটকখনত পুতৌ আৰু ত্ৰাস উদ্ৰেক কৰিছে জোৱানৰ নিৰ্যাতনকাৰীৰ মনত, যিসকলে জোৱানক জুইত পুৰি মাৰিলে তেওঁলোকৰ মনত। জোৱানক পুৰি মাৰিবলৈ অতি আগ্ৰহী ইংৰাজ চেপ্লেইনজনে জুই জ্বলাৰ পাছত কৰা চিৎকাৰ আৰু অনুতাপ এটা উদাহৰণ মাত্ৰ।

ফোন ঃ ৯৮৬৪২৩২০৮৬

## দীৰ্ঘদিনৰ অন্তত

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

দীৰ্ঘ দিনৰ অন্তত
তেওঁ আহিল
বাতৰিটো তেওঁ
বিলাই দিলে আৰু
খিল খিলাই হাঁহিলে

মোৰ খং উঠিল
আচৰণৰো
এটা সীমা থাকে
তেওঁ সীমা চেৰাই গৈছে

মই অভদ্ৰামি নকৰো
তথাপি সামান্যভাৱে হ'লেও
এটা আচৰণ


তেওঁ নাক কোঁচাই হাঁহিলে
মই তেওঁলৈ চাই
চকুযুৰি পঁকালো
তেওঁ মৌন হ'ল

মৌনতায়ো কথা কয়



## পৃথিৱীখন


মূল ঃ অশোক বাজপেয়ী
অনুবাদ ঃ গীতালী বৰুৱা



কিছু ক্ষণৰ বাবে
এই পৃথিৱীখন
শইচৰ দুটা দানা বুলি
ভাবিব পাৰিনে
আৰু সেই শইচ অদৃশ্য ঈশ্বৰৰ পূজাৰ বেদীত
অৰ্ঘ্য দিব পাৰিনে
ৰুটিৰ দৰে
সেকিব পাৰিনে
এই পৃথিৱীখন কিছু ক্ষণৰ বাবে
বহু যুগৰ অনাহাৰী ছোৱালী এজনীৰ বাবে
পৃথিৱীখনৰ সকলো সম্ভাৱনীয়তা নেওচি
এটা পুৰাতন শব্দৰ সাঁচত গঢ়িব পাৰিনে
নতুন কবিৰ এটা নতুন কবিতাৰ বাবে..।

## অৱশেষত

ৰমেন কলিতা



অৱশেষত তুমি
সাঁচিপাতৰ পুথিৰ
লিগিৰী হ'লাগৈ কাৰেঙৰ কুঁৱৰী

ৰহাৰে ৰহদৈ
টিপামৰে ভাদৈ
জকাইচুকৰ জেতুকী ছোৱালীজনী
বহুদূৰ গ'লাগৈ আঁতৰি


কিয় জানো নাজানো
হেজাৰ বছৰৰ পাছতো
তুমি আহা অকলে নিৰলে
পুৱতি নিশাৰ সপোনত
মোৰ কাষলৈ
সংগোপনে
প্ৰতিদিনে অহাৰ দৰেই

কোনেও নাজানে
প্ৰেম মৃত্যু জীৱনৰ
বিপৰ্যয়ৰ কাৰণ...!

## কেৰল এন ডাফিৰ
# দ্য ৱৰ্ল্ডছ ৱাইফ
## আশাহীন, স্বপ্নহীন জীৱনৰ চিত্ৰণ

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



**'দা** ৱৰ্ল্ডছ ৱাইফ' (The World's Wife) কেৰল এন ডাফিৰ ১৯৯৯ত প্ৰকাশিত এখন গুৰুত্বপূৰ্ণ কাব্য সংকলন। ইয়াত কবিয়ে ভিন্ন পৌৰাণিক, ঐতিহাসিক গাথা, লোককথা আৰু জনপ্ৰিয় কথা-কাহিনীৰ অৱলম্বনত সৃষ্ট ৰোমাঞ্চকৰ, আমোদজনক, নীতিমূলক কাহিনীয়ে প্ৰসিদ্ধ কৰা পুৰুষ চৰিত্ৰৰ নেপথ্যত বা আঁৰত থকা স্ত্ৰী-চৰিত্ৰ (পত্নী) সমূহৰ মনোভাৱ ব্যক্ত কৰাৰ মাধ্যমেদি সেই পুৰুষ চৰিত্ৰসমূহক লৈ ৰচিত হোৱা কথা-কাহিনীসমূহৰ মূল্যায়ন কৰিছে নাৰীবাদী দৃষ্টিভংগীৰে। ইয়াত কবিগৰাকীয়ে সেই 'কণ্ঠহীন' নাৰীসকলক 'কণ্ঠ' দিবলৈ প্ৰয়াস কৰিছে যিসকলে তেওঁলোকৰ 'ইতিহাস প্ৰসিদ্ধ', 'পুৰাণখ্যাত' পতিসকলৰ বিশাল ছাঁত অদৃশ্য হৈ পৰিছে। কবিতাসমূহৰ বিষয়বস্তু সমতা, যৌনতা, নোপোৱাৰ বেদনাবোধ, সৃষ্টিৰ বেদনাক কেন্দ্ৰ কৰি ঘূৰি আছে।

এই কাব্য সংকলনখনত সৰ্বমুঠ ত্ৰিশটা কবিতা সন্নিৱিষ্ট হৈছে। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য কবিতা হৈছে - Queen Herod, Mrs. Aesop, Mrs. Darwin, Mrs. Sisyphus, Queen Kong, Mrs. Rip Van Winkle, Frar Freud, Pope Joan, Mrs. Beast- ইত্যাদি।

ইয়াৰ অন্তৰ্গত Queen Herod-ত বাইবেলৰ কাহিনীত থকা ঘটনাটো পৰিৱৰ্তন কৰি তাক এটা পৃথক ৰূপ প্ৰদান কৰা হৈছে। কবিতাটোত বৰ্ণিত হৈছে কেনেকৈ তিনিগৰাকী বয়স্ক, বিদূষী ৰাণীয়ে ৰজা হেৰোডৰ পত্নী অৰ্থাৎ ৰাণীক লগ পাব খুজিছে। তেওঁলোকে হেৰোডৰ নৱজাত কন্যাটিক দৰ্শন কৰিব বিচাৰিছে। মাতাল হেৰোড অচেতন হৈ পৰাৰ পাছত তিনিগৰাকীয়ে কণমানি ৰাজকন্যাক নিৰীক্ষণ কৰিছে আৰু হেৰোডৰ ৰাণী অৰ্থাৎ শিশু কন্যাটিৰ মাতৃক সাৱধানবাণী শুনাই কৈছে যে সেই কন্যাটিৰ জীৱন ধ্বংস কৰিব খোজা, ভৱিষ্যতে কন্যাটিৰ প্ৰেমিকৰূপে জনাজাত হোৱাৰ সম্ভাৱনা থকা ল'ৰাটিৰো জন্ম হৈছে। ৰাণীয়ে এক লম্পট স্বভাৱৰ তৰুণৰ হাতত নিজৰ জীয়েকৰ ভৱিষ্যত নষ্ট হ'বলৈ দিয়াৰ পৰিৱৰ্তে তেনে প্ৰতিকূল সম্ভাৱনাকে নিঃশেষ কৰিবলৈ সিদ্ধান্ত লয়। তেওঁ ৰাজকৰ্মচাৰীক আদেশ দিয়ে, যাতে সেই সময়ছোৱাত ৰাজ্যত জন্মগ্ৰহণ কৰা প্ৰতিটো শিশু ল'ৰাক হত্যা কৰিব লাগে। আদেশ মতেই কাম হ'ল আৰু ৰাণীৰ কন্যা সন্তানটিৰ ভৱিষ্যত সুৰক্ষিত হ'ল। ইয়াৰ মাজেদি যেন কবিয়ে যুগ যুগ ধৰি পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ ওপৰত চলা শোষণ নিৰ্মূলৰ বাবে এক অভিনৱ উপায় প্ৰতীকাত্মক ৰূপত উপস্থাপন কৰিছে।

'We wade through blood
for our sleeping girls.
We have daggers for eyes.'

Mrs. Midas- নামৰ কবিতাটোত ৰজা মিডাছৰ সোণৰ প্ৰতি থকা লোভে কেনেকৈ তেওঁক 'সোণালী স্পৰ্শ'ৰ অধিকাৰী কৰিছিল আৰু তাৰ বিষম পৰিণতিয়ে কি দৰে তেওঁৰ জীৱনটো নিঃসংগ কৰি তুলিছিল তাৰ এক ভিন্নধৰ্মী চিত্ৰ ৰূপায়ণ কৰা হৈছে। মূল কাহিনীটোত ৰজা মিডাছে তেওঁৰ মৰমৰ জীয়েকক স্পৰ্শ কৰাৰ পাছত তাই সোণৰ মূৰ্তিলৈ ৰূপান্তৰিত হোৱাত মিডাছে নিজৰ ভুল বুজি পাইছিল। তেতিয়া তেওঁ দেৱদূতজনক আহ্বান কৰি তেওঁৰ পৰা 'সোণালী স্পৰ্শ'ৰ বৰটো উঠাই ল'বলৈ কাতৰ মিনতি জনাইছিল। দেৱদূতে মিডাছৰ সেই অনুশোচনা দেখি সন্তুষ্ট হৈ তেওঁক পূৰ্বৰ স্বাভাৱিক ৰূপ ঘূৰাই পোৱাত সহায় কৰিছিল আৰু তেওঁৰ স্পৰ্শত সোণলৈ পৰিৱৰ্তিত হোৱা সকলো বস্তু কিদৰে স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিব পাৰি তাৰো দিহা দিছিল।

কবিতাটোত শ্ৰীমতী মিডাছৰ দৃষ্টিভংগীৰে সেই বিশেষ ঘটনাটো উপস্থাপন কৰা হৈছে, য'ত গিৰীয়েকৰ সেই লোভী স্বভাৱ দেখি তেওঁৰ পত্নী ক্ৰোধান্বিত হোৱাৰ লগতে হতাশাগ্ৰস্ত হৈছে। গিৰীয়েকৰ সেই অদ্ভুত শক্তি লাভে পতি-পত্নী দুয়োৰে মাজত এক অলংঘনীয় প্ৰাচীৰ সৃষ্টি কৰিলে। তেওঁলোকৰ স্বাভাৱিক জীৱন যাত্ৰাৰ পথত বাধা আহি পৰিল। পত্নীয়ে সেই চকমকীয়া বেষ্টনৰ পৰা মুক্ত হ'বলৈ চেষ্টা কৰিলে। তেওঁৰ যুক্তি হ'ল -

'What gets me now is
not the idiocy or greed
but lack of thought for
me. Pure selfishness.
I sold
the contents of the
house and came down here.
I think of him in certain
lights, dawn, late afternoon,
and once a bowl of
apples stopped me dead.
I missed most
even now, his hands, his
warm hands on my skin, his
touch.'

এইদৰে এই বিশেষ কাব্য সংকলনখনত সন্নিৱিষ্ট হোৱা কবিতাসমূহৰ মাজেদি কবিয়ে বিখ্যাত ব্যক্তিৰ আঁৰত থকা তেওঁলোকৰ পত্নীসকলৰ আশাহীন, স্বপ্নহীন জীৱনবোৰৰ কথা ব্যক্ত কৰিছে। লগতে পৰিৱৰ্তিত সময়ে নাৰী হিচাপে তেওঁলোকৰো চিন্তাধাৰা আৰু দৃষ্টিভংগীলৈ কিদৰে আমূল পৰিৱৰ্তন আনিছে কবিয়ে তাৰো ইংগিত দিছে। বিংশ শতিকাৰ শেষৰটো দশকত প্ৰকাশিত হোৱা এই বিশেষ কাব্য সংকলনখনৰ বিশেষত্ব এয়ে যে ইয়াত প্ৰস্ফুটিত হোৱা নাৰীৰ আশাহীন, স্বপ্নহীন জীৱনবোধক বোধহয় ইয়াৰ আগতে বা পাছতে কোনেও এনেধৰণেৰে স্পষ্ট ৰূপত দাঙি ধৰিবলৈ প্ৰয়াস কৰা নাছিল আৰু কৰাৰো উদাহৰণ পোৱা নাযায়।

neevarani11@ gmail.com



# গ্ৰন্থ অধ্যয়নৰ উপকাৰিতা

## মানুহে সেইখন গ্ৰন্থকে ভাল পায় যিখনত লিখকৰ অধ্যয়ন আৰু গৱেষণাৰ গভীৰতাৰ ইংগিত পোৱা যায়। লগতে ৰচনাশৈলী প্ৰাঞ্জল হ'ব লাগিব।

ড° গিৰীশ বৰুৱা

**গ্ৰন্থ** অধ্যয়নে আমাক চিন্তা কৰিবলৈ শিকায়। কোৱা হয় যে গ্ৰন্থহীন ঘৰ এটা খিৰিকীবিহীন কোঠাৰ দৰে।

গ্ৰন্থ অধ্যয়ন মনৰ এক ব্যায়াম। ব্যায়াম কৰিলে যেনেকৈ দেহ সুস্থ-সবল হয় ঠিক তেনেকৈ মানসিক ব্যায়ামেও মনক সক্ৰিয় কৰি তোলে।

গ্ৰন্থ সমূহত চিন্তাবিদসকলে তেওঁলোকৰ চিন্তাবোৰ আখৰৰ আকাৰত সন্নিবিষ্ট কৰি থয়। এই গ্ৰন্থবোৰ পঢ়ি মানুহে বহুতবোৰ সংকট মোচন কৰিব পাৰে।

এই কথাটো অপ্ৰিয় হ'লেও সত্য যে বৰ্তমানৰ ভোগবাদী দৰ্শনে মানুহক গ্ৰন্থ অধ্যয়নৰ পৰা প্ৰায় আঁতৰাই পেলাইছে। গ্ৰন্থ অধ্যয়নক অযথা সময় নষ্ট কৰা কাম বুলি ভবা হৈছে। তদুপৰি বৰ্তমানৰ বৈদ্যুতিন আহিলাবোৰে মানুহক কাগজৰ কিতাপৰ পৰা আঁতৰ কৰিছে। কিতাপ কিনি টকা-পইচা খৰচ কৰাত মানুহ এতিয়া নাই। গ্ৰন্থমেলাবোৰ তহল দিয়া ঠাই হৈ পৰিছে; কিতাপ কিনাৰ ঠাই নহয়। গভীৰ অধ্যয়নৰ সময় যেন অতীত হৈ গৈছে।

কিতাপ আমাৰ বৰ ডাঙৰ বন্ধু। আমাৰ অকলশৰীয়া অৱস্থাত কিতাপে আমাক সংগ দিয়ে। আমাৰ যদি শেষ লক্ষ্য স্থল কিতাপ নহয় তেন্তে আমি মহা বিপদত পৰিম।

গ্ৰন্থই মানৱ ইতিহাসক ধৰি ৰাখে। অতীতৰ মানুহে কি চিন্তা কৰিছিল, কি কাম কৰিছিল, কি খাইছিল, কি পিন্ধিছিল এই কথাবোৰ কিতাপত সন্নিবিষ্ট থাকে। কিতাপ নপঢ়িলে আমি এইবোৰ কথা নাজানিম। সেয়ে গ্ৰন্থসমূহে মানৱ ঐতিহ্য বহন কৰি আহিছে। আমি আমাৰ অতীতৰ বিষয়ে গ্ৰন্থৰ মাধ্যমেৰেই জানোঁ। পুৰুষানুক্ৰমে ঘটি অহা ঘটনাবোৰৰ সংবাদ আমাক কিতাপেই দিয়ে। সেইদৰে বৰ্তমানে ঘটি থকা ঘটনাবোৰকো আমি গ্ৰন্থৰ মাধ্যমেৰেই উত্তৰ পুৰুষলৈ পঠিয়াব লাগিব।

সংস্কৃতত কোৱা হৈছে, 'নহি সম্পদ্ পুস্তকাৎ পৰা', অৰ্থাৎ কিতাপতকৈ অন্য একো ভাল সম্পদ নাই। গতিকে যিসকলে কিতাপক এক সম্পদৰূপে লয় তেঁৱেই কিতাপ পঢ়ি আনন্দ পায়। এনেদৰে আনন্দ পোৱা এজন লোক আছিল ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ। তেওঁ বোলে জীৱনৰ আগছোৱাত কমেও দহ হেজাৰ কিতাপ পঢ়িছিল। তেওঁ অকল পঢ়িয়েই ক্ষান্ত থকা নাছিল, লগতে সেইবোৰৰ টোকাও লিখি ৰাখিছিল। কিতাপ পঢ়োঁতে অৱশ্যে এটা কথা মনত ৰাখিব লাগিব। সি হ'ল কিতাপৰ গুণাগুণ। সকলো কিতাপৰে গুণ একে নহয় বা সকলো কিতাপে সমানে পঢ়ুৱৈক আনন্দ দিব নোৱাৰে। এজনে এযাৰ কথা কৈছিল যে কিছুমান কিতাপৰ মাত্ৰ স্বাদহে ল'ব লাগে, কিছুমানক গিলি থ'ব লাগে। কেইখনমান কিতাপকহে চোবাস্ত আৰু হজম কৰিব লাগে।

কিতাপৰ মোল বা মূল্য বহুতে নুবুজে। প্ৰকৃত কিতাপ পঢ়া মানুহেহে কিতাপৰ মোল বুজে। মিল্টনে কিতাপৰ মোল বুজিছিল। সেয়ে তেওঁ কৈছিল, "এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন আদৰ্শবাদী ব্যক্তিক হত্যা কৰা একে কথা।" অল্ডাছ হাক্সলিয়ে কৈছিল যে মানৱ জাতিক ভালকৈ বুজিবলৈ হ'লে কিতাপ পঢ়িবই লাগিব, কাৰণ মানৱ জীৱনৰ ই সাৰভাগ ৰচনা কৰে।

কিতাপ নপঢ়িলে মানুহৰ স্বতন্ত্ৰ চিন্তা গঢ়ি নুঠে।

এজন পঢ়ুৱৈৰ বাবে গ্ৰন্থৰ আবেদনৰ সমান অন্য একো বস্তুৱেই দিব নোৱাৰে। সেয়ে মানৱ জীৱনত গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। যি মুহূৰ্তত এটি শিশু আখৰৰ লগত পৰিচিত হয় সেই মুহূৰ্ততে সি কিতাপৰ পৃথিৱীত সোমাই পৰে।

মানুহে মনোৰঞ্জন আৰু আনন্দ লাভৰ বাবে উপায় বিচাৰি ফুৰে। তাৰে এটা অন্যতম উপায় হ'ল গ্ৰন্থ অধ্যয়ন। কিতাপে মানুহক আনন্দ দিয়াৰ উপৰিও নান্দনিক ভাৱৰো উদ্ৰেক কৰে। ই মানুহৰ বাবে সঞ্জীৱনী সুধা হৈ পৰে। ই আমাক মাতৃ স্নেহৰ দৰেই সুখ আৰু আনন্দ দিয়ে। কিতাপে যেন আমাক সৰগৰ বতৰা দিয়ে। গ্ৰন্থৰ মাজতেই এটা জাতিৰ ইতিহাস বিচাৰি পোৱা যায়। গ্ৰন্থ এখন যেন জাতিটোৰ সৌষ্ঠৱৰ নিৰ্যাস। ই আমাৰ ঐতিহাসিক পৰম্পৰাৰ স্মাৰক হিচাপে থিয় দিয়ে। জাতিটোৰ অৰ্থনৈতিক, সামাজিক, ধৰ্মীয়, ভাষিক আৰু সাংস্কৃতিক বিকাশৰ তথ্যক ই ধৰি ৰাখে। মুঠতে কিতাপে এটা জাতিক তাৰ পৰিচয় প্ৰদান কৰে।

বাৰ্ণাৰ্ড লেভিনে কৈছিল, "মানুহে আজিলৈকে উচ্চাৰণ কৰা মহত্তম শব্দ হ'ল কিতাপ।" অৱশ্যে কিতাপ কিতাপ লৈ আছে। আমি ভাল কিতাপখনহে নিৰ্বাচন কৰা উচিত। মিল্টনে কৈছিল, "A good book is the precious life-blood of a mother spirit." কথাষাৰ একেবাৰে সঁচা।

জাঁ পল ছাৰ্ত্ৰেই কৈছিল, "কিতাপৰ মাজতেই মোৰ জন্ম হৈছিল আৰু কিতাপৰ মাজতেই মোৰ মৃত্যু হ'ব।" গতিকে ক'ব পাৰি যে কিতাপেই জীৱন। কিতাপবিহীন জীৱন শূন্য। যিটো জাতিৰ লিখিত সাহিত্য আছে তাক সভ্য জাতি বুলি ক'ব পাৰি। সেয়ে ভল্টেয়াৰে কৈছিল, "লিখিত সাহিত্য নথকা আৰু কিতাপৰ শাসন নথকা জাতিবোৰ থকা নথকা একেই।"


ৰিচাৰ্ড ডে বাৰি বুলি চিন্তাবিদজনে কৈছিল, "গ্ৰন্থই শিক্ষকৰূপে আমাক শিক্ষা দিয়ে। ... যদি তুমি সিহঁতৰ ওচৰ চাপাঁ, সিহঁত শুই নাথাকে। যদি তুমি সিহঁতক বিচাৰাঁ, সিহঁত নুলুকায়। যদি তুমি দোষ কৰাঁ, সিহঁতে তোমাক গালি নাপাৰে। যদি তুমি অজ্ঞানী, সিহঁতে তোমাক নাহাঁহে।"

এতিয়া কথা হ'ল কিতাপ কোনে পঢ়ে। যিজনে আখৰ চিনি পায় তেওঁহে কিতাপ পঢ়িব পাৰে। গতিকে কিতাপ পঢ়াৰ সমাজ এখন গঢ়িবলৈ হ'লে আগতে মানুহক সাক্ষৰ কৰি ল'ব লাগিব। আমাৰ ভাৰতৰ প্ৰায় চাৰি ভাগৰ এভাগ মানুহ সাক্ষৰ নহয়। গতিকে তেওঁলোকে কিতাপ কেনেকৈ পঢ়িব? শতকৰা ২২.৩০ ভাগ মানুহ যদি নিৰক্ষৰ হয় তেন্তে ১৩৮ কোটি মুঠ জনসংখ্যাৰ ভিতৰত প্ৰায় ৯ কোটি ১১ লাখ মানুহে লিখিব পঢ়িব নাজানে। আকৌ সাক্ষৰ মানুহৰ ভিতৰত শতকৰা ১০ জনমান মানুহেহে কিতাপ কিনি পঢ়ে।

কিতাপ গুৰুত্বপূৰ্ণ এইকাৰণেই যে ইয়াৰ সমান আচৰিত বস্তু অন্য নাই। মানৱ সভ্যতাৰ উত্থান-পতন হৈ আহিছে। কিন্তু এই উত্থান-পতনৰ মাজতো কিতাপ বৰ্তি আছে।

বিশেষকৈ শিক্ষকৰ ক্ষেত্ৰত কিতাপৰ গুৰুত্ব আটাইতকৈ বেছি। কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষকক অধ্যাপক বোলা হয়। এই অধ্যাপক শব্দটো প্ৰধানতঃ অধ্যয়নৰ লগত জড়িত। অধ্যয়ন মানে গ্ৰন্থ অধ্যয়ন।

এজন শিক্ষকে শিকাব নোৱাৰে তেওঁ যদি অধ্যয়নপুষ্ট নহয়। চাকিয়ে যেনেকৈ নিজে জ্বলিলেহে আনক পোহৰাব পাৰে, ঠিক তেনেকৈ এজন শিক্ষকে নিজে পঢ়িলেহে আনক পঢ়ুৱাব পাৰিব। গ্ৰন্থৰ গুৰুত্ব ইমানেই বেছি যে হিউৱেনচাঙে পিঠিত এবোজা কিতাপ লৈ ফুৰিছিল। কিন্তু কিতাপৰ মোল সকলোৱে নুবুজে। তুলিকা চেতিয়া য়েইনে এই ক্ষেত্ৰত এটা সুন্দৰ লেখা 'দৈনিক জনসাধাৰণ'ত লিখিছিল। তেওঁৰ এটা ঘৰুৱা পুথিভঁড়াল আছিল য'ত মাৰ্ক্স, চে গুৱেভাৰা, লেনিন আদিৰ অসংখ্য কিতাপ আছিল। এবাৰ আলফা বিচৰাৰ নামত ভাৰতীয় সেনাই তেওঁৰ ঘৰ সোমাই উক্ত কিতাপবোৰ দেখি সেইবোৰ বাহিৰলৈ আনি জ্বলাই দিছিল। (দ্ৰ. ২০০৭ চনৰ ১৯ আগষ্টৰ সংখ্যা)।



সম্ৰাট আকবৰ এজন গ্ৰন্থপ্ৰেমী সম্ৰাট আছিল। তেওঁ এটা ডাঙৰ পুথিভঁড়াল ৰাখিছিল। তাৰ পুথিভঁড়ালী আছিল আমীৰ খুস্ৰ। প্লেটোৱে কৈছিল, "কিতাপে বিশ্বব্ৰহ্মাণ্ডক ইয়াৰ আত্মা প্ৰদান কৰে; মনক ডেউকা দিয়ে; কল্পনাক উৰাৰ ক্ষমতা দিয়ে; সকলোকে জীৱনময় কৰি তোলে।" কিংস্লি (Kingsley) বোলা চিন্তাবিদজনে কৈছিল, "এজন জীৱন্ত মানুহৰ বাদে কিতাপৰ সমান একোৱেই আচৰিত বস্তু হ'ব নোৱাৰে।... কিতাপে আমাক সজাগ কৰি তোলে, আমাক ভয় খুৱায়, আমাক শিকায়, আমাক সুখ দিয়ে আৰু আমাৰ প্ৰতি কিতাপে হিয়া উদঙাই দিয়ে।"

কিতাপ আৱিষ্কাৰ হ'বৰে পৰা এতিয়ালৈকে মানুহক কিতাপে শাসন কৰি আহিছে। কিতাপে আমাক মানুহ হিচাপে জীয়াই ৰাখিছে। সেয়ে ঘৰখনত দুখনমান কিতাপ ৰখাটো দৰকাৰ। ফেলপ্‌ছ বোলা চিন্তাবিদজনে কৈছিল, "পুৰণি কোটটো পিন্ধাঁয়, নতুন কিতাপখন কিনাঁ।" বঢ়িয়া কথা।

অসম কিতাপ প্ৰকাশৰ ক্ষেত্ৰত দুখীয়া। ইতিহাসৰ পৰা এটা উদাহৰণ দিওঁ। ১৯২৭ চনত তেতিয়াৰ মাদ্ৰাজ প্ৰদেশত (বৰ্তমানৰ তামিলনাডু) ৪,০৪২ খন কিতাপ প্ৰকাশিত হৈছিল, যি ক্ষেত্ৰত অসমত হৈছিল মাত্ৰ ৫৪ খন। এই কথাটো ভাৰতীয় গ্ৰন্থালয়ৰ পিতৃপুৰুষ এছ.আৰ. ৰংগনাথনে তেওঁৰ 'Five Rules Of Library Science' নামৰ কিতাপখনত লিখিছিল। (দ্ৰ. পৃ. ৩২৯)

সেইখন গ্ৰন্থই জনপ্ৰিয় হয় যিখন গ্ৰন্থৰ গ্ৰন্থাকাৰ জন বিখ্যাত হয়; যিজন লেখকৰ সমাজত এক সুনাম প্ৰতিষ্ঠিত হৈছে। কিন্তু এই কথা সদায় সত্য নহয়। তাৰ উদাহৰণ হ'ল লেখিকা জে.কে. ৰাউলিঙৰ 'হেৰী পটাৰ' শিশু উপন্যাসখন।

মানুহে সেইখন গ্ৰন্থকে ভাল পায় যিখনত লিখকৰ অধ্যয়ন আৰু গৱেষণাৰ গভীৰতাৰ ইংগিত পোৱা যায়। লগতে ৰচনাশৈলী প্ৰাঞ্জল হ'ব লাগিব। অতিপাত দামৰ কিতাপ এখনক সাধাৰণতে সাধাৰণ পঢ়ুৱৈয়ে কিনি পঢ়িব নোৱাৰে। এনেকুৱা গ্ৰন্থ এখনৰো জনপ্ৰিয়তা কমে।

কিতাপৰ জনপ্ৰিয়তা বঢ়ায় সমালোচকে। সমালোচকে লেখক আৰু পাঠকৰ মাজত যোগসূত্ৰ ৰচনা কৰে। অনুবাদেও গ্ৰন্থৰ জনপ্ৰিয়তা বঢ়ায়। আমি জাৰ্মান, ফৰাচী আদি ভাষাত লিখা কিতাপবোৰ ইংৰাজী অনুবাদৰ মাধ্যমেৰেই পঢ়িব পাৰোঁ।

বেছি জনপ্ৰিয় কিতাপবোৰ বৰ ভাল কিতাপ নহয়নে কি? জাৰ্মান দাৰ্শনিক আৰ্থাৰ ছপেনহাৱাৰে এটা ডাঙৰ কথা এইদৰে কৈছিল, "কিতাপ নপঢ়িবলৈ শিকোৱাটোও এটা ডাঙৰ বিদ্যা। যেতিয়া তুমি দেখাঁ যে এখন বিশেষ কিতাপৰ বিষয়ে খুব বেছিকৈ প্ৰচাৰ আৰু আলোচনা হৈছে বা বেছিভাগ মানুহেই সেই কিতাপখন পঢ়িবলৈ লৈছে, তেতিয়া তুমি সেই কিতাপ নপঢ়িবাঁ।" সেইদৰে অৰ্হান পামুক নামৰ নবেল বিজয়ী সাহিত্যিকজনে গ্ৰন্থ নপঢ়িবলৈ এইদৰে কৈছিল, "গ্ৰন্থক সান্ত্বনাদায়ক বুলি ভুলকৈ ভবা হয়; গ্ৰন্থৰ পঠনে আমাৰ দুখ-বেদনাক গভীৰহে কৰে।"

দেৰগাঁৱৰ ডি.কে.ডি. কলেজৰ সেই সময়ৰ গ্ৰন্থাগাৰিক প্ৰয়াত খগেশ্বৰ বৰাই কলেজ পুথিভঁড়ালৰ দেৱালত এইদৰে লিখি এখন ফলক আঁৰি থৈছিল, "Think more, read less" কথাষাৰ গুৰুত্বপূৰ্ণ যদিও পুথিভঁড়াল এটাত এইদৰে লেখাটো উচিত হোৱা নাছিল, বিশেষকৈ কলেজ বিশ্ববিদ্যালয়ত থকা পুথিভঁড়ালত। কোৱা শুনোঁ আইনষ্টাইনে বোলে পঢ়াতকৈ বেছিকৈ ভাবিছিলহে।

ফোন ঃ ৭০০২৩৭৬৫০৫

## ‘বিহাৰীবাবু’ক কিয় ভোট দিব আছানচোলবাসীয়ে, প্ৰশ্ন বিজেপিৰ অগ্নিমিত্ৰাৰ



নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ মার্চ ঃ অহা ১২ এপ্ৰিলত পশ্চিমবংগৰ আছানচোলত লোকসভাৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ’ব। পূৰ্বে এই সমষ্টিৰ পৰা দুবাৰকৈ সাংসদ নিৰ্বাচিত হৈছিল তদানীন্তন বিজেপিৰ প্ৰাৰ্থী বাবুল সুপ্ৰিয়। এইবাৰ সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব অগ্নিমিত্ৰা পালে। আনহাতে, আছানচোলত তৃণমূল কংগ্ৰেছে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে শত্ৰুঘ্ন সিনহাক। বিজেপিৰ প্ৰাৰ্থী অগ্নিমিত্ৰাই আজি সংবাদ মাধ্যমৰ আগত দাবী কৰি কয় যে তেওঁৰ জয় নিশ্চিত কিয়নো আছানচোলবাসীয়ে কেতিয়াও বহিৰাগত ‘বিহাৰীবাবু’ক ভোট নিদিয়ে। উল্লেখ্য যে বলিউডৰ এসময়ৰ জনপ্ৰিয় অভিনেতা ‘বিহাৰীবাবু’ নামৰে পৰিচিত। ফেশ্বন ডিজাইনাৰ অগ্নিমিত্ৰাই তেওঁৰ বিজয়ৰ সম্ভাৱনাৰ সন্দৰ্ভত এইদৰে কয়, ‘তেওঁ বহিৰাগত, সেয়েহে মই বিহাৰীবাবু বুলি কৈছো। আছানচোলৰ পৰা দুবাৰকৈ আমাৰ দলৰ সাংসদ নিৰ্বাচিত হৈছে। এইবাৰো বিহাৰীবাবুক মিঠাই, পানী খুৱাই আছানচোলবাসীয়ে বিদায় দিব। কিয়নো আছানচোলৰ মানুহে অগ্নিমিত্ৰা পালক বিচাৰে। অগ্নিমিত্ৰা পাল আছানচোলৰ কন্যা আৰু ঘৰৰ জীয়ৰী।’

## শিৱসেনা নেতৃত্বাধীন মৰ্চাৰ অংশীদাৰ হ’ব বিচাৰে এ আই এম আই এমৰ ওৱেইছিয়ে



নিউজ ব্যুৰ’, মুম্বাই, ২০ মার্চ ঃ শিৱসেনা আৰু এ আই এম আই এম হৈছে দুটা পৰস্পৰ বিৰোধী মতাদৰ্শৰ ৰাজনৈতিক দল। কিন্তু বিজেপিক পৰাভূত কৰিবলৈ উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাৰ স’তে মিত্ৰতা স্থাপন কৰিবলৈ আগ্ৰহী এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেইছিয়ে। মহাৰাষ্ট্ৰত পৌৰ নিৰ্বাচন আসন্ন। এই পৌৰ নিৰ্বাচনত বিজেপি বিৰোধী ভোট বিভাজন ৰোধ কৰিবলৈ এ আই এম আই এমে মহাৰাষ্ট্ৰৰ মহাবিকাশ আগাড়ী মৰ্চাৰ অংশ হ’বলৈ ইচ্ছা ব্যক্ত কৰিলে। ইতিমধ্যে এই সন্দৰ্ভত ওৱেইছিৰ দলটোৱে শিৱসেনাক এক প্ৰস্তাৱ আগবঢ়াইছে। এ আই এম আই এমৰ মুখপাত্ৰ ইমতিয়াজ জলিলে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ অনুসৰি মহাবিকাশ আগাড়ীৰ স’তে মৰ্চাত আবদ্ধ হ’বলৈ ওৱেইছিৰ দলটো সাজু আছে। বিজেপিৰ দৰে সাম্প্ৰদায়িক দলক ক্ষমতাৰ পৰা আঁতৰত থাকিবলৈ এ আই এম আই এমে শিৱসেনাৰ স’তে মৰ্চা গঠন কৰিব বিচৰা বুলি জলিলে কয়।

## বিধায়ক হৈ থাকিব নে সাংসদ ঃ বিবুধিত অখিলেশ



নিউজ ব্যুৰ’, লক্ষ্ণৌ, ২০ মার্চ ঃ সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱ সম্প্ৰতি যথেষ্ট চিন্তিত হৈছে। এইবাৰৰ বিধানসভাৰ নিৰ্বাচনত অখিলেশে মেনপুৰীৰ কৰহলৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল। কিন্তু অখিলেশ আজমগড়ৰো সমাজবাদী পাৰ্টিৰ সাংসদ। বিধানসভাৰ নিৰ্বাচনত অখিলেশৰ জয় হ’লেও সমাজবাদী পাৰ্টিয়ে উত্তৰ প্ৰদেশত চৰকাৰ গঠন কৰিবলৈ সফল নহ’ল। এতিয়া অখিলেশে হয় বিধায়ক অথবা সাংসদ পদৰ এটা ত্যাগ কৰিব লাগিব। কিন্তু কৰহল নে আজমগঞ্জ সমষ্টি ত্যাগ কৰিব তাক লৈয়ে চিন্তিত হৈছে অখিলেশ। বিবুধিত পৰা অখিলেশে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব দলৰ ওপৰত এৰিব বিচাৰিছে।

## ৪০ বছৰত কেৰালা কংগ্ৰেছে প্ৰথমবাৰ ৰাজ্যসভালৈ প্ৰেৰণ কৰিব মহিলাক



নিউজ ব্যুৰ’, তিৰুঅনন্তপুৰম, ২০ মার্চ ঃ কেৰালা কংগ্ৰেছে ৰাজ্যসভাৰ বাবে দলৰ প্ৰাৰ্থীৰ নাম স্থিৰ কৰিলে। দলৰ হাইকমাণ্ডে ইতিমধ্যে সংখ্যালঘু সম্প্ৰদায়ৰ জে বি মাথেৰক কংগ্ৰেছৰ ৰাজ্যসভাৰ টিকট প্ৰদান কৰিলে। মাথেৰক ৰাজ্যসভালৈ মনোনীত কৰাৰ জৰিয়তে কেৰালা কংগ্ৰেছে ৪০ বছৰত প্ৰথমবাৰলৈ এগৰাকী মহিলাক উচ্চ সদনলৈ প্ৰেৰণৰ সিদ্ধান্ত ল’লে। উল্লেখ্য যে বৰ্তমানে মাথেৰে এ আই চি চিৰ সদস্য হোৱাৰ লগতে কেৰালা মহিলা কংগ্ৰেছৰো সভানেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। অহা ৩১ মার্চত কেৰালাত ৰাজ্যসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব।

### জাপানৰ প্ৰধানমন্ত্ৰীৰে মোদীৰ বৈঠকত সিদ্ধান্ত ঃ ভাৰতত ১৪৫৫ টা জাপানী সংস্থাই ধন বিনিয়োগ

# তিনি লাখ কোটি টকাৰ জাপানী বিনিয়োগ লাভ ভাৰতৰ

নিউজ ব্যুৰ’
নতুন দিল্লী, ২০ মার্চ ঃ দুই দেশৰ মাজত আৰ্থিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে নিজৰ নিৰাপত্তা আৰু কূটনৈতিক সহযোগিতাক আগুৱাই নিয়াৰ লক্ষ্যৰে আজি নতুন দিল্লীত চতুৰ্দশ বাৰ্ষিক বৈঠকত অংশ ল’লে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ’ কিশ্বিদাই। বৈঠকৰ পাছত প্ৰধানমন্ত্ৰী কাৰ্যালয়ে জনোৱা অনুসৰি কিশ্বিদাৰ স’তে অনুষ্ঠিত হোৱা এই বৈঠক সম্পূৰ্ণ সফল



আছিল। প্ৰধানমন্ত্ৰী মোদীয়ে আজি জানিবলৈ দি কয় যে আগন্তুক পাঁচ বছৰত জাপানে ভাৰতত পাঁচ ট্ৰিলিয়ন ইয়েন অৰ্থাৎ তিনি লাখ ২০ হেজাৰ কোটি টকাৰ বিনিয়োগ কৰিব। জাপানী বিনিয়োগৰ লগতে ছাইবাৰ নিৰাপত্তা, নগৰোন্নয়ন সংক্ৰান্ত তিনিখন চুক্তিতো স্বাক্ষৰ কৰিলে ভাৰত আৰু জাপানে। একেখন বৈঠকতে কাৰ্বন নিঃসৰণ হ্ৰাস কৰাৰ সন্দৰ্ভতো ভাৰত আৰু জাপানে আলোচনা কৰে।

বৈঠকৰ পাছত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কয়, ‘এতিয়াও সমগ্ৰ বিশ্বই ক’ভিডৰ স’তে যুঁজ দি আছে। তদুপৰি ভূকৌশলগত বিভিন্ন ঘটনাই আমাৰ সন্মুখত প্ৰত্যাহ্বান বৃদ্ধি কৰিছে। এই সংকটৰ সময়ত আমাৰ মাজত সহযোগিতা অধিক গভীৰ কৰা প্ৰয়োজন।’ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শান্তি, নিৰাপত্তা আৰু সমৃদ্ধিৰ বাবেও ভাৰত-জাপানে ঐক্যবদ্ধভাৱে কাম কৰিব বুলি মোদীয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে কালি ভাৰতত উপস্থিত হৈছিল জাপানৰ প্ৰধানমন্ত্ৰীজন। প্ৰধানমন্ত্ৰী হিচাপে কিশ্বিদাৰ এইটোৱে হৈছে প্ৰথম ভাৰত ভ্ৰমণ। সম্প্ৰতি ভাৰতত ১৪৫৫ টা জাপানী সংস্থাই ধন বিনিয়োগ কৰিছে।

## ৭৭ শতাংশ ভোটৰে জনপ্ৰিয়তাৰ শীৰ্ষত মোদী



নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ মার্চ ঃ আকৌ এবাৰ আন্তৰ্জাতিক জনপ্ৰিয় নেতাৰ সমীক্ষাত শীৰ্ষ স্থান লাভ কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। গ্ল’বেল লিডাৰ এপ্ৰুভেল ট্ৰেকাৰ মৰ্ণিং কনছাল্টৰ দ্বাৰা চলোৱা সমীক্ষাৰ তালিকাত ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীয়ে ৭৭ শতাংশ এপ্ৰুভেল ৰেটিং লাভ কৰি শীৰ্ষস্থান দখল কৰিলে। এই সমীক্ষাৰ তথ্য অনুসৰি, বিশ্বৰ ১৩ খন দেশৰ ৰাষ্ট্ৰনেতাৰ ভিতৰত মোদী হৈছে সবাতোকৈ জনপ্ৰিয়। মোদীৰ পাছত বিশ্বৰ দ্বিতীয়জন সবাতোকৈ জনপ্ৰিয় নেতাৰ স্বীকৃতি লাভ কৰিলে মেক্সিকোৰ মেনুৱেল ল’পেজে আৰু তেওঁ লাভ কৰিলে ৬৩ শতাংশ ৰেটিং। একেদৰে ইটালিৰ মাৰিয়া দ্ৰাঘিয়ে ৫৪ শতাংশ ৰেটিঙৰে তৃতীয় স্থান আৰু জাপানৰ ফুমিঅ’ কিশ্বিদাই ৪২ শতাংশ ৰেটিঙৰে চতুৰ্থ স্থান লাভ কৰে। বিশ্বৰ জনপ্ৰিয় ৰাষ্ট্ৰনেতাৰ তালিকাখনত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেন, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন আৰু কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুকো পিছ পেলালে। তালিকাত বাইডেনে ৪২, ট্ৰুডুৱে ৪১ আৰু জনছনে ৩৩ শতাংশ ৰেটিং লাভ কৰে।

## ‘বক্স অফিচ’ত অপ্ৰতিৰোধ্য ‘দ্য কাশ্মীৰ ফাইলছ’ ঃ প্ৰতিদিনে ব্যৱসায় বৃদ্ধি

নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ মার্চ ঃ বিবেক অগ্নিহোত্ৰী পৰিচালিত ‘দ্য কাশ্মীৰ ফাইলছ’ ছবিখনে বক্স অফিচত অপ্ৰতিৰোধ্য জয়যাত্ৰা অব্যাহত ৰাখিছে। যোৱা শনিবাৰলৈকে এইখন ছবিয়ে ভাৰতৰ ছবিগৃহত ১৪১ কোটি ২৫ লাখ টকাৰ ব্যৱসায় কৰিবলৈ সফল হ’ল। উল্লেখ্য যে ছবিখনৰ নিৰ্মাণত মাত্ৰ ১২.৫ কোটি টকা ব্যয় কৰা হৈছিল। ‘দ্য কাশ্মীৰ ফাইলছ’ ছবিখনৰ দৈনিক ব্যৱসায় বৃদ্ধি পাইছে। শনিবাৰে এদিনতে এইখন ছবিয়ে বক্স অফিচত ২৪ কোটি টকাৰো অধিক ব্যৱসায় কৰে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক তৰন আদৰ্শে প্ৰকাশ কৰা অনুসৰি দেওবাৰৰ তুলনাত দেশৰ চিত্ৰগৃহত এইখন ছবিয়ে ১৫০ কোটি টকাৰো অধিক ব্যৱসায় কৰাৰ সম্ভাৱনা আছে। উত্তৰ ভাৰতত এইখন ছবিৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ ভাৰততো ‘দ্য কাশ্মীৰ ফাইলছ’ মুক্তি দিয়াৰ বিশেষ ব্যৱস্থা কৰা হৈছে। দক্ষিণ ভাৰতত এইখন ছবি তামিল, তেলেগু আৰু মালায়ালম ভাষাত মুক্তি দিয়া হ’ব।




## পাকিস্তানৰ শিয়ালকোটত সেনাৰ ঘাটিত একাধিক বিস্ফোৰণ



নিউজ ব্যুৰ’
লাহোৰ, ২০ মার্চ ঃ পাকিস্তানৰ শিয়ালকোট চহৰত সংঘটিত হ’ল একাধিক বিস্ফোৰণৰ ঘটনা। দেশখনৰ পঞ্জাৱ প্ৰদেশৰ সেনা কেণ্টনমেণ্টৰ সমীপত দুটাকৈ বিস্ফোৰণ সংঘটিত হয়। বিস্ফোৰণৰ ফলত সেনাৰ ঘাটিত থকা অস্ত্ৰাগাৰত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অৱশ্যে বিস্ফোৰণৰ ঘটনাত কোনো ব্যক্তি হতাহত হোৱাৰ বাতৰি লাভ কৰা হোৱা নাই। সেনাই তৎপৰতাৰে অগ্নিকাণ্ড নিয়ন্ত্ৰণ কৰাৰ ফলত সম্পত্তিৰ ক্ষতিৰ পৰিমাণো সীমিত হৈছে। পাকিস্তানৰ সেনাৰ সূত্ৰই দাবী কৰা অনুসৰি অস্ত্ৰাগাৰত বৈদ্যুতিক চৰ্ট চাৰ্কিটৰ ফলত এই ঘটনা সংঘটিত হৈছিল। কিন্তু স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি পি এল ১৫ ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰ সময়ত নিয়ন্ত্ৰণ হেৰুৱাই জে ১০-চি যুঁজাৰু বিমানৰ পৰা উক্ত ক্ষেপণাস্ত্ৰ শিয়ালকোটৰ সেনা ঘাটিত পৰাৰ ফলতহে বিস্ফোৰণ সংঘটিত হৈছিল।

## ২৫ বছৰৰ পাছত একত্ৰিত হ’ল আৰ জে ডি-আৰ এল ডি



নিউজ ব্যুৰ’
পাটনা, ২০ মার্চ ঃ বিহাৰৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত দুটা ৰাজনৈতিক দল সুদীৰ্ঘ ২৫ বছৰৰ পাছত পুনৰ একত্ৰিত হ’ল। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শাৰদ যাদৱে আজি ঘোষণা কৰি কয় যে তেওঁৰ দল এল জে ডিৰ স’তে লালুপ্ৰসাদ যাদৱৰ দল আৰ জে ডিৰ একত্ৰিকৰণ সম্পন্ন কৰা হ’ল। স্মৰ্তব্য যে ২০১৮ বৰ্ষৰ পৰা এল জে ডিয়ে কোনো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নাই। অলপতে যাদৱে ঘোষণা কৰি কৈছিল যে তেওঁৰ দল এল জে ডি লালু প্ৰসাদৰ আৰ জে ডিৰ স’তে বিলীন হ’ব। শাৰদে আজি আৰ জে ডিৰ স’তে তেওঁৰ দলৰ একত্ৰীকৰণৰ কথা ঘোষণা কৰি কয় যে এই পদক্ষেপৰ ফলত বিহাৰত বিৰোধী ৰাজনীতি অধিক শক্তিশালী হ’ব।

## আৰম্ভণিতে সংঘাত ঃ শপতৰ পাছতে পঞ্জাৱৰ আপত তীব্ৰ অসন্তোষ

নিউজ ব্যুৰ’, চণ্ডীগড়, ২০ মার্চ ঃ কালি পঞ্জাৱত আপৰ ভগৱন্ত মান মন্ত্ৰীসভাৰ ১০ জন কেবিনেট মন্ত্ৰীয়ে শপত গ্ৰহণ কৰিলে। মান কেবিনেটত স্থান লাভ কৰা কেইজনমানৰ নাম স্বয়ং মুখ্যমন্ত্ৰীয়ে আৰু অন্যান্য সকলৰ নাম দলৰ ৰাষ্ট্ৰীয় মুৰব্বীয়ে বিবেচনা কৰিছিল। কিন্তু মান কেবিনেটত স্থান লাভ নকৰিলে একেৱাহে দ্বিতীয়বাৰলৈ পঞ্জাৱত আপৰ বিধায়ক নিৰ্বাচিত হোৱা কে’বাজনো প্ৰভাৱশালী নেতাই। এইদৰে কেবিনেট মন্ত্ৰীৰ পদ লাভ নকৰাত ইতিমধ্যে আপৰ একাংশ দ্বিতীয়বাৰলৈ নিৰ্বাচিত হোৱা বিধায়কে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। আমান অৰোৰা, সৰ্বজিত কৌৰ মানুক, বলজিন্দৰ কৌৰ, প্ৰিন্সিপাল বুধ ৰাম হৈছে দ্বিতীয়বাৰৰ বাবে আপৰ বিধায়ক নিৰ্বাচিত হোৱা পঞ্জাৱৰ প্ৰভাৱশালী ৰাজনৈতিক ব্যক্তিত্ব। তেওঁলোকৰ এজনকো মানে




কেবিনেটত স্থান নিদিলে। একেদৰে প্ৰাক্তন আই পি এছ বিষয়া কুনৱাৰ বিজয় প্ৰতাপেও কেবিনেটত স্থান লাভ নকৰিলে। প্ৰতাপে আই পি এছৰ চাকৰি ত্যাগ কৰি আপত যোগদান কৰিছিল আৰু আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে তেওঁক ভৱিষ্যতে দেশৰ গৃহমন্ত্ৰী বুলি অভিহিত কৰিছিল। কিন্তু প্ৰতাপেও মান কেবিনেটত স্থান লাভ কৰিব নোৱাৰিলে। তদুপৰি আন কে’বাজনো পঞ্জাৱৰ অতি প্ৰভাৱশালী নেতাক এইবাৰ পৰাজিত কৰি বিধানসভালৈ নিৰ্বাচিত হোৱা আপৰ বিধায়কেও কেবিনেটত স্থান লাভ কৰিব বুলি আশা কৰিছিল যদিও সফল হ’ব নোৱাৰিলে। অৱশ্যে এতিয়াও সাতখন মন্ত্ৰীৰ আসন খালী আছে আৰু কেবিনেটত স্থান লাভ নকৰা বিধায়কে ৰাজ্যিক মন্ত্ৰীৰ দায়িত্ব লাভ কৰিব পাৰে।

## পঞ্জাৱৰ আপৰ বিধায়কক কেজৰিৱালৰ বাৰ্তা ঃ অহংকাৰী নহ’ব, অন্যথা পতন অনিবাৰ্য

নিউজ ব্যুৰ’, চণ্ডীগড়, ২০ মার্চ ঃ আম আদমী পাৰ্টি (আপ)ৰ ৰাষ্ট্ৰীয় মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি পঞ্জাৱৰ দলৰ বিধায়কৰ স’তে এখন ভাৰ্চুৱেল বৈঠকত অংশ লয়। পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত বিপুল জয়ৰ পাছত কেজৰিৱালে দলৰ বিধায়কৰ স’তে এয়ে প্ৰথমবাৰ বৈঠকত অংশ ল’লে। বৈঠকত অংশ লৈ আপৰ মুৰব্বীজনে কয় যে আজি তেওঁ যথেষ্ট আনন্দিত আৰু আবেগিক হৈছে। কেজৰিৱালে কয় যে পঞ্জাৱবাসীয়ে আপক যিমান মৰম আৰু আস্থা দিলে, তাক কেতিয়াও পাহৰিব পৰা নাযাব। বিজেপিশাসিত চাৰিখন ৰাজ্যত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতো এতিয়ালৈকে চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱা নাই, কিন্তু আপে ইতিমধ্যে চৰকাৰ গঠন কৰি কাম-কাজ আৰম্ভ কৰিলে বুলি কেজৰিৱালে মন্তব্য কৰে। নিজ দলৰ বিধায়কসকললৈ বাৰ্তা প্ৰেৰণ কৰি কেজৰিৱালে কয় যে সকলো বিধায়ক আৰু মন্ত্ৰীয়ে এটা গোটৰ দৰে দলবদ্ধভাৱে কাম কৰিব লাগিব। ‘যিসকলে মন্ত্ৰীপদ লাভ কৰা নাই, তেওঁলোকো একোজন মন্ত্ৰী। সকলোৱে মিলিজুলি পঞ্জাৱৰ হিতৰ বাবে কাম কৰিব লাগিব। আপোনালোকে অহংকাৰ নকৰিব। অন্যথা যিসকল জনতাই আপোনালোকক জয়ী কৰালে, তেওঁলোকে আপোনালোকৰ পতন ঘটাব। সকলোৱে নিঃস্বাৰ্থভাৱে পঞ্জাৱৰ উন্নয়নত নিজক নিয়োগ কৰিব লাগিব। মন্ত্ৰী-বিধায়কসকলে চণ্ডীগড়ত থকাৰ পৰিৱৰ্তে নিজ নিজ সমষ্টিৰ পৰা কাম-কাজ কৰক।’ কেজৰিৱালে এইদৰে পঞ্জাৱৰ দলীয় বিধায়কক পৰামৰ্শ দিয়ে।



## দেশত ক’ভিডৰ চতুৰ্থ ঢৌৰ সম্ভাৱনা কিমান? বুষ্টাৰ টিকাৰ প্ৰয়োজন আছে নে?



নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ মার্চ ঃ চীন, হংকং, দক্ষিণ কোৰিয়াসহ ইউৰোপৰ বিভিন্ন দেশত কৰ’নাৰ নতুন সংক্ৰমণ এক চিন্তাৰ কাৰকত পৰিণত হৈছে। এনে পৰিস্থিতিত ভাৰততো ক’ভিডৰ সম্ভাব্য চতুৰ্থ ঢৌক লৈ এক শংকাৰ সৃষ্টি হৈছে। সম্প্ৰতি ভাৰতত কৰ’নাৰ সংক্ৰমণ যথেষ্ট হ্ৰাস পাইছে। ক’ভিডে বিদায় ল’লে বুলি বহুতে সন্তোষো প্ৰকাশ কৰিছে। কিন্তু বিশেষজ্ঞসকলৰ মতে, বিশ্বৰ আন কে’বাখনো দেশৰ দৰে ভাৰততো যিকোনো সময়তে ক’ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমন হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। একাংশ গৱেষকৰ মতে, অহা জুনতে ভাৰতত কৰ’নাৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আৰম্ভ হ’ব। অৱশ্যে এইসকল গৱেষকে লগতে কৈছে যে ক’ভিডৰ চতুৰ্থ ঢৌটো ভাৰতত অধিক মাৰাত্মক হোৱাৰ সম্ভাৱনা সীমিত। ক’ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত ভাৰতত টিকাকৰণ ব্যাপক হাৰত অব্যাহত আছে যদিও এতিয়াও ভাৰতত কৰ’নাৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা হোৱা নাই। গৱেষকসকলৰ মতে, আন দেশৰ দৰে ভাৰততো ক’ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত অচিৰে বুষ্টাৰ প্ৰতিষেধক অভিযান আৰম্ভ কৰাৰ প্ৰয়োজন হ’ব। বিগত কে’বা সপ্তাহ ধৰি চীন, হংকং, দক্ষিণ কোৰিয়া, জাৰ্মানী, আমেৰিকা আৰু ব্ৰিটেইনতো ক’ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে আৰু এইসমূহ দেশৰ পৰা ভাৰতলৈ কৰ’নাৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ যিকোনো মুহূৰ্ততে আগমন ঘটিব পাৰে।

## পাকিস্তানত অচিৰে অন্ত পৰিব ‘ইমৰানৰাজ’ৰ! জেনেৰেল বাজৱাৰ তীব্ৰ হেঁচা

নিউজ ব্যুৰ’, ইছলামাবাদ, ২০ মার্চ ঃ পাকিস্তানত আকৌ এবাৰ সংকটৰ সন্মুখীন হ’ল ইমৰান খানৰ চৰকাৰ। বিৰোধীয়ে ইমৰানৰ বিৰুদ্ধে অনাস্থা দাখিল কৰাৰ পাছত এইবাৰ পাকিস্তানৰ সেনা বাহিনীয়েও পাক প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে থিয় দিয়া বুলি দেশখনৰ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে। বিৰোধীয়ে কাইলৈ নেচনেল এছেম্বলীত অধ্যক্ষৰ আগত ইমৰানৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দাখিল কৰিব। এই প্ৰস্তাৱ সদনৰ অধ্যক্ষই গ্ৰহণ কৰিলে অহা ২৮ মার্চত অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত পাকিস্তানৰ সদনত ভোটদান কৰা হ’ব। ইয়াৰ মাজতে চোৰাংচোৱাৰ সূত্ৰই পাকিস্তানৰ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি পাকিস্তানৰ সেনাৰ মুৰব্বী জেনেৰেল কমৰ জাভেদ বাজৱা আৰু আই এছ আইৰ মুৰব্বী নদিম অঞ্জুমে ইছলামিক



দেশৰ সংগঠন (অ’ আই চি)ৰ বৈঠকৰ পাছত ইমৰানক প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিবলৈ পৰামৰ্শ দিছে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ইমানদিনে বাজৱাই ইমৰানক সমৰ্থন জনাই আহিছিল যদিও শেহতীয়াভাৱে দুয়োৰে মাজত সংঘাত বৃদ্ধি পাইছে। বিশেষকৈ বিৰোধীয়ে ইমৰানৰ বিৰুদ্ধে অনাস্থা দাখিল কৰাৰ পাছত বাজৱাই পাক প্ৰধানমন্ত্ৰীক পদত্যাগ কৰিবলৈ হেঁচা দিছে। ইয়াৰ ফলতে ইমৰানৰে বাজৱাৰ সংঘাত দিনক দিনে বৃদ্ধি পাইছে। জেনেৰেল বাজৱাক যিকোনো মুহূৰ্ততে ইমৰানে বৰ্খাস্ত কৰাৰ সম্ভাৱনা আছে বুলিও পাকিস্তানৰ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে। একেদৰে পাকিস্তানত পুনৰ সামৰিক অভ্যুত্থান ঘটিব পাৰে বুলিও জল্পনা-কল্পনা অব্যাহত আছে।

## জম্মুত গোলাম নবীয়ে ক’লে ‘মহাত্মা গান্ধীতকৈ ডাঙৰ হিন্দু আন কোনো নাই’



নিউজ ব্যুৰ’, জম্মু, ২০ মার্চ ঃ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গোলাম নবী আজাদৰ মতে মহাত্মা গান্ধী হৈছে সবাতোকৈ ডাঙৰ হিন্দু নেতা। জম্মুত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত এইদৰে মন্তব্য কৰি কংগ্ৰেছ নেতাজনে কয়, ‘মহাত্মা গান্ধী সবাতোকৈ ডাঙৰ হিন্দু নেতা আৰু তেওঁ ধৰ্ম নিৰপেক্ষ আছিল।’ ‘দ্য কাশ্মীৰ ফাইলছ’ৰ মুক্তিলাভৰ পাছৰে পৰা দেশজুৰি কাশ্মীৰী পণ্ডিতৰ পলায়নৰ বিষয়টোৱে পুনৰ বিশেষ চৰ্চা লাভ কৰিছে। আজাদে কাশ্মীৰ পণ্ডিতৰ প্ৰসংগ পৰোক্ষভাৱে উল্লেখ কৰি আজি কয়, ‘জম্মু-কাশ্মীৰত যি হৈছিল, তাৰ বাবে পাকিস্তান আৰু সন্ত্ৰাসবাদ জগৰীয়া। পাকিস্তান আৰু সন্ত্ৰাসবাদে সকলো হিন্দু, কাশ্মীৰ পণ্ডিত, কাশ্মীৰ মুছলমান, ডোগৰা সকলোকে প্ৰভাৱিত কৰিলে।’

## বাংলাদেশত আঠ বছৰত হিন্দুৰ ওপৰত সংঘটিত হ’ল ৩,৬০০ টা আক্ৰমণ

নিউজ ব্যুৰ’
ঢাকা, ২০ মার্চ ঃ বাংলাদেশৰ ৰাজধানী ঢাকাস্থিত ইস্কনৰ ৰাধাকান্ত মন্দিৰত দুই শতাধিক চৰমপন্থীয়ে ভক্তক আক্ৰমণ কৰাৰ লগতে মন্দিৰ লণ্ডভণ্ড কৰিলে। ইস্কনে এক বিবৃতিত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, চৰমপন্থীৰ আক্ৰমণৰ ঘটনাত তিনিজন হিন্দুভক্ত আহত হ’ল। বাংলাদেশৰ ইস্কন মন্দিৰত বিগত ছমাহত দ্বিতীয়বাৰৰ বাবে ইছলামধৰ্মীয়ে এইদৰে আক্ৰমণ সংঘটিত কৰিলে। বিগত বছৰৰ ১৩ অক্টোবৰতো দুৰ্গা পূজাৰ সময়ত দুষ্কৃতিকাৰীয়ে হিন্দুৰ মন্দিৰত আক্ৰমণ চলাইছিল। বিগত ১৩ বছৰত বাংলাদেশত কেৱল ইস্কন মন্দিৰতে চৰম পন্থীয়ে ছবাৰ আক্ৰমণ সংঘটিত কৰিলে। বিগত সাত বছৰত দেশখনত হিন্দুসকলৰ ওপৰত কমেও ৩,৬০০ টা আক্ৰমণৰ ঘটনা সংঘটিত হ’ল। তদুপৰি যোৱা আঠ বছৰত বাংলাদেশৰ বিভিন্ন স্থানত হিন্দুসকলৰ কমেও ৫৫০ টা ঘৰ আৰু ৪৪০ খন ব্যৱসায়িক প্ৰতিষ্ঠানৰ ইছলামধৰ্মীয়ে আক্ৰমণ সংঘটিত কৰিছিল।



কেইবছৰমানৰ পৰা বাংলাদেশত সংখ্যালঘু বিশেষকৈ হিন্দু সম্প্ৰদায়ৰ লোকসকল সঘনে মৌলবাদীৰ আক্ৰমণৰ বলি হৈ আহিছে। যোৱা

## দীৰ্ঘদিনৰ পাছত দৈনিক সংক্ৰমণ দুহেজাৰৰ তললৈ, মৃত্যুক লৈ উদ্বেগ



নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ মার্চ ঃ দীৰ্ঘদিন বিৰতিৰ পাছত ভাৰতত কৰ’নাৰ দৈনিক সংক্ৰমণ দুহেজাৰৰ তললৈ অৱনমিত হ’ল। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ১,৭৬১ জন লোক ক’ভিড-১৯ত আক্ৰান্ত হ’ল। কালিৰ তুলনাত আজি দেশত ক’ভিডৰ সংক্ৰমণ ১৫ শতাংশ হ্ৰাস পালে। সম্প্ৰতি দেশত ২৬,২৪০ জন সক্ৰিয় ক’ভিড ৰোগী আছে। দৈনিক সংক্ৰমণ হ্ৰাস পালেও দেশত ক’ভিডত মৃত্যুৰ উদ্বেগ অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছে পুনৰ প্ৰাণ কাঢ়িলে ১২৭ জন লোকৰ। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ১৬ হেজাৰ ৪৭৯ জন লোকৰ ক’ভিডত মৃত্যু হ’ল।

# লালটাৰীত তিনিদিনীয়াকৈ দৌলোৎসৱ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ২০ মাৰ্চ ঃ** দ্বি-শতবৰ্ষৰ দুৱাৰ-ডলিত ভৰি দিয়া লালটাৰী গাঁৰৰ শ্ৰীশ্ৰী ৰাজাঠাকুল দৌল দেৱালয়ত যোৱা ১৭, ১৮ আৰু ১৯ মাৰ্চত তিনিদিনীয়াকৈ দৌলোৎসৱ পালন কৰা হয়। লালটাৰীত ৰাজদৌল উৎসৱ অন্যান্য বছৰৰ দৰে এইবেলিও উলহ-মালহৰে পালন কৰা হয়। প্ৰথম দিনা সন্ধিয়া অধিবাসেৰে দৌলোৎসৱৰ কাৰ্যসূচী আৰম্ভ হয়। অৱশ্যে ইয়াৰ পূৰ্বে পুৱা প্ৰায়শ্চিত্তকৰণ বা শুদ্ধকৰণ প্ৰক্ৰিয়াৰ অন্তত দুপৰীয়া ঢোলে-দগৰে পাঁচ বৈৰাতী সহ চাকি-বন্তি লৈ প্ৰায় সাত-আঠ কিলোমিটাৰ দক্ষিণে নাদাংগিৰি পাহাৰৰ নামনিত অৱস্থিত নাদাং বুঢ়া, নাদাং বুঢ়ী মন্দিৰত গৈ মানস কৰি আমন্ত্ৰণ জনাই আহে। নিশা ধৰ্মপ্ৰাণা ৰাইজৰ উপস্থিতিত ঢোল-খোল, শঙ্খ-ঘণ্টাৰ শব্দত ভেলাঘৰ দাহন পৰ্ব সমাপন কৰা হয়। দ্বিতীয় দিনা পূজা পাতল আৰু পূৰ্বে মানস কৰি সুফল পোৱা পৰিয়ালৰ লোকে খাহি ছাগলী, পাৰ চৰাই, সোণ-ৰূপ, টকা-পইচা, প্ৰসাদ-পানী আগবঢ়ায়। আগবঢ়োৱা খাহী ছাগলী আৰু পাৰ চৰাইসমূহ দেউৰীয়ে দেৱতাৰ ৰূপ ধাৰণ কৰি মোচৰি মাৰে। অৱশ্যে ইয়াৰে তিনিটা ছাগলী পুনৰ উঠি থিয় হয়। তেনে খাহী ছাগলীৰ সলনি অহা দুৰ্গা পূজাৰ সময়ত পুনৰ অন্য খাহী ছাগলী আগবঢ়াব লাগিব। দেৱালয়ে খাহী ছাগলী আৰু পাৰ চৰাইৰ কিছু মাংস ৰাখি অধিকাংশ গৃহস্থক ঘূৰাই দিয়ে। নিশা দৌল দেৱালয়ত উপস্থিত থকা ভক্তপ্ৰাণ ৰাইজে ইয়াৰ মাংস ভোগ বা প্ৰসাদ হিচাপে গ্ৰহণ কৰে। সন্ধিয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। শেষৰ দিনা শ্ৰীশ্ৰী ৰাজাঠাকুৰ দৌল-দেৱালয়ৰ পৰা প্ৰায় এক কিলোমিটাৰ আঁতৰৰ ৰজাই দান হিচাপে আগবঢ়োৱা মাটিত গোসাঁই-সিংহাসন লৈ সুঁৱেৰী স্থানীয় ভাষাত ছোৱাৰী উৎসৱলৈ গমন আৰু বেলি লহিওৱাৰ আগে আগে প্ৰত্যাগমন কাৰ্য ৰূপায়ণ হয়। সিদিনাই নিশা নাট প্ৰৰ্দশিত হয়। লালটাৰী গাঁৰৰ উপৰি অঞ্চলটোৰ ক্ষুদ্ৰবাসুগাঁও, বামুণীগাঁও, দিয়াঝিজিৰি, ডিমলগাঁও, চন্দ্ৰপাৰা, বাতাগাঁও, গোগলাপাৰা, কাকাৰাগাঁও, বিজয়গাঁও, বাসুগাঁও ৰাজাচাৰাং আদি ঠাইতো দৌলৎসৱ ৰাজদৌল, শ্ৰীকৃষ্ণৰ দৌলোৎসৱ, পঞ্চম দৌল আদি বিভিন্ন নামকৰণেৰে পালিত হয় দৌলোৎসৱ।

# তামাৰহাটত অজগৰ উদ্ধাৰ



**তামাৰহাট, ২০ মাৰ্চ ঃ** ধুবুৰী জিলাৰ তামাৰহাটৰ নিকটৱৰ্তী আপৰাপাৰত। এটা পুখুৰীতে দুডাল অজগৰ উদ্ধাৰ হয়। ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত বৰুণডাংগা আপৰাপাৰত উদ্ধাৰ হোৱা অজগৰ দুডালৰ এডাল ১৩ ফুট, আনডাল সাত ফুট দীঘল। গাঁওখনৰ দুলাল ৰায় নামৰ ব্যক্তিজনে পুখুৰীত মাছ ধৰিবলৈ গৈ জালত এডাল অজগৰ প্ৰত্যক্ষ কৰে। পাছত আলোকঝাৰি বন বিভাগক খবৰ দিয়াত বনকৰ্মীয়ে ঘটনাস্থলীত উপস্থিত হৈ পুখুৰীটোত জাল পেলাই প্ৰায় সাত ফুট দীঘল অজগৰডাল উদ্ধাৰ কৰে। ইপিনে, উদ্ধাৰকৃত অজগৰডাল জব্দ কৰি লৈ যোৱাৰ সময়তে আন এডাল অজগৰ ৰাইজে প্ৰত্যক্ষ কৰাত জাল পেলাই ১৩ ফুট দীঘলৰ অজগৰডাল আটক কৰে। ইপিনে, অজগৰ চাবলৈ পুখুৰীৰ পাৰত ৰাইজৰ হেতা-ওপৰা লাগে। বন বিভাগে আজি দুয়োডাল অজগৰ উদ্ধাৰ কৰি আলোকঝাৰি বনাঞ্চলত এৰি দিয়ে।

# আন্তঃগাঁথনিৰ অভাৱত

*এক পৃষ্ঠাৰ পৰা* কিন্তু আশ্চৰ্যজনকভাৱে অভয়াৰণ্যখনত পৰ্যটকৰ বাবে ন্যুনতম সা-সুবিধাও নাই। নাই আনকি এটা অতিথিশালাও। যাৰ বাবে পৰ্যটকসকলে ২৫ কিলোমিটাৰ নিলগৰ যোৰহাট নগৰত থাকি গিবনলৈ যাব লগা হয়। উল্লেখ্য যে পুৱাৰ সময়ছোৱা গিবনৰ মূল আকৰ্ষণ গিবন হলৌ বান্দৰ প্ৰত্যক্ষ কৰাৰ উত্তম সময়। সেই সময়ছোৱা অতিক্ৰম কৰিলে পৰ্যটকে কোনোবা দিনা গিবন দেখাৰ সৌভাগ্য নঘটিবও পাৰে। সেই কাৰণতে গিবনত থাকিবলৈ ইচ্ছা কৰে পৰ্যটকসকলে। এনে কাৰণতে বোধহয় আজিৰ পৰা সাত বছৰ পূৰ্বে গিবনৰ বিট অফিচৰ ওচৰতে এটা অতিথিশালা নিৰ্মাণৰ পৰিকল্পনা কৰিছিল। পৰ্যটন বিভাগৰ পুঁজিৰে পাঁচটা কোঠালিৰ এটা অতিথিশালা নিৰ্মাণৰ পৰিকল্পনা কৰে। প্ৰায় ২০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা চাং ঘৰ আৰ্হিৰ অতিথিশালাটো কিন্তু বিগত সময়খিনিত নিৰ্মাণ সম্পূৰ্ণ কৰি তোলা নহ'ল। অতি নিম্নমানৰ সামগ্ৰীৰে নিৰ্মাণ কৰা অতিথিশালাটো মাত্ৰ পাঁচ-ছবছৰতে মূধচৰ টিন ফুটি পানী পৰি গোটেই ঘৰটো নষ্ট হয়। এতিয়া গোটেই ঘৰটোতে পানী পৰে। ইপিনে, নিৰ্মাণ সম্পূৰ্ণ নোহোৱাকৈয়ে জহি-খহি যোৱাৰ পথত অতিথিশালাটো। তদুপৰি যথেষ্ট সা-সুবিধা সংলগ্ন কৰাৰ অৱকাশ থকা অতিথিশালাটো কিয় আধা নিৰ্মাণ কৰিয়ে দায়িত্ব সামৰিলে, সেয়া এক বৃহৎ ৰহস্যৰ বিষয় হৈ পৰিছে। কেৱল চৰকাৰী টকা আত্মসাৎ কৰিবলৈকে এনে কৰা হ'ল নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। বিভাগীয় এক প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি, ২০১৬ৰ পৰা ২০২১ পৰ্যন্ত বিগত সাত বছৰত ১৪ হেজাৰ ৫২০ গৰাকী পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰে ১,২৬২ গৰাকী বিদেশী পৰ্যটক। বাকীসকল দেশীয় আৰু স্থানীয় পৰ্যটক। প্ৰত্যেক বছৰে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটে এই অভয়াৰণ্যলৈ। আনহাতে, বিগত সাত বছৰত মুঠ ৰাজহ সংগ্ৰহ হয় ১৪ লাখ ৮৪ হেজাৰ ১০০ টকা। পৰ্যটনৰ পুতৌ লগা অৱস্থাৰ পাছতো দেশী-বিদেশী পৰ্যটকৰ এই আগমন আৰু ৰাজহ সংগ্ৰহ স্বাভাৱিকতে উৎসাহজনক বুলিয়ে ক'ব লাগিব। ইমানৰ পাছতো আশ্চৰ্যজনকভাৱে ৰাজ্য চৰকাৰে সময়ে সময়ে পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি ঘোষণা কৰে যদিও সেই আঁচনিৰ তালিকাত গিবনৰ নাম অন্তৰ্ভুক্ত হোৱা দেখা নাই। তাতোকৈ আচৰিত কথাটো হ'ল মৰিয়নিৰ বহুবল্কী বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিগত তিনিটা কাৰ্যকাল বিধায়ক হৈ থকাৰ পাছতো 'টুৰিষ্ট হাব' স্বৰূপ গিবন অভয়াৰণ্যত পৰ্যটনৰ বিকাশৰ বাবে একো কাম নকৰিলে। বিভাগীয় সূত্ৰই জনোৱা মতে অভয়াৰণ্যখনৰ ওচৰৰ গাঁৱত দুটা হোম ষ্টে' আছে যদিও সেয়া পৰ্যটকৰ বাবে পৰ্যাপ্ত নহয়। একেদৰে স্থানীয়ভাৱে ১০ জন যুৱকে টুৰিষ্ট গাইডৰূপে নিজকে নিয়োজিত কৰি আহিছে যদিও পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱত তেওঁলোকো প্ৰায়ে নিৰাশ হ'বলগীয়া পৰিস্থিতিৰ সন্মুখীন হয়। মনকৰিবলগীয়া কথাটো হ'ল যে এনে এক আপুৰুগীয়া বনজ সম্পদেৰে পৰিপূৰ্ণ পৰ্যটনস্থলীৰ জৰিয়তে স্থানীয়ভাৱে বহু যুৱক-যুৱতীক সংস্থাপন কৰাৰ অৱকাশ আছে যদিও এই পৰ্যন্ত চৰকাৰে তেনে কোনো ব্যৱস্থা লোৱা নাই। একে সময়তে পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰো বহু সমল আছে এই গিবন অভয়াৰণ্যত।

### গিবনলৈ পৰ্যটকৰ কিয় ইমান আকৰ্ষণ

গিবনৰ মূল আকৰ্ষণ হ'ল হলৌ বান্দৰ। ভাৰতত পোৱা ১৫ টা বান্দৰ প্ৰজাতিৰ ভিতৰত সাতটা প্ৰজাতিৰ বান্দৰ এই অভয়াৰণ্যখনত আছে। এই সাতটা প্ৰজাতি হ'ল হলৌ বান্দৰ, টুপীমূৰীয়া বান্দৰ, লাজুকী বান্দৰ, মলুৱা বান্দৰ, গাহৰিনেজীয়া বান্দৰ, অসমীয়া বান্দৰ আৰু সেন্দূৰী বান্দৰ। তদুপৰি, নাহৰফুটুকী, লতামাকৰি, হেপা, বনৰৌ, বনৰীয়া গাহৰি, কেৰ্কেটুৱা, হাতী, শিয়াল, জহামাল, বাদুলি আদি স্তন্যপায়ী জীৱ-জন্তু গিবন অভয়াৰণ্যত আছে। অভয়াৰণ্যখনত ৪০ টাৰো অধিক হাতী আছে। পাতভেঁকুলী, গুই, অজগৰ, ফেঁটীসাপ, কাছ আদি বিভিন্ন ধৰণৰ উভচৰ আৰু সৰীসৃপৰো বাসস্থান এই গিবন। অভয়াৰণ্যখনত পখিলা আৰু অসংখ্য মকৰাও আছে।

### গিবনত পক্ষীকুল

চৰাইৰ ক্ষেত্ৰত গিবন চহকী। ধনেশ, হাইঠা, ফেঁচা, বাঢ়েটোকা, কপৌ, বুলবুলি, সখিয়তী, ফেঁচু, হেঁটুলুকা, চিলনী, দহিকতৰা, নাচনী, মৌপিয়া, কাণ্কুৰিকা, ঘৰচিৰিকা, টুনী, মইনা, টোকোৰা, বতাহী, বগলী আদি প্ৰায় ১০০ টা প্ৰজাতিৰ চৰাই অভয়াৰণ্যখনত আছে। শীতকালত বিভিন্ন পৰিভ্ৰমী চৰায়ে অভয়াৰণ্যখনৰ গছ-গছনি, জান-জুৰি আদি মুখৰিত কৰি তোলে। উল্লেখ্য যে হোলোঙাপাৰ গিবন অভয়াৰণ্যত হৈছে দেশৰ অন্যতম চিৰসেউজ অৰণ্যৰ এক সংৰক্ষিত অঞ্চল। পূৰ্বে হোলোঙাপাৰ সংৰক্ষিত বনাঞ্চলৰূপে খ্যাত এই ভূমিখণ্ডক ১৯৯৭ত ইয়াক চৰকাৰীভাৱে অভয়াৰণ্যৰ মৰ্যাদা দিয়া হয়। কিন্তু পৰৱৰ্তী সময়ত চৰকাৰে পৰ্যাপ্ত গুৰুত্ব আৰোপ নকৰাত দেশৰ পৰ্যটন মানচিত্ৰত সিমান গুৰুত্ব নাপালে। আনকি চোৰাংকৈ গছ কটা, মানুহৰ বসতি স্থাপন আদিয়ে অৰণ্যখনলৈ ক্ৰমে বিপদহে মাতি আনিছে।

■ নলবাৰীত অখিল ভাৰত ব্ৰাহ্মণ ফ্ৰন্টৰ ধৰ্মসভা-সন্মান সমাৰোহ

# সকলোৰে নিজৰ ধৰ্ম মানি চলা উচিত

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২০ মাৰ্চ ঃ** নলবাৰী জিলাৰ বগলচ ৰোডৰ জগন্নাথ মন্দিৰত আজি অখিল ভাৰত ব্ৰাহ্মণ ফ্ৰন্টৰ ৰাজ্যিক সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ বাঁহজানী পুৰোহিত সমাজৰ আতিথ্যত এখন ধৰ্মসভা আৰু সন্মান সমাৰোহ অনুষ্ঠিত হয়। মুখ্য বন্তি প্ৰজ্বলন কৰে সমাজহিতৈষী ড° হেমেন কুমাৰ শৰ্মা আৰু জগন্নাথ মন্দিৰৰ সভাপতি ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীয়ে। ইয়াৰ পাছতে ধৰ্মসভা আৰম্ভ হয়। শশীন্দ্ৰ শৰ্মাই আঁতধৰা সভাত ৰাজ্যিক সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষা সঞ্চালক সতীশ চন্দ্ৰ শৰ্মা, মুখ্য সম্পাদক পবিত্ৰ কুমাৰ শৰ্মা, সম্পাদক দিলীপ শৰ্মা, বিষয়ববীয়া পদ্মনাথ শৰ্মা, ড° ৰাতুল শৰ্মা, বৃহত্তৰ বাঁহজানী পুৰোহিত সমাজৰ সভাপতি চম্পক শৰ্মা, সম্পাদক হেমন্ত শৰ্মা, কোষাধ্যক্ষ ৰমণী কুমাৰ শৰ্মা, বেলশৰ দেৱালয়ৰ দলে ৰঞ্জিত মিশ্ৰসহ বহু সংখ্যক ৰাইজ উপস্থিত থাকে। সভাত ভাষণ অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষা সঞ্চালক সতীশ চন্দ্ৰ শৰ্মাই কয় যে কৰ্মই ধৰ্ম,



ধৰ্মই কৰ্ম। কিন্তু নিজৰ ধৰ্ম মানি চলা উচিত। নহ'লে খেলিমেলি হয়। দেখাতো সত্য নহয়। যিটো দেখা নাযায় সেইটোহে সত্য। তেওঁ ভাষণ প্ৰসংগত কয় যে ব্ৰাহ্মণে আন জাতিক আওকাণ কৰা বুলি সমাজৰ এচামৰ মাজত ধাৰণা আছে, কিন্তু সেয়া মিছা কথা। কাৰণ শ্ৰীকৃষ্ণ ব্ৰাহ্মণ নাছিল যদিও ব্ৰাহ্মণসকলে সদায়ে পুৱাই শ্ৰীকৃষ্ণৰ নাম লয়। তেনেদৰে শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ আদিও ব্ৰাহ্মণ নাছিল; কিন্তু এইসকল মহাপুৰুষকো ভগৱান হিচাপে বিভিন্ন মাধ্যমেৰে পূজা কৰা হয়। বিয়লি অনুষ্ঠিত সন্মান সমাৰোহত বাঁহজানীৰ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা, দীননাথ শৰ্মা, হেমন্ত শৰ্মা, শংকৰ শৰ্মা, ত্ৰিপুৰাৰ মৃণাল দেৱ, কৰিমগঞ্জৰ অৰুণ দে, ধুবুৰীৰ যোগেশ শৰ্মা, তেজপুৰৰ কৃষ্ণ আচাৰ্যক সন্মান প্ৰদান কৰা হয়। সন্মান সমাৰোহ ভাৰ্চুৱেলযোগে উদ্বোধন কৰি অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী তথা অসম সংস্কৃতি সাহিত্য সভাৰ সভানেত্ৰী মৃণালিণী দেৱীয়ে কয় যে আভিজাত্যই গৰকা সমাজখনৰ প্ৰথমে ঘৰখন সংস্কাৰ কৰিব লাগিব আৰু বৈদিক নীতিসমূহ মানি চলিব লাগিব। ব্ৰাহ্মণ সমাজে সকলোৰে মন জয় কৰিব লাগিব। প্ৰতিগৰাকী দেৱ-দেৱীৰ আদৰ্শৰে সন্তানক জ্ঞান দিব লাগিব। তেতিয়াহে এখন সুন্দৰ ব্ৰাহ্মণ সমাজ গঢ়ি উঠিব আৰু আত্মমৰ্যাদা লাভ কৰিব বুলি দোহাৰে।

# মাকুম শাখা কবি সন্মিলনৰ অধিৱেশন - 'আবিৰ সনা আবেলি' কাব্যানুষ্ঠান

## চাৰি কবিক বিশেষ বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২০ মাৰ্চ ঃ** অসমৰ অন্যতম শক্তিশালী কাব্য সংগঠন সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত তিনিচুকীয়া জিলাৰ মাকুম শাখা কবি সন্মিলনৰ পঞ্চম বাৰ্ষিক অধিৱেশন আৰু 'আবিৰ সনা আবেলি' শীৰ্ষক কবিতা অনুষ্ঠান আৰু সম্বৰ্ধনা অনুষ্ঠান আজি মাকুম শাখা সাহিত্য সভা ভৱন বনমালী শইকীয়া ভৱনত দিনজোৱা কাৰ্যসূচীৰে সম্পন্ন হয়। মাকুম শাখা কবি সন্মিলনৰ সম্পাদক ৰাণাদ্বীপ দুৱৰাই আঁতধৰা অনুষ্ঠানত সভপতিত্ব কৰে মাকুম শাখা কবি সন্মিলনৰ সভাপতি ড° সুনীল বুঢ়াগোহাঞিয়ে। লগতে কবিতা অনুষ্ঠানৰ সঞ্চালনা কৰে ডিগবৈ মহাবিদ্যালয়ৰ অধ্যাপক তথা কবি, সাহিত্যিক ড° মৃনাল গগৈয়ে। কাৰ্যসূচী উপলক্ষে পুৱা চাফাই অভিযানৰ পাছত বিশিষ্ট শিক্ষাবিদ ড° উৎপল শৰ্মাই বন্তি



প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। শাখা কবি সন্মিলনৰ প্ৰতিনিধি সভা, কবিতা পাঠ, গ্ৰন্থ উন্মোচন, বঁটা প্ৰদানৰ লগতে কে'বাটাও সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰে। অনুষ্ঠানতে মাকুম শাখা কবি সন্মিলনৰ বাৰ্ষিক বঁটা ক্ৰমে এই মাহৰ কবি বঁটা প্ৰদান কৰে মাকুমৰ কবি দুলুমনি দেৱীক, কাব্যদ্বীপ বঁটা প্ৰদান কৰে ডিগবৈৰ কবি মঞ্জুলা বড়াক। লগতে কবি বঁটা প্ৰদান কৰে নাজিৰাৰ কবি অজিত ফুকন আৰু পানীতোলাৰ সুৰেন বৰুৱাক। ইফালে, মাকুম শাখা কবি সন্মিলনৰ অধিৱেশন লগত সংগতি ৰাখি দুলুমনী দেৱী আৰু ড° সুনীল বুঢ়াগোহাঞিৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা কাব্যপুথি 'আবিৰ' উন্মোচন কৰে কবি অৰুণজ্যোতি নিৰনুৱাই। এই অনুষ্ঠানতে মাকুম শাখা সাহিত্য সভাৰ কবিতাপুথি 'বহ্নিমান' উন্মোচন কৰে শিক্ষাবিদ ড° মৃনাল গগৈয়ে। কবি ধৰ্মেশ্বৰ চুতীয়াৰ কবিতাপুঠি 'আন্ধাৰৰ গলিত জীৱন বীণাৰ সুৰ' কাব্যপুঠি উন্মোচন কৰে দুলুমনী দেৱীৰ লগতে কবি সুনীল বুঢ়াগোহাঞিৰ কাব্পুঠি 'সীমাহীন যাতনা'ৰ উন্মোচন কৰে ড° মীনা দেৱী বৰুৱাই। আনহাতে কবি যুগদা মোনহৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। ড° মৃনাল গগৈয়ে সঞ্চালনা কৰা কাব্যানুষ্ঠানত তিনিচুকীয়া, মাকুম, ডাঙৰী, কাকপথাৰ, পানীতোলা, ডিগবৈ, ডিব্ৰুগড়, শিৱসাগৰ, দুলীয়াজান, নাহৰকটীয়া,নামৰূপ আদিৰ প্ৰায় অৰ্ধশতাধিক কবিয়ে কবিতা পাঠ কৰে।

## নদুৱাৰৰ মনাইত মুণ্ডা সমাজৰ চাৰণ উৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২০ মাৰ্চ ঃ** অসম মুণ্ডা সমাজৰ অন্তৰ্গত মনাই মুণ্ডা সমাজৰ আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় চাৰণ উৎসৱ। নতুন বছৰক আদৰাৰ উদ্দেশ্যৰেই এই চাৰণ উৎসৱ আয়োজন কৰা হয়। বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে উদ্‌যাপন কৰা চাৰণ উৎসৱৰ লগত সংগতি ৰাখি মুণ্ডা সমাজৰ বিভিন্ন কলা-সংস্কৃতিও পৰিবেশন কৰে। উৎসৱত অংশগ্ৰহণ কৰি চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰাই কয় যে মুণ্ডা সমাজ অসমৰ এক বৃহৎ শক্তিশালী অনুষ্ঠান। এই চাৰণ উৎসৱৰ জৰিয়তে মুণ্ডা সমাজে নিজৰ ঐতিহ্য-পৰম্পৰা ৰক্ষা কৰাত সফল হৈছে। মুণ্ডা সমাজৰ কৃষ্টি-সংস্কৃতি আমি সকলোৱে সন্মান কৰা উচিত বুলি মন্তব্য কৰে সভাপতি লক্ষীকান্ত বৰাই।

# ঘগ্ৰাপাৰৰ-আল্লিয়া গাঁও পঞ্চায়তৰ বিভিন্ন বাট-পথ পুনৰ নিৰ্মাণ

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২০ মাৰ্চ ঃ** নলবাৰী জিলাৰ ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অধীনস্থ ১৭ নম্বৰ আল্লিয়া গাঁও পঞ্চায়তৰ মুখ্য পথসমূহ স্বাধীনতালাভৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো জৰাজীৰ্ণ হৈ থকাৰ অভিযোগ উত্থাপন কৰিছে নলবাৰী জিলা আমছু'ৱে। নলবাৰী জিলা সমিতিৰ আমছু'ৰ সাধাৰণ সম্পাদক উমৰ আলীয়ে অভিযোগ কৰা অনুসৰি এজাক বৰষুণ দিলে অঞ্চলটোৰ প্ৰায়বোৰ গ্ৰাম্য পথ জৰাজীৰ্ণ হৈ পৰাৰ লগতে সৰ্বসাধাৰণ ৰাইজে যাতায়তৰ ক্ষেত্ৰত নৰক যন্ত্ৰণা ভুগি আহিছে যদিও জনপ্ৰতিনিধিসকলে মুঠেই গুৰুত্ব দিয়া নাই বুলি নেতা গৰাকীয়ে ক্ষোভ প্ৰকাশ কৰাৰ উপৰিও আল্লিয়া আৰু খাতিকুছিৰ সংখ্যালঘু এলেকাসমূহত কোনো এখন চৰকাৰে উন্নয়ন ক্ষেত্ৰত বিশেষ গুৰুত্ব নিদিয়া বুলি অভিযোগ আঙুলিয়াই দিয়ে। যাৰ ফলত নিতৌ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে স্কুলত সময়মতে গৈ নাপায়। বেমাৰীলোক সকলক উন্নত চিকিৎসালয়লৈ লৈ যোৱাৰ বাবে ১০৮ বা এম্বুলেঞ্চ উক্ত জৰাজীৰ্ণ পথৰ বাবে অহা-যোৱা কৰিব নোৱাৰে বুলি অভিযোগত প্ৰকাশ। শেহতীয়াভাৱে পঞ্চায়তখনৰ এলেকাধীন একাধিক পথৰ জৰ্জৰিত হোৱাৰ লগতে একাংশ দলং নিৰ্মাণৰ বাবে আমছুৱে দাবী উত্থাপিত কৰে। তলত উল্লেখ কৰা এইসমূহ পথ-দলং ক্ৰমে গড়গড়ী নোনা নদীৰ মথাউৰিৰ পৰা তামুলপুৰৰ দ্বাৰকুছি সংযোগী পথ নিৰ্মাণ কৰক। গড়গড়ীৰ পৰা তামুলপুৰৰ দ্বাৰকুছি সংযোগী পথটোত কলংগী জানৰ ওপৰত পকী দলং শীঘ্ৰে নিৰ্মাণ কৰক। নলবাৰী সমষ্টিৰ ১৭নম্বৰ আল্লিয়া গাঁও পঞ্চায়তৰ বড়ফা প্ৰাথমিক বিদ্যালয়ৰ পৰা গড়গড়ী লক্ষ্মী মন্দিৰ হৈ পিবি আঞ্চলিক এমই মাদ্ৰাছাৰ পৰা গড়গড়ী চ'ক সংযোগী পথটো অতি শীঘ্ৰেই পকীকৰণ কৰক। ১৭ নম্বৰ আল্লিয়া গাঁও পঞ্চায়তৰ সৌ মাজেৰে বৈ যোৱা নোনা নদীৰ দলংখন অতি শীঘ্ৰেই সম্পূৰ্ণ কৰক। খাটিকুছি পঞ্চায়তৰ একডালিয়া! ফাটাৰ চ'কৰ পৰা মথাউৰি সংযোগী পথটো অতি শীঘ্ৰেই নিৰ্মাণৰ দাবী। তিনিপুখুৰী চ'কৰ পৰা পি বি আঞ্চলিক হাইস্কুল সংযোগী পথটো অতি শীঘ্ৰেই মেৰামতি কৰক। ১৭নম্বৰ আল্লিয়া গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত ছোট-আল্লিয়াৰ পৰা গোঁহাই কমললৈ আৰু আব্দুল আলিমৰ ঘৰৰ পৰা গোঁহাই কমললৈ মথাউৰিৰ দুয়োটা পাৰ অতি শীঘ্ৰে মেৰামতি কৰাৰ দাবী উত্থাপন কৰাৰ লগতে ১৭নম্বৰ আল্লিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন শিক্ষা অনুষ্ঠানত শিক্ষক নিযুক্তি শীঘ্ৰে দিয়াৰ লগতে সংশ্লিষ্ট বাট-পথ,দলং পুণৰ নিৰ্মাণ আৰু পকীকৰণৰ নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক আমছু'ৰ নলবাৰী জিলা সমিতিয়ে দাবী উত্থাপন কৰিছে। পিছে এই ক্ষেত্ৰত নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই কি ধৰণৰ ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব।

# নগৰবেৰাৰ 'মান্নান ছীড হাউছ'ত অপৰাধ অনুসন্ধান শাখাৰ অভিযান

## স্বত্বাধিকাৰী আব্দুল মান্নানক আটক চিআইডিৰ



**আলোপতি, ২০ মাৰ্চ ঃ** ৰাজ্যৰ সৰ্বত্ৰে চলিছে ৰাসায়নিক সাৰৰ বৃহৎ ক'লা বজাৰ। প্ৰয়োজনীয় ৰাসায়নিক সাৰ বিচাৰি কৃষকসকলে হাহাকাৰ কৰি থকাৰ সময়তে একাংশ অসাধু ব্যৱসায়ীয়ে হেজাৰ হেজাৰ বস্তা ৰাসায়নিক সাৰ বহিঃৰাজ্যলৈ চোৰাংভাৱে পঠিয়াই সংঘটিত কৰিছে বৃহৎ কেলেংকাৰি। এনে এক অভিযোগতে শনিবাৰে অপৰাধ অনুসন্ধান শাখাৰ এটা দলে কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত নগৰবেৰাত উপস্থিত হৈ অতি সংগোপনে অভিযান চলায়। সূত্ৰই জনোৱা মতে, নগৰবেৰা বজাৰস্থিত পাইকাৰী ব্যৱসায়ী আব্দুল মান্নানৰ ব্যৱসায়িক প্ৰতিষ্ঠানত অভিযান চলায় দলটোৱে। বজাৰস্থিত 'মান্নান ছীড হাউছ'ত চিআইডিৰ দলটোৱে অভিযান চলাই বিভিন্ন বিসংগতি ধৰা পেলাবলৈ সক্ষম হোৱা বুলিও সূত্ৰই সদৰী কৰিছে। এনে বিসংগতিৰ অভিযোগতে অপৰাধ অনুসন্ধান শাখাৰ দলটোৱে ব্যৱসায়িক প্ৰতিষ্ঠানটোত তলা লগাই দিয়াৰ লগতে স্বত্বাধিকাৰী আব্দুল মান্নানক আটক কৰি মহানগৰীলৈ লৈ যায়। অভিযানৰ সময়ছোৱাত কৃষি বিভাগৰ গ্ৰামসেৱক আছকৰ আলী আৰু স্থানীয় গাঁওবুঢ়া আজিজুৰ ৰহমানো উপস্থিত থাকে। এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বৃহত্তৰ নগৰবেৰা অঞ্চলত। অপৰাধ অনুসন্ধান শাখাৰ অভিযানত একাধিক ব্যৱসায়ী আটক হোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি বুলি ব্যক্ত কৰিছে একাংশ সচেতন লোকে।

# বামুন্দীত আছুৰ উদ্যোগত বিহুনাচ কৰ্মশালাৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২০ মাৰ্চ ঃ** প্ৰত্যেক বছৰৰ দৰে এইবছৰো পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত, বামুন্দী শাখা ছাত্ৰ সন্থাৰ সহযোগত অহা তিনি এপ্ৰিলৰ পৰা ,বামুন্দী হাইস্কুল প্ৰাংগণত আবেলি তিনি বজাৰ পৰা অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা 'বিহুনাচ কৰ্মশালাৰ এখনিৰ আয়োজন কৰা হৈছে। তিনি এপ্ৰিলৰ পৰা আৰম্ভ হ'বলগীয়া অনুষ্ঠানটো উদ্বোধন কৰিব অসমীয়া ছবিজগতৰ মোহময়ী অভিনেত্ৰী বৰষা ৰাণী বিষয়াই। অনুষ্ঠানত উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধৰণ সম্পাদক পংকজ কলিতাৰ লগতে বিশিষ্ট কে'বাগৰাকী লোকে। যিসকলে বিহু নাচ কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচাৰে তেওঁলোকক পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুবুল কলিতাৰ (৬৯০০২৫০৮৫৯) আৰু বামুন্দী শাখা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল কলিতাৰ (৮৮৭৬৫৫৫৯৯৪)লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# ৩৫ বাৰ ৰক্তদানেৰে দৃষ্টান্ত দাঙি ধৰা দেৱৰাজ বৰাক সম্বৰ্ধনা

## ■ নাৰায়ণপুৰত ৰক্তদান শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২০ মাৰ্চ ঃ** ৰক্তদান জীৱন দান, ৰক্তই জীৱন—এই শ্ল'গানেৰে নাৰায়ণপুৰত দেওবাৰে এক ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাৰায়ণপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত আৰু টিম হিউমেনিটী আৰু প্ৰিয় বন্ধু গোটৰ সহযোগত নাৰায়ণপুৰৰ জালভৰীয়াস্থিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতি ভৱনত এই কাৰ্যসূচী ৰূপায়ণ কৰে। নাৰায়ণপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সোনতৃষ্ণা ঘৰফলীয়াই শুভাৰম্ভ কৰা অনুষ্ঠানটিত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি হেমচন্দ্ৰ গোস্বামী, সহকাৰী সম্পাদক সৌৰভ দাস, লখিমপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক দেবজিত ডেকা বৰুৱা, টিম হিউমেনিটীৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি মুনীন্দ্ৰ বৰুৱা, সম্পাদক দুলু লাহন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাৰায়ণপুৰ আঞ্চলিক সমিতিৰ সভাপতি গৌতম বণিয়া, সম্পাদক ৰিছিভুষণ হাজৰিকা, প্ৰিয়বন্ধু গোটৰ সভাপতি দিপান্ত বণিয়া, সম্পাদক ৰন্টু গগৈ, বিশিষ্ট ব্যৱসায়ী সত্য আগৰৱালা প্ৰমুখ্যে কে'বাগৰাকীও নেতৃস্থানীয় লোক উপস্থিত থাকে। অৰ্ধশতাধিক লোকে ৰক্তদান কৰা উক্ত কাৰ্যসূচীতে টিম হিউমেনিটীৰ সক্ৰিয় কৰ্মী তথা ৩৫ বাৰকৈ ৰক্তদান কৰি দৃষ্টান্ত দাঙি ধৰা যুৱ শিক্ষক দেৱৰাজ বৰাক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তৰফৰ পৰা ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়।

# মহাপুৰুষৰ ৰচনাত কাচিৎহে নাৰীৰ চৰিত্ৰ জিলিকি উঠিছিল

## মহিলা কবি আই পদ্মপ্ৰিয়াৰ জীৱনৰ আৰ্হিত ড° নিৰুপমা মহন্তৰ উপন্যাস 'পদ্মপ্ৰিয়া-বাঢ়েমৰাৰ বসন্তবীণা' উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মাৰ্চ ঃ** সত্ৰীয়া সংস্কৃতিৰ গৱেষক-সাহিত্যিক ড° নিৰুপমা মহন্তৰ দ্বাৰা ৰচিত 'পদ্মপ্ৰিয়া-বাঢ়েমৰাৰ বসন্তবীণা' নামৰ গ্ৰন্থখন আজি গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে গ্ৰন্থখন উন্মোচন কৰি লেখিকাৰ জীৱন সম্বন্ধত আলোকপাত কৰে। ড° মহন্তই আই পদ্মপ্ৰিয়াক জনপ্ৰিয় কৰাৰ এই প্ৰচেষ্টাক মন্ত্ৰী ডাঃ পেগুৱে ভূয়সী প্ৰশংসা কৰে। উক্ত অনুষ্ঠানত বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাই প্ৰথম মহিলা কবি আই পদ্মপ্ৰিয়াৰ বিষয়ে উল্লেখ কৰি কয়, 'তাহানিতে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ তথা আতাসকলৰ বিষয়ত ৰচনা কৰা গ্ৰন্থসমূহত কাচিৎহে কিছু কিছু নাৰীৰ চৰিত্ৰ জিলিকি উঠিছিল। তাৰ মাজত পদ্মপ্ৰিয়াও এটা সৰু চৰিত্ৰ। অসমৰ বিদ্বানসকলে পদ্মপ্ৰিয়াক তাৰ মাজত বিচাৰি নাপালে। কিন্তু সেই সৰু চৰিত্ৰটোক আজি লেখিকা ড° নিৰুপমা মহন্তই বিচাৰি পালে। পদ্মপ্ৰিয়াৰ কৃতি দাঙি ধৰাৰ এই প্ৰচেষ্টা সঁচাকৈ শলাগিবলগীয়া।' ড° ডেকাই অসমীয়া কবিতাৰ ইতিহাসৰ পাতত কবি পদ্মপ্ৰিয়াৰ নামহে আছে বুলি উল্লেখ কৰি অসমীয়া সাহিত্যত মহিলাৰ যোগদান অতি শেহতীয়া বুলি কয়, 'এহেজাৰ বছৰৰ অসমীয়া কবিতা' নামৰ তেওঁৰ সংকলনখনতো উনবিংশ শতিকালৈ কেৱল পদ্মপ্ৰিয়াৰ কবিতাহে সন্নিবিষ্ট কৰিব পৰা গৈছে বুলি তেওঁ উল্লেখ কৰে। অসমীয়া কবিতাত মহিলাৰ প্ৰৱেশ সৌ সিদিনাৰ বুলি উল্লেখ কৰি তেওঁ কয়, 'নিৰ্মলপ্ৰভা বৰদলৈৰ আগলৈ অসমীয়া কবিতাৰ জগতত মহিলাই নিজৰ প্ৰাণৰ কথা ক'ব পৰা নাছিল। ১৯ বছৰ বয়সত বৈধব্যক



সাবটি লোৱা কবি নলিনীবালা দেৱীয়ে কেতিয়াও তেওঁৰ কবিতাত জীৱনৰ ৰিক্ততা, প্ৰেমৰ বাসনা, বিৰহৰ যন্ত্ৰণাৰ বিষয়ে লিখা নাই। তেনে কোনো কথা তেতিয়া লিখিব পৰা পৰিৱেশ নাছিল । সেই সময়তে দেৱকান্ত বৰুৱা দৈহিক প্ৰেমৰ বৰ্ণনা দি কবিতা লিখিছিল। সেই কবিতাৰ বাবে আমি সকলোৱে তেওঁক প্ৰশংসা কৰিছিলো । কিন্তু কিয় নলিনীবালাই লিখিব পৰা নাছিল তেনে কবিতা? অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে তেওঁৰ 'তোমালৈ বুলি' শীৰ্ষক কবিতাত তেওঁৰ প্ৰিয়তমৰ কথা লিখিছিল যদিও কবিতাটোৰ শেষত তেওঁৰ প্ৰিয়তমক ভগৱানলৈ পৰিণত কৰিছিল। সেই অৱস্থাত আছিল নাৰী । যি সময়ত নাৰী ঘৰৰ পৰিসীমাৰ মাজতে আবদ্ধ হৈ আছিল সেই সময়ত এচাম মহিলাক পোহৰ দেখুৱাবলৈ আগবাঢ়ি আহিছিল পদ্মপ্ৰিয়া।' 'অনুষ্ঠানত বিশিষ্ট উপন্যাসিক ড° ৰীতা চৌধুৰীয়ে ড° নিৰুপমা মহন্তৰ অসমৰ প্ৰথমগৰাকী মহিলা কবি আই পদ্মপ্ৰিয়াৰ জীৱন সম্বলিত এই উপন্যাসখনিৰ জৰিয়তে আই পদ্মপ্ৰিয়াৰ জীৱনৰ অনুকৰণীয় দিশসমূহৰ কথা ৰাইজে গম পাব বুলি মন্তব্য কৰে। তেনেদৰে সভাত অসম লেখিকা সন্থাৰ সভাপতি মৃদুলা শৰ্মাই ড° নিৰুপমা মহন্তৰ সাহিত্য কীৰ্তি সন্দৰ্ভত আলোকপাত কৰে। উল্লেখ্য যে সভাৰ আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নিবন্ধকাৰ, সাংস্কৃতিক সংগঠক, উদ্যোগী শ্যামকানু মহন্তই। নিজৰ ভাষণত লেখিকা ড° মহন্তই সত্ৰীয়া পৰিৱেশে তেওঁক কি দৰে সৃষ্টি কৰ্মৰ প্ৰতি অনুপ্ৰাণিত কৰিছে সেই সম্পৰ্কে ব্যাখ্যা কৰে। আই পদ্মপ্ৰিয়াই ১৬শ শতিকাতে কেনেকৈ উদাৰ মনেৰে মহিলা শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈ আধ্যাত্মিক শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত ইতিহাস ৰচিছিল সেই প্ৰেৰণাৰে উদ্বুদ্ধ হৈ এই উপন্যাসখন সৃষ্টি কৰা বুলি ড° মহন্তই নিজা বক্তব্যত উল্লেখ কৰে। ড° মহন্তই আৰু কয় যে তেওঁৰ জীৱনজুৰি সত্ৰীয়া সংস্কৃতিৰ সাধনাতে অব্যাহত ৰাখিব বিচাৰিছে। ইতিমধ্যে 'শংকৰদেৱ মুভমেণ্ট' অনুষ্ঠানত 'চোৰধৰা' ঝুমুৰাখন দিল্লী, বাংগালোৰ, মুম্বাই ইত্যাদিত প্ৰদৰ্শন কৰাৰ উপৰি সত্ৰীয়া নৃত্যৰ আহাৰ্য নিৰ্ধাৰণত তেওঁৰ এক বৃহৎ অৱদান। তাৰ লগতে তেওঁ সত্ৰীয়া নৃত্যৰ গৱেষণা তথা প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অনুষ্ঠানৰ শেষত লেখিকা ড° মহন্তৰ জ্যেষ্ঠ পুত্ৰ, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই আই পদ্মপ্ৰিয়া কি দৰে অসমৰ বাবে বৰেণ্য আৰু তেওঁৰ কাম-কাজ বিষয়ত আলোকপাত কৰে। লগতে আশা প্ৰকাশ কৰে যে অনাগত দিনত আই পদ্মপ্ৰিয়াৰ কাম-কাজৰ কথা এই উপন্যাসখনৰ জৰিয়তে বিশেষভাৱে চৰ্চালৈ আহিব আৰু মানুহে গম পাব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে ইতিমধ্যে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ জীৱনভিত্তিক উপন্যাস 'ৰসিক সুজান'ৰ বাবে লেখিকা ড° মহন্ত অসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটাৰে সন্মানিত হৈছে। তাৰ উপৰি আই কনকলতা, অপৰাজিতা, গগণে গৰজে ঘন, কুণ্ডিল নন্দিনী ইত্যাদি বহুকেইখন উপন্যাস তেওঁ সৃষ্টি কৰিছে। কিতাপখন প্ৰকাশ কৰি উলিয়াইছে বাণী মন্দিৰে। অসম সত্ৰ মহাসভাৰ সভাপতি লীলাকান্ত মহন্তই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অসমৰ বিভিন্ন ক্ষেত্ৰৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# টেঙাখাতত পথ দুৰ্ঘটনাত যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ২০ মাৰ্চ ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত টেঙাখাতৰ তামুলীখাত গেছ এজেঞ্চীৰ সমীপত আজি এক পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণি মতে, টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত তামুলীখাতৰ প্ৰয়াত পংকজ গগৈৰ পুত্ৰ সিদ্ধাৰ্থ গগৈ (২৫)য়ে নিজৰ য়ামাহা মটৰ চাইকেলেৰে লাহোৱালৰ পৰা ঘৰলৈ ঘূৰি আহি থকা অৱস্থাত সন্মুখৰ পৰা অহা অইলৰ ঠিকাভিত্তিত চলি থকা এএছ-০৬ বিচি-২৪১৪ নম্বৰৰ টাটা ইণ্ডিগ' বাহনখনৰ স'তে মুখামুখি সংঘৰ্ষ হয়। ফলত যুৱকজন মটৰ চাইকেলসহ বহু দূৰৈত ওফৰি পৰাত গুৰুতৰভাৱে আহত হয়। সংকটজনক অৱস্থাত তেওংক টেঙাখাত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। আনহাতে, আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু বাহনসহ চালকজনক আটক কৰে। আৰক্ষীয়ে ইতিমধ্যে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। ইফালে, যুৱকজনৰ অকাল মৃত্যুত গাঁওখনত শোকৰ ছাঁ পৰিছে।

## ■ বিধ্বস্ত পথৰ বাবে চৰম দুৰ্ভোগ পথচাৰীৰ ■ বৃদ্ধি পাইছে দুৰ্ঘটনা

# ধোদৰ আলিৰ মেৰামতিৰ নামত ভেঁকোভাওনা

**চেলেংহাট, ২০ মাৰ্চ ঃ** যোৰহাট জিলাৰ লোকনির্মাণ বিভাগৰ নকছাৰী গ্রাম্য পথ সংমণ্ডলৰ অন্তৰ্গত ঐতিহাসিক ধোদৰ আলিৰ মেৰামতিৰ নামত চলি অহা ভেঁকোভাওনাৰ বাবেই পথছোৱা বিধ্বস্ত হৈছে। মৰিয়নিৰ পৰা আমগুৰিৰ সমীপৰ জাঁজী দলঙলৈকে মৰিয়নি সমষ্টিৰ এই পথছোৱা অতি জৰাজীৰ্ণ হোৱাৰ বাবেই পথটোৰে যাতায়াত কৰা জনসাধাৰণে চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। বিশেষকৈ নকচাৰী মাছখোৱাৰ পৰা চেলেঙৰলৈকে আঠ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত দৈনিক হেজাৰৰো অধিক সৰু-বৰ গাঁতৰ সৃষ্টি হৈছে। পথৰ মাজৰ গাঁতসমূহৰ বাবেই সঘনাই দুৰ্ঘটনাৰ সংখ্যাও বৃদ্ধি পাইছে। ইফালে, জৰাজীৰ্ণ পথছোৱাৰ বাবেই স্কুল-কলেজ তথা কাৰ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্মচাৰীসকলে অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে। উল্লেখ্য যে বিগত উপ-নিৰ্বাচনৰ পূৰ্বে বিগত বৰ্ষৰ অক্টোবৰতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে ধোদৰ আলিৰ মেৰামতিৰ আধাৰশিলা স্থাপন কৰি কম দিনৰ ভিতৰতে ধোদৰ আলিৰ মেৰামতিৰ বাবে লোকনিৰ্মাণ বিভাগে সাত কোটি টকা মোকলাই দিয়ে। কিন্তু পথটোত মেৰামতিৰ দায়িত্ব পোৱা গুৱাহাটীৰ সন্দীপ আগৰৱালা নামৰ ঠিকাদাৰজনে পথ মেৰামতিৰ কাম অত্যন্ত লেহেমীয়া গতিৰে কৰাৰ অভিযোগ উত্থাপন হৈছে। ইফালে, পথছোৱাত বিটুমিনৰ পৰিমাণ কম হোৱাৰ লগতে প্ৰাইম কোট, টেককোট, প্ৰিমিক্স কাৰ্পেট, ছীলকোটৰ আদিৰো ব্যৱহাৰ যথাযথ নোহোৱাৰ বাবে পথছোৱাৰ মেৰামতিৰ পাছতো পথটোৰ বহু অংশত খহতা আৰু অসমান হোৱাৰ অভিযোগ উত্থাপিত হৈছে। তদুপৰি ছাইডবামৰ কাম সঠিকভাৱে প্ৰাক্কলন অনুসৰি নোহোৱাত পথটোৰ স্থায়িত্ব সম্পৰ্কত প্ৰশ্ন উত্থাপিত হৈছে। ইফালে, ধোদৰ আলিৰ মেৰামতিৰ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰজন মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ হোৱাৰ বাবেই লোকনিৰ্মাণ বিভাগৰ বিষয়ববীয়াই পথ নিৰ্মাণৰ অনিয়ম দেখিও চৰম নিলিপ্ত ভূমিকা লোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ইফালে পথ মেৰামতি কৰি থকাৰ বাবেই পথটোৰ কাষৰীয়া লোকসকলৰ অৱস্থা দুৰ্বিষহ হৈ পৰিছে। পথৰ ধূলিৰে পুতি পেলাইছে কাষৰ ঘৰসমূহ। ফলত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে এইসকল লোক। পথটোৰ মেৰামতি সঠিক আৰু ক্ষিপ্ৰ কৰিবলৈ ৰাইজে সংশ্লিষ্ট বিভাগক দাবী জনাইছে।



*জামুগুৰিহাটৰ চেউনী বটদ্ৰৱা থানত দৌল উৎসৱ।*

# শিক্ষকৰ নৈপুণ্য-নিষ্ঠা প্ৰকাশ পায় ছাত্ৰৰ সফলতাত ঃ বৰ্মন

### ■ ঘগ্ৰাপাৰৰ সোণকুৰিহাত শৈক্ষিক সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২০ মাৰ্চ ঃ** বিষয়বস্তুৰ গভীৰ জ্ঞান আৰু শিক্ষাদান পদ্ধতিৰ উপযুক্ত অনুশীলনৰ ওপৰত শিক্ষকৰ কৃতিত্ব বহুলাংশে নিৰ্ভৰশীল। শিক্ষকৰ নৈপুণ্য আৰু নিষ্ঠা প্ৰকাশ পায় ছাত্ৰৰ সফলতাত। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ উত্তৰ-পূব প্ৰান্তৰ সোণকুৰিহাত অৱস্থিত অসমজ্যোতি বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়ত যোৱা ১৭ মাৰ্চত অনুষ্ঠিত দুই নম্বৰ খাটিকুছি মণ্ডল সমল কেন্দ্ৰৰ এখন উচ্চ পৰ্যায়ৰ শৈক্ষিক সভাত এইদৰে বক্তব্য প্ৰদান কৰে লেখক তথা বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে। তেওঁ স্বচ্ছ বিদ্যালয় পুৰস্কাৰৰ বাবে পঞ্জীয়ন, নিপুণ অসম আঁচনি, পুথিভঁৰালৰ সমুচিত ব্যৱহাৰ, মধ্যাহ্ন ভোজন আদি বিষয়ৰ ওপৰতো বিৱৰি কয়। অসমজ্যোতি বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ছিদ্দিক আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা, প্ৰাথমিক বিদ্যালয়ৰ বেৰত চিত্ৰাংকন আদি দিশৰ ওপৰত আলোকপাত কৰে সভাৰ বিশিষ্ট অতিথি তথা শিক্ষাখণ্ডটোৰ বিআৰপি নৱ কুমাৰ দাসে। চিআৰচিচি মহেশ কলিতাই আঁত ধৰা সভাত আগন্তুক শিক্ষাবৰ্ষত চৰকাৰী বিদ্যালয়বোৰত উচ্চ হাৰত নামভৰ্তি হোৱাৰ বাবে উৎসৱ বিদ্যাৰম্ভৰ দৰে অনুষ্ঠান আয়োজন কৰাৰ বাবেও শিক্ষক সমাজলৈ আহ্বান জনোৱা হয়। আজিৰ সভাত দুই নম্বৰ খাটিকুছি সমল কেন্দ্ৰৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ সকলো শিক্ষকে যোগদান কৰি সভা সাফল্যমণ্ডিত কৰা বাবে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই চিআৰচিচি মহেশ কলিতা আৰু শিক্ষকসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# ঢালিগাঁও হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২০ মাৰ্চ ঃ** চিৰাং জিলাৰ ছাতিপুৰ নিবাসী তথা ঢালিগাঁও হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক নুৰুল ইছলাম (৭০)ৰ যোৱা ১৬ মাৰ্চত মৃত্যু হয়। হঠাতেই পুৱতি নিশা শুই থকা অৱস্থাত শ্বাস প্ৰশ্বাসজনিত সমস্যাত ভোগা অৱসৰপ্ৰাপ্ত শিক্ষকজনক ততাতৈয়াকৈ বঙাইগাঁৱৰ নাৰ্ছিংহোমত ভৰ্তি কৰোৱাৰ পাছতে চিকিৎসকে মৃত বুলি ঘোষণা কৰে। শিক্ষক ইছলাম একেধাৰে ৩২ বছৰ ঢালিগাঁও হাইস্কুলত হিন্দী বিষয় শিক্ষকৰূপে শিক্ষাকতা কৰি ২০১৪ত অৱসৰ গ্ৰহণ কৰিছিল। শিক্ষকতাৰ লগতে তেওঁ বিভিন্ন সামাজিক তথা ধৰ্মীয় কাৰ্যকলাপত জড়িত আছিল। ২০১৮ত তেওঁ হজ কৰিছিল। বৰ্তমানেও বৰতালোৱা জামে মছজিদ আৰু দাৰুল উলুমৰ পৰিচালনা কমিটীৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনিজন পুত্ৰ আৰু এগৰাকী জীয়ৰীক এৰি যোৱা লোকজনৰ মৃত্যুত দল-সংগঠনটোৱে শোক প্ৰকাশ কৰিছে।

# সপোন দেখাৰ বয়সতে জটিল ৰোগত আক্ৰান্ত বাৰেকুৰিৰ ছাত্ৰী প্ৰণামী

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২০ মাৰ্চ ঃ** সপোন দেখাৰ বয়সতে এক জটিল ৰোগত আক্ৰান্ত হৈছে বাৰেকুৰি অঞ্চলৰ ডুমডুমা বিধানসভা সমষ্টিৰ হাতীজান গাঁৱৰ প্ৰণামী গোঁহাই (১৯) । সুনীল গোঁহাই আৰু জ্যোতিমালী গোঁহাইৰ কন্যা প্ৰণামী কিছুদিন পূৰ্বে চকুত এক ৰোগে দেখা দিয়াৰ লগে লগে বহু চিকিৎসা কৰাৰ পাছতো সুস্থ নোহোৱাত অৱশেষত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ নিয়াৰ পিছতে পোহৰলৈ আহে প্ৰণামীৰ ব্ৰেইন টিউমাৰৰ অৱস্থিতি ।বাৰেকুৰি মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীত অধ্যয়ন কৰি থকা অতি দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰী প্ৰণামীক প্ৰথমে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে যদিও উন্নত চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ নিয়াৰ পৰামৰ্শ আগবঢ়ায় চিকিৎসকে। ইফালে, দৰিদ্ৰ পৰিয়ালটোৰে চিকিৎসাৰ বাবে ধনৰ অভাৱত ছাত্ৰী গৰাকীক ঘৰলৈ উভতাই অনাৰ পাছতে ছাত্ৰীগৰাকীৰ স্বাস্থ্যৰ অধিক অৱনতি হোৱাত চিন্তিত হৈ পৰিছে পৰিয়ালটো । এই সন্দৰ্ভত প্ৰণামীৰ মাতৃয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ লগতে সকলো ৰাইজলৈ অনুৰোধ জনাইছে মোৰ ছোৱালীজনী সুস্থ কৰি তোলাত সহায় কৰিবলৈ ইফালে, স্থানীয় ৰাইজেও ছাত্ৰীগৰাকীৰ চিকিৎসাৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী , স্বাস্থ্যমন্ত্ৰী, স্থানীয় বিধায়ক ৰূপেশ গোৱালাৰ লগতে ৰাজ্যবাসীৰ পৰা সহযোগিতা বিচাৰিছে আৰু ইচ্ছুক ব্যক্তিক Jyoti Mali Gohain SBI Makum Branch, Ac No. ৩১৪৭৪২৪৭৩৬৯ ,Ifsc code SBIN০০১২২৬২ একাউণ্ট নম্বৰৰ জৰিয়তে আৰ্থিক সকাহ প্ৰদান কৰিবৰ বাবে আহ্বান জনাইছে।



*পঢ়িয়া মাধৱ আতাৰ তিথিত বৰহেমদো সত্ৰত পালনামৰ আৰম্ভণি, দেওবাৰে।*

# মহাপুৰুষীয়া বৈষ্ণৱ সমাজ তৰাতলী শাখাৰ একাদশ গুৰুআসন প্ৰতিষ্ঠা দিৱস সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নকছাৰী, ২০ মাৰ্চ ঃ** মহাপুৰুষীয়া বৈষ্ণৱ সমাজ তৰাতলী শাখাৰ একাদশ গুৰুআসন প্ৰতিষ্ঠা যোৱা দিৱস যোৱা ১৯ মাৰ্চত এৰাগাঁও নামঘৰত দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। এই উপলক্ষে পুৱা ধৰ্মধ্বজা উত্তোলন কৰে এৰা গাঁও বৰনামঘৰ উন্নয়ন সমিতিৰ সভাপতি মোহন গগৈয়ে, প্ৰাক্তন মেধি বলোৰাম গগৈৰ সোঁৱৰণীত গণেশ গগৈ, দুলাল গগৈ, প্ৰদীপ গগৈ, মনি গগৈ আদি নাতিসকলৰ দানেৰে নিৰ্মাণ কৰা হৰিগৃহৰ মূল স্থায়ী তোৰণ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা নকছাৰি জ্যেষ্ঠ নাগৰিক মঞ্চৰ কাৰ্যকৰী সভাপতি বুদ্ধেশ্বৰ চুতীয়াই। প্ৰাণকৃষ্ণ গগৈৰ দানেৰে নিৰ্মাণ কৰা ৬০ ফুট দৈৰ্ঘ্যৰ বিদ্যাধৰ গগৈ সোঁৱৰণী পকী দেৱাল আৰু যোগেশ্বৰ গগৈ সোঁৱৰণী মূল প্ৰৱেশদ্বাৰ উন্মোচন কৰে বিশিষ্ট সমাজসেৱক পদ্ম গগৈয়ে। অসম দৰ্পণ আঁচনিৰ জৰিয়তে লাভ কৰা দুইলাখ ৫০ হেজাৰ টকা চৰকাৰী অনুদানেৰে নিৰ্মাণ কৰা মূল গৃহৰ পকী বেৰা আৰু গ্ৰীল উন্মোচন কৰে ১৫ নম্বৰ উত্তৰ পূব নকছাৰি গাঁও পঞ্চায়তৰ সভাপতি চন্দন গগৈয়ে। ডাক বিভাগৰ কৰ্মচাৰী নিৰ্মল গগৈয়ে পৰিচালনা কৰা নাম-প্ৰসংগৰ পাছতে নামঘৰ উন্নয়ন সমিতিৰ সভাপতি মোহন গগৈৰ সভাপতিত্বত অনুষ্ঠিত মূল সভাত নামঘৰৰ গুৰুআসনৰ তাৎপৰ্য ব্যাখ্যাৰে এটি আধ্যাত্মিক তত্ত্বগধুৰ বক্তব্য আগবঢ়াই অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা ধৰ্মপ্ৰাণ ব্যক্তি অতুল শইকীয়াই। বিশিষ্ট অতিথিৰূপে ধৰ্মপ্ৰাণ ব্যক্তি ইন্দ্ৰ বৰা, মৰীদেৱী বেৰীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ গগৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মণিৰাম গগৈ আৰু স্থানীয় গাঁওবুঢ়া ভূপেন লাহনে বক্তব্য আগবঢ়োৱা সভাৰ আঁত ধৰে উন্নয়ন সমিতিৰ সম্পাদক মানিক গগৈয়ে। দৰ্শনা গগৈয়ে পৰিবেশন কৰা বৰগীতেৰে মুকলি কৰা সভাৰ প্ৰণামী প্ৰিয়া আৰু হাস্না প্ৰিয়াৰ কৃষ্ণনৃত্যই সৌষ্ঠৱ বৃদ্ধি কৰে।

# গোৱালপাৰা জিলা দেৱ দামোদৰ সংঘৰ দ্বিতীয় বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ মাৰ্চ ঃ** মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ ধৰ্মীয় আদৰ্শ, দৰ্শন, প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে গঠন হোৱা গোৱালপাৰা জিলা দেৱ দামোদৰ সংঘৰ ৩৮ সংখ্যক দ্বিতীয় বাৰ্ষিক অধিবেশনখন অহা ২৬ মাৰ্চৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বুদচৰত অনুষ্ঠিত হ'ব। বুদুচৰ শাখা দেৱ দামোদৰ সংঘৰ উদ্যোগত মাঁ বাঘেশ্বৰী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া অধিবেশনৰ কাৰ্যসূচী অনুসৰি ২৬ মাৰ্চৰ পুৱা প্ৰাতঃ প্ৰসংগ, শৰণ পৰ্ব, স্বচ্ছতা অভিযান, বৃক্ষৰোপণ, বিয়লি ভাগৱত পৰিভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা, সন্ধিয়া ৫৩৪ গছি বন্তি প্ৰজ্বলন আৰু নিজ নিজ পদূলিত বন্তি প্ৰজ্বলন, কথা ভাগৱত পাঠ, বিষয় বাছনি সভা, নিশা প্ৰতিনিধি আৰু আমন্ত্ৰিত ভকত বৃন্দৰ নৈশ আহাৰ। ইপিনে ২৭ মাৰ্চৰ পুৱা গোৱালপাৰা জিলা দেৱ দামোদৰ সংঘৰ সভাপতি ক্ষীতিশ সাউদে সংঘৰ পতাকা উত্তোলনৰ পাছত গুৰুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব হেৰাম্ভ প্ৰসাদ দাসে। নাম-কীৰ্তন, প্ৰাক্তন বিধায়ক জ্যোতিষ দাসে মুকলি অধিবেশনৰ মঞ্চ উন্মোচন কৰাৰ পাছত বিয়লি স্মৃতিগ্ৰন্থ উন্মোচন কৰিব গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম শৰ্মাই। অধিবেশনৰ সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# নগাঁৱত যোগাসন ক্ৰীড়াৰ ৰাজ্যিক প্ৰশিক্ষণ শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২০ মাৰ্চ ঃ** অন্ধ্ৰপ্ৰদেশৰ পশ্চিম গোদাবড়িৰ টাডেপলীগুডামৰ ডিপিএছত অহা ২৬-২৯ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া ৪৬ সংখ্যক ৰাষ্ট্ৰীয় যোগাসন ক্ৰীয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া অসম দলটোৰ প্ৰশিক্ষণ শিবিৰটো কাইলৈৰ পৰা নগাঁৱৰ এন ৱাই কেত অৱস্থিত ৰাজ্যিক যোগ কেন্দ্ৰ (নিৰ্বাণ)ত আৰম্ভ হ'ব। অসম যোগ সংস্থাৰ সৌজন্যত আয়োজিত এই প্ৰশিক্ষণ শিবিৰটোত অংশগ্ৰহণ কৰিবৰ বাবে ৰাজ্যখনৰ বিভিন্ন জিলাৰ যোগ খেলুৱৈসকল ইতিমধ্যে নগাঁৱত উপস্থিত হৈ অনুশীলন কৰিছেহি। অসম যোগ সংস্থাৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই জনোৱা মতে অহা ২২ মাৰ্চলৈকে চলিবলগীয়া পুৰুষ-মহিলা উভয়ৰে ৰাজ্যিক যোগাসন ক্ৰীড়াৰ এই শিবিৰটোত নিজৰা বৰা, জয়াৰাণী ডেকা, প্ৰতিশ্ৰুতি শইকীয়া (মহিলা), চিত্তৰঞ্জন বৰা আৰু চন্দ্ৰকান্ত বৰা (পুৰুষ) প্ৰশিক্ষকৰূপে আছে। অসম যোগ সংস্থাৰ কোষাধ্যক্ষ মঞ্জুলা লস্কৰ আৰু যুটীয়া সম্পাদক সমীৰ হাজৰিকাই আজি খেলুৱৈসকলৰ স'তে মত বিনিময়ো কৰে। উল্লেখ্য যে শিবিৰটোত ৰাজ্যিক খেলুৱৈ বিচিত্ৰৰঞ্জন বৰা তত্ত্বাৱধায়কৰূপে আছে বুলি অসম যোগ সংস্থাৰ সম্পাদকে লগতে জনাইছে।

# ৰামপুৰত বিহু বিষয়ক ৰচনা প্ৰতিযোগিতা

**ছয়গাঁও, ২০ মাৰ্চ ঃ** কামৰূপ জিলাৰ অন্যতম প্ৰাচীন ৰামপুৰ আঞ্চলিক ৰঙালী বিহু উৎসৱৰ সাহিত্য বিভাগৰ উদ্যোগত অবিভক্ত কামৰূপ জিলা (কামৰূপ, কামৰূপ মহানগৰ, বৰপেটা, নলবাৰী, বজালী) ভিত্তিত এখন বিহু বিষয়ক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সকলো পৰ্যায়ৰ প্ৰতিযোগীৰ বাবে মুকলি ৰচনা প্ৰতিযোগিতাৰ বিষয় হৈছে 'অসমীয়া মহাজাতিৰ ঐক্য-সংহতি স্থাপনত ৰঙালী বিহুৰ প্ৰাসংগিকতা।' সৰ্বাধিক ২৫০০ শব্দৰ ভিতৰত লিখিবলগীয়া ৰচনাসমূহ প্ৰতিযোগীসকলে ফুলস্কেপ কাগজৰ এপিঠিত নতুবা ডিটিপি কৰি অহা পাঁচ এপ্ৰিলৰ ভিতৰত পোৱাকৈ নিম্নলিখিত ঠিকনাত পঠাব পাৰিব। বিমল শৰ্মা, উপ-সভাপতি, সাহিত্য বিভাগ, ৯৬ সংখ্যক ৰামপুৰ আঞ্চলিক ৰঙালী বিহু উৎসৱ, ডাক-ৰামপুৰ, জিলা-কামৰূপ (অসম), পিন-৭৮১১৩২, বিতং জানিবলৈ ৬০০৩৩৭৮১৬৯ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰে।

# দুৰ্ঘটনাত সৰবৰহী যুৱকৰ অকাল মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২০ মাৰ্চ ঃ** নগাঁও জিলাৰ কাছমাৰী অঞ্চলৰ সৰবৰহী যুৱক অৰুণ নাথ (৩০)ৰ পথ দুৰ্ঘটনাত অকাল মৃত্যু ঘটাত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তথ্য মতে কাছমাৰীৰ বহুৱাভেটি-ম'হেখুছা নিবাসী দীপক নাথৰ পুত্ৰ অৰুণে যোৱা ১৬ মাৰ্চৰ নিশা এখন মটৰ চাইকেলেৰে শহুৰেকৰ ঘৰলৈ গৈ থকা অৱস্থাত নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী উৰিয়াগাঁৱত এখন অচিনাক্ত বাহনে মহটিয়াই নিয়াত আহত হয় যুৱকজন। পাছত আৰক্ষীয়ে আঘাতপ্ৰাপ্ত যুৱকজনক উদ্ধাৰ কৰি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ লগতে যুৱকজনৰ পৰিয়ালক খবৰ দিয়ে। পাছত পৰিয়ালৰ লোক চিকিৎসালয়ত উপস্থিত হৈ সামান্য আৰাম অনুভৱ কৰা যুৱকজনক ঘৰলৈ লৈ আহে যদিও যোৱা ২৭ মাৰ্চৰ পুৱা যুৱকজনে নিজ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। মিস্ত্ৰি হিচাপে কৰ্মৰত অমায়িক স্বভাৱৰ যুৱকজনৰ এনে মৃত্যুত অঞ্চলজুৰি শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। মৃত্যুৰ সময়ত যুৱকজনে পত্নী আৰু কন্যাসহ বহু আত্মীয়-স্বজনক ইহ-সংসাৰত এৰি যায়।

# কল্যাণীত বিহুৰ কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২০ মাৰ্চ ঃ** কল্যাণী শিশু কল্যাণ কেন্দ্ৰৰ হীৰক জয়ন্তী উপলক্ষে বিহুনাচ, ঢোলবাদন কৰ্মশালাৰ আয়োজন কৰিছে। সকলোৰে বাবে মুকলি কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে বিহু সম্ৰাজ্ঞী প্ৰাঞ্জেলিকা হাজৰিকাৰ লগতে যুৱশিল্পী পিংকী দত্ত, শিৱানী দত্ত, আদিত্য দত্তই অংশগ্ৰহণ কৰিব। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া কৰ্মশালা ৩১ মাৰ্চ পৰ্যন্ত চলিব। ইচ্ছুকসকলে কল্যাণী হাইস্কুলৰ সন্মুখৰ মানস ফাৰ্মাচীৰ পৰা আবেদনপত্ৰ সংগ্ৰহ কৰিব পাৰিব। সবিশেষ জানিবৰ বাবে দূৰভাষঃ ৯৪৩৫০৯৫০৮৩, ৯৭০৬৫৫৮৩২৯, ৬০০০৭৮৮০২৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# পূৰ্ণাংগ শিক্ষকৰ মৰ্যাদা প্ৰদানৰ দাবী

### ■ সদৌ অসম টিউটৰ সহকাৰী অধ্যাপক আৰু গ্ৰন্থাগাৰিক সন্থাৰ মুখ্যমন্ত্ৰীক স্মাৰক প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ মাৰ্চ ঃ** টিউটৰসকলক পূৰ্ণাংগ শিক্ষকৰ মৰ্যাদা প্ৰদানৰ দাবীৰে সদৌ অসম টিউটৰ সহকাৰী অধ্যাপক আৰু গ্ৰন্থাগাৰিক সন্থাই যোৱা ১৭ মাৰ্চত মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সন্থাৰ সম্পাদক ড° লুটফুৰ ৰহমানে পত্ৰত উল্লেখ কৰা মতে, জীৱনৰ দীঘলীয়া সময় বিনাবেতনে পাঠদান কৰি মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগোৱা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানত কৰ্মৰত শিক্ষকসকলক শেহতীয়াভাৱে টিউটৰৰ মৰ্যদা প্ৰদান কৰা হৈছে। ফলত এক অভিশপ্ত, ভাৰাক্ৰান্ত, নিছলা শিক্ষকসকলৰ জীয়াই থকাৰ কিছু সুব্যৱস্থা হৈছে যদিও টিউটৰ শব্দটোৰে ক'ৰবাত যেন আমাক বুজাব নোৱৰা এটি বেদনাত আবদ্ধ কৰি ৰাখিছে। উল্লেখ্য যে শিক্ষকসকলৰ অক্লান্ত চেষ্টা, কঠিন কষ্ট, ত্যাগ আৰু পৰিশ্ৰমৰ ফলত শিক্ষাৰ প্ৰসাৰৰ লগতে দেশ উন্নতিৰ পথত আগুৱাই যোৱাৰ বাবে মানৱ সম্পদ সৃষ্টি হয়। কিন্তু জীৱনৰ দীঘলীয়া সোণালী সময় বিনাবেতনে পাঠদান দি অৱশেষত টিউটৰ শিক্ষকৰ মৰ্যাদা লাভ কৰিছো যদিও বৃহৎসংখ্যক শিক্ষকৰ চাকৰিৰ বেলি সম্প্ৰতি অস্ত যোৱাৰ পথত অগ্ৰসৰ হৈছে। কিয়নো দীৰ্ঘদিন ভেঞ্চাৰ শিক্ষানুষ্ঠানত কৰ্মৰত থকা বাবেই টিউটৰৰ মৰ্যাদা পোৱা বৃহৎসংখ্যক শিক্ষকৰ পাঁচ বছৰ, সাত বছৰ অথবা দুই-তিনি বছৰ পাছতো অৱসৰপ্ৰাপ্ত শিক্ষক হৈ পৰিব। উল্লেখ্য যে এইসকল শিক্ষকৰ চাকৰি প্ৰাদেশিকীকৰণ হোৱাৰ সময়ত আইনৰ দোহাই দি কিছুমান চৰ্ত আৰোপ কৰা হৈছে। কিন্তু জীৱনৰ ভাটি বেলাত বৰ্ধিত বয়সত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ চৰ্ত পূৰণ কৰাটো কিমান সম্ভৱ সেয়াও এক জটিল প্ৰশ্ন হিচাপে থিয় দিছে। ইপিনে, বৰ্তমানৰ মূল্যবৃদ্ধিৰ সময়ত দৰমহাৰ নামত পোৱা টকাৰে টিউটৰসকলে পৰিয়াল চলোৱাটো অসম্ভৱ হৈ পৰিছে। এজন টিউটৰ সহকাৰী অধ্যাপকে এগৰাকী চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ মাহিলি দৰমহাতকৈ কম অৰ্থাৎ ২৭ হেজাৰ টকাহে লাভ কৰি আছে। ইফালে, প্ৰাথমিক বিদ্যালয়, উচ্চ মাধ্যমিক বা কনিষ্ঠ মহাবিদ্যালয়ত কৰ্মৰত টিউটৰ শিক্ষকৰ দৰমহা আৰু পুতৌজনক। সেয়েহে শিক্ষক শব্দটোৰ লগত লাগি থকা টিউটৰ শব্দটো বিলোপ কৰি অন্য শিক্ষকসকলৰ দৰে সহকাৰী শিক্ষক শব্দ লগাই এজন পূৰ্ণাংগ শিক্ষকৰ মৰ্যাদা প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীক স্মাপকপত্ৰযোগে কাতৰ অনুৰোধ জনাইছে সদৌ অসম টিউটৰ সহকাৰী অধ্যাপক আৰু গ্ৰন্থাগাৰিক সন্থাৰ সম্পাদক ড° ৰহমানে।

# উপযুক্ত ফলপ্ৰসূ প্ৰশিক্ষণ অবিহনে প্ৰকৃত শিক্ষক হোৱাটো কঠিন



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২০ মাৰ্চ ঃ** শিক্ষক মাত্ৰেই প্ৰশিক্ষণৰ প্ৰয়োজন। শিক্ষক এজনে যদি উপযুক্ত প্ৰশিক্ষণ গ্ৰহণ কৰিব নোৱাৰে তেন্তে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক ফলপ্ৰসূ পাঠদান কৰিব নোৱাৰে অৰ্থাৎ প্ৰকৃত শিক্ষক হোৱাটো কঠিন হৈ পৰে। সেয়েহে হেজাৰ প্ৰাচীৰ থাকিলেও শিক্ষকে নিজ বৃত্তিক সন্মান কৰি কৰ্তব্য সম্পাদনা কৰিব লাগে। যোৱা ১৫ মাৰ্চত নলবাৰী ডায়েটৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষা কল্পনা বৰুৱা বৰদলৈৰ বিদায় সম্ভাষণ সভাত প্ৰতিষ্ঠানখনৰ সমূহ প্ৰৱক্তা আৰু প্ৰশিক্ষাৰ্থীসকলৰ উপস্থিতিত এই মন্তব্য আগবঢ়ায় ঘগ্ৰাপাৰৰ গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা সমগ্ৰ শিক্ষাৰ ৰাজ্যিক সমল ব্যক্তি আৰু প্ৰতিষ্ঠানখনৰ এসময়ৰ প্ৰথমটো প্ৰশিক্ষাৰ্থী দলৰ প্ৰশিক্ষাৰ্থী গিৰীন্দ্ৰ কাশ্যপে। ডায়েটৰ সদ্য দায়িত্ববাহী অধ্যক্ষ লাৱণ্য কুমাৰ দাসে সঞ্চালনা কৰা আৰু প্ৰশিক্ষাৰ্থী উপমা ঠাকুৰীয়াই আঁত ধৰা সভাত অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰৱক্তা মুনীন্দ্ৰ মালাকৰে বিদায়ী অধ্যক্ষা কল্পনা বৰুৱা বৰদলৈয়ে দেখুৱাই যোৱা কৰ্তব্যনিষ্ঠতাত নিজকে যথেষ্ট পৰিমাণে আপ্লুত হোৱা বুলি কয়। বৰদলৈয়ে নলবাৰী ডায়েটত কটোৱা সময়ৰ কথা কৈ নষ্টালজিক হৈ পৰে। সভাত প্ৰৱক্তা গোট আৰু প্ৰশিক্ষাৰ্থীসকলে তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰি বিদায়ী অধ্যক্ষাৰ কামৰ শলাগ লয়। প্ৰশিক্ষাৰ্থীসকলৰ ফালৰ পৰা বিদায়ী অধ্যক্ষাক গামোচা, জাপি, শৰাই আৰু নিজ হাতে অঁকা ছবি প্ৰদান কৰে। প্ৰৱক্তা হৰেকৃষ্ণ তালুকদাৰেও নিজ হাতে অধ্যক্ষা বৰুৱাৰ প্ৰতিচ্ছবি সম্বলিত এখন ফটো অৰ্পণ কৰে। সভাৰ সামৰণিৰ আগত প্ৰতিষ্ঠাখনৰ আলোচনী 'জ্ঞানলোক' উন্মোচন কৰে বিদায়ী অধ্যক্ষাগৰাকীয়ে।

### ■ নলবাৰী ডায়েটত বছৰেকীয়া আলোচনী 'জ্ঞানলোক' উন্মোচন

# চৰাইবাহী বালিকা বিদ্যালয়ত একক ব্যৱহৃত প্লাষ্টিকৰ বিৰুদ্ধে চিনেৰ সজাগতা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২০ মাৰ্চ ঃ** 'পুনৰ ব্যৱহাৰৰ অযোগ্য প্লাষ্টিকৰ সামগ্ৰী ব্যৱহাৰৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা আছে। এবাৰ ব্যৱহাৰ কৰা প্লাষ্টিক সামগ্ৰীসমূহ য'তে-ত'তে পেলোৱাত ব্যাপক প্ৰদূষণৰ সৃষ্টি হৈছে।' চৰাইবাহী বালিকা উচ্চ ইংৰাজী বিদ্যালয়ত যোৱা ১৯ মাৰ্চত অনুষ্ঠিত সজাগতা সভাত সমল ব্যক্তিৰূপে যোৰহাট এনভাইৰণমেণ্ট ফ'ৰামৰ সম্পাদক ড° প্ৰমোদ চন্দ্ৰ নেওগে এইদৰে কয়। অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা পৰিচালিত গোলাঘাট আৰু যোৰহাট জিলাত উদ্যোগ লোৱা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পাৰিপাৰ্শ্বিক শিক্ষা পৰিষদ চমুকৈ চিনেৰ উদ্যোগত অনুষ্ঠিত সজাগতা সভাত অন্যজন সমল ব্যক্তিৰূপে সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়াই এবাৰ ব্যৱহৃত প্লাষ্টিক সামগ্ৰীৰ অপকাৰসমূহৰ বিষয়ে ব্যাখ্যা কৰে। বছৰি তিনিশ মিলিয়ন টন প্লাষ্টিক বিশ্বত উৎপাদন হয় বুলি উল্লেখ কৰি তেওঁ কয় যে বৰ্তমানৰ দৰে অব্যাহত থাকিলে ২০৫০লৈ জলচৰ প্ৰাণীতকৈ প্লাষ্টিক বেছি হ'ব। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজেন হাজৰিকাই সভাপতিত্ব কৰা অনুষ্ঠান সামগ্ৰিকভাৱে পৰিচালনা কৰে যোৰহাট জিলা সমন্বয়ক তথা দহোটীয়া মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি চিনেৰ মুখ্য সম্পাদক চক্ৰপাণি শৰ্মাই চিনেৰ কাৰ্যাৱলী সম্পৰ্কে কয়। ইয়াৰ আগতে পুৱা গছপুলি ৰোপণ কৰে সমাজসেৱক নগেন বৰাই আৰু স্বচ্ছতাৰ এক সজাগতা শোভাযাত্ৰাৰ ফ্লেগ অফ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ চন্দ্ৰ বৰাই। শোভাযাত্ৰাৰ পাছতে পৰিৱেশ সজাগতাৰ বাবে বাটৰ নাট পৰিৱেশন কৰে চৰাইবাহী বালিকা উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰীসকলে। অনুষ্ঠানত বিজ্ঞান আৰু গণিতৰ দুখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে ড° প্ৰমোদ চন্দ্ৰ নেওগ আৰু ৰাজেন হাজৰিকাই। বিজ্ঞান শিক্ষয়িত্ৰী ৰিজু বৰাই চিকিৎসা সামগ্ৰীসমূহত ব্যৱহৃত প্লাষ্টিকৰ বস্তুসমূহ সুবিধাজনক ঠাইত পেলোৱাৰ লগতে ৰাস্তা বনাওতে কটা গছত থকা অৰ্কিডসমূহ বিদ্যালয়ত সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি অৱগত কৰে। চিনেৰ যুটীয়া সম্পাদকদ্বয় ক্ৰমে পুলক ফুকন, বেণু শইকীয়া, পঞ্চায়তৰ সদস্যা অঞ্জুমা বেগমে অংশগ্ৰহণ কৰা অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰূপালী বৰঠাকুৰে শলাগৰ শৰাই আগবঢ়ায়।

# হাতীধুৰা চৰকাৰী ধান ক্ৰয় কেন্দ্ৰত দালালৰাজ

### ■ ধান ক্ৰয় কেন্দ্ৰৰ দালালৰাজ বন্ধৰ দাবী

**তামাৰহাট, ১৬ মাৰ্চ ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰাস্থিত চৰকাৰী ধান ক্ৰয় কেন্দ্ৰত সম্প্ৰতি দালালৰাজ চলি থকাত স্থানীয় তথা প্ৰকৃত কৃষকসকল নিজৰ উৎপাদিত ধান উপযুক্ত মূল্যত বিক্ৰী কৰাৰ পৰা বঞ্চিত হৈ পৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে । উক্ত দালালৰাজ বন্ধ কৰি স্থানীয় কৃষক সকলৰ ধান ক্ৰয় কৰাৰ দাবীত যোৱা ১৬ মাৰ্চত স্থানীয় কৃষকসকলে ধান ক্ৰয় কেন্দ্ৰটোৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে । উল্লেখ্য যে ৰাজ্য চৰকাৰে দালালৰাজ তথা মধ্যভোগী প্ৰক্ৰিয়া বন্ধ কৰাৰ উদ্দেশ্যে উচিৎ মূল্যত কৃষকৰ ধান ক্ৰয় কৰাৰ বাবে প্ৰতিখন জিলাৰ অঞ্চলে অঞ্চলে চৰকাৰী ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰে । সেই হিচাপে ধুবুৰী জিলাৰ তামাৰহাটত দুটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰাৰ কথা আছিল যদিও কেৱল হাতীধুৰা সমবায় সমিতিৰ কাৰ্যালয়ত এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰে বিভাগীয় কৰ্তৃপক্ষই । নিয়ম মতে ভাৰতীয় খাদ্য নিগমৰ অধিনস্থ হাতীধুৰা ধান ক্ৰয় কেন্দ্ৰটোৰ দায়িত্বত থকা বিষয়া -কৰ্মচাৰী সকলে পঞ্জীয়নভুক্ত স্থানীয় কৃষকৰ পৰা নিয়মিত ভাৱে ধান ক্ৰয় কৰিব লাগে কিন্তু উক্ত বিষয়া-কৰ্মচাৰী সকলে মাত্ৰ দুদিন মান আঠ গৰাকী কৃষকৰ ধান ক্ৰয় কৰি দায়িত্ব সামৰে । ইয়াৰ উপৰি ধান ক্ৰয় কেন্দ্ৰটোৰ ধান ক্ৰয়ৰ দায়িত্বত থকা কৰ্মচাৰী সকল প্ৰায় কেন্দ্ৰটোত অনুপস্থিত থকাত ধান বিক্ৰী কৰিবলৈ অহা কৃষক সকল সমস্যাৰ সন্মুখীন হব লগা হৈছে । প্ৰকৃত কৃষকৰ পৰা ধান ক্ৰয় কৰাৰ পৰিবৰ্তে কেন্দ্ৰটোৰ দায়িত্বত থকা কৰ্মচাৰী সকলে দালালৰ মাধ্যমত কৌশলেৰে আন ঠাইৰ ধান কিনি ভঁৰাল ঘৰ ভৰ্তি কৰি ৰাখিছে বুলি আন এক অভিযোগ উত্থাপন কৰিছে স্থানীয় কৃষক সকলে। গতিকে উপযুক্ত তদন্তক্ৰমে হাতীধুৰাস্থিত ধান ক্ৰয় কেন্দ্ৰটোৰ দালালৰাজ বন্ধ কৰি নিয়মিত ভাৱে স্থানীয় কৃষকৰ ধান ক্ৰয় কৰাৰ ব্যৱস্থা গ্ৰহণৰ বাবে ধুবুৰী জিলা উপায়ুক্তক দাবী জনাইছে স্থানীয় কৃষক সকলে।

■ চক্ৰ বিষয়াই চৰকাৰী ভূমি অৰ্পণ কৰাৰ কু-অভিসন্ধিক লৈ উত্তেজনা

# বজাৰৰ চৰকাৰী মাটি বেদখলৰ চেষ্টা

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২০ মাৰ্চ ঃ** বকো সমষ্টিৰ ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত নতুন কাঠমী বজাৰৰ মাজ মজিয়াত এডোৰা বিবদমান চৰকাৰী ভূমি ৰাজহ চক্ৰ বিষয়াই ৰাজহুৱা বজাৰৰ স্বাৰ্থত প্ৰদান নকৰি ব্যক্তিগতভাৱে এজন ভূ-মাফিয়াৰ হৈ নাটকীয়ভাৱে অৰ্পণ কৰাৰ কু-অভিসন্ধিক লৈ যোৱা ১৯ মাৰ্চত বজাৰ কমিটীৰ উদ্যোগত সংবাদমেল আয়োজন কৰে। নতুন কাঠমী বজাৰ সোমবৰীয়া আৰু উত্তৰ ফালে থকা বুধবৰীয়া বজাৰৰ মাজমজিয়াত থকা এডোখৰ চৰকাৰী ভূমিক লৈ বিগত ১৫-২০ বছৰ ধৰি এগৰাকী ব্যক্তি গোপাল মিঞা বনাম বজাৰ পৰিচালনা কমিটীৰ মাজত চলি আহিছিল বিবাদ। বজাৰ পৰিচালনা কমিটীৰ সভাপতি ছায়েদ আলী, সম্পাদক হাছমত আলী, প্ৰাক্তন বিষয়ববীয়া ক্ৰমে ফটিক আলী আহমেদ, আব্দুল জুব্বাৰ আলী, আচৰাফ উদ্দিন আহমেদকে ধৰি ভালে সংখ্যক বিষয়ববীয়াই সংবাদমেলৰ আয়োজন কৰি ক্ষোভেৰে কয় যে যিহেতু চৰকাৰী ভূমি চৰকাৰী ৰাজহুৱা অনুষ্ঠানৰ হকে অৰ্পন কৰিব লাগিছিল ছমৰীয়া ৰাজহ চক্ৰ বিষয়া প্ৰীতম দাসে, তাকে নকৰি ব্যক্তিগত এগৰাকী লোকৰ সপক্ষে চৰকাৰী ভূমি বেদখল চলোৱাৰ বাবে কিহৰ ভিত্তিত অৰ্পণ কৰাৰ কু-অভিসন্ধি চলাই আছে তাক লৈ সম্প্ৰতি সন্দেহৰ আঙুলি টোঁৱাইছে বজাৰ কমিটীৰ উপৰি স্থানীয় সচেতন মহলে। সংবাদমেলত উপস্থিত থকা একাংশ লোকে সংবাদ মাধ্যমৰ আগত অভিযোগ তোলে যে নতুন কাঠমী বজাৰ কমিটীৰ জৰিয়তে কামৰূপ জিলাৰ উপায়ুক্তৰ জৰিয়তে বহুত বছৰ ধৰি উক্ত মাটি বজাৰৰ স্বাৰ্থত চৰকাৰে লাখ লাখ টকা ৰাজহ পোৱা অনুষ্ঠানৰ সপক্ষে আবণ্টন পোৱাৰ বাবে আবেদন কৰি কে'বাখনো বজাৰ পৰিচালনা কমিটীয়ে ছমৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে অহৰহ আবেদন-নিবেদন চলাই অহাৰ পাছত কে'বামাহ আগত অহা চক্ৰ বিষয়াগৰাকীয়ে গোপাল মিঞাৰ লগত অতি নাটকীয়াভাৱে নিশা ১২ বজাত চৰকাৰী ভূমি বেদখল চলোৱাৰ বাবে আৰক্ষীক ফোনযোগে ঘটনাত মাটি পেলোৱাৰ সুবিধা কৰি দিয়ে। ইয়াৰ উপৰি চৰকাৰী ভূমি ব্যক্তিগতভাৱে গোপালক অৰ্পণ কৰা চক্ৰ বিষয়াৰ কাৰুকাৰ্যত জাঙুৰ খাই উঠিছে বজাৰ কমিটীৰ স'তে একাংশ সচেতন মহলে। উক্ত মাটি বজাৰৰ স্বাৰ্থত চক্ৰ বিষয়াই প্ৰদান নকৰিলে আইনগতভাৱে প্ৰচেষ্টা চলাই যাব বুলি সংবাদমেলত দৃঢ়তাৰে উল্লেখ কৰে। উল্লেখ্য যে নতুন কাঠমী বজাৰৰ লগত সংলগ্ন ২৬৮ নম্বৰ দাগৰ তিনি কঠা চাৰি লেচা চৰকাৰী ভূমি অবৈধভাৱে গোপাল মিঞা নামৰ এজন লোকে কৌশলগতভাৱে টিনপাতৰ বেৰ তথা বলপূৰ্ব্বক মাটি পেলাই বেদখল কৰাৰ দৃশ্য ৰাজহ চক্ৰ বিষয়াই দেখিও নেদেখাৰ ভাওজোৰা কাৰ্যই ক্ষুব্ধ হৈ পৰিছে স্থানীয় সচেতন ৰাইজে। এই ক্ষেত্ৰত ছমৰীয়া ৰাজহ চক্ৰ বিষয়াৰ ৰহস্যজনক ভূমিকাৰ লগতে ৰাজহুৱা স্বাৰ্থৰ প্ৰতি তিলমানো গুৰুত্ব নিদিয়াৰ বিৰুদ্ধে নতুন কাঠমী বজাৰ পৰিচালনা সমিতিয়ে কালাতলী যুৱক সংঘ প্ৰাংগণত এখন সংবাদমেলৰ আয়োজন কৰে।



*গহপুৰ মইনা পাৰিজাতৰ উদ্যোগত বিজ্ঞান মেলা, দেওবাৰে।*

## চুতীয়া স্বায়ত্তশাসিত পৰিষদৰ দাবীত স্মাৰকপত্ৰ প্ৰদান

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২০ মাৰ্চ ঃ** চুতীয়া যুৱ সন্মিলন অসমৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দিবন চুতীয়া, সাধাৰণ সম্পাদক কৌস্তৱ বিকাশ চুতীয়া, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি অনন্ত চেতিয়া, সাধাৰণ সম্পাদক বিনিত শইকীয়া, চুতীয়া স্বায়ত্তশাসিত দাবী পৰিষদৰ দাবী সমিতিৰ সাংগঠনিক সম্পাদক বিতোপন শইকীয়া, প্ৰচাৰ সম্পাদক তুলেন শইকীয়াকে ধৰি এটি সঁজাতী দলে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ বাসগৃহত লগ ধৰি চুতীয়া স্বায়ত্তশাসনৰ দাবী জনাই এখন স্মাৰকপত্ৰ প্ৰদান কৰে। মন্ত্ৰীজনৰ জৰিয়তে উক্ত দাবী সম্বলিত স্মাৰকপত্ৰখন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা হয়। সঁজাতী দলটোৰ লগত ডিব্ৰুগড় জিলা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ লগতে ৰহমৰীয়াৰ খহনীয়াত বিধ্বস্ত হৈ ভেটি-মাটি হেৰুওৱাসকলক ভূমি প্ৰদান কৰাৰ লগতে ভূমিপট্টা প্ৰদান কৰা, ডিব্ৰুগড়ত চুতীয়া সাংস্কৃতিক প্ৰকল্প স্থাপন কৰাকে ধৰি বহুকেইটা দাবী সম্বলিত স্মাৰকপত্ৰ মন্ত্ৰী বৰাৰ হাতত অৰ্পণ কৰা লগতে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰদান কৰে।

## টিহুৰ গোৰৱাদলত আজিৰ পৰা ৰাজহুৱা শ্ৰীশ্ৰী মা-মনসা দেৱীৰ পূজা অৰ্চনা

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২০ মাৰ্চ ঃ** টিহু মহকুমাৰ গোৰৱাদল গাঁৱৰ লংকা চুবুৰিত অহা ২১ মাৰ্চৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৰাজহুৱা শ্ৰীশ্ৰী মা-মনসা পূজাৰ আয়োজন কৰা হৈছে। এইবাৰ ২০ সংখ্যক ৰাজহুৱা শ্ৰীশ্ৰী মা-মনসা পূজাৰ কাৰ্যসূচী অনুসৰি ২১ মাৰ্চৰ সন্ধিয়া প্ৰতিমা স্থাপনেৰে পূজাৰ কাৰ্যসূচী আৰম্ভ কৰাৰ পাছক দেৱীৰ অধিবাস আৰু ওজাপালিৰ দ্বাৰা দেৱী বন্দনা পৰিবেশন কৰা হ'ব আৰু সন্ধিয়া ছহিদ তৰ্পণ কৰিব প্ৰাক্তন ছাত্ৰনেতা টিহু মহকুমা ৰিপ'টাৰ্ছ এছ'চিয়েছনৰ সহকাৰী সম্পাদক শৈলেন বৰ্মনে। ২২ মাৰ্চৰ পুৱা চাফাই অভিযানৰ পাছত আয়তীৰ দ্বাৰা পানীতোলা অনুষ্ঠান। ন বজাত গছপুলি ৰোপণ কৰিব বন আৰু পৰিৱেশ বিভাগৰ ব্ৰেণ্ড এম্বেছাডৰ আনন্দ খাটনিয়াৰে। দেৱীৰ পূজা-অৰ্চনাৰ পাছত দুপৰীয়া শান্তি-পুষ্পাঞ্জলি প্ৰদান কৰা হ'ব। বিয়লি অভ্যৰ্থনা অনুষ্ঠানৰ মাণিকপুৰ হোকাৰটুপৰ ওজা উদয় কলিতা, ভোগী দাইনাপালি আৰু সংগীবৃন্দৰ দ্বাৰা ওজাপালি পৰিবেশ কৰা হ'ব। সন্ধিয়া আৰতি প্ৰদান আৰু নিশা ওজাপালি পৰিবেশন কৰা হ'ব। ২৩ মাৰ্চৰ পুৱা কণ কণ ল'ৰা-ছোৱালীৰ মাজত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ছিপাঝাৰৰ পাঠক সুভাষ নাথ আৰু সংগীবৃন্দৰ দ্বাৰা নাগাৰা নাম পৰিবেশন কৰা হ'ব। নাগাৰ নাম উদ্বোধন কৰিব সচেতন নাগৰিক মঞ্চ অসমৰ সভাপতি চন্দন ভট্টাচাৰ্যই। পূজাৰ সমূহ কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## ৭৩ নম্বৰ চাওঁখাত ভৰলুৱা প্ৰাথমিক বিদ্যালয়ত প্ৰদৰ্শনী-আলোচনাচক্ৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ২০ মাৰ্চ ঃ** মধ্য যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত ৭৩ নম্বৰ ভৰলুৱা প্ৰাথমিক বিদ্যালয়ত বৈচিত্ৰ্য অসম নামৰ এক অনুষ্ঠানত শৈক্ষিক, আৰ্থ সামাজিক, সাংস্কৃতিক আদি দিশৰ ওপৰত লক্ষ্য ৰাখি 'আৰ্থ সামাজিক দিশত মৰাপাটৰ সম্ভাৱনীয়তা' শীৰ্ষক অগতানুগতিক আলোচনাচক্ৰৰ লগতে এখন আকৰ্ষণীয় প্ৰদৰ্শনী অনুষ্ঠিত হয়। অনুষ্ঠানত যোৰহাট বাল্যভৱনৰ সহ শিক্ষক স্বপন বেজবৰুৱাই মৰাপাটৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীসকলে কেনেদৰে আত্মসংস্থাপন হ'ব পাৰি সেই বিষয়ত আলোকপাত কৰাৰ লগতে মৰাপাটৰ পৰা নিজে প্ৰস্তুত কৰা বহু কেইবিধ সামগ্ৰী প্ৰদৰ্শন কৰি উপস্থিত সকলোৰে উচ্চ প্ৰশংসা লাভ কৰে। অনুষ্ঠানত মধ্য যোৰহাট শিক্ষাখণ্ডৰ শিক্ষক উৎপল বৰুৱা, সমল শিক্ষক নিৰঞ্জন ভূঞা, উজ্জ্বল দত্ত, জ্যোতিপ্ৰসাদ বৰা, দিগন্ত দত্ত, বীৰেণ বৰা, পংকজ দত্ত, জিলা শিক্ষক সন্মিলনীৰ সভাপতি ত্ৰিদিপ বৰুৱা, সম্পাদক বিবেকানন্দ বৰা প্ৰমুখ্যে আন ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অসমৰ ঐতিহ্য সংস্কৃতিৰ প্ৰতিফলন হোৱাকৈ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সচিব তথা প্ৰধান শিক্ষয়িত্ৰী নৰশ্ৰী সোণোৱাল আৰু স্থানীয় ৰাইজৰ সহযোগিতাত এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। পুৰণি মুদ্ৰা, তাঁতশাল, জনগোষ্ঠীয় সাজ-সজ্জা, মাছধৰা সঁজুলি, হেৰাই যোৱা বৈদ্যুতিক সঁজুলি, ধৰ্মীয় গ্ৰন্থ, পৌৰাণিক সাঁচিপাতৰ পুথি, বিভিন্ন ধানৰ বীজ, অসমীয়া পিঠা-জলপানৰ লগতে বিলুপ্ত প্ৰায় বহু সামগ্ৰী প্ৰদৰ্শন কৰি ৰাইজৰ বিপুল সমাদৰ লাভ কৰে। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকনে। অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী নৰশ্ৰী সোণোৱালে। অনুষ্ঠানত কৃষ্ণচূড়া গোটৰ জৰিয়তে গছপুলি ৰোপণ কৰা হয়।

## চিৰাঙত সক্ৰিয় এটিএম কাৰ্ড সলনি কৰা চক্ৰ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ২০ মাৰ্চ ঃ** চিৰাঙত সক্ৰিয় হৈ আছে বেংকৰ এটিএম কাৰ্ড সলনি কৰি আনৰ ধন আত্মসাৎ কৰা চক্ৰ। এটিএমৰ ওচৰে-পাঁজৰে খাপ পিটি থকা এনে দুষ্টচক্ৰটোৱে ধন উলিয়াবলৈ যোৱা লোকৰ পৰা কৌশলেৰে কাৰ্ডখন সলনি কৰে আৰু ধন আত্মসাৎ কৰে। শেহতীয়াকৈ জিলাখনৰ বাসুগাঁৱত তেনে এক ধন আত্মসাতৰ ঘটনা পোহৰলৈ আহিছে। ঢালিগাঁও থানাৰ অন্তৰ্গত খাগ্ৰাবাৰী গাঁও নিৱাসী সতীশ চন্দ্ৰ দৈমাৰী নামৰ বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত ৭০ উৰ্ধ্বৰ কৰ্মচাৰীজনে ছয় মাৰ্চত বাসুগাঁৱৰ মেইন ৰোডত থকা এটিএম এটাৰ পৰা দুবাৰত ন হেজাৰকৈ ১৮ হেজাৰ টকা উঠায়। ইয়াৰ পিছদিনা লোকজনে পুনৰ টকা উঠাবলৈ এটিএমলৈ গৈ বাৰে বাৰে চেষ্টা কৰি বিফল হোৱাত তেওঁৰ একাউণ্ট থকা ভাৰতীয় ষ্টেট বেংকৰ বাসুগাঁও শাখালৈ গৈ অনুসন্ধান কৰাতহে উৰহী গছৰ ওৰ ওলায়। বেংক কৰ্তৃপক্ষৰ পৰা দৈমাৰীয়ে জানিব পাৰে তেওঁৰ হাতত থকা এটিএম কাৰ্ডখন তেওঁৰ নিজৰ নহয় আৰু তেওঁৰ নামত থকা ৩০০২৭০১৯৫২১ নম্বৰৰ বেংক একাউণ্টৰ পৰা ইতিমধ্যে ২,০৬,৭৩০ টকা কোনো অজ্ঞাত ব্যক্তিয়ে আত্মসাৎ কৰে। দৈমাৰীয়ে সাংবাদিকক জানিবলৈ দিয়ে যে উক্ত দিনা এটিএমত তেওঁ এজন অচিনাকি মানুহ প্ৰত্যক্ষ কৰিছিল। কিন্তু মানুহজনে কেনেদৰে কাৰ্ডখন সলনি কৰিলে সেই সম্পৰ্কে তেওঁ একো উমঘাম নাপালে। দৈমাৰীয়ে এই সম্পৰ্কত বাসুগাঁও থানাত এজাহাৰ দাখিল কৰিছে।

## মহুৰামুখৰ বংকোৱালত প্ৰধান শিক্ষক সোণেশ্বৰ আহোমৰ বিদায় সম্বৰ্ধনা

**খুমটাই, ২০ মাৰ্চ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মহুৰামুখৰ বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ আহোমক কৰ্মসূত্ৰে অৱসৰ গ্ৰহণ কৰাৰ বাবে যোৱা ১৯ মাৰ্চত বিদ্যালয়খনত আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। উল্লেখ্য যে বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি জয়ন্ত টাইদৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিদ্যালয়খনৰ তৰফৰ পৰা চেলেং, গামোচা, গ্ৰন্থ, সঁফুৰা, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ উপৰি অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেও অংগ-বস্ত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষক তৰুণ দাৰে আঁত ধৰা সভাখনত বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভানেত্ৰী মামণি মৰাঙে বৰগীত পৰিবেশনেৰে সভাখন জীপাল কৰি তোলে। সভাত উপস্থিত থাকি সহকাৰী শিক্ষক লালাবাহাদুৰ লইং, তৰুণ দাৰ, মানস কাকতিয়ে শিক্ষকতা জীৱনত প্ৰধান শিক্ষক সোণেশ্বৰ আহোমৰ ব্যক্তিত্বৰ সম্পৰ্কত সাৱলীল বক্তব্য প্ৰদান কৰে।




*বিশ্বনাথত বিশ্ব দন্ত দিৱস পালন, দেওবাৰে।*

## সৰুপেটাত ৰেলৱে উৰণীয়া সেতু নিৰ্মাণৰ ঘোষণাক আদৰণি ৰাইজৰ

■ পুৰণি 'ৰেলৱে গেট'খনো কাৰ্যক্ষম কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ২০ মাৰ্চ ঃ** বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে দাখিল কৰা বাজেটত ৪১ নম্বৰ ভৱানীপুৰ সমষ্টিৰ সৰুপেটাত ৰেলৱে উৰণীয়া সেতু নিৰ্মাণৰ বিষয়ে ঘোষণা কৰাত স্বাভাৱিকতেই অঞ্চলটোৰ ৰাইজ উৎফুল্লিত হৈছে গৈছে। উল্লেখ্য যে বিত্তমন্ত্ৰী নেওগে দাখিল কৰা বাজেটত ৰাজ্যৰ বিভিন্ন স্থানত অৱস্থিত ৰেলৱে ক্ৰ'ছিঙসমূহত মুঠ ১৯ খন নতুন ৰেলৱে উৰণীয়া সেতু নিৰ্মাণৰ কথা ঘোষণা কৰিছিল। আনহাতে,পৰাধীন ভাৰতত ১৯২৮তে স্থাপিত সৰুপেটা ৰেলৱে ষ্টেছনত সুদীৰ্ঘ প্ৰায় ৯৫ টা বছৰৰ মূৰত বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ উৰণীয়া সেতু নিৰ্মাণৰ এই ঘোষণাক সমষ্টিটোৰ ৰাইজৰ স্বাভাৱিকভাৱেই আদৰণি জনাইছে। সৰুপেটাত ৰেলৱে উৰণীয়া সেতুৰ নিৰ্মাণে সমষ্টিটোৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনত ব্যাপক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা লক্ষ্য কৰা গৈছে। প্ৰস্তাবিত উক্ত উৰণীয়া সেতুসমূহ ৰাজ্য আৰু কেন্দ্ৰ দুয়োখন চৰকাৰৰ প্ৰত্যেকৰে ৫০ শতাংশকৈ অৰ্থব্যয়েৰে নিৰ্মাণ কৰা হ'ব বুলিও ঘোষণা কৰা হৈছে। উল্লেখ্য যে অসম আন্দোলনৰ প্ৰথমগৰাকী ছহিদৰ গৃহসমষ্টি ভৱানীপুৰৰ সৰুপেটাত ৰেলৱে উৰণীয়া সেতু নিৰ্মাণৰ বাবে স্থানীয় ৰাইজৰ লগতে সৰুপেটা ৰেলযাত্ৰী সংস্থাইও ৰাজ্য চৰকাৰৰ লগতে ভাৰতৰ ৰেল মন্ত্ৰণালয়ক দীৰ্ঘদিন দাবী উত্থাপন কৰি আহিছে। তদুপৰি সমষ্টিটোৰ বিগত উপ-নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়ত ভৱানীপুৰ সমষ্টিৰ দীৰ্ঘদিনীয়া বহু দাবী পূৰণৰ প্ৰতিশ্ৰুতি প্ৰদানৰ লগতে প্ৰস্তাবিত ৰেলৱে উৰণীয়া সেতুখনৰ নিৰ্মাণৰ কথাও ঘোষণা কৰিছিল। সমষ্টিবাসী ৰাইজে উৰণীয়া সেতু নিৰ্মাণৰ এই উদ্যোগৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে বিশেষকৈ সমষ্টিটোৰ বিধায়ক ফণীধৰ তালুকদাৰক ধন্যবাদ জ্ঞাপন কৰিছে। আনহাতে, এই প্ৰসংগতে গ্ৰামীণ কৃষিপ্ৰধান অঞ্চলটোত ৰেলৱে ক্ৰছিঙৰ পুৰণি 'গেট'খনো সমান্তৰালকৈ কাৰ্যক্ষম কৰি ৰখাৰ দাবী উত্থাপন কৰিছে সমষ্টিটোৰ একাংশ সচেতন ৰাইজে। পুৰণি 'ৰেল গেট'খন সম্পূৰ্ণৰূপে বন্ধ কৰি দিলে এই ক্ষেত্ৰত বিশেষকৈ অঞ্চলটোৰ কৃষকসকলে তেওঁলোকৰ উৎপাদিত বয়-বস্তু ঠেলা, গৰু গাড়ী, ট্ৰেক্টৰ আদিৰে কঢ়িওৱাত যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়াত পৰিব বুলি মন্তব্য কৰিছে।

## দশম বাৰ্ষিক কৈলাস মল্ল বৰুৱা স্মৃতিচাৰণ-বক্তৃতানুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২০ মাৰ্চ ঃ** নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত অহা ২৭ মাৰ্চত নলবাৰী নাট্য মন্দিৰত দশম বাৰ্ষিক বিশিষ্ট সাহিত্যিক-কৃতী শিক্ষক-সাংবাদিক কৈলাস মল্ল বৰুৱা স্মৃতিচাৰণ আৰু বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই বিষয়ে নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই জনোৱা অনুসৰি সিদিনা পুৱা 'একবিংশ শতিকাত অসমীয়া সাহিত্যৰ প্ৰচাৰৰ প্ৰয়োজনীয়তা' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব নৰ্থ-ইষ্ট লাইভৰ মুখ্য সম্পাদক, লেখক তথা বিশ্লেষক ৱাছবিৰ হুছেইনে। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাৰ সভাপতিত্বত হ'বলগীয়া অনুষ্ঠান উদ্বোধন কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। আদৰণি ভাষণ প্ৰদান কৰিব কৈলাস মল্ল বৰুৱাৰ পুত্ৰ, নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই। কৈলাস মল্ল বৰুৱাৰ জীৱনৰ ওপৰত স্মৃতিচাৰণ কৰিব বাঘমাৰাৰ নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° সুৰজিৎ বৰ্মনে। অনুষ্ঠানত ভাগ ল'ব অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোৱিন্দ কলিতা আৰু কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই। সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক সু-চিকিৎসক ভূপেশ চন্দ্ৰ শৰ্মা আৰু বিশিষ্ট চিকিৎসক মৃগাংক তালুকদাৰে। ইয়াৰ পূৰ্বে হ'বলগীয়া কৈলাস মল্ল বৰুৱাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাৰ্ঘ্য নিবেদন অনুষ্ঠানত মাল্যাৰ্পণ কৰিব কৈলাস মল্ল বৰুৱাৰ সহধৰ্মিণী কামিনী বৰুৱা আৰু বোৱাৰী সমাজসেৱিকা জুলি ডেকা বৰুৱাই। বন্তি প্ৰজ্বলন কৰিব ক্ৰমে নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মা, আৰ্য শাখা সাহিত্য সভাৰ সভাপতি গোকুল ডেকা, নলবাৰী শ্ৰীশ্ৰীহৰি মন্দিৰ সমিতিৰ উপ-সভাপতি বানেশ্বৰ দাস, বিশিষ্ট চিত্ৰশিল্পী মহেন্দ্ৰ বৰুৱা, সমাজসেৱক প্ৰমোদ বেজবৰুৱা, শিক্ষাব্ৰতী নলিনীকান্ত শৰ্মা, সাহিত্যব্ৰতী নৃপাল বাৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ প্ৰমোদ ডেকা, কৈলাস মল্ল বৰুৱা স্মৃতিচাৰণ আৰু বক্তৃতানুষ্ঠানৰ অভ্যৰ্থনা সমিতিৰ সভাপতি নুৰ হুছেইন, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ সদস্য গোৱিন্দ মেধি, প্ৰজ্ঞাদীপ শাখা সাহিত্য সভাৰ সভাপতি ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্য আৰু চতমা আঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদক গিৰীন্দ্ৰ দেৱ শৰ্মাই।

## সৰ্বসাধাৰণৰ অন্তৰ স্পৰ্শ কৰিব পৰা সাহিত্যহে কালজয়ী হয়

■ বিভিন্ন জনগোষ্ঠীৰ বাৰেৰহণীয়া গীত-নৃত্যৰে মুখৰিত ব্ৰহ্মপুত্ৰৰ চাপৰি

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ২০ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা হিচাপে সুপৰিচিত গহপুৰ মহকুমাৰ চিত্ৰবন শাখা সাহিত্য সভাই যোৱা ১২ মাৰ্চত দিনজোৰা কাৰ্যসূচীৰে বাকৰী দলনি গাঁও পঞ্চায়তৰ অন্তৰ্গত গোপাল জাৰণি চাপৰিস্থিত গোপাল জাৰণি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত দিনজোৰা বৰ্ণিল কাৰ্যসূচীৰে 'ফাগুনত সাহিত্যৰ এদিন' শীৰ্ষক সাহিত্য-সংস্কৃতিৰ এক মনোগ্ৰাহী অনুষ্ঠানৰ সফল ৰূপায়ণেৰে অঞ্চলটোৰ সৰ্বসাধাৰণৰ মাজত সাহিত্যানুৰাগ বৃদ্ধিৰ প্ৰয়াস কৰে। এই উপলক্ষে বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ স্বৰূপ বিভিন্ন জনগোষ্ঠীৰ গীত-নৃত্য আৰু কবিতাৰ সুৰ-ছন্দই মুখৰিত কৰি তোলে মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰ শ্যামলী চাপৰি গোপাল জাৰণিৰ চৌদিশ। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পৰিৱেশ নিকাকৰণৰ পাছত পতাকা উত্তোলন কৰে চিত্ৰবন শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে গোপাল জাৰণি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়কান্ত মিলি, পৰিচালনা সমিতিৰ সভাপতি দিবাধৰ পেগুৱে। স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে স্থানীয় বয়োজ্যেষ্ঠ নাগৰিক তথা সমাজ সেৱক কাশী নাথ পাচুং আৰু হেমধৰ কুটুমে। বিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী আৰম্ভ কৰে গোপাল জাৰণি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা সাহিত্যানুৰাগী ব্যক্তি দেৱ ডেকা আৰু অসম নেপালী সাহিত্য সভাৰ বেগীজান শাখাৰ সম্পাদক লেখনাথ মিশ্ৰই। ইয়াৰ পাছতে অনুষ্ঠিত মূল সভাৰ আৰম্ভণিতে বালিজান সংগীত বিদ্যালয়ৰ সঞ্চালিকা শেৱালি কলিতা বৰাৰ পৰিচালনাত অসম সাহিত্য সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' পৰিৱেশন কৰে সংগীত বিদ্যালয়খনৰ ছাত্ৰী হৰ্ষিতা শইকীয়া, উপাসা হাজৰিকা, ৰুবি দাস, অংকিতা বৰাৰ দলে। চিত্ৰবন শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সামগ্ৰিকভাৱে আঁত ধৰে সক্ৰিয় সাহিত্যসেৱী, শিক্ষাবিদ তথা চিত্ৰবন শাখা সাহিত্য সভাৰ সম্পাদক বিনোদ আত্ৰেয়ই। উদীয়মান সমাজ সেৱক তথা বাকৰি দলনি গাঁও পঞ্চায়তৰ সভাপতি, গোপাল জাৰণি চাপৰিৰ সুসন্তান ৰাজকুমাৰ দলেই আদৰণি ভাষণ প্ৰদান কৰি অতিথিসকলক সাদৰ-সম্ভাষণ জ্ঞাপন কৰাৰ পাছতে সভাত উপস্থিত একাধিক বিশিষ্ট ব্যক্তিক চিত্ৰবন শাখা সাহিত্য সভাৰ তৰফৰ পৰা ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পাছতে স্থানীয় শিক্ষাৰ্থী তথা কিশোৰ-কিশোৰীসকলৰ লগত বালিজান সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা ঐনিতম, নেপালী নৃত্য, গুমৰাগ নৃত্যসহ বিভিন্ন জনগোষ্ঠীৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ সমাহাৰে সভাখনত বৃহত্তৰ অসমীয়া জাতিৰ বৰ্ণিল সাংস্কৃতিক সত্তাক প্ৰতিফলিত কৰাৰ লগতে উপস্থিত সকলোকে আপ্লুত কৰে। গীত-নৃত্যৰ অনুষ্ঠানত ঐনিতম পৰিৱেশন কৰে প্ৰীতিস্মা দলে, মণিকা পেগু, মীনা পেগু, চুনু কুটুম, ৰিণিকি পেগু, ব'হাগী পেগু, মুনমী পেগু, জোনালী, মেধি, মৌচুমী বড়ি, কৰিণা দলে, টেপফুল পেগু, ললিত পাচুং আদিয়ে।

## সাউদৰটাৰীত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২০ মাৰ্চ ঃ** বাগ্‌সাৰ জালাহ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ২০১ নম্বৰ সাউদৰটাৰী কনিষ্ঠ বেছিক বিদ্যালয়ত যোৱা ১৬ মাৰ্চত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। উক্ত সভাত হাটখোলা কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰ পৰা কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক গগন চন্দ্ৰ তালুকদাৰক বিদায় সম্বৰ্ধনা জনোৱা হয়। হাটখোলা কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মহাদেৱ পাটগিৰিৰ পৌৰোহিত্যত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাখনত উপস্থিত থাকি ভাষণ আগবঢ়ায় শালবাৰী মহকুমা বিদ্যালয়সমূহৰ উপপৰিদৰ্শক মিলন দাস, শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি জামাল উদ্দিন আহমেদ, সম্পাদক ৰমেন কুমাৰ দাস, শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি গিৰীশ চন্দ্ৰ কলিতা, বিটিএডি প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহকাৰী সম্পাদক ৰাধাকান্ত তালুকদাৰ আদি।

## বিটিআৰ বেংগলী যুৱ-ছাত্ৰ ফেডাৰেছনৰ উদ্যোগত বসন্ত উৎসৱ



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৯ মাৰ্চ ঃ** দৌল পূৰ্ণিমাত সমগ্ৰ দেশতে হোলীৰ বিভিন্ন ৰঙৰ আনন্দ-উলাহে বিৰাজ কৰাৰ লগতে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৃষ্টি হিচাপে পশ্চিমবংগত বছৰ বছৰ ধৰি চলি আহিছে ফাগুনৰ মহোৎসৱ 'বসন্ত উৎসৱ।' কবিগুৰুৰ প্ৰাণকেন্দ্ৰ বোলপুৰৰ শান্তি নিকেতনত আৰম্ভ হোৱা এই বসন্ত উৎসৱ আজি বিশ্বজুৰি বহুলভাৱে প্ৰচাৰিত। তাৰেই অংশস্বৰূপে অসমৰ চিৰাং জিলাৰ বাসুগাঁও চহৰতো তৃতীয়া বাৰৰ বাবে অনুষ্ঠিত হয় ফাগুনৰ এই বসন্ত উৎসৱ। সদৌ বিটিআৰ বেংগলী যুৱ-ছাত্ৰ ফেডাৰেছনৰ বাসুগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত কালি বাসুগাঁৱৰ পশ্চিম গোগলাপাৰাস্থিত ভৱানী ময়দানত দুপৰীয়াৰ পৰা আৰম্ভ কৰি আবেলি প্ৰায় ৩.৩০ বজাত সামৰণি পৰে। এই বসন্ত উৎসৱত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বিটিআৰৰ পাৰিষদ মাধৱ ছেত্ৰী, স্থানীয় বিভিন্ন দল-সংগঠনৰ নেতৃবৰ্গৰ লগতে স্থানীয় জ্যেষ্ঠ নাগৰিক। উল্লেখ্য যে কাৰ্যসূচী অনুযায়ী গুৱাহাটী আৰু বঙাইগাঁৱৰ দ্বাৰা পৰিচালিত সাংস্কৃতিক কৃষ্টি নৃত্য দল, বাসুগাঁৱৰ তাল নৃত্য দল, সাৰদা নৃত্য গোষ্ঠীৰ স'তে প্ৰায় কুৰিৰো অধিক নৃত্য আৰু নাট্য পৰিৱেশন কৰা হয়। ইয়াৰ উপৰি যুৱ কণ্ঠশিল্পী জিউ নীলৰ সংগীতানুষ্ঠানৰ লগতে স্থানীয় শিল্পী সমাজে সংগীত পৰিৱেশন কৰে। কালপুৰুষ মিউজিকেল গ্ৰুপে সহযোগ আগবঢ়াই জিউ নীলৰ গীতত। এইদৰে নৃত্য-গীত, নাট্য, আবৃত্তি আৰু সৰু ডাঙৰ সকলোৱে ৰঙৰ স্পৰ্শৰে এই বসন্ত উৎসৱটি পালিত হয়। আকৰ্ষণীয় অনুষ্ঠান পৰিচালনা কৰে বিশাল পালে।

# ডিগবৈ বৰজানত সাত বছৰে নাই গাঁওবুঢ়া

ৰাইজে সন্মুখীন হৈছে সমস্যাৰ

**অভিযোগ**

**ডিগবৈ, ২০ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত তৈলনগৰী ডিগবৈ চহৰৰ পৰা ছয় কিলোমিটাৰ নিলগত অৱস্থিত বৰজান গাঁৱত সুদীৰ্ঘ সাত বছৰে গাঁওবুঢ়াৰ দায়িত্বত কোনো এজন ব্যক্তি নথকাক লৈ বৃহৎ সমস্যাৰ সৃষ্টি কৰিছে বৃহত্তৰ বৰজান গঞা ৰাইজক। উল্লেখ্য যে বিষয় যে ১৯৫০ত হোৱা বৰ ভূমিকম্পৰ কবলত পৰি মাটি-বাৰী সৰ্বোচ্চ লুইতৰ বুকুত জাহ যোৱাত তেতিয়াৰ ৰৌমৰীয়া মৌজাৰ বৃহৎ আৱাসিক বৰজান গাঁৱত বন বিভাগে ভূমি আবন্টন দিয়ে। ১৯৫২ত বন বিভাগে দিয়া ভূমি আবণ্টনমৰ্মে প্ৰায় পাঁচ কিঃমিঃ আৰৱা চুতীয়া, কছাৰী, নেপালী, আদিবাসী আৰু কৈৱৰ্ত সম্প্ৰদায়ৰ প্ৰায় চাৰি হেজাৰ পৰিয়ালৰ বৃহৎ এখন গাঁও প্ৰতিষ্ঠা হয়। কিন্তু যোৱা ২০১৫ৰ বৰজান গাঁৱৰ গাঁওবুঢ়াৰ দায়িত্বত থকা মূল মুৰব্বী জীৱন শইকীয়াৰ মৃত্যু হোৱাত বৃহত্তৰ বৰজান গাঁৱৰ গঞা ৰাইজে এক সমস্যাৰ সন্মুখীন হৈ আহিছে। গাঁৱৰ বিভিন্ন সমস্যাৰাজি সমাধান, কোনো এক বিশেষ সিদ্ধান্ত গ্ৰহণ, বহু ক্ষেত্ৰত নিতান্তই প্ৰয়োজনীয় স্থানীয় পৰিচয়পত্ৰ প্ৰদানত সমস্যাৰ সন্মুখীন হৈ আহিছে। গাঁৱৰ একাংশ সমাজৰ ক্ষেত্ৰত জড়িত সচেতন লোকে বৃহত্তৰ বৰজান গাঁৱৰ গাঁওবুঢ়া পদবীৰ সন্দৰ্ভত কোনো এজন পৰিপক্ক ব্যক্তিক দায়িত্ব প্ৰদান কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আবেদন-নিবেদন কৰি আহিছে যদিও আজি পৰ্যন্ত কোনো গুৰুত্ব আৰোপ নকৰাত ক্ষুব্ধ হৈছে বৃহত্তৰ বৰজান গাঁওবাসী। আন এক উল্লেখ্য বিষয় যে একাংশ গঞা ৰাইজৰ অকুণ্ঠ প্ৰচেষ্টাত যোৱা কিছু বছৰৰ পূৰ্বে গাঁৱৰ সমাজ ক্ষেত্ৰৰ লগত জড়িত সামাজিকভাৱে দায়বদ্ধতা থকা যিকোনো এজন ব্যক্তিক গাঁওবুঢ়া দায়িত্ব প্ৰদানৰ বাবে আনুষ্ঠানিকভাৱে সভা আয়োজন কৰিছিল যদিও ডিগবৈ বন বিভাগে বৰ বিশেষ গুৰুত্ব প্ৰদান নকৰাত সমস্যা সমস্যা হৈয়ে ৰ'ল। সেয়ে যোৱা প্ৰায় সাত বছৰৰ পৰা গা কৰি থকা বৃহত্তৰ বৰজানবাসী গঞা ৰাইজৰ গাঁওবুঢ়া সমস্যা সমাধানৰ ক্ষেত্ৰত ডিগবৈ বন বিভাগে গুৰুত্ব প্ৰদান কৰিবলৈ দাবী জনাইছে।

# গোসাঁইগাঁৱৰ গড়কাপ্তানী গৃহ বিভাগৰ কাৰ্যালয় স্থানান্তৰৰ সিদ্ধান্তত ক্ষুব্ধ ৰাইজ

## চাৰি দশক ধৰি সেৱা আগবঢ়োৱা কাৰ্যালয় আঁতৰোৱাৰ নিৰ্দেশ

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ২০ মাৰ্চ ঃ** গোসাঁইগাঁৱত অৱস্থিত অসম চৰকাৰৰ অধীনস্থ গড়কাপ্তানী গৃহ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়টো গোসাঁইগাঁৱৰ পৰা স্থানান্তৰিত কৰাৰ প্ৰক্ৰিয়া চলি থকাৰ বাতৰিয়ে গোসাঁইগাঁৱৰ জনসাধাৰণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কাৰ্যালয় স্থানান্তৰকৰণৰ এই সিদ্ধান্তৰ কথা অসম চৰকাৰে জাৰি কৰা একাধিক নিৰ্দেশনাৰ জৰিয়তে পোহৰলৈ আহিছে। এই সংক্ৰান্তত পত্ৰ নম্বৰ বি ৫৬/২০২১/১৯৭ দিনাংক ৩।১১।২০২১ ইং সম্বলিত অসমৰ ৰাজ্যপালৰ দ্বাৰা প্ৰেৰিত আৰু তদানীন্তন কমিছনাৰৰ স্বাক্ষৰিত জাননীখনত বিভাগটোত নতুনকৈ বহুকেইটা সংমণ্ডল বিধানসভা সমষ্টিভিত্তিত সৃষ্টি কৰাৰ লগতে নতুনকৈ নাম কৰণৰ নিৰ্দেশনা সন্নিবিষ্ট কৰা হৈছে। আনহাতে, একে তাৰিখতে জাৰি কৰা বি ৫৬।২০২১।১৯৮ দিনাংক ৩।১১।২০২১ ইং জাননীখনত নতুন-পুৰণি সামৰি মুঠ ৭৭টা মহকুমা পৰ্যায়ৰ কাৰ্যালয় গঠন চৰকাৰৰ কেবিনেট বৈঠক সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰিছে। প্ৰথমখন জাননী ৰাজ্যপালে জাৰি কৰা উক্ত নিৰ্দেশনা সন্দৰ্ভত বিশেষ ক'বলগীয়া নাছিল যদিও দ্বিতীয়খন জাননীৰ ক্ৰমিক নম্বৰ ২২ত উল্লিখিত চিৰাং ডিষ্ট্ৰিক্ট টেৰিটৰিয়াল ছাব ডিভিজন নামা কৰণেৰে আৰু বিজনীক হেড কোৱাৰ্টাৰ হিচাপে লৈ গোসাঁইগাঁও মহকুমা কাৰ্যালয়টো সম্পূৰ্ণৰূপে বিজনীলৈ স্থানান্তৰ কৰা বুলি লিখা কথাখিনিয়ে ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ১৯৮৪ত গোসাঁইগাঁৱক কোকৰাঝাৰ জিলাৰ মহকুমা হিচাপে ঘোষণা কৰাৰ পাছত অন্যান্য চৰকাৰী কাৰ্যালয়সমূহৰ লগতে গড়কাপ্তানী গৃহ বিভাগৰ কাৰ্যালয়টোও স্থাপিত হৈছিল মহকুমাটোৰ সদৰ স্থান গোসাঁইগাঁও চহৰত। সহকাৰী কাৰ্যবাহী অভিযন্তা মুৰব্বী হিচাপে থকা কাৰ্যালয়টো দীৰ্ঘকাল ভাড়াঘৰত অতিবাহিত কৰাৰ পাছত ২০০০ত গোসাঁইগাঁও মহাবিদ্যালয় পথৰ বন বিভাগৰ কাৰ্যালয়ৰ গাতে লাগি থকা চৰকাৰী আবণ্টিত ভূমিত স্থাপিত স্থায়ী চৌহদলৈ স্থানান্তৰ কৰা হয়। মহকুমাটোৰ চৰকাৰী বিদ্যালয়, মহাবিদ্যালয়ৰ লগতে বিভিন্ন বিভাগীয় কাৰ্যালয়ৰ প্ৰাককলন প্ৰস্তুত, গৃহ নিৰ্মাণ, মেৰামতিকে আদি কৰি অন্যান্য দিশসমূহ চোৰাচিতা কৰাত বিভাগটোৱে সদায় মনোনিবেশ কৰি ১৩ পৃষ্ঠাত চাওক

## ডিমৰুগুৰিত বিহুনাচ কৰ্মশালা মুকলি বিহুৰ আয়োজন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/পুৰণিগুদাম, ২০ মাৰ্চ ঃ** সাংস্কৃতিক গোষ্ঠী 'গান্ধাৰ'ৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অহা দুইৰ পৰা ১২ এপ্ৰিললৈ আয়োজন কৰা হৈছে সদৌ অসম বিহুনাচ কৰ্মশালা। নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ডিমৰুগুৰিৰ পৰিবহণ নিগমৰ বাকৰিত অনুষ্ঠিত হ'বলগা উক্ত কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে খ্যাতনামা বিহুনৃত্য শিল্পী জেমি গগৈ, বীৰেন ডেকা আৰু কংকনা কোঁৱৰে প্ৰশিক্ষক তত্বাৱধায়কৰূপে অংশগ্ৰহণ কৰিব। কে'বাগৰাকী গণ্য-মান্য লোকৰ উপস্থিতিত অনুষ্ঠিত হ'ব লগা কৰ্মশালাৰ মুকলি অনুষ্ঠানতে 'গান্ধাৰ'ৰ নিবেদনত প্ৰস্তুত কৰা তথা শিল্পী প্ৰদীপ বৰা আৰু তুতুমণি ১৩ পৃষ্ঠাত চাওক

# আদিবাসীক চাহ জনগোষ্ঠীৰূপে জাতিৰ প্ৰমাণপত্ৰ দিয়াৰ সিদ্ধান্তৰ বিৰোধিতা

## ■ সৰৱ আদিবাসী ছেঙ্গেল অভিযান

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২০ মাৰ্চ ঃ** ৰাজ্য চৰকাৰৰ কেবিনেটত গৃহীত প্ৰস্তাৱ অনুযায়ী অসমৰ চাওতাল, উৰাং, মুণ্ডা, গোঞ্জ, খাছিয়া, হো, ভূমিজ আদি উপ-জাতিৰে গঠিত আদিবাসী জনগোষ্ঠীক ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰূপে জাতিৰ প্ৰমাণপত্ৰ দিবলৈ ওলোৱা কাৰ্যক আদিবাসী ছেঙ্গেল অভিযানৰ অসম ৰাজ্যিক সমিতিয়ে বিৰোধিতা কৰিছে। সন্থাই এক বিবৃতিত চৰকাৰৰ উক্ত সিদ্ধান্তৰ বিৰোধিতা কৰি কয় যে অষ্ট্ৰিকমূলৰ আদিবাসীসকল কোনো কাৰণতে চাহ জনগোষ্ঠী বা প্ৰাক্তন চাহ জনজাতি হ'ব নোৱাৰে। কাৰণ আদিবাসী তথা চাওতালসকল নিজস্ব ভাষা, কলা- সংস্কৃতি, লিপি, ধৰ্ম তথা ৰীতি-নীতি পৰম্পৰা, উৎসৱ-পাৰ্বণৰে সমৃদ্ধ জনগোষ্ঠী। ইয়াৰ পাছতো চৰকাৰে কিয় আৰু কি যুক্তিত আদিবাসীসকলৰ প্ৰকৃত পৰিচয় ঢাকি ৰাখি ভুৱা নাম তথা পৰিচয় দিবলৈ থিৰাং কৰিছে? চৰকাৰৰ এনে সিদ্ধান্ত কোনো কাৰণতে মানি ল'ব নোৱাৰি বুলি উল্লেখ কৰি সন্থাৰ ৰাজ্যিক উপ-সভাপতি বাজুন টুডু আৰু সাধাৰণ সম্পাদক দানিয়েল হেম্ব্ৰমে কয় যে চাহ বাগিচাত কাম কৰাসকল যদি সঁচাকৈয়ে চাহ জনজাতি বা প্ৰাক্তন চাহ জনজাতি হয় তেন্তে সেই একেখন চাহ বাগিচাত কাম কৰা বা চাকৰি কৰা অন্য জাতিৰ মালিক, বাবু তথা শ্ৰমিকসকলক চৰকাৰে চাহ জনজাতিৰ নাম দিয়া নাই কিয়? অকল আদিবাসীসকলৰ সৰলতা আৰু অজ্ঞানতাৰ সুযোগ লৈ চিৰকালৰ বাবে তেওঁলোকৰ প্ৰকৃত পৰিচয় ঢাকি ৰাখিবলৈ বিচৰাটো চৰকাৰৰ অতি নিন্দনীয় কাৰ্য।

নেতাদ্বয়ে চাওতাল, উৰাং, মুণ্ডা, গোঞ্জ, খাছিয়া হো, ভিল আদি জনগোষ্ঠীক ৰাজ্য চৰকাৰে মানৱ জাতিৰূপে গণ্য কৰিব বিচৰা নাই বুলি অভিযোগ কৰি এইটো আদিবাসীসকলৰ বাবে এটা অতিকৈ দুখ আৰু পৰিতাপৰ বিষয় বুলি মন্তব্য কৰে। নেতাদ্বয়ে লগতে কয় যে সঁচাকৈয়ে যদি অমসৰ চাহ বাগিচাত ১৩ পৃষ্ঠাত চাওক

## নগৰবেৰাৰ সৰু কালুবাৰীত সুঁৱেৰি উৎসৱ পালন



**আলোপতি, ২০ মাৰ্চ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত সৰু কালুবাৰীবাসীয়ে যোৱা ১৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ আয়োজন কৰা দৌল উৎসৱৰ কালি তৃতীয় দিনা সুঁৱেৰি উৎসৱ পালন কৰা হয়। এই উপলক্ষে স্থানীয় মন্দিৰ প্ৰাংগণৰ পৰা গাঁওবাসীয়ে গোহাঁই লৈ শোভাযাত্ৰা উলিয়াই নাম-কীৰ্তন কৰি প্ৰতিটো পৰিয়ালৰ পদূলি পদূলিয়ে উপস্থিত হোৱাত পৰিয়ালৰ লোকসকলে গোহাঁইক সেৱা জনাই আশীৰ্বাদ লয়। ইয়াৰ পাছত বাঁহ ভাঙি গোহাঁইক পুনৰ মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰা দৃশ্যই সকলোকে অভিভূত কৰে। সুৱেঁৰি উৎসৱৰ কাৰ্যসূচীত সৰু কালিবাৰীৰ বাসিন্দা তথা কামৰূপ জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া উপস্থিত থাকি এনে পৰম্পৰা ধৰি ৰাখি অসমীয়া জাতীয় জীৱনক অধিক শক্তিশালী কৰিবলৈ আহ্বান জনায়।

## পংকজ বৰদলৈৰ দ্বিতীয় মৃত্যু বাৰ্ষিকীত তেজপুৰত গীতে-মাতে স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২০ মাৰ্চ ঃ** এগৰাকী ব্যতিক্ৰমী শিল্পী হিচাপে প্ৰয়াত কণ্ঠ শিল্পী পংকজ বৰদলৈয়ে বিষ্ণু ৰাভা সংগীতৰ পৰা জ্যোতি সংগীত, পাৰ্বতী প্ৰসাদৰ গীত তথা সুধাকণ্ঠ ভূপেন হাজৰিকাৰ গীত নিৰ্ভুল আৰু নিজস্ব ভাবে পৰিৱেশন কৰি যেনেদৰে শ্ৰোতাৰ হৃদয় জিনিছিল, সেয়া আছিল অতুলনীয়। যাৰ বাবে প্ৰয়াত বৰদলৈ ৰাইজৰ মাজত সদায়েই স্মৰণীয় হৈ ৰ'ব। ৰাজ্যৰ এগৰাকী বিশিষ্ট সংগীত শিল্পী প্ৰয়াত পংকজ বৰদলৈৰ দ্বিতীয় মৃত্যু বাৰ্ষিকী উপলক্ষে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জ্যোতি ভাৰতীৰ উদ্যোগত আৰু শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সহযোগত



প্ৰয়াত শিল্পী গৰাকীৰ সোঁৱৰণী কাৰ্যসূচীত অংশ লৈ শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে এইদৰে কয়। উল্লেখ্য যে, কালি বিয়লি তেজপুৰৰ পকী হিচাপে খ্যাত জ্যোতি ভাৰতীত অনুষ্ঠিত স্মৃতিচাৰণ অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী মুকলি কৰে উপায়ুক্তই। আনহাতে এই অনুষ্ঠানত অংশলৈ তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই প্ৰয়াত শিল্পী গৰাকীৰ স'তে এসময়ত কৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ স্মৃতি ৰোমন্থন কৰি পংকজ বৰদলৈৰ গায়কীৰ অনন্য শৈলীৰ ১৩ পৃষ্ঠাত চাওক

## কাৰৈমাৰী বিষ্ণুপুৰী থানৰ অতিথিশালাৰ দ্বাৰ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**কচুৰা, ২০ মাৰ্চ ঃ** বুৰঞ্জী প্ৰসিদ্ধ তথা ঐতিহ্যমণ্ডিত কাৰৈমাৰী শ্ৰীশ্ৰীবিষ্ণুপুৰী থানৰ নৱনিৰ্মিত অতিথিশালাৰ দ্বাৰ যোৱা ১৮ মাৰ্চত উন্মোচন কৰা হয়। স্থানীয় ধৰ্মীপ্ৰাণ ৰাইজৰ অহোপুৰুষাৰ্থৰ ফলত বিগত কে'বা বছৰৰ পৰা থানখনে পুনৰ প্ৰাণ পাই উঠে। অলপতে 'অসম দৰ্শন' চৰকাৰী আঁচনিৰ অধীনত থান কমিটীয়ে ১০ লাখ টকাৰ সাহায্য লাভ কৰাত এটি অতিথিশালা গৃহ, প্ৰস্ৰাৱাগাৰ, শৌচালয় নিৰ্মাণ কৰে। অতিথিশালাৰ দ্বাৰ উন্মোচন কৰে ৰহাৰ বিধায়ক শশীকান্ত দাসে।

## শিমলুগুৰিত বিহুনাচ, ঢোলবাদন কৰ্মশালাৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২০ মাৰ্চ ঃ** শিমলুগুৰি বগৰীগুৰিৰ নৃত্যাঞ্জলি নৃত্য বিশাৰদ কেন্দ্ৰৰ ৰঞ্জিতা শৰ্মা তথা বিহু সুৰক্ষা সমিতিৰ সহযোগত যোৱা ১৩ৰ পৰা ১৭ মাৰ্চলৈ অনুষ্ঠিত হয় বিনামূলীয়া বিহুনাচ আৰু ঢোল প্ৰশিক্ষণ শিবিৰৰ। শিমলুগুৰিৰ বগৰীগুৰি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত স্থানীয় শতাধিক কণ কণ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি সামৰণি অনুষ্ঠান উপলক্ষে আয়োজিত মুকলি সভাত বিহু সুৰক্ষা সমিতি, অসমৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি লাচিত ফুকন, উপ-সভাপতি ৰমেন বৰুৱা, বিহু সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সদস্য হলধৰ দাস আৰু কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ সদস্য তথা চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক প্ৰণৱ গগৈয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ বহুমূলীয়া বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়া দুৰ্গা গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক পোনাৰাম গগৈৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি।

## চিনামৰাত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ২০ মাৰ্চ ঃ** আজি পুৱা চিনামৰাত ৰহস্যজনক পৰিস্থিতিত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। চিনামৰা আৰক্ষী চকী আৰু চিনামৰা ৰেলৰে ষ্টেছনৰ পৰা নাতি দূৰত্বত ৰেলৰে লাইনৰ কাষত ক্ষত-বিক্ষত অৱস্থাত পৰি থকা মৃতদেহটো দেখি ৰাইজে আৰক্ষীক খবৰ দিয়ে। পাছত স্থানীয় আৰক্ষীয়ে ৰেলৰে লাইনত উদ্ধাৰ হোৱা বাবে মৃতদেহটো ৰেল আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে উল্লেখ কৰা মতে, মৃত যুৱকজন থানেশ্বৰ চমুৱাৰ পুত্ৰ বিশ্বজিত চমুৱা (১৯)। চিনামৰাত এটা ব্যক্তিগত কোম্পানীত মাতৃ আৰু পুত্ৰ কৰ্মৰত আছিল। যোৱা নিশা ঘৰৰ পৰা ওলাই আহিছিল যুৱকজন। মৃতদেহত থকা আঘাতৰ চিন প্ৰত্যক্ষ কৰি ৰেল আৰক্ষীয়ে ৰেলৰ খুন্দাতে যুৱকজনৰ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে ৰেল আৰক্ষীয়ে মৃতদেহ চমজি লৈ মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালক গতাই দিয়ে।

## বিলপাৰত বিশ্বশান্তিৰ বাবে কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২০ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ গাঁওস্থিত পূব-নলবাৰী চক্ৰ, কৃষ্ণগুৰু শাখা সেৱাশ্ৰমত আজি বিশ্বশান্তিৰ বাবে ১২ ঘন্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ (৮৭ কৃষ্ণগুৰু বৰ্ষ) আয়োজন কৰা হয়। কাৰ্যসূচীত দুপৰীয়া সৰ্থেবাৰী নসত্ৰ কৃষ্ণগুৰু সেৱাশ্ৰমৰ কৃষ্ণগুৰু প্ৰেমানন্দ ঈশ্বৰ প্ৰভুৱে উপস্থিত থাকে। অনুষ্ঠানত পাঁচ শতাধিক ভক্তই প্ৰভুৰ চৰণ চুই সেৱা লোৱাৰ লগতে ভালেসংখ্যকে কৃষ্ণগুৰুত শৰণ লয়। লগতে অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলে প্ৰভুক কাষতে পাই আৱেগিক হৈ পৰে। কাৰ্যসূচী অনুসৰি পুৱা শ্ৰীমদ্ভাগৱত সাৰ প্ৰতিষ্ঠা কৰাৰ অন্তত কৃষ্ণগুৰু একনাম কীৰ্তন আৰু কৃষ্ণ গুৰু একনাম জপ আৰম্ভণি হৈ সন্ধিয়া অখণ্ডভাৱে চলি থাকে। দিনৰ এক বজাত প্ৰসাদ আৰু সিদ্ধান্ন বিতৰণ অনুষ্ঠান। সন্ধিয়া ১২ ঘন্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন, কৃষ্ণ গুৰু একনাম জপ, কৃষ্ণগুৰু কাকতি ঘোষাৰে সামৰণি পৰে।

## বাঁহগড়া ধুনাগুৰিত সোৱণশিৰিৰ বান-খহনীয়া ৰোধ আঁচনিৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২০ মাৰ্চ ঃ** বিহপুৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঁহগড়া ধুনাগুৰিত সোৱণশিৰি নদীৰ বান-খহনীয়া ৰোধৰ বাবে এখন অভিলাষী আঁচনিৰ আজি আৰম্ভ কৰা হয়। উত্তৰলখিমপুৰ জলসম্পদ সংমণ্ডলৰ অধীনৰ সোৱণশিৰি নদীৰ সোঁপাৰে ধুনাগুৰি ঘাটৰ নামনি অংশৰ পৰা অমৰা বাঁহগড়া হৈ চেনিমৰা ঘাটলৈকে সুৰক্ষাৰ বাবে ২০২০-২১ৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন এছঅ'পিডি(এফডিআৰ) পুঁজিৰ



শিতানত ১৪ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া আঁচনিখনৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভ কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। এই উদ্দেশ্যে বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিতৰ সঞ্চালনাত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। জলসম্পদ বিভাগৰ বিহপুৰীয়া সংমণ্ডলৰ সহকাৰী অভিযন্তা জে কে চন্দই আদৰণি ভাষণ দিয়া সভাত বিধায়ক ভূঞাই সমষ্টিৰ ১৩ পৃষ্ঠাত চাওক

## আজিৰে পৰা ৰেডিঅ' জ্ঞানমালিনীত অসমীয়া সংগীতৰ ঐতিহ্য-বিৱৰ্তন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ মাৰ্চ ঃ** সুসমৃদ্ধ অসমীয়া সংগীতৰ ক্ষেত্ৰখনৰ আছে এক পুৰাতন ঐতিহ্য। অতীজত অসমীয়া সংগীত ক্ষেত্ৰখনত সুৰৰ বৈচিত্ৰ্য তথা প্ৰাচুৰ্য সম্পৰ্কে নতুন প্ৰজন্মক পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেডিঅ' জ্ঞানমালিনীত কাইলৈৰ পৰা সন্ধিয়া ছয় বজাত সম্প্ৰচাৰ হ'ব এখন নতুন তথ্যালেখ্য 'অসমীয়া সংগীতৰ ঐতিহ্য আৰু বিৱৰ্তন'। প্ৰয়াত সাহিত্যিক হোমেন বৰগোহাঞি, ড° নগেন শইকীয়া, ড° অনিল শইকীয়া, লোকনাথ গোস্বামী, দেৱীপ্ৰসাদ বাগ্ৰডিয়া, উমানন্দ দুৱৰাৰ লগতে বহু সংখ্যক ন-পুৰণি শিল্পী, সাহিত্যিকৰ অংশগ্ৰহণ আৰু বহু পুৰণি গীত-মাত তথা লোকসংগীতেৰে তথ্যালেখ্যখন সমৃদ্ধ। তথ্যালেখ্যখনৰ ৰচনা আৰু গৱেষণা আৰু ধাৰা বিৱৰণী লেখক তথা সাংবাদিক সুমন দত্তৰ। প্ৰযোজনা সহযোগীৰূপে থাকিব জ্যোতিষ্মান শইকীয়া। উল্লেখ্য যে ইয়াৰ পূৰ্বে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেডিঅ' জ্ঞানমালিনীত প্ৰথমখন গৱেষণাধৰ্মী তথ্যালেখ্য হিচাপে সম্প্ৰচাৰ হৈছিল সুমন দত্তৰ দ্বাৰা গৱেষণা আৰু ৰচনাৰে 'এটা সপোনৰ নাম ডিব্ৰুগড়।' প্ৰায় ৭৫ টা খণ্ডৰ এই ধাৰাবাহিক তথ্যালেখ্যখনৰ পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেডিঅ' জ্ঞানমালিনীৰ এয়া হ'ল দ্বিতীয়খন গৱেষণাধৰ্মী তথ্যালেখা।

## কুৰ্শাকাটিত শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ উপলক্ষে কোচ ৰাজবংশীসকলৰ দোল শোৱাৰী



**তামাৰহাট, ২০ মাৰ্চ ঃ** ফাকুৱা উৎসৱৰ সমান্তৰালকৈ কুৰ্শাকাটিত কোচ ৰাজবংশীসকলে দোল শোৱাৰী উৎসৱ পালন কৰে। ফাকুৱাৰ ৰঙেৰে ৰঙীন সমগ্ৰ দেশৰ লগতে অসম। ব্যতিক্ৰম নহয় তামাৰহাট অঞ্চল। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমা কুৰ্শাকাটি হাইস্কুল খেলপথাৰত ভগৱান শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ উপলক্ষে কোচ ৰাজবংশীসকলে তিনিদিনীয়াকৈ পালন কৰে দোল শোৱাৰী উৎসৱ। কোচ ৰাজবংশীসকলে মূলতঃ এই উৎসৱ পালন কৰে ৰাধা-কৃষ্ণক কেন্দ্ৰ কৰি। দোল পূৰ্ণিমাৰ তিনিদিন পূৰ্বে ভেলা ঘৰত জুই দিয়ে আৰু পূৰ্ণিমাৰ দিনা ৰাধা-কৃষ্ণক স্থাপন কৰা ভেটিত পূজা-পাৰ্বণ কৰা হয়। কালি কুৰ্শাকাটি হাইস্কুল খেলপথাৰত ৰাধা-কৃষ্ণৰ মূৰ্তি লৈ দোল শোৱাৰী উলিওৱা হয়। উল্লেখ্য যে দোল শোৱাৰীত গাঁৱৰ সকলো মানুহে অংশগ্ৰহণ কৰে। নৃত্য-গীত কৰা হয়, পৰম্পৰাগত বাদ্যযন্ত্ৰ বজোৱা হয়। সৰুৱে জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ লয়, দোল শোৱাৰীক বৰণ কৰাৰ পাছত আবিৰ খেলে। আজি কুৰ্শাকাটি গাঁৱৰ কোচ ৰাজবংশী আৰু বিভিন্ন ধৰ্মাৱলম্বী লোকে কুৰ্শাকাটি হাইস্কুল খেলপথাৰত মিলিত হৈ এই উৎসৱৰ আনন্দ লয়।

## প্ৰশান্তি প্ৰাপ্তিৰ লক্ষ্যৰে আগবাঢ়িছিল 'নাট্য সেনানী' ফণীন্দ্ৰ কুমাৰ চৌধুৰীয়ে

### ■ সৰুপেটাত সোঁৱৰণী গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ২০ মাৰ্চ ঃ** 'মানৱ জীৱনত শান্তি আৰু প্ৰশান্তি, দুয়োটা দিশেই থাকে। এক সাংস্কৃতিক ঐতিহ্য সম্পন্ন পৰিয়ালৰ গৌৰৱময় ঐতিহ্য বহন কৰি অহা ফণীন্দ্ৰ কুমাৰ চৌধুৰীয়ে কিন্তু কেৱল শান্তি প্ৰাপ্তিৰ লক্ষ্যৰে কেৱল দৌৰা নাছিল। বহুতেই শান্তি লাভৰ নামত লাহ-বিলাহৰ সামগ্ৰী আহৰণৰ পাছত



দৌৰি জীৱনৰ বহু মূল্যৱান সময় অবাবতে ক্ষয় নিয়ায়। প্ৰয়াত ফণীন্দ্ৰ কুমাৰ চৌধুৰী কিন্তু আছিল এইক্ষেত্ৰত ব্যতিক্ৰম। জীৱিত কালত শান্তি নহয়, বৰঞ্চ প্ৰশান্তি প্ৰাপ্তিৰ লক্ষ্যৰেহে তেওঁ আগবাঢ়িছিল। বিভিন্ন সমাজহিতৈষী আৰু সাংস্কৃতিক কৰ্মকাণ্ডৰে সমাজত এক প্ৰশান্তিৰ বীজ ৰোপণতহে ১৩ পৃষ্ঠাত চাওক

## পশ্চিম গোগামুখ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ অৱসৰ

**গোগামুখ, ২০ মাৰ্চ ঃ** শিক্ষাগুৰুৰ এনাজৰীৰে বান্ধ খাই শিক্ষকতাৰ পোহৰেৰে শ শ শিশুৰ ভৱিষ্যৎ জ্ঞানৰ পোহৰেৰে পোহৰাই তোলা সকলোৰে পৰিচিত নাম দ্বীজেন শইকীয়া ছাৰ। সুদীৰ্ঘকাল বেচৰকাৰী হিচাপে প্ৰধান শিক্ষকতাৰে কাৰ্যনিৰ্বাহ কৰি ২০১৩ত অসম চৰকাৰৰয প্ৰাদেশিকীকৰণৰ দ্বাৰা চৰকাৰী শিক্ষকৰূপে নিযুক্তি লাভ কৰি যোৱা ১৯ মাৰ্চত তেওঁৰ চাকৰি জীৱন অন্ত পৰে। তেওঁ চাকৰি জীৱনৰ বিদায় বেলাত বিদায় সম্ভাষণৰ বাবে স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো পৰ্যায়ৰ শিক্ষক আৰু সহকৰ্মীসকলৰ উদ্যোগত তেওঁক ঘৰৰ পৰা গায়ন-বায়নৰ দ্বাৰা সম্ভাষণেৰে বিশাল সমদলেৰে তেওঁক বিদ্যালয়লৈ লৈ যায়। বিদ্যালয়ত তেওঁক সকলো ধৰণৰ মৰ্যাদাৰে সতীৰ্থ শিক্ষাগুৰুসকলে, ছাত্ৰ-ছাত্ৰীসকলে, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে তেওঁক চাকৰি জীৱনৰ শেষ বিদায় সম্ভাষণ জনায়। লগতে তেওঁৰ জ্ঞানৰ পোহৰেৰে উজ্জ্বলাই তোলা সকলো ছাত্ৰ-ছাত্ৰীয়ে ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি তেওঁক বিদায় দিয়াৰ লগতে সকলো আৱেগিক হৈ পৰে।

## শ্ৰদ্ধাঞ্জলি — ভগৱান কলিতা



যোৱা আঠ মাৰ্চত ভগৱান কলিতাৰ মৃত্যু হয়। তেওঁ আছিল পাত্ৰ পুখুৰীপাৰ হাইস্কুলৰ হিন্দী শিক্ষক। আমাৰ বিদ্যালয়ৰ সাহিত্য-সংস্কৃতি অনুৰাগী শিক্ষাগুৰুৰ ভিতৰত তেওঁ আছিল অন্যতম। ১৯৪৯ৰ ন ছেপ্টেম্বৰত ৰঙিয়া মহকুমাৰ অন্তৰ্গত সৌৰামূৰী গাঁৱত জন্মলাভ কৰা কলিতা ছাৰৰ পিতৃ-মাতৃ আছিল ভাবিত কলিতা আৰু উমাকান্তি কলিতা। হিন্দী আৰু অসমীয়া বিষয়ত ব্যুৎপত্তি থকা ছাৰৰ শিক্ষণ শৈলী আছিল মুগ্ধকৰ। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি সততে দায়িত্বশীল ছাৰে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছতহে সাহিত্য চৰ্চাত ব্যস্ত হয়। তেওঁ তিনিখন গল্প-সংকলন 'উপপথ', 'অগ্নিপথ' আৰু 'অষ্টপথ' ৰচনা কৰে। অসম সাহিত্য সভাৰ আজীৱন সদস্য ছাৰ উত্তৰ হাজো জ্যেষ্ঠ নাগৰিক মঞ্চৰ উপ-সভাপতিৰূপেও সেৱা আগবঢ়াইছিল। পিন্ধনত ধুতি-পাঞ্জাৱী ছাৰ্ট পৰিহিত ছাৰ এজন আদৰ্শ কৃষক হিচপেও স্থানীয় অঞ্চলত সু-পৰিচিত।

পত্নীৰ উপৰি দুই পুত্ৰ-বোৱাৰী আৰু তিনিগৰাকী বিবাহিতা কন্যাক এৰি যোৱা ছাৰৰ আজি পবিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

গগন কলিতা

## ডিগবৈত যান-বাহন প্ৰৱেশ কৰিব নোৱাৰাত ৰোগীক চিকিৎসালয়লৈ নিয়াত সমস্যা

**ডিগবৈ, ২০ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডিগবৈৰ পাৰ্শ্বৱৰ্তী বিভিন্ন ঠাইত ৰেল বিভাগৰ হঠকাৰী সিদ্ধান্তৰ বাবে যমৰ যাতনা ভোগ কৰিব লগাত পৰিছে জনসাধাৰণে। বহু বছৰ জুৰি বিশেষকৈ ডিগবৈ মূল চহৰখনৰ পৰা কিছু নিলগত অৱস্থিত দুই নম্বৰ বৰবিল, তিনি নম্বৰ বৰবিল, ৰামনগৰ, গোলাই, টিংৰাই, টিংৰাই উল্টাপুল আদি বৃহৎ অঞ্চলত হেজাৰ হেজাৰ লোকে বসবাস কৰি আহিছে। ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথ সংযোগী উল্লিখিত গাঁওসমূহে মূল প্ৰৱেশ পথসমূহ উত্তৰ-পূব সীমান্ত ৰেলৱেৰ তিনিচুকীয়া লিডু সংযোগী ৰেল লাইন পাৰ হৈ



আহ-যাহ কৰে। বিগত বছৰ বছৰ জুৰি বসবাস কৰি থকা হেজাৰ হেজাৰ গঞা ৰাইজে তিনিচুকীয়া লিডু সংযোগী ৰেল লাইন পাৰ হৈয়ে জীৱন-নিৰ্বাহ কৰি আছিল। কিন্তু যোৱা কিছুদিনৰ পূৰ্বে তিনিচুকীয়াস্থিত উত্তৰ-পূব সীমান্ত ৰেলৱেৰ তৰফৰ পৰা উল্লিখিত গাঁওসমূহলৈ প্ৰৱেশ আৰু প্ৰস্থান কৰা পথৰ মাজতে ৰেল বিভাগে বৃহৎ বৃহৎ আকাৰৰ পকী খুঁটা পুতি আটাইকেইখন গাঁৱৰে প্ৰৱেশ পথসমূহ বন্ধ কৰি দিয়ে। যাৰ বাবে হেজাৰ হেজাৰ সাধাৰণ গঞা ৰাইজৰ মাজত এক হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা পৰিছে। গঞা ৰাইজৰ নিত্য নৈমিত্তিক কাম-কাজ, ব্যৱসায়-বাণিজ্য তথা ১৩ পৃষ্ঠাত চাওক

## ডিমৌৰ কটিয়ৰীত স্বচ্ছতাৰ কৰ্ম পৰিকল্পনা সম্পৰ্কীয় সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ২০ মাৰ্চ ঃ** ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ উদ্যোগত যোৱা ১৩ মাৰ্চত ডিমৌৰ কটিয়ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত স্থায়ী সভাপতি অচ্যুত কৃষ্ণ শইকীয়াৰ সভাপতিত্বত স্বচ্ছতাৰ কৰ্ম পৰিকল্পনা ২০১১-২২ৰ শীৰ্ষক পৰিৱেশ সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। স্বেচ্ছাসেৱী অনুষ্ঠানৰ সঞ্চালক ৰাজেন বৰাই উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰি কয় যে ১৯৮০তে জন্মলাভ কৰা ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰই সুদীৰ্ঘ সময়ছোৱাত শিৱসাগৰ, ডিব্ৰুগড় জিলাৰ লগতে কৰি অহা বিভিন্ন জনকল্যাণমূলক কাম-কাজ সম্পৰ্কে প্ৰকাশ কৰে আৰু আগন্তুক দিনত কৰিবলৈ লোৱা পৰিকল্পনা সন্দৰ্ভত উপস্থিত ৰাইজৰ আগত প্ৰকাশ কৰে। ভাগলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ দ্বাৰা পৰিচালিত ভাৰত চৰকাৰৰ বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ 'ৰাষ্ট্ৰীয় সেউজ বাহিনী'ৰ ৰাজ্যিক নডেল এজেন্সী, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ মনোনীত জিলা নডেল এজেন্সী দ্বাৰা আয়োজিত কাৰ্যসূচীৰ মুকলি সভাত মুখ্য অতিথি শিৱসাগৰ ছোৱালী কলেজৰ অধ্যাপক জাকিৰ হুছেইনে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত বিস্তৃত ব্যাখ্যা কৰি তথ্যচিত্ৰও প্ৰদৰ্শন কৰে। সভাত ডিমৌ উচ্চ মাধ্যমিক ১৩ পৃষ্ঠাত চাওক

# ঘগ্ৰাপাৰত গ্ৰামসেৱকৰ সেৱাৰ পৰা বঞ্চিত কৃষক

## ■ প্ৰকৃত কৃষক চৰকাৰৰ বিভিন্ন সুবিধাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ—যুৱ-ছাত্ৰ পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২০ মাৰ্চঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ কৃষি উন্নয়ন বিষয়াৰ অধীনস্থ গাঁওসমুহৰ কৃষকসকলৰ এশ এবুৰি সমস্যাত পৰি কক্ বকাই থকাৰ অভিযোগ উত্থাপিত কৰিছে যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন, সাধাৰণ সম্পাদক নৱজোতি কলিতাই। উল্লেখ্য যে ঘগ্ৰাপাৰস্থিত কৃষি উন্নয়ন বিষয়াৰ অধীনস্থ ৭২ খন গাঁও আছে। উক্ত গাঁওসমুহত সাত হেজাৰ কৃষকে কৃষি কাৰ্যত নিয়োজিত হৈ জীৱন নিৰ্বাহ কৰি আছে। লক্ষ্যণীয়ভাৱে বিভাগটো সম্প্ৰতি এনে ধৰণে বগাহাতীত পৰিণত হৈছে যে বিভিন্ন কাম-কাজ পৰিচালনা কৰাৰ উপৰি কৃষি নিৰ্দেশনা দিবলৈও কৃষি-কৰ্মচাৰীৰ বছৰ বছৰ ধৰি অভাৱ পৰিলক্ষিত হৈছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে উক্ত কাৰ্যালয়ৰ অধীনস্থ ৭২ খন গাঁৱক সামৰি নটা অঞ্চল গঠন কৰা হৈছে। বিভাগীয় নিয়মমতে আঠখন গাঁৱক লৈ গঠন কৰা একোটা অঞ্চল একোজন ভি-এল-ই ডব্লিউ অৰ্থাৎ গ্ৰামসেৱক নিয়ুক্তি দিব লাগে। সেই অনুসৰি কৃষি উন্নয়ন বিষয়া কাৰ্যালয় অধীনস্থ নীলপুৰ, পোনাৰকাউনীয়া, খাতিকুছি, কুন্দৰগাঁও, দতৰা, সানেকুছি, চিলিং, বৰাজোল, আৰু চত্ৰা নামেৰে মুঠ নটা অঞ্চল গঠন কৰা হৈছে। এই কাৰ্যালয়টোত মাত্ৰ দুগৰাকী গ্ৰামসেৱক আছে যদিও বৃহত্তৰ অঞ্চলসমুহ এই দুয়োজন গ্ৰামসেৱকে সামৰিব পৰা নাই। কৃষকসকলে আধুনিক কৃষিকৰ্মৰ নাম শুনিছে যদিও বৰ্তমানলৈ আওপুৰণি পদ্ধতিৰ কৃষিকৰ্ম চলাই আছে। কৃষি কৰ্মচাৰীৰ অভাৱত বৃহত্তম ঘগ্ৰাপাৰ অঞ্চল কৃষকসকলে বিভিন্ন সময়ত কৰা খেতিত ৰোগৰ প্ৰাদুৰ্ভাৱ হ'লে কীট-পতংগই আক্ৰমণ কৰিলে দিহা-পৰামৰ্শ নোপোৱাত কৃষকসমাজ লোকচানৰ সন্মুখীন হৈ অহা বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চল কৃষকসকলে শ শ বিঘা মাটিত আওপুৰণি প্ৰথাৰেই কৃষি কাৰ্য চলাবলৈ বাধ্য হৈছে। কেতিয়াবা একাংশ খেতিয়কে অধিক ফচল পোৱাৰ আশাত কঠোৰ পৰিশ্ৰম কৰিও প্ৰাপ্য ফচল পোৱাৰ পৰা বঞ্চিত হোৱাৰ উদাহৰণ আছে। কৃষিৰ বাবে উপযুক্ত মাটি তথা অধিক উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্বেও একমাত্ৰ অনভিজ্ঞতাৰ বাবে ইয়াৰ অধিকাংশ কৃষি ব্যৱস্থা ধ্বংসৰ গৰাহলৈ গৈ আছে বুলি চৰ্চা হৈছে। ইফালে, কৃষি আৰু কৃষকৰ উন্নতিৰ বাবে কৃষি বিজ্ঞানৰ পৰা প্ৰকৃত কৃষকসমাজ সুফল পোৱাৰ পৰা বঞ্চিত হোৱাই নহয়, চৰকাৰৰ বিশেষ আঁচনিৰ জৰিয়তে কৃষি বিভাগে কৃষকৰ বাবে বিনামূলীয়াকৈ আগবঢ়োৱা বিভিন্ন সা-সুবিধাবোৰৰ পৰাও ইয়াৰ কৃষকসমাজে বঞ্চিত হৈ আহিছে বুলি যুৱ-ছাত্ৰ পৰিষদে অভিযোগ উত্থাপন কৰিছে। ইপিনে দীৰ্ঘবছৰ ধৰি কৃষি বিভাগৰ অৱহেলাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ প্ৰকৃত কৃষক সমাজে চৰকাৰে আৱন্টিত দিয়া সাৰ, বীজ, কীটনাশক দ্ৰব্য, কৃষি সা-সজুলি, স্পমেচিন, ট্ৰেক্টৰ, পাৱাৰটিলাৰ, কৃষি সাহায্য আদি পৰাও বঞ্চিত হৈ আহিছে বুলিও অভিযোগ উত্থাপিত হৈ আহিছে। নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্লবৰুৱাৰ দিনতটো উক্ত কৃষি বিভাগৰ অঞ্চলধীন প্ৰকৃত কৃষক সমাজে চৰকাৰী সাহায্য তথা সাৰবীজ নোপোৱাৰ বিপৰীতে দলীয় নেতা-পালিনেতা নিশাটোৰ ভিতৰতে প্ৰকৃত কৃষক হৈ পৰি কৃষিৰ বিভিন্ন বিভিন্ন সুবিধা আদায় কৰি আহিছে বুলিও অভিযোগ উত্থাপিত হৈ আহিছে। পিছে এই ক্ষেত্ৰত নলবাৰী কৃষি বিভাগৰ লগতে ঘগ্ৰাপাৰৰ কৃষি কাৰ্যলয়ৰ বিষয়া-কৰ্মচাৰীৰো ভুমিকা ৰহস্যজনক বুলি যুৱ-ছাত্ৰ পৰিষদে অভিযোগ উত্থাপিত কৰিছ।

# বাঁহগড়া ধুনাগুৰিত সোৱণশিৰিৰ বান

১২ পৃষ্ঠাৰ পৰা বান-খহনীয়া মুক্ত সমষ্টিৰূপে গঢ়ি তুলিবৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখাৰ কথা সদৰী কৰে। বান-খহনীয়া ৰোধৰ ক্ষেত্ৰত জলসম্পদ বিভাগক সহায়ৰ হাত আগবঢ়াবৰ বাবে স্থানীয় দল-সংগঠনৰ লগতে স্থানীয় ৰাইজক সহায়-সহযোগ কৰিবৰ বাবে আহ্বান জনায়। সভাত দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য সোনালাল দেউৰী, ৰাজ্যিক প্ৰট'কল সমিতিৰ সদস্য খগেন হাজৰিকা, বিজেপিৰ বিহপুৰীয়া নগৰ মণ্ডল আৰু গ্ৰাম্য মণ্ডলৰ সভাপতি ক্ৰমে গীতাঞ্জলি গুপ্তা, ৰাজীৱ হাজৰিকা, নাৰায়ণপুৰ পৌৰসভাৰ নৱনিৰ্বাচিত সভাপতি বিৰাজ ভূঞা, বাঁহগড়া ধুনাগুৰি গাঁওপঞ্চায়তৰ সভাপতি সঞ্জীৱ পেগু, আঞ্চলিক সদস্যা চন্দ্ৰপ্ৰভা দেউৰী, সমাজকৰ্মী পুতুল ভূঞাৰ লগতে ঠিকাদাৰী প্ৰতিষ্ঠান ফ্লেক্সিটাফ ইন্টাৰনেছনেল লিমিটেডৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# ডিমৌৰ কটিয়ৰীত স্বচ্ছতাৰ কৰ্ম

১২ পৃষ্ঠাৰ পৰা বালিকা বিদ্যালয়ৰ সহকাৰী বিজ্ঞান শিক্ষক ছায়ানাথ বৰা, অংশুমান চাহু, গোপাল শৰ্মায়ো বক্তব্য ৰাখে। সভাত বিশেষভাৱে উপস্থিত থাকে কটিয়ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গোলাপ মিলি, টিখেশ্বৰ টায়ে লগতে অঞ্চলটোৰ ভলেকেইগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক আৰু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি স্বচ্ছতা কৰ্ম পৰিকল্পনা আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন সজাগতা ভাগ লয়। আনহাতে, পুৱাৰ ভাগত কাৰ্যসূচী অনুসৰি উক্ত স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ পতাকা উত্তোলন, বৃক্ষৰোপণ, পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ সম্পৰ্কীয় শোভাযাত্ৰা, বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ চিত্ৰাংকন প্ৰতিযোগিতা আদি অনুষ্ঠিত হয় আৰু প্ৰতিযোগিতাত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# ডিমৰুগুৰিত বিহুনাচ কৰ্মশালা মুকলি

১২ পৃষ্ঠাৰ পৰা বৰাৰ কণ্ঠসমৃদ্ধ 'সাত দিন সাত বিহু নাচ' শীৰ্ষক এটি গীতৰ ভিডিঅ' উন্মোচন কৰা হ'ব। প্ৰতিদিনে বিয়লি তিনিৰ পৰা ছয় বজালৈকে হ'বলগা এই প্ৰশিক্ষণত যিকোনো বয়সৰ প্ৰশিক্ষাৰ্থীয়েই অংশগ্ৰহণ কৰিব পাৰিব। ইফালে, কৰ্মশালাৰ স'তে সংগতি ৰাখি ২১ এপ্ৰিলৰ বিয়লি দুই বজাৰ পৰা ১৬ সংখ্যক প্ৰদৰ্শনীমূলক সদৌ অসম মুকলি বিহু অনুষ্ঠিত হ'ব। ৰাজ্যৰ আগশাৰীৰ বিহুৱা দলে পৰিৱেশন কৰিবলগা এই অনুষ্ঠানত তিনি শতাধিক নাচনীয়ে বিহু নাচত অংশগ্ৰহণ কৰিব বুলি বিহু কৰ্মশালা সমিতিৰ সভাপতি অনুপ বৰুৱা (ফোন-৯১০১২১৮৫৪০) আৰু সাংস্কৃতিক সম্পাদিকা দিপ্তী শইকীয়া (ফোন-৯৩৬৫১০৫২৮৬) ই জনাইছো।

# আদিবাসীক চাহ জনগোষ্ঠীৰূপে জাতিৰ

১২ পৃষ্ঠাৰ পৰা কাম কৰা লোকসকলক চাহ জনগোষ্ঠী বা প্ৰাক্তন চাহ জনজাতি হয়, তেন্তে পশ্চিমবংগৰ বাগিচাত কাম কৰা আদিবাসীসকলক কিয় চাহ জনজাতিৰ প্ৰমাণপত্ৰ দিয়া নহয়? ইয়াৰ পৰা ধাৰণা হয় যে অসমৰ অন্য উচ্চ শ্ৰেণীৰ লোকসকলক সাংবিধানিক অধিকাৰ তথা প্ৰাপ্য অধিকাৰ দিয়া হ'ল যদিও অসমৰ পিছপৰা তথা অৱহেলিত আদিবাসীসকলক স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰমৰ পাছতো ৰাজ্য চৰকাৰে শিক্ষাকে আদি কৰি সকলো দিশতে আন জাতি-জনগোষ্ঠীৰ লেখীয়াকৈ উন্নয়নৰ পথত আগবাঢ়ি যোৱাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। যাৰ কাৰণে আজি আদিবাসী সমাজ ব্যৱস্থা দিনকদিনে অন্ধকাৰতে আবদ্ধ হৈ ধ্বংসৰ দিশত গতি কৰিছে বুলি চৰকাৰৰ ওচৰত ক্ষোভ প্ৰকাশ কৰে। আদিবাসীসকলক অসম চৰকাৰে এই ভুৱা নাম দিয়া কাৰ্যৰ পৰা বিৰত থাকি প্ৰকৃত নামেৰে নাম কৰক, অন্যথাই আদিবাসী ছেঙেল অভিযানে ইয়াৰ প্ৰতিবাদত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমিতিৰ সহযোগত গোটেই দেশজুৰি বৃহৎ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব আৰু এই আন্দোলনৰ ফলত উদ্ভৱ হোৱা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে ৰাজ্য চৰকাৰে জগৰীয়া হ'ব বুলি সকীয়াই দিয়ে।

# যানবাহন প্ৰৱেশ কৰিব নোৱাৰাত

১২ পৃষ্ঠাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় মহাবিদ্যালয়লৈ অনা-নিয়া কৰাত সুবিধাৰ্থে দুই এখন সৰু-বৰ বাহনেৰে গাঁৱৰে কে'বাজনো নিবনুৱাই কৰ্ম সংস্থাপনৰ বাট মোকলাই পেটে-ভাতে জীৱন-নিৰ্বাহ কৰি আহিছিল। সেয়াও ৰেল বিভাগে সংযোগী পথসমূহ বন্ধ কৰি দিয়াত সম্পূৰ্ণভাৱে বন্ধ হৈ পৰিল। লগতে আন এক উল্লেখনীয় বিষয় উল্লিখিত গাঁও কেইখনত বসবাস কৰা জনসাধাৰণ কোনো ৰোগত আক্ৰান্ত হ'লে ৰোগীক চিকিৎসালয়লৈ নিবৰ বাবে এম্বুলেন্স প্ৰৱেশ কৰিব নোৱাৰাত আন এক বৃহৎ সমস্যাৰ সন্মুখীন হৈছে গাওঁ ৰাইজ। বৰ্তমান উল্লিখিত গাঁওকেইখনত আকস্মিকভাৱে কোনো ৰোগীক আক্ৰান্ত হ'লে চিকিৎসালয়লৈ চিকিৎসাৰ বাবে নিবলৈ, আজি একবিংশ শতিকাতো ঠেলা গাড়ীৰে ৰোগীক গাঁৱৰ ভিতৰৰ পৰা কঢ়িয়াই আনি ৩৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত বাহনত উঠাব লগা দৃশ্য দেখিবলৈ পোৱা গৈছে। সেয়েহে ৰেল বিভাগৰ এনে হঠকাৰী সিদ্ধান্তক সমাজ সচেতন তথা ভুক্তভোগী ৰাইজে একেমুখে গৰিহণা প্ৰদান কৰি উক্ত গাঁওসমূহৰ প্ৰৱেশ পথত পোতা পকী খুঁটাসমূহ আঁতৰাই দিবলৈ দাবী জনাইছে। অন্যথা উক্ত গাঁওসমূহলৈ প্ৰৱেশ কৰা পথসমূহত ৰেল বিভাগৰ তৰফৰ পৰ ৰেল ক্ৰছিং গেট সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# গোসাঁইগাঁৱৰ গড়কাপ্টানী গৃহ বিভাগৰ

১২ পৃষ্ঠাৰ পৰা আহিছে। তদুপৰি ব্যক্তিগত খণ্ডৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰতো বিভাগটোৰ অপৰিসীম গুৰুত্ব আছে। আনহাতে, মহকুমাটোৰ অন্তৰ্গত বিটিচিৰ বিভিন্ন সমষ্টিসমূহত অনুষ্ঠিত হোৱা পৰিষদীয় নিৰ্বাচন, বিধানসভা নিৰ্বাচন তথা লোকসভা নিৰ্বাচনৰ সময়ত এই বিভাগটোৱে গ্ৰহণ কৰি আহিছে অতি গুৰুত্বপূৰ্ণ ভূমিকা। ২৫গৰাকীৰো অধিক বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী তথা বিষয়া-কৰ্মচৰীসকলৰ আৱাসকে আদি কৰি পূৰ্ণ পৰ্যায়ৰ পৰিকাঠামো থকা কাৰ্যালয়টোৰে বিগত প্ৰায় চাৰি দশক ধৰি মহকুমাটোৰ বিশাল অঞ্চল সামৰি সেৱা আগবঢ়াই অহাৰ পাছত কাৰ্যালয়টো স্থানান্তৰৰ বাবে চৰকাৰে গ্ৰহণ কৰা এনে নীতি বিৰুদ্ধ সিদ্ধান্ত ৰাইজে সহজভাৱে ল'ব পৰা নাই। যি সময়ত গোসাঁইগাঁও মহকুমাক জিলালৈ ঘোষণা কৰাৰ প্ৰক্ৰিয়া চলি আছে তেনে সময়ত চৰকাৰৰ এনে ধৰণৰ সিদ্ধান্ত জনসাধাৰণৰ সম্পূৰ্ণ পৰিপন্থী আৰু হঠকাৰী বুলি সৰ্বত্ৰে চৰ্চিত হোৱাৰ লগতে তৎকালে এই সিদ্ধান্ত বাতিলৰ বাবে ৰাইজ তথা বুদ্ধিজীৱী মহলৰ পৰা দাবী উত্থাপিত হৈছে। লগতে বিষয়টো বাতিলকৰণৰ বাবে স্থানীয় বিধায়ক জিৱণ বসুমতাৰী তথা বিটিআৰৰ মিত্ৰজোঁটৰ কাৰ্যবাহী সদস্যসকলৰ লগতে মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ হস্তক্ষেপ দাবী কৰিছে।

# প্ৰশান্তি প্ৰাপ্তিৰ লক্ষ্যৰে আগবাঢ়িছিল

১২ পৃষ্ঠাৰ পৰা তেওঁ ব্যস্ত আছিল। তেওঁ বিচাৰিছিল, তেওঁ ৰোপণ কৰা শান্তিৰ বকুলজোপাৰ সুশীতল ছাঁত ৰৌদ্ৰস্নাত বতৰত ঘৰ্মাক্ত, ভাগৰুৱা পথিকে অকণমান উশাহ সলাই জিৰণি লওক। এয়া আছিল প্ৰয়াত চৌধুৰীৰ বিবেকৰ আহ্বান। সমাজত এতিয়াও বহুত কোটিপতি ব্যক্তি আছে, তেওঁলোকৰ সমাজ জীৱনত একো অৱদান নাই। ফণীন্দ্ৰ কুমাৰ চৌধুৰী আছিল ব্যতিক্ৰম। আৰু সেইকাৰণেই তেনে গুণী ব্যক্তি এগৰাকীক স্মৰণ কৰাৰ কাৰণে আজি আমি সৰুপেটাৰ প্ৰয়াত চৌধুৰীৰ বাসগৃহত সমবেত হৈছোহি।' আজি স্থানীয় বি এইছ বি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ সভাপতিত্বত যোৱা ১৭ ফেব্ৰুৱাৰীত মৃত্যু হোৱা। বৃহত্তৰ সৰুপেটা অঞ্চলৰ সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ বহুমূলীয়া অৱদান আগবঢ়োৱা ফণীন্দ্ৰ কুমাৰ চৌধুৰীৰ স্মৃতিচাৰণ সভাত উপস্থিত থাকি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এইদৰে মন্তব্য আগবঢ়ায়। চৌধুৰীৰ সোঁৱৰণত কাশ্যপ চৌধুৰী সম্পাদিত 'সমাজহিতৈষী নাট্যসেনানী' শীৰ্ষক সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰি বিধায়ক ফণীধৰ তালুকদাৰে পৃথিৱীখনক এখন 'নাট্যমঞ্চ'ৰ স'তে তুলনা কৰে। তেওঁ কয়, 'ভগৱান হ'ল এই নাট্যমঞ্চৰ পৰিচালক। ভগৱানে প্ৰয়াত চৌধুৰীক পৃথিৱীখনলৈ অভিনয় কৰিবলৈ পঠিয়াইছিল। সেয়ে জীৱিত কালত তেওঁ অনেককে হাঁহি হঁহুৱালে, নাচি নচুৱালে। অৱশেষত তেওঁৰ জীৱন বন্তিৰ শলিতাগছি শেষ হ'ল আৰু সেয়ে তেওঁ নেদেখা, আমি ঢুকি নোপোৱা স্থানলৈ গুচি গলগৈ।' ১৯৯৬ ৰে পৰাই ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰয়াত চৌধুৰীক লগ পোৱাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, 'আমাৰ দুয়োৰে নাম আছিল একে। তেওঁৰো নাম আছিল আছিল ফণী আৰু মোৰ নামো ফণী। এই লৈ দুয়ো কেতিয়াবা পৰস্পৰৰ মাজত ৰসালাপ কৰিছিলো। তেওঁ আছিল সমাজপ্ৰেমী, নাট্যপ্ৰেমী। তেওঁ মঞ্চত উঠিলে সকলোৱে হাঁহিছিল। ৰসিকতাৰে দিয়া ভাষণে মানুহৰ মন-মগজুক চুই গৈছিল। 'আমি মৃত্যুৰ পাছতো জীয়াই থাকিম' চিন্তাধাৰাৰে আগবঢ়া এগৰাকী সাংস্কৃতিক সেনানী।' উক্ত অনুষ্ঠানত স্থানীয় বি এইছ বি মহাবিদ্যালয়ৰ দুই প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাধ্যক্ষা ড° অমিয়া মহন্ত আৰু ৰীণাৰাণী ডেকাৰ স'তে মহাবিদ্যালয়খনৰ অধ্যাপক ড° দুৰ্গেশ্বৰ বৰ্মন আৰু সৰুপেটা শাখা সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক অৰবিন্দ বৰ্মনেও ভাষণ আগবঢ়ায়। সভাপতিৰ ভাষণত ড° বিৰিঞ্চি কুমাৰ দাসে 'একো একোগৰাকী ব্যক্তিক স্মৰণ কৰিলেও আমি সেই ব্যক্তিগৰাকীৰ গুণৰাশিৰ অংশীদাৰ হওঁ' বুলি মন্তব্য কৰে। আৰম্ভণিতে স্থানীয় বি এইছ বি মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰীতিৰেখা দত্তই আঁত ধৰা অনুষ্ঠানত প্ৰয়াত ফণীন্দ্ৰ কুমাৰ চৌধুৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত প্ৰয়াত চৌধুৰীৰ পৰিয়ালৰ বিভিন্ন গৰাকীয়ে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে। তাৰ পাছতেই উপস্থিত বিভিন্ন গৰাকীয়ে প্ৰতিচ্ছবিৰ সন্মুখত পুষ্পাঞ্জলি প্ৰদান কৰে। অনুষ্ঠানত আদৰণি ভাষণ দিয়ে প্ৰয়াত ফণীন্দ্ৰ কুমাৰ চৌধুৰী পৰিয়ালৰ বোৱাৰী অনুশিখা চৌধুৰীয়ে। পুৱাবেলা ভাগৱত পাঠ আদিকে ধৰি বিভিন্ন মাংগলিক কাৰ্য অনুষ্ঠিত হয়। আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিৰ তৰফৰ পৰাও প্ৰয়াত চৌধুৰীৰ বিয়োগত এক শোক বাৰ্তা প্ৰয়াত চৌধুৰীৰ পৰিয়ালৰ হাতত অৰ্পণ কৰা হয়।

# পংকজ বৰদলৈৰ দ্বিতীয় মৃত্যু বাৰ্ষিকীত

১২ পৃষ্ঠাৰ পৰা বিষয়ে প্ৰকাশ কৰে।' ৰূপালী নাওঁ' নামৰ বিষ্ণু ৰাভা গীতৰ শ্ৰব্য সঁফুৰাৰ নিৰ্মাণৰ সময়ত বৰদলৈয়ে প্ৰতিটো গীতেই কেনেদৰে অন্তৰৰ পৰা পৰিৱেশন কৰাটো বিচাৰিছিল সেই বিষয়েও তেওঁ প্ৰকাশ কৰে। ৰাভাই শিল্পী বৰদলৈৰ গীতসমূহ নতুনকৈ বাণীবদ্ধ কৰি নৱপ্ৰজন্মৰ মাজলৈ নিয়াত গুৰুত্ব আৰোপ কৰে। গীতে মাতে তথা নৃত্যই এক বিশেষ পৰিৱেশৰ সৃষ্টি কৰা এই অনুষ্ঠানত প্ৰয়াত বৰদলৈৰ এশ এবছৰীয়া পিতৃ হৰেণ বৰদলৈয়ে পুত্ৰৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। অনুষ্ঠানত প্ৰয়াত পিতৃৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই শিল্পীজনৰ কন্যা ভায়লিনা বৰদলৈয়ে পিতৃয়ে পৰিৱেশন কৰা দুটা গীতৰ উপৰি লিজা শইকীয়াৰ স'তে এক নৃত্যও পৰিবেশন কৰে। প্ৰয়াত কণ্ঠশিল্পীগৰাকীৰ বিষয়ে স্মৃতি ৰোমন্থন কৰি প্ৰবীণ অভিনেত্ৰী কল্পনা কলিতা,সমাজকৰ্মী মীনাক্ষী ভূঞা আৰু অলক নাথে শিল্পীজনৰ বিভিন্ন দিশৰ অৱলোকন কৰে। আনহাতে শিল্পী বৰদলৈৰ এগৰাকী সংগীত গুৰু ৭৮বছৰীয়া সচ্চিদানন্দ বৰাই ছাত্ৰ হিচাপে পোৱা বৰদলৈৰ সেই ঔৎসুকতা ভৰা আৰু শিশুসুলভ মনটো শেষ সময়লৈকে একেদৰেই থকাৰ বিষয়ে স্মৰণ কৰি তেওঁৰ শিকাৰ প্ৰতি থকা আগ্ৰহৰ বিষয়েও স্মৰণ কৰে। প্ৰবীণ শিল্পীজনে প্ৰয়াত শিষ্যৰ সোঁৱৰণত দুটা গীতো পৰিৱেশন কৰে। তেজপুৰৰ বিশিষ্ট কণ্ঠশিল্পী তথা প্ৰয়াত বৰদলৈৰ সুদীৰ্ঘ কালৰ সহযোগী পৱন দাস,বিতোপন বৰা,সীমান্ত কাকতি,প্ৰণৱ লহকৰৰ উপৰিও অনাতাঁৰ শিল্পী প্ৰাঞ্জল শইকীয়াই গীত পৰিৱেশন কৰা এই অনুষ্ঠানত শিল্পী লহকৰে ৰণডাংকাৰ জৰিয়তে ৰাইজৰ মাজত তাহানি সংগীতে যি পৰিৱেশ সৃষ্টি কৰিছিল সেই বিষয়েও প্ৰকাশ কৰে। এইসকল শিল্পীয়ে পৰিৱেশন কৰা গীতে আজি অনুষ্ঠানত উপস্থিত থকা শ্ৰোতা আৰু দৰ্শকক শিহৰিত কৰি তোলে। সাংস্কৃতিক কৰ্মী শান্তনু মহন্ত আৰু প্ৰয়াত শিল্পী বৰদলৈৰ স'তে ৩০বছৰৰ অধিক কাল সংগত কৰা তেজপুৰৰ এজন বিশিষ্ট বাদ্যযন্ত্ৰী প্ৰাঞ্জল বৰুৱাই প্ৰয়াত বৰদলৈৰ বিভিন্ন দিশৰ লগতে তেওঁলোকে অতিবাহিত কৰা বহু মধুৰ অনুভৱ ব্যক্ত কৰে। ৰাজ্যখনৰ এজন শ্ৰেষ্ঠ কণ্ঠশিল্পী হোৱা সত্বেও প্ৰয়াত বৰদলৈয়ে তেজপুৰ এৰি বাহিৰলৈ নগ'ল বুলিও মন্তব্য কৰা দুইগৰাকী বক্তাই শিল্পী গৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাত গুৰুত্ব আৰোপ কৰে। জংগম,বাণ থিয়েটাৰ,ভূপেন হাজৰিকা কলাভূমিৰ উপৰিও তাহানিতে আছুৱ স'তে প্ৰয়াত বৰদলৈৰ থকা সম্পৰ্কৰ বিষয়েও স্মৃতি ৰোমন্থন কৰে বক্তাসকলে। প্ৰয়াত শিল্পীগৰাকীৰ সহধৰ্মিণী ৰুবী বৰদলৈয়ে তেওঁৰ স্বামীক এজন শিল্পী হিচাপেই জ্ঞান কৰাৰ বিষয়ে প্ৰকাশ কৰি তেওঁৰ স্মৃতি স্থায়ী কৰি ৰখাৰ বাবে সদায়েই চেষ্টা অব্যাহত ৰাখিব বুলি কয়। এগৰাকী ব্যতিক্ৰমী কণ্ঠশিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰা তথা অকালতে বিয়োগ ঘটা শিল্পী পংকজ বৰদলৈৰ স্মৃতিত অহা বৰ্ষৰ পৰা পংকজ বৰদলৈ সোঁৱৰণী বঁটা প্ৰদান কৰা হ'ব বুলিও ঘোষণা কৰে প্ৰয়াত শিল্পীজনৰ সহধৰ্মিণী নৃত্য পটীয়সী বৰদলৈয়ে। এই বঁটা প্ৰয়াত শিল্পীজনে গাই যোৱা গীতৰ এক প্ৰতিযোগিতা অনুষ্ঠিত কৰি শ্ৰেষ্ঠ জনলৈ আগবঢ়োৱা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন দাসে অতি আকৰ্ষণীয় ভাৱে আঁত ধৰা অনুষ্ঠানত তেওঁ বৰদলৈৰ জীৱন আৰু সাংগীতিক যাত্ৰাৰ বিষয়েও সবিশেষ প্ৰকাশ কৰে। অনুষ্ঠানৰ শেষত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাপতি সঞ্জীৱ কুমাৰ হাজৰিকাই শলাগৰ শৰাই আগবঢ়ায়।

# গোৱালপাৰাৰ কুমৰীত দুখনকৈ চোৰাং মাটি কঢ়িওৱা ট্ৰেক্টৰ জব্দ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২০ মাৰ্চ ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই অভিযান চলাই যোৱা নিশা ১০ বজাত কুমৰীৰ পৰা দুখনকৈ চোৰাং মাটিভৰ্তি ট্ৰেক্টৰ জব্দ কৰে। কুমৰী বামুণ টিলাৰ পৰা চোৰাংকৈ মাটি কাটি এ এছ ১৮ এচি ০১৬৯ আৰু এ এছ ১৫ এচি ১৭৭২ নম্বৰৰ ট্ৰেক্টৰেৰে সৰবৰাহ কৰা সময়তে বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই জব্দ কৰে। উল্লেখ্য যে গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অসাধু চক্ৰই অবাধ গতিত চোৰাংকৈ মাটিৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ বিপৰীতে আনফালে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# শুৱালকুছিৰ ৰঞ্জন কাকতিক এছিয়াৰ সৰ্বোচ্চ হাস্পতাল প্ৰশাসক 'চিক্স চিগ্‌মা বঁটা' প্ৰদান



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২০ মাৰ্চ ঃ** বস্ত্ৰনগৰী শুৱালকুছি পোষ্ট অফিচ ৰোড নিবাসী ৰঞ্জন কাকতিক শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় চিকিৎসালয় প্ৰশাসক ২০২২ৰ বঁটা প্ৰদান কৰে। যোৱা ১৬ মাৰ্চত ভাৰতৰ ৰাজধানী নতুন দিল্লীত এক অনুষ্ঠিত অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰে কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে। উল্লেখ্য যে চিক্স চিগ্‌মা এক্সিলেন্স বঁটা হৈছে এছিয়াৰ সৰ্বোচ্চ বঁটা, যিয়ে সমাজৰ বাবে চিকিৎসাৰ বিভিন্ন ক্ষেত্ৰত বিশেষ সেৱা আগবঢ়ায়। তেনে ব্যক্তিক এই সৰ্ব্বোচ বঁটা চিক্স চিগ্‌মা ষ্টাৰ হেল্‌থ কেয়াৰ প্ৰাইভেট লিমিটেড নামৰ নতুন দিল্লীৰ সংস্থাই আগবঢ়াই আহিছে। কাকতিয়েও সুদীৰ্ঘ ২১ বছৰৰ অভিজ্ঞতাপুষ্টৰে গুৱাহাটীৰ দিছপুৰ হাস্পতালত জ্যেষ্ঠ প্ৰশাসকৰূপে কাম কৰি আছে। যাৰ বাবে ২০২০ তো কাকতিৰ বৈদ্যুতিন সংবাদ মাধ্যম নিউজ ১৮ অসমৰ তৰফৰ পৰাও শ্ৰেষ্ঠ হাস্পতাল প্ৰশাসকৰ বঁটা প্ৰদান কৰিছিল। কাকতি শুৱালকুছি পোষ্ট অফিচৰোডৰ প্ৰয়াত বাসুদেৱ কাকতি আৰু যমুনা কাকতিৰ একমাত্ৰ পুত্ৰ।

# ৰূপহী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাত বিতৰ্ক

**অগ্ৰদূত বাৰ্তা**
**ৰূপহীহাট, ২০ মাৰ্চ ঃ** ৰূপহী মহাবিদ্যালয় প্ৰাংগণত আজি প্ৰাক্তন ছাত্ৰ সন্মিলনৰ গুৰুত্বপূৰ্ণ এক সভা অনুষ্ঠিত হয়। উক্ত সভাত শতাধিক প্ৰাক্তন ছাত্ৰই অংশগ্ৰহণ কৰে। পূৰ্বৰ সমিতিৰ কাৰ্যকালক লৈ সভাত বিতৰ্কৰ সূত্ৰপাত হয়। অধ্যক্ষ ড° ভুৱনানন্দ পাটনায়কে এমাহৰ ভিতৰত সাধাৰণ সভা আহ্বান কৰি প্ৰাক্তন ছাত্ৰ সন্মিলনীখন পুনৰ গঠন কৰা হ'ব বুলি ঘোষণা কৰি পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সংবিধানৰ খচৰা পৰৱৰ্তী সাধাৰণ সভাত দাখিল কৰিব বুলি ঘোষণা কৰে অধ্যক্ষই। উল্লেখ্য যে দীৰ্ঘদিনৰ কেইজনমান লোকে প্ৰাক্তন ছাত্ৰ সন্মিলনীখন দখল কৰি ৰখাক লৈ অসন্তুষ্টি বিৰাজ কৰিছিল। নাকৰ পৰিদৰ্শনৰ প্ৰাকমুহূৰ্তত পুৰণা সমিতিখন সলনি কৰি নতুন সমিতি গঠন কৰাৰ বাবে প্ৰাক্তন ছাত্ৰৰ বহুতো অংশই দাবী জনাইছিল।

# কাজলগাঁও ব্লক ইউপিপিএলৰ অভিৱৰ্তন সম্পন্ন ঃ নাৰ্জাৰীক শুভেচ্ছা

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২০ মাৰ্চ ঃ** চিৰাং জিলাৰ কাজলগাঁওস্থিত চিৰাং জিলা ইউপিপিএলৰ জিলা কাৰ্যালয়ত আজি এক অভিৱৰ্তন অনুষ্ঠিত হয়। কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে অনুষ্ঠিত অভিৱৰ্তনৰ প্ৰতিনিধি সভাই বিটিচিৰ কাজলগাঁও পৰিষদীয় সমষ্টিত দলীয় কাম-কাজ কৰাৰ লগতে ৰাইজৰ হকে কাম কৰাৰ বাবে কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। অভিৱৰ্তনৰ প্ৰতিনিধি সভাই পুনৰাই পৰেশ বসুমতাৰীক সভাপতি আৰু মনেশ্বৰ খাখলাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ কাজলগাঁও ব্লক ইউপিপিএলৰ ৩১ জনীয়া পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। চিৰাং জিলা ইউপিপিএলৰ যুৱ কোষৰ



সভাপতি হায়ান নাৰ্জাৰীয়ে জানিবলৈ দিয়া মতে, দলৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি প্ৰতিখন জিলা সমিতিৰ লগতে ব্লক সমিতিসমূহো গঠন কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰিপ্ৰেক্ষিতত আজি কাজলগাঁও ব্লক ইউপিপিএলৰ সমিতিখন নতুনকৈ গঠন কৰাৰ কথা উল্লেখ কৰে। ইপিনে, কাজলগাঁও ব্লক ইউপিপিএলৰ পৰা এইবাৰ ৰাজ্যসভালৈ ইউপিপিএলৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ৰণগৌৰা নাৰ্জাৰীক মনোনীত কৰাত তেওঁ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, বিটিচিৰ মুৰব্বী তথা দলৰ সভাপতি প্ৰমোদ বড়োক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে কালি কাজলগাঁও ব্লক ইউপিপিএলৰ নেতা-কৰ্মীসকলে ৰাজ্যসভাৰ আসনৰ বাবে মনোনীত ৰণগৌৰা নাৰ্জাৰীক গামোচা, আৰণাইৰে শুভেচ্ছা জ্ঞাপন কৰে।

# কাকপথাৰত খেৰী প্ৰতিযোগিতা আয়োজন

**অগ্ৰদূত বাৰ্তা**
**তালাপ, ২০ মাৰ্চ ঃ** সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ উদ্যোগত কাকপথাৰ আঞ্চলিক সমিতিৰ সহযোগত অহা ২৭ মাৰ্চত কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘত প্ৰয়াত 'সুখৰতী মৰাণ সোঁৱৰণী' খেৰী প্ৰতিযোগিতা আয়োজন কৰা হৈছে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰিব সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্ভেশ্বৰ মৰাণে আৰু স্মৃতি তৰ্পণ কৰিব সাধাৰণ সম্পাদক মন্টু মৰাণে। সুখৰতী মৰাণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি কাৰ্যসূচী মুকলি কৰিব সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ মুখ্য উপদেষ্টা সুখীধৰ দহোতীয়াই। প্ৰতিযোগিতা উদ্বোধন কৰিব কাকপথাৰৰ সাংস্কৃতিক সাধক অৰ্চনাই আবেলি অনুষ্ঠিত হ'বলগীয়া বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়া, অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বড়ো, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া, মৰাণ জাতীয় শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি সোমেশ্বৰ মৰাণ, মৰাণ সাহিত্য সভাৰ সভাপতি হৰকান্ত মহন্ত, মাৰণ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগ, ডিৰাক মাইঠঙৰ সঞ্চালক উৎস অসমৰ সাংস্কৃতিক কৰ্মী বিপুল ফুকন, কাকপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী হেমপ্ৰভা মৰাণ প্ৰমুখ্যে দল-সংঘটনৰ নেতৃবৃন্দ। ইচ্ছুক প্ৰতিযোগীসকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বিকাশ কেন্দ্ৰৰ সভাপতি লম্ভেশ্বৰ মৰাণ আৰু সাধাৰণ সম্পাদক মন্টু মৰাণক ৯৯৫৪৭৬২৫৫৯ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।


# টেঙাখাতত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ২০ মাৰ্চ ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত চেলেংপুলত আজি দিনৰ প্ৰায় ১২ বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, টাটা ইণ্ডিকা এ এছ-০৬ বিচি-২৪১৪ নম্বৰৰ টাটা ইণ্ডিকাখনৰে এখন মটৰচাইকেলৰ সংঘৰ্ষৰ ফলতে পথ দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাত মটৰচাইকেল আৰোহীজনৰ থিতাতে মৃত্যু ঘটে। দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা লোকজন টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত তামুলীখাত গাঁৱৰ সিদ্ধাৰ্থ গগৈ (২৫) বুলি চিনাক্ত কৰে। ঘটনাস্থলীৰ পৰা লোকজনক ততাতৈয়াকৈ টেঙাখাত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। টেঙাখাত থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাটোৰ সবিশেষ বুজ লয়।

# বিহুশিল্পীৰ সামাজিক-আৰ্থিক সুৰক্ষাৰ বাবে কোনেও আগবাঢ়ি অহা নাই

## ■ বৰপেটা জিলা বিহুশিল্পী সংস্থাৰ বাৰ্ষিক অধিবেশন

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২০ মাৰ্চ ঃ** 'অসমৰ মাটি আৰু মানুহৰ সংস্কৃতি বিহুক সুৰক্ষা দি সংস্কৃতিৰ পথাৰখন জীপান কৰি ৰখা তথা জাতীয় অস্তিত্বক ৰক্ষা কৰি আগুৱাই নিয়া বিহু শিল্পীসকল সামাজিকভাৱে, অৰ্থনৈতিকভাৱে সুৰক্ষিত নহয়। বিহু সংস্কৃতিক জীয়াই ৰখা বিহুৰ শিল্পীসকলে বহু ধুমুহাৰ স'তে আহিছে। কিন্তু এই বিহুশিল্পীসকলৰ সামাজিক, আৰ্থিক সুৰক্ষাৰ বাবে কোনেও আগবাঢ়ি অহা নাই। অসম চৰকাৰ তথা চৰকাৰী সাংস্কৃতিক বিভাগেও বিহু শিল্পীৰ সামাজিক, আৰ্থিক সুৰক্ষাৰ কথা চিন্তা কৰা নাই। কিন্তু বিহু শিল্পীসকলৰ সামাজিক, আৰ্থিক সুৰক্ষাৰ বাবে বিহুক সঠিকভাৱে জীয়াই ৰখাৰ বাবে, অসমৰ জাতীয় অস্তিত্বক জীয়াই ৰখাৰ বাবে বিহু শিল্পী সংস্থা, অসম জন্ম হৈছে। বিহু শিল্পীসকলৰ ১৬ টা সমস্যা সমাধানৰ বাবে অসম চৰকাৰক অনুৰোধ জনোৱা হ'ব। এই সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী আৰু সাংস্কৃতিক মন্ত্ৰীকো সাক্ষাৎ ১৬ টা সমস্যা অৱহত কৰা হ'ব। এই দাবীসমূহ চৰকাৰে মানি ল'ব লাগে। এই ভাষ্য বিহু শিল্পী সংস্থা, অসমৰ সভাপতি



দ্বীপজ্যোতি হাজৰিকাৰ। আজি ভৱানীপুৰত অনুষ্ঠিত বৰপেটা জিলা বিহু শিল্পী সংস্থাৰ প্ৰথম বাৰ্ষিক অধিবেশনৰ মুকলি সভাত তেওঁ এইদৰে কয়। বৰপেটা জিলা বিহু শিল্পী সংস্থাৰ সভাপতি সুনীল দাসে সভাপতিত্ব কৰা, ভৱানীপুৰৰ বিহু শিল্পী অসীম মেধি আৰু অপূৰ্ব কলিতাই আঁতধৰা মুকলি সভাত বিহু শিল্পী সংস্থা, অসমৰ সম্পাদক পংকজ বৰাই নিৰ্দিষ্ট বক্তা, সাংস্কৃতিক সম্পাদক ৰবি ডেকাই বিশিষ্ট অতিথিৰূপে বিহু শিল্পী সংস্থা, অসমৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বক্তৃতা প্ৰদান কৰে। মুকলি সভাত নিমন্ত্ৰিত অতিথিৰূপে বিশিষ্ট সংগীত শিল্পী মাধৱ নাথ, সাংবাদিক তথা বিশিষ্ট বিহুশিল্পী ৰাজীৱ তালুকদাৰে বক্তৃতা প্ৰদান কৰাৰ লগতে বিহু শিল্পী সংস্থা, অসমৰ কেন্দ্ৰীয় সদস্য ৰাজু সৰকাৰ, কৃতী শিক্ষক চণ্ডীপ্ৰসাদ দাস, অজিৎ চৌধুৰী, কৃতী শিক্ষক-নাট্যকাৰ দ্বীগেশ চন্দ্ৰ দাস, কৌতুক অভিনেতা অনিৰুদ্ধ পাঠক, ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ সদস্য নিতুল দাসকে ধৰি কে'বাজনো ব্যক্তি উপস্থিত থাকে। অধিবেশন উপলক্ষে পুৱাৰ ভাগত বিহু শিল্পী সংস্থা, অসমৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে প্ৰতিনিধি সভাও অনুষ্ঠিত হয়। উল্লেখ্য যে অধিবেশনত বৰপেটা জিলাৰ ভিন্ন প্ৰান্তৰ তিনি শতাধিক শিল্পীয়ে অসমৰ পৰম্পৰা লোকসংস্কৃতি বিহু নৃত্য, জেংবিহু, বিয়া গীত, টোকাৰী গীত, মহোহো, হোলীগীত আদিও পৰিৱেশন কৰে। লগতে বিহু শিল্পী সংস্থা, অসমৰ কেন্দ্ৰীয় বিষয়ববীয়াসকলক বৰপেটা জিলা বিহু শিল্পীসকলে এক সাংস্কৃতিক সমলেৰে আদৰণি জনায়।

গোৱালপাৰাত গ্ৰন্থ উন্মোচনী সভা

# এচামে কেৱল বঁটা আৰু সন্মানৰ আশাৰেই লিখা-মেলা কৰে



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২০ মাৰ্চ ঃ** 'সম্প্ৰতি সমাজত কে'বা প্ৰকাৰ সাহিত্যিক আছে। ইয়াৰে এচামে কেৱল বঁটা আৰু সন্মানৰ আশাৰেই জাতি নিৰ্মাণৰ বিপৰীতে নিজক নিৰ্মাণৰ ক্ষেত্ৰত বেছিকৈ গুৰুত্ব দি আহিছে। ইফালে, প্ৰকৃত লেখকে ব্যক্তিগত স্বাৰ্থক গৌণ কৰি ৰাজহুৱা স্বাৰ্থক অগ্ৰাধিকাৰ দি সামাজিক দায়বদ্ধতাৰ পৰিচয় দি আহিছে।' আজি গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত আয়োজিত এক গ্ৰন্থ উন্মোচনী অনুষ্ঠানত এইদৰে মন্তব্য কৰে জ্যেষ্ঠ সাংবাদিক নিতুমণি শইকীয়াই। আজি সুন্দৰ নিকেতন গোৱালপাৰাত আয়োজিত অনুষ্ঠানত গোৱালপাৰা চহৰৰ বাসিন্দা তথা সাংবাদিক, সাহিত্যিক দিলীপ কুমাৰ শৰ্মাৰ 'গোৱালপাৰা দৰ্পণ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাংবাদিক শইকীয়াই। মঞ্চমিতা দেৱী ব্ৰহ্মই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে উদ্বোধন কৰি গোৱালপাৰা জিলাৰ ঐতিহাসিক সমল আৰু ঐতিহ্যৰ কথা বিস্তৃতভাৱে বৰ্ণনা কৰে। সভাত সাংস্কৃতিক সঞ্চালকালয়, অসমৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক মুকুল ৰাভা, গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্ত মানস দাস উপস্থিত থাকে। আনহাতে, গ্ৰন্থ উন্মোচন কৰি শইকীয়াই কয় যে এটা জাতিক আগুৱাই নিবলৈ হ'লে চিন্তাশক্তি আটাইতকৈ গুৰুত্বপূৰ্ণ। এই গ্ৰন্থখনে নৱপ্ৰজন্মক গোৱালপাৰা জিলাৰ বিভিন্ন ক্ষেত্ৰৰ বিষয়ে জনাত সহায় কৰিব বুলি আশা ব্যক্ত কৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনত গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপকদ্বয় ক্ৰমে উত্তম শৰ্মা আৰু জয়নাল আবেদিনে ভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে বিনীতা দেৱীয়ে বৰগীত পৰিৱেশন কৰাৰ বিপৰীতে সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় গ্ৰন্থৰ ৰচক শৰ্মাই।

# মৰাণত দ্বাদশ বাৰ্ষিক কেন্দ্ৰীয় তৰা ছিঙা বিহু সম্পন্ন

শিপিনী, অসম গৌৰৱ হেমপ্ৰভা চুতীয়াক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**মৰাণ, ২০ মাৰ্চ ঃ** অসমীয়া আয়ুস ৰেখা ১৩০০ শতিকাতে আৰম্ভ হোৱা তৰা চিঙা বিহু আজি মৰাণস্থ উষাপুৰ খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচীৰ মতে পুৱা ন বজাত পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি অসীম বৰুৱাই। পুৱা ৯-৩০ বজাত বৃক্ষ ৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজু মিশ্ৰ, মুখ্য সম্পাদক অবিনাশ চেতিয়া, সাংস্কৃতিক সম্পাদক ৰুদ্ৰ চুতীয়া আৰু কোষাধ্যক্ষ নিপন ফুকনে। পুৱা ১০ বজাত তৰাগছ তুলিবলৈ সাংস্কৃতিক দলৰ দোলা যাত্ৰা উদ্বোধন কৰে উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা অঞ্জলি চেতীয়াই। দিনৰ এক বজাত জনগোষ্ঠীয় সাংস্কৃতিক দলৰ নৃত্য প্ৰদৰ্শন। আনহাতে, বিয়লি তিনি বজাত 'আধুনিকতাৰ ধামখুমীয়াত বিহু' শীৰ্ষক আলোচনাচক্ৰত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ আগবঢ়ায় লেঙেৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত গগৈয়ে। উদ্‌যাপন সমিতিৰ মুখ্য ব্যৱস্থাপক অকণ ভূঞাই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে ভাগ লয় সাংবাদিক শোভিত কুমাৰ ছেত্ৰী, বাছা বৰা, কৰুণা ফুকন, টাই আহোম কেন্দ্ৰীয় সমিতিৰ সভাপতি বিজয় ৰাজকোঁৱৰ, আহোম জাতীয় পৰিষদৰ অনন্ত গগৈ, অধ্যাপক প্ৰশান্ত দত্ত, নবীন গগৈকে মুখ্য কৰি কে'বাজনো বক্তাই। উক্ত সভাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° গিৰিণ ফুকন আৰু শিপিনী তথা অসম গৌৰৱ হেমপ্ৰভা চুতীয়াক সম্বৰ্ধনা পত্ৰ, চেলেং, গামোচা, শৰাই আদিৰে সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়ালৈ সাংস্কৃতিক সন্ধিয়া কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখ্য যে উক্ত তৰা ছিঙা বিহুৰ কাৰ্যসূচী ২১ এপ্ৰিলত সামৰণি পৰিব।

# শিক্ষক, শংকৰী সংস্কৃতিৰ সাধক মোহিত চন্দ্ৰ শইকীয়াৰ বিয়োগ

বিশেষ সংবাদদাতা

**নগাঁও, ২০ মাৰ্চ ঃ** নগাঁও চহৰৰ বিষ্ণু নগৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক, শংকৰী সংস্কৃতিৰ সাধক মোহিত চন্দ্ৰ শইকীয়া (৭৩)ৰ কালি বিয়লি গুৱাহাটীত দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ থকা শইকীয়া কালি হঠাতে উচ্চ ৰক্তচাপত ভোগাত ততাতৈয়াকৈ জিএনআৰচিত ভৰ্তি কৰা হয় যদিও ইতিমধ্যে তেওঁৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। ১৯৪৯ৰ পহিলা জানুৱাৰীত নগাঁৱৰ বিৰহ বেবেজীয়াত জন্মগ্ৰহণ কৰা শইকীয়াই নগাঁৱৰ মহেন্দ্ৰ বৰুৱা প্ৰাথমিক বিদ্যালয়ৰ পৰা সহকাৰী শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰিছিল। এজন গায়ন, বায়ন, নামতী হিচাপেও পৰিচিত শইকীয়াৰ মৃতদেহ নিশা জন্মস্থান বিৰহ বেবেজীয়াত সৎকাৰ কৰা হয়। তেওঁৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পুত্ৰ আৰু বহু আত্মীয়-স্বজনক এৰি যায়।

স্বাস্থ্য বিভাগে মুকলি কৰি দিয়া ধন আছে জিলা উপায়ুক্ত কাৰ্যালয়ত

# লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষানুষ্ঠানত নিৰীক্ষকে নাপালে প্ৰাপ্য

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২০ মাৰ্চ ঃ** যোৱা ১৩ মাৰ্চত লখিমপুৰ জিলা শিক্ষানুষ্ঠানসমূহত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণী পদৰ বাবে লিখিত পৰীক্ষাৰ দায়িত্বত থকা নীৰীক্ষক, আৰক্ষী বিষয়া, প্ৰতিটো কেন্দ্ৰৰ দায়িত্বত থকা অধ্যক্ষ, প্ৰধান শিক্ষক, কাৰ্যালয় সহকাৰী তথা চতুৰ্থ শ্ৰেণীৰ কৰ্মী প্ৰমুখ্যে অন্যান্যই পাবলগীয়া প্ৰাপ্য ধন আজিও নোপোৱাত একাংশই ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখ্য যে ইতিমধ্যে স্বাস্থ্য বিভাগৰ পৰা ৫৮ লাখ টকা জিলাখনৰ ৭১টা কেন্দ্ৰলৈ পৰীক্ষাৰ দিনাই মুকলি কৰি দিয়া প্ৰাপ্য ধনৰাশি জিলা উপায়ুক্ত কাৰ্যালয়ত থকা কাৰ্যই বিভিন্ন গোটসমূহত চৰ্চা হৈছে। উল্লেখ্য যে হোৱাটছএপৰ জৰিয়তে ঘোষণা কৰা অনুসৰি বিভিন্ন দায়িত্বত থকা ধনৰ পৰিমাণ প্ৰশাসনৰ সুৰক্ষাৰ দায়িত্বত থকা আৰক্ষী বিষয়া এহেজাৰ, জিলা উপায়ুক্তৰ দ্বাৰা অনুমোদিত বিষয়া ২৫শ, প্ৰতিটো কেন্দ্ৰৰ দায়িত্বত থকা বিদ্যালয়ৰ অধ্যক্ষ, প্ৰধান শিক্ষক আৰু কেন্দ্ৰৰ সহকাৰীয়ে ক্ৰমে চাৰি হেজাৰ, দুহেজাৰ, প্ৰতিজন নিৰীক্ষকে ২০জন পৰীক্ষাৰ্থীৰ প্ৰতিটো শ্বিফ্টৰ বাবদ চাৰিশ টকা, প্ৰতি এজনকৈ ১৫০জন, পৰীক্ষা প্ৰাৰ্থীৰ বিপৰীতে তিনিশ, প্ৰতি এজনকৈ এশ পৰীক্ষাৰ্থীৰ বিপৰীতে চতুৰ্থ শ্ৰেণীৰ কৰ্মীয়ে প্ৰতিটো শ্বিফটত ২৫০ টকা আৰু কণ্টিজেনঞ্চী পাৰ্ছনেলে প্ৰতিজন পৰীক্ষাৰ্থীৰ ১০ টকাকৈ আৰু সুৰক্ষা কৰ্মীৰ ১,০০০,৫০০ প্ৰাপ্য ধনৰ ঘোষণা কৰা হৈছিল।

# মৰিগাঁৱৰ সন্ধানহীন যুৱকৰ মৃতদেহ পুখুৰীত উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২০ মাৰ্চ ঃ** মৰিগাঁৱৰ দন্দুৱাত কালি পুৱাতে এটা পুখুৰীত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, মৰিগাঁও সদৰ থানাৰ অন্তৰ্গত দন্দুৱাৰ জ্যোতিষ মণি নাথ (৩০) নামৰ বিবাহিত যুৱকজন যোৱা ১৮ মাৰ্চৰ সন্ধিয়া ঘৰৰ পৰা ওচৰৰে দোকানলৈ বজাৰ কৰিবলৈ যোৱাৰ পাছৰে পৰা নিৰুদ্দেশ হৈ আছিল। নিশা যুৱকজনক পৰিয়ালৰ লোকে বিচাৰি পোৱা নাছিল যদিও পুৱাৰ ভাগত দন্দুৱাতে মৰিগাঁও-নগাঁও সংযোগী পথৰ দাঁতিত থকা পুখুৰীত এটা মৃতদেহ প্ৰত্যক্ষ কৰে এজন ই-ৰিক্সাৰ চালকে। তেওঁ লগে লগেত স্থানীয় লোকক খবৰটো দিয়াত মৃতদেহটো প্ৰত্যক্ষ কৰি দন্দুৱাৰ জ্যোতিষ মণি নাথ বুলি চিনাক্ত কৰে। পাছত ঘটনাৰ সন্দৰ্ভত মৰিগাঁও আৰক্ষীয়ে খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো পুখুৰীৰ পানীৰ পৰা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰে। ইফালে উদ্ধাৰ হোৱা যুৱকজনৰ মৃতদেহটো নাক, কাণ আৰু চকুৰ পৰা তেজ ওলাই থকা প্ৰত্যক্ষ কৰি যুৱকজনক নিশা কোনো লোকে হত্যা কৰি পুখুৰীত পেলাই থৈ যোৱা বুলি পৰিয়ালৰ লগতে স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, যুৱকজনে ঘৰৰ পৰা দোকানলৈ লৈ যোৱা চাইকেলখন দন্দুৱাৰ তিনিআলিত উদ্ধাৰ হয়। ঘটনা সন্দৰ্ভত মৰিগাঁও আৰক্ষীৰ তদন্ততহে পৰৱৰ্তী সময়ত প্ৰকৃত তথ্য পোহৰলৈ আহিব।

# বাগানপাৰাত সদৌ জনজাতি ধৰ্ম সংস্কৃতি সুৰক্ষা মঞ্চৰ প্ৰথম বাৰ্ষিক অধিবেশন সম্পন্ন



অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২০ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰাত আজি দিনজোৰা কাৰ্যসূচীৰে সদৌ জনজাতি ধৰ্ম সংস্কৃতি সুৰক্ষা মঞ্চৰ প্ৰথম বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক নৃত্যৰে শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত অংশ লৈ সংগঠনটোৰ সম্পাদক নগেন্দ্ৰ বড়োই স্ব-ধৰ্ম ৰক্ষাৰ বাবে এই সন্মিলন অনুষ্ঠিত কৰা বুলি উল্লেখ কৰে। তেওঁ নিজৰ নিজৰ ধৰ্ম, সংস্কৃতি যাতে সুৰক্ষিত হৈ থাকে তাৰ কাৰ্যপন্থা যুগুত কৰা হ'ব বুলি মন্তব্য কৰে। তেওঁ কয় যে আমি প্ৰকৃতিক পূজা কৰোঁ। আমাৰ ভাষা, সাহিত্য-সংস্কৃতি আছে। কিন্তু বিপন্ন হোৱাৰ দিশে গৈ আছে। আমি সকলোৱে একত্ৰিত হৈ ন্যায়ৰ বাবে যুঁজ দিম। দিল্লী-দিছপুৰত সংগ্ৰাম কৰিম। সভাত সদৌ জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা সমিতি, অসমৰ সম্পাদক বলৰাম ফংস, কল্যাণ আশ্ৰমৰ সম্পাদক মণ্টুৰাম জি কৰমৰ লগতে বাগ্‌সা জিলা বিজেপিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভা উদ্বোধন কৰে বাগানপাৰা চানৰাইজ ইংৰাজী বিদ্যালয়ৰ পৰিচালক মহেন্দ্ৰ বড়োই। বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে শিক্ষক বিষ্ণু ব্ৰহ্মই।

# নাজিৰাত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২০ মাৰ্চ ঃ** নাজিৰাৰ দৈনিক বজাৰৰ কাষতে আজি দুপৰীয়া উপেন দাস নামৰ ব্যক্তিজনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। শিৱসাগৰ কোঁৱৰপুৰৰ নিবাসী দাস যোৱা কে'বাবছৰো নাজিৰা নগৰৰ বিভিন্ন স্থানত ভাৰাতীয়া হিচাপে হাজিৰা কাম কৰি আহিছিল। কালি হোলীত আনন্দ-উল্লাসৰ মাজতে পথৰ ওপৰত নিশাটো পৰি থকাত ৰক্তক্ষৰণৰ ফলতেই আজি মৃত্যুক আঁকোৱালি লোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে।

# বৰবেলবাৰী মহাপ্ৰভু জগন্নাথ থানৰ ৫৫৫ সংখ্যক সৱাহ মহোৎসৱৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২০ মাৰ্চ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত বৰবেলবাৰী মহাপ্ৰভু জগন্নাথ থানৰ ৫৫৫ সংখ্যক সৱাহ মহোৎসৱৰ কালি সামৰণি পৰে। ১৬ মাৰ্চৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত সৱাহ মহোৎসৱৰ মুখ্য দ্বাৰ মুকলি কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। সৱাহৰ অন্তিম দিনা বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে তামুলপুৰ পৌৰসভাৰ অধ্যক্ষ তথা সমাজকৰ্মী প্ৰফুল্ল চন্দ্ৰ মহন্তই। মহোৎসৱৰ আটাইকেইটা দিনতে কে'বা সহস্ৰাধিক ভক্ত উপস্থিত থাকি মহাপ্ৰভু জগন্নাথৰ চৰণত ধূপ-চাকি জ্বলাই নৈবেদ্য আগবঢ়োৱাৰ লগতে প্ৰতিদিনে হোম যজ্ঞ, আয়তীসকলৰ নাম, নাগাৰা নাম, নৃত্য প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। ৫৫৫ বছৰীয়া সৱাহ মহোৎসৱৰ প্ৰতিটো দিনৰ কাৰ্যসূচীত সৱাহ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে বৰবেলবাৰী মহাপ্ৰভু জগন্নাথ থান আৰু মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি-সম্পাদকে ভক্তপ্ৰাণ ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# গোৰেশ্বৰ মহৰীপাৰাত বিশেষ কাব্যানুষ্ঠান

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২০ মাৰ্চ ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মহৰীপাৰা অঞ্চলৰ স্বেচ্ছাসেৱী অনুষ্ঠান উত্তৰ বেতনা সমাজ সংস্কাৰক বাহিনীৰ উদ্যোগত এখন বিশেষ কাব্যানুষ্ঠান আজি অনুষ্ঠিত হয়। মহৰীপাৰাস্থিত উত্তৰ বেতনা সমাজ সংস্কাৰক বাহিনীৰ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠান সঞ্চালনা কৰে লেখক তথা সাংবাদিক ড° বাবুৰাভা হাকাচামে। উত্তৰ বেতনা সমাজ সংস্কাৰ বাহিনীৰ সম্পাদক গোলাপ চন্দ্ৰ কলিতাই আঁত ধৰে। উল্লেখ্য যে উত্তৰ বেতনাৰ গৌৰৱ যশস্বী কবিত্ৰয় প্ৰয়াত যোগী সত্যানন্দ নাথজী, প্ৰয়াত জীতেন্দ্ৰ দেৱনাথ আৰু প্ৰয়াত মৃণালকান্তি পণ্ডিতৰ পৱিত্ৰ স্মৃতিত এই বিশেষ কাব্যানুষ্ঠানৰ আয়োজন কৰা হয়। ইপিনে, অনুষ্ঠানত উত্তৰ বেতনা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভূপেন্দ্ৰ দেৱনাথকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উত্তৰ বেতনা সমাজ সংস্কাৰক বাহিনীৰ উপদেষ্টা মাধৱ চন্দ্ৰ কলিতাই বাগ্‌সা জিলা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'তৰংগ' হিল্লোল নামৰ পুথিখন বিতৰণ কৰে।

# নাহৰকটীয়াত মিউজিক ক্লাবৰ ১০ দিনীয়া বিহু নৃত্য-ঢোলবাদন কৰ্মশালাৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২০ মাৰ্চ ঃ** নাহৰকটীয়াৰ জুবলী মিউজিক ক্লাবৰ সৌজন্যত যোৱা ১১ মাৰ্চৰ পৰা নাহৰকটীয়াৰ ৰঙালী ৰূপালী মঞ্চত অনুষ্ঠিত বিহু নৃত্য আৰু ঢোলবাদন কৰ্মশালাৰ আজি সামৰণি পৰে। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। শিৱসাগৰৰ ৰংমন এনাজৰী হুঁচৰি দলৰ বিহুৱা লোকেন ৰাজকোঁৱৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৯ৰ শ্ৰেষ্ঠ বিহুৱতী নাহৰকটীয়া জয়পুৰৰ কৃষ্ণাশ্ৰী বুঢ়াগোহাঁয়ে প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে আটাইকেইটা দিনতে প্ৰশিক্ষণ প্ৰদান কৰে। সামৰণিৰ দিনা অনুষ্ঠিত চমু অনুষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে মঞ্চত বিহু নৃত্য আৰু ঢোলবাদন প্ৰদৰ্শন কৰাৰ পূৰ্বে বন্তি প্ৰজ্বলন আৰু গৰীয়সী বুঢ়াগোহাঁয়ে পৰিৱেশন কৰা এটি গীতেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পাছত প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। জুবলী মিউজিক ক্লাবৰ সভাপতি মৃদুল গায়নে আঁত ধৰা অনুষ্ঠানত নাহৰকটীয়া প্ৰেছ ক্লাবৰ সভাপতি সীমান্ত ভাগৱতী, সম্পাদক আব্দুল ৰাজ্জাক, সাংবাদিক আছিফ ইকবাল, বিদ্যুৎ মহন্ত, উৎপল চলিহা, নৱজিৎ দেৱ আদি উপস্থিত থাকে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক আয়োজক সমিতিৰ তৰফৰ পৰা একোখনকৈ প্ৰশংসাপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত আঁত ধৰে জুবলী ক্লাবৰ মৃদুল গায়নে।

# শিৱসাগৰ জিলা মেলেৰিয়া কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২০ মাৰ্চ ঃ** সদৌ অসম মেলেৰিয়া কৰ্মচাৰী সন্থাৰ অন্তৰ্গত শিৱসাগৰ জিলা সমিতিৰ এখন সাধাৰণ সভা আজি জিলা সভাপতি ধীৰেন ফুকনৰ সভাপতিত্বত শিৱসাগৰ প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। সভাৰ পূৰ্বে ক'ভিডকালীন সময়ছোৱাত পৰলোকপ্ৰাপ্তি হোৱা জিলা সন্থাৰ বিষয়ববীয়া পলাশ হাজৰিকা আৰু মন্টু গগৈৰ আত্মাৰ সদগতি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। অনন্ত গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সাধাৰণ সম্পাদক জীৱন দুৱৰাই সন্থাৰ বিগত দুটা বছৰৰ কৰ্মৰ খতিয়ান দাঙি ধৰাৰ লগতে মেলেৰিয়া কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা সমাধান কল্পে সন্থাৰ ৰাজ্যিক সমিতিয়ে চলাই থকা প্ৰচেষ্টা সন্দৰ্ভতো সদস্যসকলক অৱগত কৰে। সভাত কৰ্মচাৰীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা সম্পৰ্কে আলোকপাত কৰি বক্তব্য ৰাখে এছ আই ডিম্বেশ্বৰ চুতিয়া, পৰেশ ভৰালী, ৰহমত আলী, ভৰত চেতিয়া, নৃপেন বৰা, ছফিউৰ ৰহমান আদিয়ে। সভাত শিৱসাগৰৰ সহকাৰী মেলেৰিয়া বিষয়া প্ৰদীপ দুৱৰাক সম্বৰ্ধনা জনোৱা হয়। সভাই আগন্তুক দুটা বছৰৰ বাবে বৰ্তমানৰ সমিতিকেই কাৰ্যভাৰ চলাই যাবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত শিৱসাগৰ জিলা মেলেৰিয়া কৰ্মচাৰী সন্থাক শক্তিশালী কৰাৰ উদ্দেশ্যে বহুকেইটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।




সপ্ত ছহিদক সুঁৱৰি আবেগিক হৈ পৰিল চতিয়াৰ বিধায়ক

# ছহিদৰ কেঁচাতেজৰ মূল্য কেতিয়াও হেৰাই যাবলৈ নিদিওঁ ঃ পদ্ম



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২০ মাৰ্চ ঃ** মোৰ চকুৰ আঠ ফুট দূৰত্বতে বন্ধু ভূপেন ডেকাক নিষ্ঠুৰভাৱে হত্যা কৰিছিল অবৈধ বাংলাদেশীয়ে। আজিও সেই ঘটনাই মোৰ দেহ শিহৰিত কৰি তোলে। ছহিদৰ কেঁচা তেজৰ মূল্য কোনো কাৰণতেই হেৰাই যাবলৈ দিয়া নহ'ব। মৃত্যু নোহোৱা পৰ্যন্ত অসমী আইৰ হকে কাম কৰি যাম। এই মন্তব্য চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। আজি জামুগুৰিহাটত সপ্ত ছহিদ বেদীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিধায়কজনে আৰু কয়, অসম আন্দোলনৰ ছহিদসকলক অমৰ কৰি ৰাখিবলৈ বিজেপি চৰকাৰে বিভিন্ন পৰিকল্পনা যুগুত কৰিছে। ছহিদ পৰিয়ালক উপযুক্ত মৰ্যাদা প্ৰদান কৰিছে। উল্লেখ্য যে ১৯৮৩ৰ ২০ মাৰ্চৰ আজিৰ দিনটোতে জামুগুৰিহাটৰ লালেটাপুত অবৈধ বাংলাদেশীয়ে সাতজনকৈ পাহোৱাল অসমীয়াক খেদি খেদি হানি-খুঁচি নৃশংসভাৱে হত্যা কৰিছিল। অবৈধ বাংলাদেশীৰ নিষ্ঠুৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল সেই সময়ৰ ছাত্ৰ নেতা ভূপেন ডেকা, বলীন নাথ, প্ৰসন্ন বৰুৱা, বিৰেন মিশ্ৰ, জয়ৰাম বৰুৱা, পলাশ ৰাজবংশী, শ্যাম কুণ্ডুৱে। সাত ছহিদক সেই সময়ত জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত তথা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰাজহুৱাভাৱে সমাধিস্থ কৰা হৈছিল। পৰৱৰ্তী সময়ত চতিয়াৰ বিধায়ক হাজৰিকাই এটি আটকধুনীয়া স্মৃতি সৌধ নিৰ্মাণ কৰে উক্ত স্থানত। বিগত ৩৯ বছৰে জামুগুৰিয়া ৰাইজে এই নিৰ্দিষ্ট দিনটোত উদ্‌যাপন কৰি আহিছে ছহিদ দিৱস। আজি দুপৰীয়া ছহিদসকলক পুষ্পাঞ্জলি জ্ঞাপন কৰি আবেগিক হৈ পৰে বিধায়ক হাজৰিকা। অশ্ৰুসিক্ত নয়নৰে পুষ্পাঞ্জলি জ্ঞাপন কৰি ছহিদসকলক অমৰ কৰি ৰখাৰ পণ লয় বিধায়ক হাজৰিকাই।




নেহৰু ষ্টেডিয়ামৰ ভাগ্যত মাত্ৰ এখন খেল

# বৰদলৈ ট্ৰফীৰ ২৭ খন মেচৰ নখনহে অনুষ্ঠিত হ'ব গুৱাহাটীত

**গুৱাহাটী, ২০ মাৰ্চ ঃ** দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী অহা ২৪ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব। আজি হোৱা এখন সংবাদমেলত প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিত অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাত অংশ লোৱা মুঠ ১৬ টা দলে ২৪ খন লীগ মেচত অংশ ল'ব যদিও বৰদলৈ ট্ৰফী ফুটবলৰ জন্মস্থান গুৱাহাটীত ইয়াৰে মাত্ৰ ছখন খেলহে অনুষ্ঠিত হ'ব। দুখৰ বিষয় এয়ে যে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত কেবল এখন মেচহে (ছেমিফাইনেল) অনুষ্ঠিত হ'ব। আনহাতে, জজ খেলপথাৰত ছখন লীগ মেচৰ লগতে এখন ছেমিফাইনেল আৰু ৬৮ সংখ্যক বৰদলৈ ট্ৰফী ফুটবলৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব বুলি অৱগত কৰিছে আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই। উল্লেখ্য যে প্ৰতিযোগিতাত অংশ লোৱা মুঠ ১৬ টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ'ৰ চাৰিটা দল গুৱাহাটী টাউন ক্লাব, বিদ্যুৎ পৰিষদ, আই টি বি পি আৰু শিলচৰৰ ইণ্ডিয়া ক্লাবে খেলিব জজ খেলপথাৰত। ইফালে, গ্ৰুপ 'বি'ৰ খেল অনুষ্ঠিত হ'ব বাইহাটা চাৰিআলিত। গ্ৰুপ 'বি'ৰ দল চাৰিটা হ'ল দিল্লী এফ চি, অসম পুলিছ ব্লুজ, ওদালগুৰিৰ দৈমালু ক্লাব আৰু ছিলঙৰ অসম ৰাইফলছ। গুৱাহাটী আৰু বাইহাটা চাৰিআলিত অহা ২৪ মাৰ্চৰ পৰা প্ৰতিযোগিতাৰ খেল আৰম্ভ হ'ব যদিও চিৰাং আৰু ছিপাঝাৰত বৰদলৈ ট্ৰফী আৰম্ভ হ'ব ২৫ মাৰ্চৰ পৰা। উল্লেখ্য যে চাৰিটা গ্ৰুপৰ চেম্পিয়ন দলে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিব।



## টেবুল টেনিছ ইউনাইটেড প্ৰিমিয়াৰ লীগ

**গুৱাহাটী, ২০ মাৰ্চ ঃ** গুৱাহাটীৰ নগেন হাজৰিকা টেবুল টেনিছ ফাউণ্ডেচনৰ উদ্যোগত প্ৰথমবাৰলৈ অনুষ্ঠিত হ'ব টেবুল টেনিছ ইউনাইটেড প্ৰিমিয়াৰ লীগ ২০২২ । অহা ৮-১০ এপ্ৰিলত মহানগৰীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া টেবুল টেনিছ ইউনাইটেড প্ৰিমিয়াৰ লীগৰ আয়োজক সমিতিৰ অধ্যক্ষৰ দায়িত্বত আছে জলসম্পদ, জনসংযোগ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা অসম টেবুল টেনিছ সন্থাৰ সভাপতি পীযুষ হাজৰিকা । লীগখনৰ সফল আয়োজনৰ বাবে অসম চৰকাৰৰ কৃষি, সীমান্ত উন্নয়ন আৰু অসম চুক্তি বিভাগৰ মন্ত্ৰী অতুল বৰাৰ সৈতেও আলোচনাত মিলিত হয় নগেন হাজৰিকা টেবুল টেনিছ ফাউণ্ডেচনৰ মুখ্য প্ৰশিক্ষক তথা প্ৰিমিয়াৰ লীগৰ আয়োজক সমিতিৰ সচিবপ্ৰধান মানস প্ৰতিম দাসে । উল্লেখ্য যে প্ৰথমবাৰলৈ উত্তৰ পূৰ্বাঞ্চলত অনুষ্ঠিত হ'ব টেবুল টেনিছ ইউনাইটেড প্ৰিমিয়াৰ লীগ ।

# গুৱাহাটীত ফুটবলপ্ৰেমীৰ অভাৱৰ বাবেই 'হাইজেক' বৰদলৈ ট্ৰফী

**গুৱাহাটী, ২০ মাৰ্চ ঃ** গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিত অহা ২৪ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী। উল্লেখ্য যে গুৱাহাটীত ফুটবল উদ্ধাৰৰ বাবে তথাকথিত আন্দোলন হ'লেও মহানগৰীত যে ফুটবপ্ৰেমী তাকৰ সেয়া বোধগম্য কৰিয়েই বৰদলৈ ট্ৰফীক 'হাইজেক' কৰা হৈছে অন্য চহৰলৈ। উল্লেখ্য যে আসন্ন গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ 'চি' গ্ৰুপৰ খেল দৰং জিলাত অনুষ্ঠিত হ'ব। দৰঙৰ ঘিলাকুৰিস্থ জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ খেল পথাৰত অহা ২৫ মাৰ্চৰ পৰা অনুষ্ঠিত হ'বলগীয়া ছয়খন খেলৰ সূচী ঘোষণা কৰা হৈছে। জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ ব্যৱস্থাপনাত আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত চাৰিটা দলৰ মাজত অনুষ্ঠিত হব লগীয়া প্ৰতিযোগিতাৰ ২৫ মাৰ্চত দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাবে তিনিচুকীয়াৰ বড়োচা স্পৰ্টছ ক্লাবৰ বিপক্ষে, ২৬ মাৰ্চত দিল্লীৰ চি আই এছ এফে নাগালেণ্ড পুলিচ দলৰ বিপক্ষে, ২৭ মাৰ্চত অইল ইণ্ডিয়া ফুটবল ক্লাৱে নাগালেণ্ড পুলিচ দলৰ বিপক্ষে, ২৮ মাৰ্চত চি আই এছ এফ দলে বড়োচা স্পৰ্টছ ক্লাবৰ বিপক্ষে, ২৯ মাৰ্চত বড়োচা স্পৰ্টছ ক্লাবে নাগালেণ্ড পুলিচ দলৰ বিপক্ষে আৰু ৩০ মাৰ্চত অইল ইণ্ডিয়া ফুটবল ক্লাৱে চি আই এছ এফৰ বিপক্ষে অৱতীৰ্ণ হ'ব। ইফালে, চিৰাঙত বৰদলৈ ট্ৰফী আৰম্ভ হ'ব ২৫ মাৰ্চৰ পৰা। গ্ৰুপ 'ডি'ৰ মেচসমুহ অনুষ্ঠিত হ'ব চিৰাঙত। ইউনাইটেড চিৰাং এফ চি, নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ছিলং লাজং এফ চি আৰু অসম ৰেজিমেণ্টল চেণ্টাৰে খেলিব চিৰাঙত। উল্লেখ্য যে এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ ১৬ টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। চাৰিটা গ্ৰুপৰ চেম্পিয়ন দলে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। অহা পহিলা এপ্ৰিলত ছেমিফাইনেল দুখন হোৱাৰ বিপৰীতে তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব ফাইনেল।



# আজিৰে পৰা লাহোৰত অষ্ট্ৰেলিয়া-পাকিস্তানৰ তৃতীয় টেষ্ট

**লাহোৰ, ২০ মাৰ্চ ঃ** অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত তিনিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচ কাইলৈৰ পৰা লাহোৰত অনুষ্ঠিত হ'ব। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন টেষ্ট নিৰস ড্ৰ হোৱাৰ পাছত এতিয়া উভয় দলৰ লক্ষ্য তৃতীয় টেষ্ট জয়ৰে শৃংখলা হস্তগত কৰা। কিন্তু লাহোৰৰ উইকেটে জয়ৰ সম্ভাৱনা দিব নে নাই সেয়াহে গুৰুত্বপূৰ্ণ। উল্লেখ্য যে পাকিস্তানৰ উইকেটক লৈ অসন্তুষ্ট হৈছে আই চি চি। বেটাৰৰ ৰম্যভূমি হোৱা উইকেট বলাৰৰ বাবে বধ্যভূমি হৈ পৰিছে। অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত টেষ্ট শৃংখলাত পাকিস্তানে যি উইকেট প্ৰস্তুত কৰিছে সেয়া টেষ্ট মেচৰ বাবে মুঠেও অনুকুল নহয়। শৃংখলাৰ প্ৰথম টেষ্টখন ড্ৰৰূপে সমাপ্ত হৈছিল। ৰাৱালপিণ্ডিৰ প্ৰথম টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত ৪৭৬ ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে ৪৫৯ ৰাণত। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ ২৫২ ৰাণ কৰাত মেচখন ড্ৰ ঘোষণা কৰা হয়। পাঁচ দিনত পতন হয় মাত্ৰ ১৪ টা উইকেটৰ। আনহাতে, কৰাচিৰ দ্বিতীয়খন টেষ্ট মেচো ড্ৰৰূপে সমাপ্ত হৈছে। অষ্ট্ৰেলিয়াই পাকিস্তানৰ সন্মুখত জয়ৰ বাবে ৫০৬ ৰাণ লক্ষ্য দিছিল। প্ৰত্যুত্তৰত এই লক্ষ্য অনুসৰণ কৰি পাকিস্তানে অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেটত ৪৪৩ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰৰূপে সমাপ্ত হয়। অন্তিম দিনা মাত্ৰ পাঁচটা উইকেটৰ পতন হয়। উইকেটত বলাৰৰ বাবে একো নাছিল। বেটাৰে প্ৰত্যাহ্বান অবিহনে সহজে খেলে।

প্ৰথম গুৱাহাটী মুকলি আন্তঃৰাষ্ট্ৰীয় গ্ৰেণ্ডমাষ্টৰ দবা প্ৰতিযোগিতা সমাপ্ত

# ৰাছিয়াৰ পাবেলৰ চেম্পিয়ন ট্ৰফী লাভ

**গুৱাহাটী, ২০ মাৰ্চ ঃ** প্ৰথম গুৱাহাটী মুকলি আন্তঃৰাষ্ট্ৰীয় গ্ৰেণ্ডমাষ্টৰ দবা প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰে ছেচ ফেডাৰেশ্যন অফ ৰাছিয়াৰ গ্ৰেণ্ডমাষ্টাৰ প'নকাৰট'ভ পাবেলে। পাবেলে আজি হোৱা দশম তথা অন্তিম ৰাউণ্ডৰ মেচত পাৰগুৱেৰ গ্ৰেণ্ডমাষ্টাৰ ডেলগুদু ৰেমিৰেজ নিউৰচক পৰাস্ত কৰি বিজয়ৰ মুকুট পিন্ধে। আনহাতে, প্ৰতিযোগিতাখনৰ দ্বিতীয়খন টপ টেবুলত সমুখ সমৰত অৱতীৰ্ণ হৈছিল ইজিপ্তৰ গ্ৰেণ্ডমাষ্টাৰ ফাওজি আধাম আৰু ভাৰতীয় ইণ্টাৰনেশ্যানেল মাষ্টাৰ কৃষ্ণা ছি আৰ জি । আধাম আৰু কৃষ্ণাৰ মাজতে তিনি ঘণ্টাতকৈ অধিক সময় চলা এই তীব্ৰপ্ৰতিদ্বন্দ্বিতাৰ খেলখন অৱশেষত ভাৰতীয় দবাৰু জনে পৰাজয় বৰণ কৰিব লগা হয় । সেয়ে প্ৰতিযোগিতাৰ ৰানাৰ্চ আপ হয় গ্ৰেণ্ডমাষ্টাৰ আধাম । তৃতীয় স্থান লাভ কৰে ভাৰতীয় আই এম নিটিশ এছে। নিটিশে নিজ দেশৰে আন এগৰাকী অভিজ্ঞ দবাৰু কে ৰত্নাকৰণক পৰাভূত কৰে । ইফালে, অসমৰ ৰাহুল এছ সিং ২৫ স্থানত অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে ছাহিল দে ৩৫ সংখ্যক স্থান আৰু অসম চেম্পিয়ন শান্তনু বৰপাত্ৰ গোহাঁইয়ে ৬০ সংখ্যক স্থানত ক্ষান্ত থাকিব লগা হয় । উল্লেখ্য যে এই প্ৰতিযোগিতাত অসমৰ কেইবাগৰাকী তৰুণ দবাৰুৱে উন্নত খেল প্ৰদৰ্শন কৰি কেইবাজনো জি এম আৰু আই এমক তীব্ৰ প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছিল । এই ক্ষেত্ৰত মায়াংক চক্ৰবৰ্ত্তী , মৃন্ময় ৰাজখোৱা , আভাচৰম্য হাজৰিকা অন্যতম। ইফালে আজিৰ সামৰণি অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিমল বৰাই মূখ্য অতিথি হিচাপে উপস্থিত থাকি বিজয়ী অৰু বিজিত সকলৰ মাজত বঁটা প্ৰদানা কৰে । সদৌ অসম দবা সন্থাৰ সভাপতি কন্দৰ্প কলিতাই সঞ্চালনা কৰা সভাখনত স্মৃতি গ্ৰন্থ আনুষ্ঠানিকভাবে উন্মোচন কৰে অসম বিধান সভাৰ প্ৰধান সচিব হেমেন দাসে । অনুষ্ঠানত ভাৰতীয় দবা সন্থাৰ সভাপতি ভৰত সিং চৌহান , ফনীন্দ্ৰ নাথ শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আন্ত:ৰাষ্ট্ৰীয় দবাখনৰ মুঠ প্ৰাইজমানি আছিল ১৫ লাখ টকা । চেম্পিয়নক আঢ়ৈ লাখ আৰু ট্ৰফী , বিজিতক দুই.লাখ টকা আৰু ট্ৰফী প্ৰদান কৰা হয়।



অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতা

## ছেমিফাইনেলত পৰাস্ত গায়ত্ৰী-তৃষা



**লণ্ডন, ২০ মাৰ্চ ঃ** ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলী চলিত অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ পদকতে সন্তুষ্ট থাকিল। অৱশ্যে এয়াও এক অনন্য গৌৰৱময় সাফল্য। অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ ডাবলছত ব্ৰঞ্জ লাভ কৰি প্ৰথম ভাৰতীয় হৈছে গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলী। ছেমিফাইনেলত ভাৰতৰ দুই তৰুণী পৰাস্ত হয় ১৭-২১, ১৬-২১ ৰ ব্যৱধানত। উল্লেখ্য যে ভাৰতৰ নৱাগত শ্বাটলাৰ লক্ষ্য সেনে চলিত অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি ইতিমধ্যে গৌৰৱময় সফলতা লাভ কৰিছে। পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত লক্ষ্যই তিনিটা ছেটৰ অন্তত ২১-১৩, ১২-২১, ২১-১৯ ৰ ব্যৱধানত পৰাস্ত কৰে মালয়েছিয়াৰ চেম্পিয়ন লী জি ঝাক। উল্লেখ্য যে বিশ্বকাপ বেডমিণ্টনত ব্ৰঞ্জ লাভ কৰাৰ লক্ষ্যই প্ৰথমবাৰৰ বাবে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি গৌৰৱময় সফলতা লাভ কৰিছে। প্ৰকাশ পাডুকন আৰু পুলেলা গোপীচান্দৰ পাছত দেশৰ তৃতীয় পুৰুষ শ্বাটলাৰৰূপে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত খেলে লক্ষ্যই। উল্লেখ্য যে প্ৰকাশ পাডুকন আৰু পুলেলা গোপীচান্দে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ খিতাপ লাভ কৰাৰ বিপৰীতে অন্তিমবাৰলৈ ফাইনেল খেলিছিল ২০১৫ ত ভাৰতৰ ছাইনা নেহৱালে।



ৰত্নকান্ত-ললিতা পাঠক ক্ৰিকেট

## বিকে চেলেঞ্জাৰ নলবাৰী দল ফাইনেলত

**বিশেষ সংবাদদাতা, ওদালগুৰি, ২০ মাৰ্চ ঃ** ওদালগুৰি ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰয়াত ৰত্নকান্ত পাঠক আৰু প্ৰয়াত ললিতা পাঠক সোঁৱৰণী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমিফাইনেল খেলত বিকে চেলেঞ্জাৰ নলবাৰীয়ে ওদালগুৰি ৰাইজিং ষ্টাৰ ক্লাৱক আঠ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে ওদালগুৰিয়ে ১৮.২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ সংগ্ৰহ কৰে। জিতু আলীয়ে ৩২ ৰাণ কৰাৰ বিপৰীতে নলবাৰীৰ অৱিনাশ কাশ্যপ আৰু ৰিছৱ দিপকে তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি নলবাৰীয়ে ১৫.৩ অভাৰত ১১২ ৰাণ সংগ্ৰহ কৰি জয়ৰ লক্ষত উপনীত হয়। অনীল বাছফ'ৰে ৪৮ ৰাণ কৰে।

জগত চন্দ্ৰ দাস টি-২০ ক্ৰিকেট

## মঙলদৈ টাউন ক্লাব, ২২ য়াৰ্ডচ গ্ল'ৰীৰ অগ্ৰগতি

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২০ মাৰ্চ ঃ** মঙলদৈ টাউন ক্লাব আৰু ২২ য়াৰ্ডচ গ্ল'ৰীয়ে চতুৰ্থ বাৰ্ষিক জগত চন্দ্ৰ দাস সোঁৱৰণী টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত অগ্ৰগতি লাভ কৰিছে। গুৱাহাটীৰ ২২ য়াৰ্ডচ গ্ল'ৰী ক্লাবৰ উদ্যোগত মঙলদৈ ষ্টেডিয়ামত চলি থকা প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন মেচত চান্দমাৰী ক্ৰিকেট ক্লাবক মঙলদৈ টাউন ক্লাবে আঠ উইকেটত পৰাজিত কৰে। চান্দমাৰী ক্লাবৰ ৯৯ ৰানৰ লক্ষ্য মঙলদৈ টাউন ক্লাবে ১২.৫ অভাৰতেই অতিক্ৰম কৰে। ইপিনে দ্বিতীয়খন মেচত ২২ য়াৰ্ডচ গ্ল'ৰী ক্লাবে জেনিথ ক্লাবক ১০২ ৰাণৰ বৃহৎ ৰানৰ ব্যৱধানত পৰাজিত কৰে। ২২ য়াৰ্ডচৰ ১৮৪ ৰানৰ লক্ষ্য আগত লৈ জেনিথ ক্লবে ২০ অভাৰত ন উইকেটত ৮১ ৰানহে কৰিবলৈ সক্ষম হয়।

# দ্বিতীয় মহিলা ক্ৰিকেটাৰৰূপে ২০০ আন্তৰ্জাতিক মেচ খেলিলে ঝুলনে

**অকলেণ্ড, ২০ মাৰ্চ ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলৰ পেচাৰ ঝুলন গোস্বামীয়ে দ্বিতীয় মহিলা ক্ৰিকেটাৰৰূপে ২০০ খন এদিনীয়া আন্তৰ্জাতিক মেচ খেলাৰ গৌৰৱ লাভ কৰিছে। চলিত আই চি চি মহিলা বিশ্বকাপৰ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা মেচখনত এই গৌৰৱ লাভ কৰে ঝুলনে। উল্লেখ্য যে ভাৰতৰ অধিনায়িকা মিতালী ৰাজে এতিয়ালৈকে মুঠ ২৩০ খন এদিনীয়া আন্তৰ্জাতিক মেচ খেলি শীৰ্ষত আছে। চলিত আই চি চি মহিলা বিশ্বকাপতে ঝুলনে বিশ্বকাপত সৰ্বাধিক উইকেট দখল কৰাৰ গৌৰৱময় সফলতাও লাভ কৰিছে। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা মেচখনত এই সফলতা অৰ্জন কৰে ঝুলনে। উল্লেখ্য যে ইয়াৰপূৰ্বে চলিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ নিজৰ দ্বিতীয়খন মেচত ঝুলনে বিশ্বকাপত সৰ্বাধিক উইকেট দখল কৰাৰ ক্ষেত্ৰত অষ্ট্ৰেলিয়াৰ ফুলষ্টনক স্পৰ্শ কৰিছিল। নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা মেচখনত এটা উইকেট দখল কৰা ঝুলনে বিশ্বকাপত সৰ্বাধিক উইকেট দখল কৰাৰ ক্ষেত্ৰত সমতা স্থাপন কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ পেচাৰ ফুলষ্টনে ২০ খন মেচত ৩৯ টা উইকেট দখল কৰিছিল। আনহাতে, গোস্বামীয়ে ৩১ খন মেচত ৪০ টা উইকেট দখল কৰিছে। উল্লেখ্য যে নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট ঝুলনৰ কেৰিয়াৰৰ পঞ্চম



বিশ্বকাপ। ভাৰতীয় মহিলা ক্ৰিকেট দলে চলিত আই চি চি মহিলা বিশ্বকাপৰ নিজৰ পঞ্চম মেচতো পৰাজয়ৰ সন্মুখীন হৈছে। এই পৰাজয়ৰ পাছত ছেমিফাইনেল খেলাৰ আশা কঠিন হৈ পৰিছে ভাৰতৰ বাবে। উল্লেখ্য যে ভাৰতে ইতিমধ্যে খেলা পাঁচখন মেচৰ দুখনত জয়ী হোৱাৰ বিপৰীতে তিনিখনত পৰাজয়ৰ সন্মুখীন হৈছে।

# ড্ৰৰ দিশে ৱেষ্টইণ্ডিজ-ইংলণ্ডৰ দ্বিতীয় টেষ্ট

**ব্ৰীজটাউন, ২০ মাৰ্চ ঃ** ৱেষ্ট ইণ্ডিজ আৰু ইংলণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচো ড্ৰৰ দিশে অগ্ৰসৰ হৈছে। উল্লেখ্য যে ইংলণ্ডৰ প্ৰথম ইনিংছৰ ৫০৭ ৰাণৰ প্ৰত্যুত্তৰত চতুৰ্থদিনা ৱেষ্ট ইণ্ডিজে ৪১১ ৰাণ কৰি প্ৰথম ইনিংছ সামৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ব্লেকউদে ১০২ ৰাণ কৰাৰ লগতে ব্ৰেথৱেইটে ১৬০ ৰাণ কৰি দলৰ ফল'অন ৰক্ষা কৰে। ইফালে, প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰা ইংলণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি আজি অন্তিমদিনা শেহতীয়া খবৰ অনুসৰি তিনি উইকেটত কৰিছে ৭৬ ৰাণ। উল্লেখ্য যে টেষ্টখনত পোনতে বেটিং কৰা ইংলণ্ডে জ' ৰুট (১৫৩ৰ আৰু বেন ষ্টকছৰ (১২০ৰ শতক তথা লৰেন্সৰ ৯১ ৰাণৰ সহায়ত ন উইকেটত ৫০৭ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। ইয়াৰপূৰ্বে শৃংখলাৰ প্ৰথমখন টেষ্টো ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে ইংলণ্ডে বিজয়ৰ বাবে ৱেষ্ট ইণ্ডিজৰ সন্মুখত ২৮৬ ৰাণ লক্ষ্য দিয়াৰ পাছত ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত সেয়া অনুসৰণ কৰি চাৰি উইকেটত ১৪৭ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। স্মৰ্তব্য যে টেষ্টখনত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও দ্বিতীয় ইনিংছত সফল প্ৰত্যাৱৰ্তন কৰি ইংলণ্ডে নিজৰ পৰাজয় ৰোধ কৰিবলৈ সক্ষম হয়।






# নগাঁৱত যোগাসন ক্ৰীড়াৰ ৰাজ্যিক প্ৰশিক্ষণ শিবিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**বেৰেজীয়া, ২০ মাৰ্চ ঃ** অন্ধ্ৰপ্ৰদেশৰ পশ্চিম গোদাবড়িৰ টাডেপলীগুডামৰ দিপিএছত অহা ২৬-২৯ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া ৪৬ সংখ্যক ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া অসম দলটোৰ প্ৰশিক্ষণ শিবিৰটো আজিৰে পৰা নগাঁৱত আৰম্ভ হৈছে। অসম যোগ সংস্থাৰ সৌজন্যত আয়োজিত এই প্ৰশিক্ষণ শিবিৰটোত ৰাজ্যখনৰ বিভিন্ন জিলাৰ প্ৰায় ডেৰকুৰি যোগ খেলুৱৈয়ে অনুশীলন কৰিছে। অসম যোগ সংস্থাৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই জনোৱামতে অহা ২২ মাৰ্চলৈকে চলিবলগীয়া শিবিৰত পুৰুষ-মহিলা উভয়কে প্ৰশিক্ষণ দিয়া হ'ব আজি দুপৰীয়া এই শিবিৰটো ৰ'টাৰী ক্লাবৰ সামূহিক সেৱাৰ সঞ্চালক,প্ৰাক্তন খেলুৱৈ তথা বিশিষ্ট সমাজকৰ্মী জোন ৰাজখোৱাই আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত অসম যোগ সংস্থাৰ সভাপতি তপন কুমাৰ দাস,সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ বৰা,যুটীয়া সম্পাদক সমীৰ হাজৰিকা,নগাঁও জিলা যোগ সংস্থাৰ সম্পাদিকা লিলি সন্দিকৈ,কোষাধ্যক্ষ বিক্ৰম জিৎ দে ,অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী বিজু শইকীয়া আৰু সংবাদকৰ্মী জেহিৰুল ইছলাম আদি উপস্থিত থাকে।

## বিলাসনন্দন চ'ৰা



# হিন্দুস্তানী লোগ্ দুখী কিয় ?

**দিল্লীৰ** বাদশ্বাহ বৰ চিন্তাত পৰি গৈছে। কেৱল চিন্তাত পৰাই নহয়, নাৰ্ভাছো হৈ গৈছে। অলপ অলপ লাজতো পৰিছে। লাজততো পৰিবই দিয়কচোন। ৰাছিয়াৰ যুদ্ধ ৰুধিব নোৱাৰি পাব্লিকক কিবা এটা কৰি থকাৰ প্ৰমাণ দিবলৈ গৈ ৰাষ্ট্ৰসংঘই হিচাপ কৰিবলৈ লৈছে যে কোন দেছৰ মানুহ কিমান সুখী। এই হিচাপত ওলাইছে যে হিন্দুস্তানী লোগ্ আটাইতকৈ বেছি অসুখী। চাইনাৰ মানুহ বহু বেছি সুখী। সুখীতো হ'বই! চৌদিশে ভাইৰাছ বিয়পাই দি নিজে বিন্দাছ বহি আছে। পাকিস্তানৰ মানুহো হিন্দুস্তানীতকৈ সুখী। সুখীতো হ'বই। চাইনা-আমেৰিকা-ৰাছিয়া আটাইৰে পৰা ধাৰ পাই আছে যে! ধাৰ লৈ থাকিব পাৰিলে সব ধৰুৱাই সুখী হয়। ধাৰ পৰিশোধ কৰিব লাগিলেহে দুখী হয়। বাংলাদেশীও হিন্দুস্তানীতকৈ সুখী। সুখীতো হ'বই। জনসংখ্যাৰ ফিফ্‌টি পাৰ্চেণ্ট লোড্ ইণ্ডিয়াক দি বহি আছে যে!

কিন্তু হিন্দুস্তানী লোগ্ কিয় সুখী হোৱা নাই? দিল্লীৰ বাদশ্বাহে কথাটো হজম কৰিব পৰা নাই। বাদশ্বাহে অশেষ ত্যাগ আৰু কষ্ট কৰি সস্তীয়া বস্তুৰ পৰা বজাৰখন মুক্ত কৰি পেলাইছে। এতিয়া আৰু কোনো হিন্দুস্তানীয়ে সস্তীয়া বস্তুৰে সস্তীয়া ষ্টাইলত জীৱন ধাৰণ কৰিব নোৱাৰে। ছ'চাইটীত ধনী-দুখীয়াৰ ভেদাভেদ বাদশ্বাহে প্ৰায়ে নাইকিয়া কৰি পেলাইছে। আগেয়ে ধনীবোৰৰ লাইফষ্টাইল দেখি দুখীয়াবোৰে দুখ কৰিছিল। এতিয়া সেইবোৰ নাই। গাড়ীত তেল ভৰাব নোৱাৰি ধনীবোৰেও দুখীয়াবোৰৰ সমানে পেডেল মাৰিব লগা হৈছে। বিনামূলীয়াকৈ চিলিণ্ডাৰ দিছে দুখীয়াবোৰক। ভাত ৰান্ধিবলৈ নহয়, ষ্টেটাছ ছিম্বল হিচাপে পাকঘৰত সজাই ৰাখিবৰ কাৰণে, যাতে দুখীয়াবোৰৰ পাকঘৰলৈ চাই 'এতিয়াও খৰিৰেই....' বুলি ধনীবোৰে ঠাট্টা কৰিব নোৱাৰে। চিলিণ্ডাৰৰ দাম হেজাৰ টকা কৰি দি দুখীয়াবোৰকো বাধ্য কৰাই দিছে খালী চিলিণ্ডাৰটোক মাহৰ পাছত মাহ ধৰি পাকঘৰত সজাই থৈ খৰিৰ জুইত ভাত ৰান্ধিবলৈ। ষ্টেটাছো ৰক্ষা হ'ল আৰু খৰচো নহ'ল। বাদশ্বাহে জানে যে দুখীয়া মানুহবোৰ বেছিকৈ দুখী হয়। দুখটো বেছিকৈ বাঢ়ে ধনীবোৰৰ সুখ দেখি। সেইকাৰণে ধনীবোৰৰ সুখৰ পাৰ্চেণ্টেজটো অলপ কমাই আনি দুখীয়াবোৰৰ লগত মিলাই ৰাখি 'আচ্ছে দিন' আনিবলৈ বাদশ্বাহে প্ৰাণ-পণে চেষ্টা কৰি আহিছে। বহু চকু চৰহাই ক'ব খোজে যে 'আচ্ছে দিন' নাহিল যদিও 'আস্তে দিন' কিন্তু আলবৎ আহিছে। বুলেট ট্ৰেইনৰ ৰেললাইন আস্তে আস্তে বনি আছে। এশখন স্মাৰ্ট চিটীও আস্তে আস্তে বনি আছে। মেক ইন ইণ্ডিয়াও আস্তে আস্তে মেকিং পৰ্যায়ত আছে। ফৰেইনৰ পৰা ব্লেকমানিও আস্তে আস্তে আহি আছে। গোটেই ইণ্ডিয়াখনেই আম্বানী-আদানিৰ হাতলৈ আস্তে আস্তে বিক্ৰী হৈ গৈ আছে। মাজুলীৰ দলঙৰ লেখীয়া দলংবোৰ আস্তে আস্তে বনি গৈ আছে। কংগ্ৰেছো আস্তে আস্তে চাফা হৈ গৈ আছে। ভাল কাম বা বেয়া কাম-সব কামেই আস্তে আস্তে হৈ গৈ আছে। আটাইতকৈ বেছি আস্তে আস্তে হোৱা কামটো হ'ল 'সবকা বিকাছ'।



কিন্তু বাদশ্বাহ থমকি ৰোৱা বিধৰ মানুহ নহয়। এমুৰৰ পৰা তেওঁ চিন্তা কৰি চালে হিন্দুস্তানী লোগ্ দুখী হোৱাৰ কাৰণ কি হ'ব পাৰে। বস্তুৰ দাম, তেলৰ দাম, একাউণ্টে একাউণ্টে পোন্ধৰ লাখকে ধৰি বিভিন্ন কাৰণ এনালাইছিছ কৰি বাদশ্বাহে আহি ৰাজসভাত ক'লে—'নহয়! সেইবোৰ একো নহয়। হিন্দুস্তানী লোগ্ দুখী হোৱাৰ কাৰণ বেলেগ!'

ঃ কি কাৰণ জাহাপনা?

ঃ হিন্দুস্তানী কিয় দুখী হৈছে জানা?

ঃ কিয় জাহাপনা? কোনে দুখী কৰিছে হিন্দুস্তানীক?

বাদশ্বাহে উত্তৰ দিলে—'নেহৰুৱে। নেহৰুৰ কাৰণেই হিন্দুস্তানী লোগ্ দুখী হৈছে!' তাৰ কাৰণ দৰ্শাই বাদশ্বাহে ক'লে—'নেহৰুৱে যে চীন-ভাৰতৰ যুদ্ধখন লগাই দি বৰ বেয়াকৈ হৰুৱাই দিছিল, সেই দুখ হিন্দুস্তানীৰ মনৰ পৰা আজিও আঁতৰ হোৱা নাই।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

**নিউজ ব্যুৰ'**


**কিয়েভ, ২০ মাৰ্চ ঃ** ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধই ইতিমধ্যে ২৫টা দিনত ভৰি দিলে। ক্ৰমাৎ ভয়াৱহ হৈ উঠা এই যুদ্ধৰ পৰিণতিত ইউক্ৰেইনৰ চৌদিশে কেৱল ধ্বংসযজ্ঞ। এফালৰ পৰা সকলোবোৰ ছাৰখাৰ হৈ আছে। গোলা-বাৰুদৰ ধোঁৱাৰ লগত মিলি গৈছে সৰ্বসাধাৰণৰ চকুপানী। ইয়াৰ মাজতে পোহৰলৈ আহিছে কেতবোৰ হৃদয়বিদাৰক ঘটনা।যিবোৰ ঘটনাই বহুতকে আৱেগিক কৰিও তুলিছে। সম্প্ৰতি ইউক্ৰেইনৰ এটি ন বছৰীয়া কন্যা শিশু আৰু এগৰাকী সদ্য-মাতৃৰ ঘটনাই সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। নিজৰ এখন হাতৰ লগতে পিতৃক চিৰকাললৈ হেৰুওৱা সত্ত্বেও ন বছৰীয়া শিশুটিয়ে দেখুৱাইছে মহানতাৰ নিদৰ্শন। সেইদৰে সন্তানৰ প্ৰাণৰক্ষাৰ বাবে মাতৃয়ে নিজৰ শৰীৰকে কবচ কৰি তোলা ঘটনাক সকলোৱে প্ৰশংসা কৰিছে।

# গুলিত হেৰুৱালে হাত, তথাপি ৰুছ সেনাক দোষ নিদিয়ে কন্যা শিশুৱে



## সন্তানক বোমাৰ পৰা ৰক্ষা কৰিবলৈ কবচত পৰিণত হ'ল মাতৃ

ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ ঘটনা। অনৰ্গল ক্ষেপণাস্ত্ৰৰ আক্ৰমণ চলিছে ঘৰৰ সন্মুখত। ঘৰ-বাৰী এৰি পৰিয়ালসহ নিৰাপদ আশ্ৰয় বিচাৰি পশ্চিম কিয়েভ ত্যাগ কৰিছিল এজন লোকে। তেওঁ নিজে গাড়ী চলাইছিল। লগত পত্নী আৰু দুই কন্যা। অৱশ্যে তেওঁলোকে বেছি দূৰ যাব নোৱাৰিলে। হষ্ট'মেল চহৰত হঠাৎ তেওঁলোকৰ গাড়ীত আঘাত কৰিলেহি ইটোৰ পাছত সিটো গুলিয়ে। এটি ন বছৰীয়া কন্যাশিশুৰ এখন হাত ৰুছ সেনাৰ গুলিয়ে বিদীৰ্ণ কৰে। কিছুদিন হাস্পতালত থকাৰ পাছত সম্প্ৰতি শিশুটিৰ গুলিবিদ্ধ হাতখন কাটি পেলাবলগীয়া হয়। সেই ঘটনাত শিশুটিৰ পিতৃও নিহত হয়। তৎসত্ত্বেও আহত শিশুটিৰ দৃঢ় বিশ্বাস, ৰুছ সেনাই তেওঁক ইচ্ছাকৃতভাৱে আঘাত কৰা নাছিল। কাৰণ শিশুটিৰ স'তেনো ৰুছ সেনাসকলৰ কিহৰ শত্ৰুতা? সংবাদ সূত্ৰই জনোৱা মতে, আহত শিশুটিৰ নাম চাছা।



পিতৃ-মাতৃৰ স'তে গাড়ীৰে কিয়েভ ত্যাগ কৰাৰ সময়তে চাছা ৰুছ সেনাৰ আক্ৰমণৰ মুখত পৰে। গাড়ীৰ পৰা নামি পৰিয়ালটোৱে দৌৰি দৌৰি নিৰাপদ স্থানৰ সন্ধান কৰিছিল। তেতিয়াই ৰুছ সেনাৰ গুলিত চাছাৰ পিতৃ নিহত হয়। মাতৃ আৰু জ্যেষ্ঠা ভগ্নীয়ে কোনো মতে নিৰাপদ আশ্ৰয় লাভ কৰিলেও গুলিত আহত হৈ ঢলি পৰে চাছা। পাছত এটা স্বেচ্ছাসেৱক সংস্থাৰ একাংশ সদস্যই চাদৰেৰে মেৰিয়াই মৃতপ্ৰায় কণমানিজনীক হ'ষ্টমেলৰ এখন হাস্পতাললৈ নিয়ে। একেৰাহে দুদিন চাছা অজ্ঞান হৈ আছিল। যেতিয়া চেতনা আহিল, তেতিয়া কণমানি ছোৱালীজনীয়ে গম পালে যে তেওঁৰ এখন হাত নাই। ইমানৰ পাছতো কণমানি ছোৱালীজনীয়ে ভাবে যে তেওঁৰ ওপৰত পুটিন বাহিনীৰ কোনো ব্যক্তিগত শত্ৰুতা নাই। চাছাই কয়, 'মই নাজানো, ৰুছ সেনাই কিয় মোক গুলীয়ালে। মই ভাবো যে এয়া আচলতে এক দুৰ্ঘটনাহে। তেওঁলোকে নিশ্চয় মোক ইচ্ছাকৃতভাৱে আঘাত কৰা নাই।' ন বছৰ বয়সতে অতি বিজ্ঞৰ দৰে চাছাই পুনৰ কয়, 'মোৰ এখন হাতত গুলি লাগে। ভগ্নীৰ গাৰ ওপৰতে বাগৰি পৰিছিলো। মোৰ মাও পৰি যায়। মাৰ মৃত্যু হৈছে বুলিয়ে মোৰ ধাৰণা হৈছিল, কিন্তু নহয়। মাই আমাক লৈ লুকাই পৰে। তাৰ পাছত আৰু মোৰ একো মনত নাই।'

ইপিনে, আজি কিয়েভৰ এখন হাস্পতালে প্ৰকাশ কৰা এখন ফটোক সামাজিক মাধ্যমত মাতৃত্বৰ শ্বাশত প্ৰতীক আখ্যা দিয়া হৈছে। ইয়াৰ সমান্তৰালকৈ ইউক্ৰেইনৰ মানুহ সম্প্ৰতি কেনে ভয়াৱহ পৰিৱেশৰ সন্মুখীন হৈছে, সেই বতৰাও দিব পাৰে এই ফটোখনে। ফটোখনত দেখা গৈছে এগৰাকী মহিলাৰ সৰ্বশৰীৰত আঘাত। কিয়নো নিজৰ সদ্যোজাত সন্তানক ৰুছ সেনাৰ বোমাৰ পৰা ৰক্ষা কৰিবলৈ নিজৰ শৰীৰকো কবচত পৰিণত কৰিছিল সেই মাতৃয়ে। নিজৰ শৰীৰেৰে ভালদৰে ঢাকি ৰখাৰ বাবেই এমহীয়া শিশুটি অক্ষত অৱস্থাত থাকিবলৈ সক্ষম হ'ল। বোমা বৃষ্টিৰ মাজতো শিশুৰ শৰীত এটাও আঁচোৰ নালাগিল। মাতৃৰ স্নেহেই শিশুটিক ৰক্ষা কৰিলে। কিয়েভৰ এখন চৰকাৰী শিশু হাস্পতালৰ তৰফৰ পৰা ফেচবুক প'ষ্টত ঘটনাৰ সবিশেষ বৰ্ণনা কৰিছে। ফেচবুকতে হাস্পতাল কৰ্তৃপক্ষই জনাইছে যে শিশুটি অক্ষত অৱস্থাত থাকিলেও বোমাৰ আঘাতত মাতৃ গুৰুতৰভাৱে আহত হৈছে।

শনিবাৰে পুৱতি নিশা এই ঘটনা সংঘটিত হোৱাৰ সময়ত মাতৃয়ে সদ্যোজাত সন্তানক স্তনপান কৰাই আছিল। পিতৃও ঘৰতে আছিল। দুয়ো সমগ্ৰ নিশাটো ৰুছ যুদ্ধবিমানে বোমা পেলোৱাৰ শব্দত বিদ্ধ হৈ পৰিছিল। হঠাতে তেওঁলোকৰ বাসগৃহতো এটা বোমা আহি পৰে। শিশুটিৰ পিতৃয়ে কয়, 'নিশা যেতিয়া বোমাৰ শব্দ ক্ৰমাৎ আগবাঢ়ি আহিছিল, মই তেতিয়া আমাৰ চোতাললৈ ওলাই আহিছিলো।চকুৰ সন্মুখতে ঘৰৰ কাষৰে এখন শিশুৰ স্কুলত বোমা পৰা দেখা পালো। স্কুলখনৰ উপৰি ওচৰৰ কোনো ঘৰতে ছাদ নাছিল। দুৱাৰ-খিৰিকীও ছিন্নভিন্ন হৈছিল। চকুৰ সন্মুখতে এজাক কাচৰ টুকুৰা উৰি অহা দেখা পাইছিলো।' ইয়াৰ পাছতেই মাতৃয়ে শিশুটিক বুকুত সাৱটি দৌৰিবলৈ আৰম্ভ কৰিছিল। যদিও বোমাৰ আঘাতত বিদ্ধ হৈছিল তেওঁৰ শৰীৰ। কিয়েভৰ উক্ত হাস্পতালে জনাইছে যে শিশুটিৰ পিতৃয়েও ভৰিত আঘাত পাইছিল। তেওঁৰো চিকিৎসা অব্যাহত আছে। হাস্পতালত চিকিৎসাধীন পৰিয়ালটোৰ এখন ফটোও সম্প্ৰতি ফেচবুকত প'ষ্ট কৰা হৈছে। ফটোত দেখা গৈছে আহত অৱস্থাতে মাতৃয়ে এমহীয়া সন্তানক স্তনপান কৰাইছে। তেওঁৰ মূৰত ডাঙৰ বেণ্ডেজ। সমগ্ৰ শৰীৰতে আঘাতৰ চিহ্ন। কাষতে থিয় হৈ আছে তেওঁৰ স্বামী।

# দেশ ৰক্ষাৰ বাবে ইউক্ৰেইনৰ সেনাত যোগ দিবলৈ আগ্ৰহী ৯৮ বছৰীয়া 'যুৱতী'



**নিউজ ব্যুৰ'**

**কিয়েভ, ২০ মাৰ্চ ঃ** ৰাছিয়া-ইউক্ৰেইনৰ মাজত চলি থকা ভয়ানক যুদ্ধত যথেষ্ট আগবাঢ়ি আছে ভ্লাডিমিৰ পুটিনৰ বাহিনী। তৎসত্ত্বেও ২৫দিন যুদ্ধ কৰাৰ পাছতো ৰাজধানী কিয়েভ দখল কৰিব পৰা নাই ৰাছিয়াই। ৰুছ বাহিনীক প্ৰতিৰোধ কৰিবলৈ ইউক্ৰেইনৰ সেনাই সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰিবলগীয়া হ'লেও দেশখনে দেখুৱাইছে স্বদেশপ্ৰেমৰ বিৰল নিদৰ্শন। বাৰে বাৰে ইয়াৰ উদাহৰণ বিশ্বক দেখুৱাইছে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কীৰ পৰা আৰম্ভ কৰি সেনাবাহিনী বা সাধাৰণ মানুহে। ৰাষ্ট্ৰপতিয়ে যদি কৈছে যে আমৃত্যু তেওঁ ইউক্ৰেইনতে থাকিব, কোনো কাৰণতে দেশ এৰি নাযায়; আকৌ ৰুছ টেংক ৰোধ কৰিবলৈ নিজক বোমাৰে উৰুৱাই দলং ভাঙি দিছে দেশখনৰ সেনাই। আকৌ ৰুছ বাহিনীৰ টেংকৰ সন্মুখত থিয় দি উভতি ধৰিছে সাধাৰণ মানুহে। বহু খেলুৱৈ তথা অন্যান্য ক্ষেত্ৰৰ লোকেও হাতত বন্দুক লৈ যুদ্ধক্ষেত্ৰত নামি পৰিছে। এনে দেশপ্ৰেমৰে শেহতীয়া নিদৰ্শন দাঙি ধৰিলে দেশখনৰ এগৰাকী ৯৮ বছৰীয়া বৃদ্ধাই। বয়স যিয়েই নহওক, মাতৃভূমিক শত্ৰুৰ পৰা ৰক্ষা কৰিবলৈ যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ ইচ্ছা ব্যক্ত কৰিলে শতায়ুৰ দিশে আগবঢ়া বৃদ্ধাই। এই তথ্য সদৰী কৰি ইউক্ৰেইনৰ বৈদেশিক মন্ত্ৰণালয়ে কৰা এটা টুইট সম্প্ৰতি ভাইৰেল হৈ পৰিছে। দেশৰ প্ৰতি বৃদ্ধাৰ এই ভালপোৱাক সকলোৱেই অভিবাদন জনাইছে।

**দ্বিতীয় বিশ্বযুদ্ধতো স্বদেশৰ হকে যুঁজ দিছিল শতায়ুৰ দিশে আগবঢ়া বৃদ্ধাই**


৯৮ বছৰীয়া এই বৃদ্ধাৰ নাম অ'লহা টিভেৰড'খলিব'ভা। জীৱনৰ আৰম্ভণিতে তেওঁ সন্মুখীন হৈছিল দ্বিতীয় বিশ্বযুদ্ধৰ। যুদ্ধ কৰিছিল মাতৃভূমিৰ সন্মান ৰক্ষা কৰিবলৈ। এতিয়া বয়সে শৰীৰক অনুমতি নিদিয়ে, হাড়ৰো জোৰ কমিছে। তথাপি মাতৃভূমি বিপন্ন হোৱাৰ সময়ত তেওঁ নীৰৱে চাই থাকিব পৰা নাই, শত্ৰুৰ বিৰুদ্ধে হাতত মাৰণাস্ত্ৰ লৈ যুদ্ধক্ষেত্ৰত নামি পৰিবলৈ তেওঁৰ জৰাগ্ৰস্ত শৰীৰতে যেন তগবগ কৰিছে নতুন তেজে। অ'লহাই জনাইছে যে জীয়াই থাকিবলৈ তেওঁ যুদ্ধমুক্ত মাতৃভূমি চাব বিচাৰে। ইউক্ৰেইনৰ বৈদেশিক মন্ত্ৰণালয়ে বৃদ্ধাৰ ফটোসহ টুইটত লিখিছে, '৯৮ বছৰীয়া অ'লহা টিভেৰড'খলিব'ভা, যি এগৰাকী দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰবীণ, তেওঁৰ জীৱনত দ্বিতীয় বাৰলৈ যুদ্ধত অৱতীৰ্ণ হ'ব বিচাৰে। তেওঁ পুনৰ নিজৰ মাতৃভূমিক ৰক্ষা কৰিবলৈ প্ৰস্তুত আছিল (অৰ্থাৎ যুদ্ধত যোগ দিব বিচাৰে)। অৱশ্যে সম্পূৰ্ণ যোগ্যতা আৰু অভিজ্ঞতা থকা সত্ত্বেও বয়সৰ কাৰণেই তেওঁক সেই সুযোগ দিয়া নহ'ল। আমি নিশ্চিত যে তেওঁ কিয়েভত শীঘ্ৰেই আৰু এক জয় উদযাপন কৰিব।' উল্লেখ্য যে চলিত যুদ্ধত ৰাছিয়াৰ স্থিতি সবল হ'লেও ইউক্ৰেইনৰ সাধাৰণ মানুহৰ এনেবোৰ কথা-কাণ্ডই দেশখনক বিশ্ববাসীৰ ওপৰত প্ৰিয় কৰি তুলিছে। অধিকাংশ লোকেই মন্তব্য কৰিছে যে ইউক্ৰেইনৰ সাধাৰণ মানুহৰ এনে মনোভাৱৰ কাৰণেই হেজাৰ চেষ্টা কৰিও ২৫ দিন পৰ্যন্ত কিয়েভ দখল কৰিব পৰা নাই ৰুছ বাহিনীয়ে। কিয়নো এই ক্ষেত্ৰত ডাঙৰ হৈ উঠিছে দেশপ্ৰেম।



# লেংটিছিঙাত চোৰাং চাউলভৰ্তি বলেৰ' পিকআপ জব্দ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২০ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী থানাৰ অন্তৰ্গত লেংটিছিঙা আৰক্ষী নিৰীক্ষণ চকীৰ তৎপৰতাত সন্দেহজনকভাৱে চাউল কঢ়িওৱা এখন বাহন জব্দ কৰিবলৈ সক্ষম হয়। লেংটিছিঙা আৰক্ষী নিৰীক্ষণ চকীৰ উপ-পৰিদৰ্শক মোবাৰক আলীৰ নেতৃত্বত আজি পুৱতি নিশা ৰাজ্যিক ঘাইপথত অভিযান চলাই চোৰাং চাউলভৰ্তি এখন বলেৰ' গাড়ী জব্দ কৰে। এ এছ ১৯ চি-২৩৪৭ নম্বৰৰ চাউলভৰ্তি গাড়ীখনে বৰপেটাৰ দিশৰ পৰা অভয়াপুৰী অভিমুখে আনুমানিক ৩৫ কুইন্টল চাউল কঢ়িয়াই অনাৰ সময়তে আৰক্ষীয়ে চাউলসহ গাড়ীখন জব্দ কৰে যদিও বাহনখনৰ চালকজন পলাই যাবলৈ সক্ষম হয়। অভিযোগ অনুসৰি ছহিদুল ইছলাম নামৰ চোৰাং চাউল ব্যৱসায়ীজনে দীৰ্ঘদিন ধৰি চোৰাং চাউলৰ বেহা অব্যাহত ৰাখি বহিঃৰাজ্যলৈ চোৰাংভাৱে চাউল কঢ়িয়াই আহিছে। ইপিনে, চোৰাং চাউলৰ ৰমৰমীয়া ব্যৱসায় সন্দৰ্ভত নাগৰিক সুৰক্ষা মঞ্চৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে কয় যে এনে চোৰাং চাউলৰ ব্যৱসায় আজি নতুন নহয়, দীৰ্ঘদিনৰ পৰা এনে ব্যৱসায় চলি আহিছে। কিন্তু আজি বহু চেষ্টাৰ ফলতেই চোৰাং চাউলৰ বাহন জব্দ হৈছে। বৰ্মনে অভিযোগ কৰামতে, একাংশ সমবায়ৰ পৰা এই ব্যৱসায়ীসকলে চোৰাংভাৱে বৃহৎ পৰিমাণৰ চাউল ক্ৰয় কৰি সমবায়ৰ চাউলভৰ্তি বস্তা সলনি কৰি অইন বস্তা ব্যৱহাৰ কৰে। এনে কাৰ্যত সমবায় সমিতি, যোগান বিভাগ, এফ চি আইৰ সকলো জড়িত। তেনেক্ষত্ৰত সংশ্লিষ্ট আৰক্ষী থানাত গোচৰ ৰুজু হয় যদিও তেনে চাউল বিভাগৰ নহয় বুলি প্ৰতিবেদন দিয়াত চোৰাং চাউলৰ ব্যৱসায়ীসকলে বিনাদ্বিধাই ব্যৱসায় চলাই আহিছে।



*চুবুৰীয়া মেঘালয়ত দুসাহসী ক্ৰীড়াত অংশগ্ৰহণ কৰিছে পৰ্যটকে।*

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটনলৈ আশাৰ বতৰা

# এবছৰত প্ৰায় পাঁচ কোটি টকাৰ ৰাজহ সংগ্ৰহ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২০ মাৰ্চ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটন উদ্যোগলৈ চলিত বিত্তীয় বৰ্ষত আহিছে আশাৰ বতৰা। বিগত দুই-তিনিটা বৰ্ষৰ বিশ্বজুৰি হোৱা স্থবিৰতাৰ অন্তত শেহতীয়া পৰ্যটন বৰ্ষটোত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ বৈছে দেশ-বিদেশৰ সৌন্দৰ্যপিপাসু পৰ্যটকৰ সোঁত। এই পৰ্যটন বৰ্ষটোত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ আহিছে দুই লাখ ২০ হেজাৰ ৭৬০ গৰাকী পৰ্যটক। ইয়াৰে দুই লাখ ২০ হেজাৰ ২৭ গৰাকী ভাৰতৰ বিভিন্ন ৰাজ্য তথা অঞ্চলৰ লগতে ৭৩৩ গৰাকী বিদেশী পৰ্যটকে পৰ্যটন কৰিছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। পূৰ্বৰ বহুকেইটা বৰ্ষৰ অভিলেখ ভাঙি এইবাৰ ৰাষ্ট্ৰীয় উদ্যানখনে লাভ কৰিছে মুঠ চাৰি কোটি ৪৬ লাখ ৭৫ হেজাৰ ৬৬০ টকাৰ ৰাজহ। তথ্য অনুসৰি, ২০১৮ৰ ডিচেম্বৰত ৩১১৭৭ গৰাকী দেশীয় আৰু ২০৮২ গৰাকী পৰ্যটককে ধৰি ৩৩২৫৯ গৰাকী পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিছিল। ইয়াৰ বিপৰীতে ২০১৯ বৰ্ষৰ ডিচেম্বৰত ১৫৯৬০ গৰাকী দেশীয় আৰু ১২৫৮ গৰাকী পৰ্যটককে ধৰি মাত্ৰ ১৭২১৮ গৰাকী পৰ্যটকেহে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰে। আনহাতে, ২০১৮-১৯ পৰ্যটন বৰ্ষৰ ১,৬৮, ৯৭১ গৰাকী ভাৰতীয় আৰু ৭,৪৪৩ গৰাকী বিদেশী পৰ্যটকৰ বিপৰীতে ২০১৯-২০ বৰ্ষত কাজিৰঙাত ক্ৰমে ১,৫৪,৩৫৭ গৰাকী ভাৰতীয় আৰু ১১,৩৯২ গৰাকী বিদেশী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰে। ২০১৮-১৯ বৰ্ষৰ মুঠ পৰ্যটক ১,৭৬,১৮১ গৰাকীৰ বিপৰীতে ২০১৯-২০ বৰ্ষত ১,৬৫,৭৪৯ গৰাকীলৈ হ্ৰাস পায়। আনহাতে, ২০১৮-১৯ত ৪,৮২,৪২,২২৯ টকাৰ বিপৰীতে ২০১৯-২০ত ৰাজহ সংগ্ৰহ হয় ৪,৭৫,৮৩,৪৯১ টকা। বিভিন্ন সুবিধাৰে সজ্জিত উদ্যানখনে পৰ্যটকৰ পৰা শেষৰ বছৰটোত ১০ কোটি টকা সংগ্ৰহৰ আশা কৰিছিল। জানিব পৰা মতে, ২০০৯-১০ৰ পৰা ২০১৯-২০ৰ মাজত উদ্যানখনে পৰ্যটকৰ পৰা সৰ্বাধিক ৰাজহ লাভ কৰিছিল ২০১৭-১৮ত। পৰিমাণ আছিল ৫,৬০,২২,২৯৫ টকা। আনহাতে, চলিত পৰ্যটন বৰ্ষত কাজিৰঙাত ৬৪১০০ গৰাকী পৰ্যটকৰ আগমন ঘটাৰ বিপৰীতে এক কোটি ২৭ লাখ টকা কেৱল বনবিভাগে ৰাজহৰূপে লাভ কৰিছে। বহিঃৰাজ্য অথবা বিদেশী পৰ্যটক নথকাৰ পাছতো কাজিৰঙাৰ চৰকাৰী অৰণ্য ল'জে কেৱল যোৱা ডিচেম্বৰতে ১৫ লাখ টকাৰ ৰাজহ সংগ্ৰহ কৰিছিল। বেচৰকাৰী ল'জ-ৰিজৰ্টৰ লগতে ধাবা, ৰেষ্টুৰেণ্টত যথেষ্ট ভিৰ হোৱা পৰিলক্ষিত হৈছিল। আনহাতে, কাজিৰঙা পৰ্যটনত শেহতীয়াকৈ যুক্ত হোৱা কাজিৰঙা জাতীয় অৰ্কিড উদ্যান মুকলিৰ পাছত বিভিন্নগৰাকী পৰ্যটকৰ আগমন ঘটিছে। প্ৰায় ৬০০ বিধ বিভিন্ন প্ৰজাতিৰ অৰ্কিড নিজৰ বুকুত ৰখাৰ সমান্তৰালভাৱে হেৰাই যোৱা তৰু-তৃণক আপডাল কৰা কাজিৰঙাৰ দুৰ্গাপুৰত অৱস্থিত অৰ্কিড উদ্যানখনত যোৱা বৰ্ষত মুকলিৰ দিনা মাত্ৰ ৩০ গৰাকী অসমৰ পৰ্যটকৰ উপস্থিতি হয় যদিও শেহতীয়াকৈ বিভিন্ন অসমীয়া পৰ্যটকৰ উপস্থিতি পৰিলক্ষিত হৈছিল। ২০২০ৰ মাৰ্চৰ পৰা বন্ধ হৈ থকা উদ্যানখন ২০২০-২১ পৰ্যটন বৰ্ষৰ বাবে মুকলি কৰে।

# তামুলপুৰৰ ভূটান সীমান্তৰ শুকানজুলি ফায়াৰিং ৰেঞ্জত জীৱন মৃত্যুৰ খেলা



## এমুঠি অন্নৰ বাবেই ফায়াৰিং ৰেঞ্জৰ গোলা-বাৰুদৰ অৱশিষ্ট সংগ্ৰহ কৰি জীৱিকাৰ সন্ধান একাংশ লোকৰ ঃ দৰিদ্ৰতা আৰু কৰ্ম-সংস্থানহীনতাৰ বাবেই মৰণকো নেওচি কঠোৰ জীৱন সংগ্ৰাম

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২০ মাৰ্চ ঃ** স্বাধীনতাৰ ৭৪ বছৰৰ পাছতো উন্নয়ন আৰু পৰিৱৰ্তনে ঢুকি নোপোৱা তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ এক বৃহত্তৰ অঞ্চল। দৰিদ্ৰতা আৰু কৰ্ম-সংস্থানহীনতাৰ বাবে সম্প্ৰতি কঠোৰ জীৱন সংগ্ৰাম চলাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে ভূটান সীমান্তৰ অনগ্ৰসৰ বৃহত্তৰ অঞ্চলটোৰ দৰিদ্ৰ বাসিন্দাসকলে। একমাত্ৰ পেটৰ তাড়নাত এমুঠি অন্নৰ বাবেই ফায়াৰিং ৰেঞ্জৰ গোলা-বাৰুদৰ অৱশিষ্ট সংগ্ৰহ কৰি সেইবোৰ বিক্ৰী কৰি পোৱা সামান্য ধনেৰে বছৰ বছৰ ধৰি অব্যাহত ৰাখিছে কঠোৰ জীৱন সংগ্ৰাম। যাৰ বাবে আনকি এই দৰিদ্ৰ লোকসকলে বহুসময়ত মৰণকো আওকাণ কৰিবলগীয়া হয়। সম্প্ৰতি দুবেলা দুমুঠি খাই জীয়াই থাকিবলৈ নিজৰ হাতৰ মুঠিত জীৱনটো লৈ ভূটান সীমান্তৰ পাহাৰৰ বুকুত শুকানজুলি ফায়াৰিং ৰেঞ্জত সেনা বাহিনীয়ে বিস্ফোৰিত কৰা গোলা-বাৰুদৰ অৱশিষ্ট বিচাৰি জীৱন-মৃত্যুৰ খেলা কৰি জীৱন সংগ্ৰাম চলাই যাবলগীয়া হৈছে সীমান্তৰ শুকানজুলি, পাহাৰপুৰ, পাটকীজুলি, অভয়পুৰ, শান্তিপুৰ, টিপাবস্তি আদি বৃহত্তৰ অঞ্চলৰ একাংশ দৰিদ্ৰ লোকে। বছৰটোৰ প্ৰায় প্ৰতিটো দিনেই সেনাবাহিনীৰ বিভিন্ন গোটৰ গোলা-বাৰুদৰ অনুশীলন চলে শুকানজুলি ফায়াৰিং ৰেঞ্জত। এদিনৰ কাৰণে অনুশীলন বন্ধ হ'লেই হাতে হাতে দা, কোৰ, খন্তি আদি লৈ গোলা-বাৰুদৰ অৱশিষ্ট বিচাৰি উবুৰি খায় পৰে বৃহত্তৰ অঞ্চলটোৰ শিশু, মহিলাৰ পৰা বৃদ্ধলৈ। একমাত্ৰ এমুঠি অন্ন যোগাৰ কৰি পৰিয়াল পোহপাল দিয়াৰ স্বাৰ্থতে আনকি কিছু লোকে সেনাবাহিনীৰ গোলা-বাৰুদৰ বিস্ফোৰণৰ পূৰ্বেই পাহাৰৰ বুকুত গাঁত খান্দি বিপজ্জনক অৱস্থাত লুকাই থাকে। এনেদৰে পাহাৰৰ বুকুত লুকাই থকা অৱস্থাতে বিস্ফোৰিত বোমাৰ টুকুৰাৰৰ আঘাতত ইতিমধ্যে একাধিক লোকৰ মৃত্যু হোৱাৰ লগতে চিৰদিনলৈ ঘূণীয়া হৈছে বিভিন্নজন। আনহাতে, পাহাৰৰ বুকুত গোলা-বাৰুদৰ অৱশিষ্ট বিচাৰি থাকোতে বিস্ফোৰণ নোহোৱা জীৱন্ত গ্ৰেণেডকে ধৰি বিভিন্ন গোলা-বাৰুদ মানুহৰ সংস্পৰ্শলৈ আহি বিস্ফোৰিত হৈও বিগত সময়ত বহু অঘটন সংঘটিত হৈছে। তৎসত্ত্বেও একমাত্ৰ কৰ্মহীনতাৰ বাবেই ভূটান সীমান্তৰ একাংশ লোকে এনেদৰেই মৰণত শৰণ দি চলাই গৈছে জীৱন সংগ্ৰাম। ভূটান সীমান্তৰ দৰিদ্ৰ লোকসকলক কঠোৰ জীৱন সংগ্ৰাম চৰজমিন অনুসন্ধানৰ সময়ত একাংশ স্থানীয় সচেতন লোকে 'দৈনিক অগ্ৰদূত'ৰ আগত প্ৰকাশ কৰা মতে, শুকানজুলি ফায়াৰিং ৰেঞ্জৰ সমীপৰ বহু অঞ্চলত আজিলৈকে জলসিঞ্চনৰ লগতে আন কোনো ধৰণৰ চৰকাৰী আঁচনিৰ ব্যৱস্থা নকৰাত বৃহত্তৰ অঞ্চলটোৰ ৰাইজে কৃষিকৰ্ম কৰিও পৰিয়াল পোহপাল দিব নোৱাৰে। ইপিনে, সীমান্তৰ একাংশ লোকে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ বিভিন্ন উদ্যোগত মজদুৰী কৰি পৰিয়াল পোহপাল দিছিল। যদিও ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে ভূটান চৰকাৰে ভাৰতীয় শ্ৰমিক সকলক ভূটানৰ পৰা উলিয়াই দিয়াত কৰ্মহীন হৈ পৰে সীমান্তৰ বহু লোক। আনহাতে, সীমান্তৰ বহু লোকে বহিঃৰাজ্যলৈ গৈ কাম কৰিছিল যদিও শেহতীয়াকৈ অঞ্চলটোৰ কে'বাজনো লোক মানৱ সৰবৰাহকাৰীৰ কবলত পৰাত এতিয়া বহিঃৰাজ্যলৈও কৰ্মৰ সন্ধানত যাবলৈ এৰাত বহুজন কৰ্মহীন হৈ পৰিছে। যাৰ বাবে এতিয়া সীমান্তৰ বহু লোকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি হ'লেও শুকানজুলি ফায়াৰিং ৰেঞ্জৰ গোলা-বাৰুদৰ অৱশিষ্ট সংগ্ৰহ কৰিয়েই জীৱন নিৰ্বাহ কৰি আছে।

উল্লেখ্য যে উত্তৰ পূব ভাৰতত থকা ভাৰতীয় সেনাবাহিনীৰ অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদৰ একমাত্ৰ প্ৰশিক্ষণথলী শুকানজুলি ফায়াৰিং ৰেঞ্জৰ অন্তৰ্গত অঞ্চলত সাধাৰণ লোকৰ প্ৰৱেশ নিষেধ। সেনাবাহিনাৰ এই নিষেধাজ্ঞায়ো বান্ধি ৰাখিব পৰা নাই অঞ্চলটোৰ দৰিদ্ৰ বাসিন্দাসকলক।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।

ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।

E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com